# ক্ষৰলি

দ্বিতীয় বছৰ দ্বিতীয় সংখ্যা, মে’ ২০২৩

**সম্পাদনা সমিতি ঃ**

উপদেষ্টা
ডাঃ বিৰাজজ্যোতি গোস্বামী
পল্লব ভট্টাচাৰ্য্য

সম্পাদক
ড° পবন কুমাৰ চহৰীয়া

সদস্য
মদন চন্দ্ৰ ডেকা, তপোধন দাস,
পূৰ্ণেন্দু শৰ্মা, ৰঞ্জনা দত্ত,
ব্ৰজ মোহন চৌধুৰী, মীনাক্ষী ৰায় ডাকুৱা

পদেন সদস্য
জয়ন্ত চৌধুৰী, সভাপতি, আস্থা
ৰাতুল বৰুৱা, সম্পাদক, আস্থা

প্ৰকাশক ঃ
Alumni Association for Social Transformation and Harmony, Assam; Cottonion PU **(AASTHA)**

পঞ্জীয়ন নং ঃ RS/KAM(M)/263/5/29

মূল্য ঃ ৩০.০০ টকা

বেটুপাত ঃ মনজিৎ ৰাজখোৱা
স্কেচ্চ ঃ ইণ্টাৰনেট

মুদ্ৰণ ঃ
শ্ৰীগণেশ প্ৰিণ্টাৰ্চ্ছ, নুনমাটি, গুৱাহাটী-২০
ফোন ঃ ৯৭০৭০১০৮৮৯, ৯১০১১৬৪৪৬১

**এই সংখ্যাত**

*প্ৰবন্ধ*

- বেদান্তৰ সাঁচ/৪
  ড° সুধেন্দু মোহন ভদ্ৰ
- প্ৰযুক্তি আৰু সুৰক্ষাৰ সন্তুলন-
  সময়ৰ আহ্বান/১০
  পল্লব ভট্টাচাৰ্য্য
- গ্ৰীন মবিলিটি- বৈদ্যুতিক বাহন আৰু ৰাজহুৱা পৰিবহণৰ
  উপযোগিতা /১৪
  কৃষ্ণা শৰ্মা
- অই নিঃতমত প্ৰকৃতি-বৈভৱ/১৮
  ড° মঞ্জু দেৱী পেগু
- বিহু, ব’হাগ আৰু ভূপেন হাজৰিকা/২৩
  ড° পৰমানন্দ মজুমদাৰ
- “পাতি-সোণাৰুৰ ফুল”ৰ সুবাস আৰু নীলমণি ফুকনৰ
  জীৱন-বীক্ষা/৩১
  মদন চন্দ্ৰ ডেকা
- ৰাজবংশী জনবিশ্বাসত হুদুমপূজা ঃ
  এক নাৰীকেন্দ্ৰিক অনুষ্ঠান /৩৫
  মীনাক্ষী ৰায় ডাকুৱা
- পাঠ্যপুথিৰ কথা/৩৯
  ড° অতনু কুমাৰ দত্ত

*ভ্ৰমণ কাহিনী*

- আমাৰ চুবুৰীয়া বাংলাদেশত এসপ্তাহ/৪১
  ড° চন্দনা চৌধুৰী বৰুৱা

*অনুবাদ গল্প*


- তৃষ্ণা/৪৫
  ৰঞ্জনা দত্ত
- সেই মানুহজন/৫১
  পংকজ কুমাৰ নেওগ


*ৰম্য ৰচনা*


- কূপ মণ্ডুক উবাচ/৫৪
  অকণ চক্ৰৱৰ্তী


*কবিতা*


- নিসংগতা /৫৯
  ডাঃ কঙ্কণ শৰ্মা
- জীৱন /৬০
  ডাঃ অগস্ত্য বৰুৱা
- শব্দৰ পাহাৰ /৬০
  গীতিকা দেৱী
- নিচুকনি গীত /৬১
  উৰণীয়া জোনাকৰ সৈতে /৬১
  পূৰ্ণেন্দু শৰ্মা
- কবিতা ক'ত নাই/৬২
  কস্তুৰী নিভা গগৈ


*অনুবাদ কবিতা*


- সুনীল গংগোপাধ্যায়ৰ কবিতা/৬৩
  বিনয় মোহন শইকীয়া


*গল্প*


- সুৰৰ সপোন/৬৪
  শৰৎ বৰকাকতি
- নিশাৰ ফুল/৬৮
  হৰিচন্দ্ৰ ডেকা
- বিষণ্ণ দেওবাৰ /৭৩
  ৰাতুল বৰুৱা
- সপোন/৭৬
  দীপালী ডেকা
- তোমাৰ প্ৰেমৰ ভোগজৰাটি/৭৮
  অসীম তালুকদাৰ


*অভিজ্ঞতা/ ৰোমন্থন /জীৱন*


- কটন কলেজৰ সৈতে জড়িত মোৰ
  বেহেলা বাদনৰ কিছুমান ঘটনা/৮৮
  ড° সত্যেন্দ্ৰ কুমাৰ চৌধুৰী
- স্মৃতি বিজড়িত দুলীয়াজানত তিনিটা দশক
  কটাবলৈ যোৱাৰ প্ৰাকমুহূৰ্তত/৯১
  লীলা কান্ত শইকীয়া
- সোণালী শৈশৱৰ ৰোমন্থন ঃ
  চালপীৰা পিংপং/৯৪
  জিতেন কলিতা
- পিতাই/৯৭
  গণেশ বৰদলৈ

# সম্পাদকীয়


## বিজ্ঞান আৰু কবিতা

বিজ্ঞান আৰু কবিতা- দুয়োটাৰে মাজত গভীৰ সম্পৰ্ক আছে নেকি ? নে কবিতা আৰু বিজ্ঞান - মানুহৰ উৰ্বৰ মস্তিষ্কৰ কেতিয়াও মিহলি নোহোৱা দুই অনুপম সৃষ্টি মাথোন ? লিপি আৱিষ্কাৰ হোৱাৰ আগলৈকে কবিতাৰ মাধ্যমেৰেই মানুহে প্ৰজন্মৰপৰা প্ৰজন্মলৈ নিজৰ ভাবধাৰা সংৰক্ষণ আৰু প্ৰৱাহিত কৰি আহিছিল। লিখিত সাহিত্যৰো -বেদৰ পৰা আৰম্ভ কৰি ইলিয়াদ, ওদিছীলৈকে সকলোবিলাক প্ৰাচীন সাহিত্যও কবিতাৰ মাধ্যমতেই লিখা হৈছিল। কবিতাৰ লগত বিজ্ঞানৰ সম্পৰ্কও বিজ্ঞানৰ ইতিহাসৰ সমানেই পুৰণি। পশ্চিমত পৰমাণুবাদৰ জনক বুলি পৰিচিত গ্ৰীক দাৰ্শনিক লুক্ৰেটিয়াচে (খ্ৰীঃপূঃ ১ম শতিকা) তেওঁৰ পৰমাণুবাদ কবিতাৰ মাধ্যমেৰেই প্ৰকাশ কৰিছিল তেওঁৰ বিখ্যাত গ্ৰন্থ 'De Rerum Natura' ('On The Nature of Things') ত । ভাৰতৰ কনদ মুনিয়েও (আনুমানিক খ্ৰীঃ পূঃ ৬ষ্ঠ-২য় শতিকা) তেওঁৰ পৰমাণুবাদ কবিতাৰ মাধ্যমেৰেই প্ৰকাশ কৰিছিল। টলেমীয়ে প্ৰতিষ্ঠা কৰা পৃথিৱীকেন্দ্ৰিক বিশ্বব্ৰহ্মাণ্ডৰ ধাৰণা ডাণ্টেৰ 'ডিভাইন কমেডী'ত পূৰ্ণৰূপত প্ৰতিফলিত হৈছিল। বিশ্ব সাহিত্যৰ অমূল্য গ্ৰন্থ গ্যেথেৰ 'ফাউষ্ট'ততো পৰম জ্ঞানৰ অন্বেষণত থকা এজন বিজ্ঞানীক চিত্ৰিত কৰা হৈছে।

যোল্ল-সোতৰ শতিকাৰ শিল্প-বিপ্লৱৰ সময়ৰপৰাহে বিজ্ঞান আৰু কবিতাৰ মাজত এক সংঘাত বা অসন্তুষ্টিৰ ভাব প্ৰকাশ হ'বলৈ আৰম্ভ কৰে। ছাৰ আইজাক নিউটনেই কবিতাক 'এক সৃজনীমূলক প্ৰলাপ' ('a kind of ingenius nonsense') বুলি ইতিকিং কৰিছিল। কোৱাণ্টাম বলবিদ্যাৰ এজন পিতৃপুৰুষ প'ল ডিৰাকে আকৌ কৈছিল যে বিজ্ঞানৰ উদ্দেশ্য হৈছে অতি জটিল বস্তুক সহজ সৰলকৈ সকলোৰে বুজিব পৰাকৈ প্ৰকাশ কৰা আৰু কবিতাৰ উদ্দেশ্য হৈছে সহজ বস্তুক বুজিব নোৱৰাকৈ প্ৰকাশ কৰা। দাৰ্শনিক জ'ন ল'কেই কবিতাক জুৱাখেলৰ লগত তুলনা কৰি কৈছিল যে দুয়োটাই কাৰো কামত নাহে, কিন্তু এই দুটাৰ আশ্ৰয় লৈয়ে কিছুমান মানুহে উপাৰ্জন কৰে। নিসন্দেহে এয়া অগ্ৰহণীয় অতি কঠোৰ বাক্য। কবিসকলেও ইয়াৰ প্ৰত্যুত্তৰ দিছিল সমান কঠোৰ ভাষাৰেই। তেওঁলোকে ক'বলৈ ধৰিছিল যে বিজ্ঞানে তেওঁলোকৰ পৰিমণ্ডলত প্ৰৱেশ কৰি সকলোকে কেৱল ভাঙি-ছিঙি দেখুৱাই (reductionism) প্ৰকৃতিৰ সৌন্দৰ্য্য ধ্বংস কৰিছে। লৰ্ড টেনিছনে কৈছিল যে বিজ্ঞানে যিমানেই অগ্ৰগতি কৰিছে সিমানেই সৌন্দৰ্য্য ম্লান পৰি গৈছে ('Science grows and beauty dwindles')। কিট্ছে আক্ষেপ কৰিছিল যে বিজ্ঞানে সুন্দৰ ৰামধেনুখনকেই খুলি-মেলি তাৰ ৰূপ নোহোৱা কৰিলে। তেওঁৰ মতে বিজ্ঞানে সকলো সুন্দৰ বস্তুকেই ব্যৱচ্ছেদ কৰি কাটি-ছিঙি প্ৰকৃতিৰ সৌন্দৰ্য্য ধ্বংস কৰিলে। তেওঁ বিজ্ঞানক 'সাধাৰণ বস্তুৰ এক নিৰস তালিকা' ('a dull catalogue of common things') বুলিও ভ্ৰূকুটি কৰিছিল। উইলিয়াম ব্লেকে নিউটন, ল'কে আৰু ফ্ৰান্সিছ বেকনক অপৱিত্ৰ ত্ৰিমূৰ্তি ('unholy trinity') বুলি অভিহিত কৰিছিল। আন এজন ফৰাচী কবি প'ল ভাৰ্লেইনে বিজ্ঞানক বাইবেলৰ নিষিদ্ধ ফলৰ লগত তুলনা কৰিছিল ('Brothers touch not gluttonous science/that off the forbidden vines are dull realities')।

এই দুই বিপৰীত মেৰুত অৱস্থান কৰা বিজ্ঞানী আৰু কবিৰ বাহিৰত আন এচাম বিজ্ঞানী আৰু কবি আছে যিসকলে দুয়োটাৰে মাজৰ এক সুন্দৰ সম্পৰ্কৰ কথাকে কয়। গ্যেথেই কৈছিল যে বিজ্ঞানৰ জন্ম কবিতাৰপৰাই; সময় সলনি হ'লে এক উচ্চস্তৰত দুয়ো পুনৰ বন্ধু হ'ব। ৱৰ্ডছৱৰ্থে কৈছিল যে বিজ্ঞানক কবিতাৰ বিষয়বস্তুৰ অন্তৰ্ভুক্ত কৰিব লাগে। তেওঁৰ লিৰিকেল বেলাডবোৰত ইৰাছমাছ ডাৰউইনৰ বহুতো বৈজ্ঞানিক লেখা সাঙোৰ খাই আছে। জেকব ব্ৰন'স্কিয়ে কবিতাক 'পৰম সত্য' আৰু বিজ্ঞানক 'প্ৰায় সত্য' বুলি দুয়োটাৰ অভিব্যঞ্জনাৰ কথা প্ৰকাশ কৰিছিল। বিখ্যাত ৰসায়নবিজ্ঞানী হামফ্ৰে' ডেভী আৰু গণিতজ্ঞ পদাৰ্থবিজ্ঞানী ক্লাৰ্ক মেক্সৱেল নিজেই প্ৰসিদ্ধ কবি আছিল। কাব্য প্ৰতিভা থকা কাৰণেহে হেনো আডা লাভ্‌লেছে কম্পিউটাৰ প্ৰগ্ৰেমিঙৰ অন্তৰ্দৃষ্টি লাভ কৰিছিল। বিখ্যাত ভাৰতীয় ন'বেল বঁটা বিজয়ী জ্যোতিৰ্বিজ্ঞানী সুব্ৰাহ্মণ্যন চন্দ্ৰশেখৰে শ্যেইক্সপীয়েৰ, বিথোভেন, নিউটন, মিল্‌নে আৰু এডিংটনৰ সৃষ্টিৰাজি বিশ্লেষণ কৰি তেওঁৰ গ্ৰন্থত ('Truth and Beauty: Aesthetics and Motivation in Science') কৈছে যে সকলোবিলাক সৃষ্টিয়েই আচলতে একো একোটা সৌন্দৰ্য্যৰ কবিতা মাথোন। ৰিচাৰ্ড ডকিন্সৰ মতে বিজ্ঞান হৈছে বাস্তৱৰ কবিতা ('Science is the poetry of reality')।

বিজ্ঞানীয়েও প্ৰকৃতিত সৌন্দৰ্য্য বিচাৰে, কবিয়েও বিচাৰে। কোনে কি ধৰণে ইয়াৰ ৰসপান কৰে সেয়া নিৰ্ভৰ কৰে ৰুচিৰ ওপৰত। বিজ্ঞান আৰু কবিতা– মানুহৰ সৃজনীমূলক প্ৰতিভাৰ দুই অপৰূপ সৃষ্টি; কেতিয়াবা সংঘাত, কেতিয়াবা অন্তৰংগ আলাপ- কিন্তু দুয়োৰে মানুহৰ অন্তৰ আৰু বুদ্ধিক অতীতৰপৰা উজ্জীৱিত কৰি আহিছে আৰু সদায়েই কৰি থাকিব।



প্ৰবন্ধ

# বেদান্তৰ সাঁচ

ড° সুধেন্দু মোহন ভদ্ৰ

বৈদিক সাহিত্যৰ সংহিতাকে ধৰি উপনিষদৰ যুগলৈকে বেদজ্ঞানৰ চৰ্চা আৰু পঠন-পাঠন আৰু তাৰ পৰাই যাগ-যজ্ঞীয় কৰ্মানুষ্ঠান আদিৰ সূচনা। ব্ৰাহ্মণ গ্ৰন্থত ছন্দোবদ্ধ মন্ত্ৰৰ যজ্ঞীয় প্ৰয়োগ আৰু যজ্ঞৰ ফলৰ ক্ষণস্থায়িত্বৰ হেতুকেই অন্তৰ্মুখী আলোচনাপুষ্ট আৰণ্যক শ্ৰেণীৰ সাহিত্য আৰু আৰণ্যকত ৰূপায়িত ঐশী সন্ধানী বীজৰ আলমত গঢ় লোৱা উপনিষদৰ আবিৰ্ভাৱত ভাৰতীয় দৃষ্টিভঙ্গীয়ে ঐহিক আৰু পাৰত্ৰিক ফলশ্ৰুতিৰ প্ৰসঙ্গলৈ বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। এনেকুৱা সত্যান্বেষী কাৰ্য্যই ভূ-ভাগত বিশেষ প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰাকৈয়ো থকা নাই। বিশ্বৰ বিদ্যদ্বৰেণ্য পণ্ডিতসকলেও ভাৰতীয় চিন্তা-চৰ্চাত বিশেষভাৱে আত্মনিয়োগ কৰি নিজকে কৃতকৃত্য বোধ কৰি প্ৰাচ্য আৰু প্ৰতীচ্য ভূখণ্ডত সুনাম বুটলিবলৈকো সক্ষম হোৱাৰ লগতে পৃথিৱীত কালজয়ী বৈদিক বাঙ্ময়ৰ ঐতিহ্য বিয়পাইছে। তাৰ বাবে অকল ভাৰত ভূমিয়েই নহয়, গোটেই বিশ্বৰ মানৱ সমাজ গৰ্বিত।

বেদান্ত বুলিলে সাধাৰণতে আমাৰ চকু কপাল পায়গৈ। কিন্তু, কথাটো মুঠেও তেনেকুৱা হ'ব নালাগিছিল। অৱশ্যে এই দৰ্শনৰ আলোচনা অতি গহীন বাবেই সাধাৰণৰ কাৰণে অলপ কষ্টসাধ্য হ'ব পাৰে। সেইবুলি উক্ত দৰ্শনৰ সমাদৰ জনসমাজত কমিব নোৱাৰে। গভীৰ দাৰ্শনিক তত্ত্বৰ কথা বাদ দিলেও তাৰ ভিতৰচ'ৰাত মানৱ সম্পদৰ উপযুক্ততাৰ সাপেক্ষত বহুতো লাগতিয়াল মূল্যৱান তত্ত্বৰ তথ্য অধিগত হ'ব পৰা যায়। বেদান্তৰ লগত বেদৰ সম্পৰ্ক অভিন্ন। এটাক বাদ দি আনটোৰ চিন্তা কৰিব নোৱাৰি। কৰ্ম আৰু জ্ঞানৰ আধাৰত বেদ প্ৰতিষ্ঠিত। কৰ্মপদে জাগতিক ক্ৰিয়া-কাণ্ডৰ কথা বুজায়। আনহাতে, জ্ঞান পদে ক্ৰিয়া-কাণ্ডৰ বহিৰ্ভূত এটা প্ৰাকৃত অৱস্থাৰ কথা সূচায়। বৈদিক সংহিতাত ঐহিক ফলাশ্ৰয়ী যাগ-যজ্ঞৰ কথাই বিশেষ ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলেও ছন্দোবদ্ধ মন্ত্ৰৰ আঁৰে আঁৰে অ'ত-ত'ত সিঁচৰিত হৈছে অৰ্ন্তদৃষ্টি সন্ধানী অলপ অচৰপ আলোচনা বা জিজ্ঞাসা। বেদৰ সূক্তবোৰৰ ভিতৰত কিছুমান সূক্তৰ মৰ্মবাণীয়ে দাৰ্শনিক চিন্তা-চৰ্চালৈ পাঠকক চোঁচৰাই নিয়াত যজ্ঞীয় ক্ৰিয়া-কলাপে ঢুকি নোপোৱা অন্তৰ্দৃষ্টিৰ প্ৰতি পাঠকৰ মন সঘনাই আকৰ্ষণ কৰে।

তেনেকুৱা দৃষ্টিত বাহ্যিক আচাৰ-নীতিৰ কোনো প্ৰাধান্য নাই, আছে মাথোঁ জ্ঞান অন্বেষণৰ ৰেঙনি। সেই পিনৰপৰাই বেদ কৰ্ম আৰু জ্ঞানৰ মিলন ক্ষেত্ৰ। পাৰ্থিৱ জ্ঞান জীৱে নিজৰ নিজৰ কৰ্মৰাজিৰপৰা প্ৰত্যক্ষ, অনুমান আদিৰ সহায়ত আহৰণ কৰে। কিন্তু ইন্দ্ৰিয়গ্ৰাহ্য এই জ্ঞানৰ বাহিৰেও মনটো যেতিয়া আৰু এধাপ আগুৱাই গৈ জাগতিক সত্তাৰ নিয়ামকৰ বিষয়ে জানিবলৈ বিচাৰে তেতিয়াই অন্তৰ্দৃষ্টিৰ প্ৰয়োজন অনুভৱ কৰে। বাস্তৱ জ্ঞানৰ সিপাৰে অন্তৰ্দৃষ্টিৰে অগ্ৰসৰ হোৱাত ইন্দ্ৰিয়াতীত জ্ঞানে মানুহক সহায় কৰে।

কৰ্ম-কাণ্ডৰ পদ্ধতিৰে সম্পাদিত যাগ-যজ্ঞৰপৰা ঐহিক সুখ-সম্পদ লাভ হয়; ভোগ ঐশ্বৰ্য্যৰ প্ৰাপ্তিত ক্ষন্তেকীয়া শান্তিৰ আগম হ'লেও পৰিণতি স্থায়ী নহয়। সেইবাবেই জীৱৰ মন তেতিয়া নিৰুদ্বেগ শান্তিৰ প্ৰয়াসত ধাৱিত হয়। এনেকুৱা ধ্যান ধাৰণাই মনত প্ৰশান্তিৰ সঞ্চাৰ কৰে। অৱশ্যে ধ্যান ধাৰণাৰ অন্তৰালত পুৰণি চতুৰাশ্ৰম প্ৰথাৰ অৰিহণা যথেষ্ট গুৰুত্বপূৰ্ণ বুলি ক'লে ভুল নহয়। প্ৰশান্তিৰ যাত্ৰাত ব্ৰহ্মচৰ্যাশ্ৰমত অধীত বিদ্যা, গাৰ্হস্থাশ্ৰমত অনুশীলন কৰা বিনয়, সংযম, নিত্য আৰু নৈমিত্তিক কৰ্মৰ আচৰণ বিধি আৰু বানপ্ৰস্থাশ্ৰমত সেইবোৰৰ অনুশীলনৰ আখৰা আৰু পৰিশেষত সন্ন্যাস আশ্ৰমত অতীন্দ্ৰিয় জ্ঞানৰ সাধনা আৰু সেইমতে আচৰণ বিধিৰে অপাৰ্থিৱ জ্ঞানৰ উন্মেষণ তেতিয়াৰ কালত সম্ভৱ হৈছিল বুলিলে প্ৰসঙ্গটো আওকথাৰ পৰ্য্যায়ত নপৰে। অৱশ্যে আজিৰ যুগতো তেনেদৰেই তেনেকুৱা জ্ঞানৰ অন্বেষণ কৰিব লাগে বুলি অযুক্তিসঙ্গত প্ৰসঙ্গৰ অৱতাৰণা কৰিবলৈ প্ৰয়াস নকৰাই ভাল। আকৌ, তাহানিতো যে সকলোৱে সন্ন্যাস আশ্ৰমত জীৱনৰ অন্তিম ছোৱাত কেৱল অতীন্দ্ৰিয় জ্ঞানৰ সাধনাত কাল কটাইছিল সেইটোও কোনো যুক্তিয়ে চুকি নোপোৱা কথা। যেতিয়াৰ যিটো বিধেয় কৰ্ম তেতিয়া নিষ্ঠাৰে সম্পাদন কৰিলে অন্তৰ নিৰ্মল হোৱাৰ ফলত গৃহত্যাগী নোহোৱাকৈয়ো অন্তৰ্নিহিত পৰম জ্ঞানৰ নিৰত চৰ্চা সম্ভৱ। সেয়েহে গৃহীও সন্ন্যাসীৰ ৰূপত সংসাৰ ধৰ্ম পালনৰ পটন্তৰ আমি পুৰণি পুথি-পাঁজিত পাওঁ।

সংহিতা, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদৰ কথা আমি সকলোৱে জানো। যজ্ঞীয় দেৱতাৰ মন্ত্ৰেৰে সংহিতা, যজ্ঞবিধিৰে ব্ৰাহ্মণ, অন্তৰ্মুখী জ্ঞানৰ ৰূপকাত্মক আলোচনাৰে আৰণ্যক আৰু উপনিষদ আৰণ্যকৰ ৰীতিৰেই তত্ত্বকথাৰ আলোচনাৰে সমৃদ্ধ। বৈদিক সংহিতাখণ্ডতেই আৰণ্যক আৰু উপনিষদৰ সাৰুৱা আলোচনাৰ বীজ নিহিত। সংহিতাত বৰ্ণিত বিভিন্ন দেৱ-দেৱীৰ কাৰ্য্যাৱলী বিৱৰণৰ মাজে মাজে জাগতিক দৃষ্টিত ধৰা নপৰা বিষয়ৰ অৱতাৰণা চকুত পৰে। তদুপৰি সংহিতাৰ অন্তৰ্গত ব্ৰাহ্মণ গ্ৰন্থত ব্ৰহ্মোদ্য শ্ৰেণীৰ আলোচনাত অপাৰ্থিৱ জ্ঞানসন্ধানী দৃষ্টিৰ আভাসো পোৱা যায়। তেনেই থোৰতে ক'ব পৰা যায় যে বৈদিক সাহিত্যৰ সংহিতাতেই পৰম তত্ত্বৰ আলোচনা লিপিত খাই আছে। সেইকাৰণেই বেদত যাগ-যজ্ঞ প্ৰধান কৰ্ম আৰু জ্ঞানৰ (ব্ৰহ্ম) আলোচনা থকাৰ কাৰণেই বেদৰপৰাই উক্ত দুয়োটা বিষয় জানিব পাৰি। কৰ্মৰ বিৰোধ আঁতৰাই সিদ্ধান্ত গ্ৰহণত পূৰ্বমীমাংসা আৰু উপনিষদৰাজিত প্ৰতিপাদিত জ্ঞানৰ আপাতদৃষ্টিত দেখা দিয়া বিৰোধ খণ্ডনৰ পৰাই 'ব্ৰহ্মসূত্ৰ' ৰ সৃষ্টি। 'ব্ৰহ্মসূত্ৰ' উত্তৰ মীমাংসা নামেৰেও জনা যায়। পূৰ্বমীমাংসাৰ ৰচক মহৰ্ষি জৈমিনি আৰু উত্তৰ মীমাংসা বা 'ব্ৰহ্মসূত্ৰ'ৰ প্ৰণেতা মহৰ্ষি বাদৰায়ণ। উপনিষদ, ব্ৰহ্মসূত্ৰ আৰু ব্ৰহ্মসূত্ৰৰ ভাষ্যই হৈছে বেদান্তৰ মূল ভেটি। আদি গুৰু শ্ৰীমৎ শঙ্কৰাচাৰ্য্যই ব্ৰহ্মসূত্ৰৰ ওপৰত কালজয়ী শাৰীৰক ভাষ্য ৰচনাৰে উপনিষদৰ তত্ত্বক সুদৃঢ় কৰি গৈছে। বেদান্তৰ তত্ত্ব পৰৱৰ্ত্তী স্মৃতিৰ যুগতো বিভিন্ন ধৰণে ব্যাখ্যা কৰা হৈছে। আনকি মূল দহখন প্ৰসিদ্ধ উপনিষদৰ বহুতো পাছৰ যুগত ৰচিত উপনিষদত বেদান্ত প্ৰতিপাদিত ব্ৰহ্মতত্ত্ব বিশেষভাৱে উপস্থাপিত হৈছে। এই প্ৰসঙ্গত অথৰ্বশিৰোপনিষদ, ৰামৰহস্যোপনিষদ, গোপালপূৰ্ব-বাপনীয়োপনিষদ, মহানাৰায়ণোপনিষদ, তেজবিন্দুপনিষদকে আদি কৰি আন বহুতো উপনিষদৰ কথা উল্লেখ কৰিব পাৰি। নিৰাকাৰ, নিৰবয়ব আৰু নাম-ৰূপ বৰ্জিত

অদ্বিতীয় ব্ৰহ্ম প্ৰয়োজনৰ সাপেক্ষত সাকাৰ ৰূপত মূৰ্ত্ত হোৱাৰ প্ৰসঙ্গও উপনিষদত পোৱা যায়। ব্ৰহ্মাই যক্ষৰূপত ইন্দ্ৰৰ ৰাজসভাত আৱিৰ্ভাৱ হৈ অগ্নি, বায়ু, দেৱতাৰ দৰ্পচূৰ্ণ কৰাৰ প্ৰসঙ্গ আমি পাওঁ আৰু দেৱৰাজ ইন্দ্ৰৰ বিনয়পূৰ্ণ স্বভাৱত তুষ্ট হৈ সেই যক্ষৰূপী ব্ৰহ্ম আকৌ উমা হৈমৱতীৰ ৰূপ ধাৰণ কৰি তপস্যা কৰি ব্ৰহ্মজ্ঞান লাভ কৰিবলৈ দিয়া উপদেশ এই প্ৰসঙ্গত বিশেষ উল্লেখযোগ্য।

> ব্ৰহ্মৰপৰাই সকলো পদাৰ্থৰ উৎপত্তি আৰু পদাৰ্থৰ ভিতৰত চৈতন্যৰূপত বিদ্যমান--"তৎ সৃষ্ট্বা তদেবানুপ্ৰাবিশৎ" অৰ্থাৎ ব্ৰহ্মই সৃষ্টি কৰি তাৰ ভিতৰত তেওঁ প্ৰৱেশ কৰিলে। তেওঁ অব্যাকৃত আৰু নাম, ৰূপ আদি বৰ্জিত; কিন্তু নাম আৰু ৰূপৰ মাজেৰেই অভিব্যক্ত, আত্মাই সত্য "ঐতদাত্ম্যমিদং সত্যম্।"

তেনেদৰে আমি মাৰ্কণ্ডেয় পুৰাণত অদৃশ্য আদ্যাশক্তিৰ দেৱীৰূপত আবিৰ্ভূত হোৱাৰ প্ৰসঙ্গটোতো ব্ৰহ্ম কৰালদেৱী ৰূপত ব্যক্ত হোৱা বুলি ক'লে ব্ৰহ্ম তত্ত্বৰ কোনো হানি নহয়। ব্ৰহ্মৰ কোনো ৰূপ নাই কিন্তু তেওঁ বহুৰূপী বুলিও উপনিষদতেই ঘোষিত হৈছে "যো যোনিমধিতিষ্ঠত্যেকো বিশ্বানি ৰূপাণি যোনীশ্চ সৰ্ব্বাঃ" অৰ্থাৎ অদ্বিতীয় ব্ৰহ্ম সকলো উৎপত্তিত অধিষ্ঠিত আৰু সকলো ৰূপতো তেওঁ বিৰাজিত। এতেকে এইটো স্পষ্ট যে প্ৰয়োজনৰ সাপেক্ষত নিৰুপাধিক ব্ৰহ্ম সাকাৰ ৰূপত ব্যক্ত হয়। এইখিনিতে আমি ভগৱান কৃষ্ণ, ভগৱান বিষ্ণুকে আদি কৰি যুগাৱতাৰ সকলৰ কথা স্মৰণ কৰিব পাৰোঁ। এই প্ৰসঙ্গত নৰসিংহৰূপ ধাৰণৰ প্ৰসঙ্গটোও আমি এৰাই যাব নোৱাৰোঁ। উপনিষদ বা বেদান্তত এনেবোৰ কথাৰ উল্লেখ নাথাকিলেও অদ্বিতীয় আৰু অমূৰ্ত্ত সত্তাৰ কথা স্বীকৃত আৰু প্ৰয়োজনত ৰূপত মূৰ্ত্ত হোৱাৰ স্পষ্ট উল্লেখ থকাত পৰৱৰ্ত্তী পুৰাণ আদি শাস্ত্ৰত দিব্য সত্তা ব্ৰহ্মৰ আবিৰ্ভাৱৰ প্ৰসঙ্গটো আমি আওহেলা কৰিব নোৱাৰোঁ। গীতাত ভগৱান কৃষ্ণই কৈছে যে তেঁৱেই চৰাচৰ জগতৰ সকলোতে বিয়পি আছে--"ময়া সৰ্বমিদং ততম্" আৰু প্ৰয়োজনৰ সাপেক্ষত তেওঁ নিজেই অৱিৰ্ভূত হয়– "তদাত্মানং সৃজাম্যহম্" অৰ্থাৎ মই নিজকেই নিজে সৃষ্টি কৰোঁ। এনেবোৰ প্ৰসঙ্গ ইমান বিশাল আৰু ব্যাপক যে সেইবোৰৰ অন্তৰ্নিহিত তত্ত্ব এক নোহোৱাহেঁতেন বিশ্বব্ৰহ্মাণ্ডত কেৱল ভিন্নতাৰ চিন্তাই মানুহক থকা-সৰকা কৰিলেহেঁতেন। ভৌগোলিক সীমা, ৰাজনীতি সম্পৰ্কীয় বিষয় আদিৰ বাহিৰে ব্ৰহ্মৰূপী জীৱৰ একত্ববোধ সৰ্ব্বজনগ্ৰাহ্য আৰু অন্তঃসলিলা ফল্গুধাৰাৰদৰেই অন্তঃপ্ৰৱাহিত। কথাটো এনেকুৱা নহয় যে বেদান্তৰ আত্ম-তত্ত্বৰ প্ৰভাৱত প্ৰভাৱিত হৈ তেনেদৰে কোৱা হৈছে। দৰাচলতে প্ৰকৃত সত্য তত্ত্বৰ কথাখিনিহে শাস্ত্ৰবোৰত প্ৰতিপাদিত। পৰম তত্ত্বৰ অভিব্যক্তি পুৰাণতো দেৱ-দেৱীৰ নানা উপাখ্যানৰ মাজেৰে উপস্থাপিত। মুঠতে বেদান্তৰ পৰাৎপৰ পৰমব্ৰহ্মৰ সাৰ বিষয়টোক ক'তো অমান্য কৰা হোৱা নাই। মানুহে ৰুচি মতে ধ্যান ধাৰণাৰে যেনেদৰে চৰম তত্ত্বৰ চৰ্চ্চা কৰে সেই মতেই তত্ত্বৰ ধ্যানত নিৰত থাকে আৰু তাতেই মনৰ প্ৰশান্তি সিদ্ধ হয়। শ্ৰীমদ্ভগবদ্গীতাত কৰ্ম, জ্ঞান আৰু ভক্তি আদিৰ সমন্বয়ৰ মাজেৰেও ভগৱান কৃষ্ণৰ ভূত, ভৱিষ্যত আৰু বৰ্তমানৰ সীমা বৰ্জিত 'একমেৱাদ্বিতীয়ম্'ৰ কথাকেই বিশ্বৰ দৰবাৰত উপস্থাপন কৰা হৈছে। সাংসাৰিক দৃষ্টিত আবদ্ধ থাকিলে ৰূপৰ বৈবিধ্য, কৰ্ম্মৰ বৈপৰিত্য আদি নানা ধৰণৰ প্ৰতিবন্ধকতাৰ সৃষ্টি আৰু এনেবোৰৰ শিকলি আঁৰিলেই পৰাৎপৰ তত্ত্বৰ জ্যোতিৰ সুপ্ৰকাশ– এয়েই বেদান্তৰ সাৰুৱা বচন।

বেদৰ অন্ত বেদান্ত। অন্ত পদ অন্তিম, শেষভাগ, ওৰপৰা অৰ্থত ব্যৱহাৰ হয়। বেদৰ শেষ আৰু ওৰপৰা পৰ্য্যায় এনেকুৱা অৰ্থ বেদান্তপদে সূচিত কৰে। সংহিতা, ব্ৰাহ্মণ আদি কৰ্ম্মপ্ৰধান। কৰ্ম্মৰ পৰিসমাপ্তি জ্ঞানতহে হয়– এয়েই ভগৱান কৃষ্ণৰ মুখনিসৃত বাণী-- "সৰ্ব্বং কৰ্মাখিলং পাৰ্থজ্ঞানে পৰিসমাপ্যতে"– অৰ্থাৎ হে অৰ্জ্জুন, জ্ঞানতহে সকলো কৰ্মৰ পৰিসমাপ্তি ঘটে। এই জ্ঞানেই দিব্য জ্ঞান। জ্ঞান সঞ্চাৰ নোহোৱালৈকে কৰ্মৰ বিপাক ভোগ আৰু জ্ঞানৰ উন্মেষণত

কৰ্মৰ বিপত্তি খণ্ডন– এয়ে বেদান্তৰ প্ৰতিপাদিত সাৰ কথা। জ্ঞানৰ শলিতাৰ প্ৰজ্বলনত অজ্ঞানৰ আৱৰণ লাহে লাহে আঁতৰি যায়। সেয়েহে অজ্ঞানৰ আৱৰণ আঁতৰাবলৈ ঋষিয়ে পৰমেশ্বৰক প্ৰাৰ্থনা জনাইছে--"তৎত্বং পুষন্ অপাবৃণু সত্যধৰ্মায় দৃষ্টয়ে-" অৰ্থাৎ হে পূষণ্, সত্য ধৰ্ম্ম যাতে দৰ্শন কৰিব পাৰোঁ তাৰ বাবে তুমি ঢাকনিখন আঁতৰাই নিয়া। ইয়াত সত্যধৰ্মায় পদেৰে পৰম তত্ত্ব নিহিত দিব্য ব্ৰহ্মজ্ঞানৰ কথা উপদিষ্ট হৈছে। বেদান্তৰ প্ৰতিপাদিত সেই জ্ঞানেই এক আৰু অদ্বিতীয় পৰম জ্ঞান। সেইটোৱেই আন সকলো জ্ঞানৰ আলয়, তাৰ পোহৰতহে আন সকলো পদাৰ্থ উদ্ভাসিত হয়– "তস্য ভাসা সৰ্বমিদং বিভাতি।" 'একমেবাদ্বিতীয়ম্'ৰ তত্ত্ব উপনিষদসমূহত নানা ধৰণে বিন্যস্ত হোৱা দেখা যায়। কৰ্ম্ম আৰু জাগতিক দৃষ্টিৰ নানাত্ব বা বহুত্ব ব্ৰহ্মজ্ঞান লাভৰপৰা সম্যকভাৱে জ্ঞাত হ'ব পাৰি। তদুপৰি পৰমব্ৰহ্ম আৰু জগতৰ সকলোতে ব্ৰহ্ম বিৰাজিত তাৰো সম্যক জ্ঞান ব্ৰহ্ম জ্ঞানৰ পৰাই সিদ্ধ হয়– "তস্মিন্ দৃষ্টে পৰাৱৰে।" প্ৰাতিভাসিক সত্যও তেতিয়া পৰমতেই নিমজ্জিত হয় আৰু তাৰ অনস্তিত্বৰ বিষয়েও মনৰ ধাৰণা দৃঢ় হয়। উপনিষদৰ নাৰদ আৰু সনৎ কুমাৰৰ আখ্যান, আৰুণি আৰু শ্বেতকেতুৰ আখ্যান, যাজ্ঞবল্ক্য আৰু মৈত্ৰেয়ীৰ আখ্যান, ভৃগু আৰু বৰুণৰ আখ্যানকে আদি কৰি আন বহুতো উপাখ্যানেৰেও জ্ঞানৰ তত্ত্ব বিশ্লেষিত হোৱা আমি দেখিবলৈ পাওঁ।

বিদ্যা দুই প্ৰকাৰৰ---পৰা আৰু অপৰা। বাস্তৱৰ জ্ঞান অপৰা। অপৰা বিদ্যা পুথি পাঁজিৰ অধ্যয়নৰ পৰা ওপজে। তেনেধৰণৰ জ্ঞানৰ বহুত্ব আৰু নানাত্ব থকাটোৱেই স্বাভাৱিক। ইয়াৰ লগত আমি পদাৰ্থজাত জ্ঞানৰ কথাও সাঙুৰিব পাৰোঁ। কাৰণ, আমি নানা পদাৰ্থৰ সংস্পৰ্শলৈ আহোঁতে তাৰপৰাই বিদ্যা বা জ্ঞানৰ সঞ্চাৰ নোহোৱাকৈ নাথাকে। কিন্তু, নিশ্চয়াত্মিকা বুদ্ধি একতত্ত্ব নিষ্ঠ আৰু তাৰপৰাই অদ্বিতীয় জ্ঞানৰ সঞ্চাৰ হয়। একতত্ত্ব মুখী জ্ঞানেই পৰা বিদ্যা যাৰ দ্বাৰা সেই অক্ষৰ ব্ৰহ্মক উপলব্ধি কৰিব পাৰি-- 'যয়া তদক্ষৰমধিগম্যতে।' বেদান্ত দৰ্শনত দুয়োবিধ বিদ্যাৰ গুৰুত্ব সুস্পষ্ট। পৰাবিদ্যাৰ সঞ্চাৰ নোহোৱালৈকে অপৰা বিদ্যাৰ অভ্যাস বাঞ্ছনীয়। কাৰণ, তাৰপৰাই পৰা বিদ্যাৰ উন্মেষণ হয়। উপনিষদত পৰা বিদ্যাৰ কথা ক'বলৈ গৈ অপৰা বিদ্যাক বাদ দিয়া হোৱা নাই। কাৰণ, সেই প্ৰসঙ্গত কোৱা হৈছে যে দুই ধৰণৰ বিদ্যাই জানিব লাগে--"দ্বে বিদ্যে বেদিতব্যে।" পৰম জ্ঞানৰ উদয় হ'লে অপৰাবিদ্যা আপোনাআপুনি তিৰোহিত হয়। বেদান্তত 'বিদ্যা' আৰু 'অবিদ্যা' শব্দ দুটাৰেও ক্ৰমে পৰা আৰু অপৰাবিদ্যাৰ কথাকেই কোৱা হৈছে।

তত্ত্বদৰ্শীৰ ধ্যানত সৎ, চিৎ, আনন্দ ব্ৰহ্ম বহুৰূপত বহু ধৰণে বিৰাজিত আৰু তেনেকুৱা স্থিতিত ধ্যাতাই সকলো পদাৰ্থত নিজৰ সত্তা উপলব্ধি কৰে। এয়েই একত্বদৰ্শীৰ অনুভূতি আৰু তাকেই বেদান্তত স্বানুভূতি বোলা হৈছে। স্বানুভূতিত জ্ঞানৰ বহুত্বৰ সলনি একাত্মানুভূতিহে বিৰাজ কৰে। এনেকুৱা অনুভূতি দৰ্শন, শ্ৰৱণ, মনন আৰু নিদিধ্যাসনৰ পৰা উদয় হয়– "আত্মা ৰে অৰে দ্ৰষ্টব্যঃ শ্ৰোতব্যো মন্তব্যো নিদিধ্যাসিতব্যঃ"- আত্মাকেই সদায় সকলোতে চাব লাগে, আত্মাৰ কথাকেই শ্ৰৱণ কৰিব লাগে, আত্মাৰ কথাকেই বাৰে বাৰে মনন (চিন্তা) কৰিব লাগে আৰু আত্মাকেই নিৰৱচ্ছিন্নভাৱে ধ্যান কৰিব লাগে। আত্মাই হৈছে সকলো পদাৰ্থৰ একমাত্ৰ মূল সত্তা, এই সত্তা আছে বাবেই পদাৰ্থৰ অস্তিত্ব আৰু নাথাকিলে পদাৰ্থৰ অনস্তিত্ব। ই কেতিয়াও ধ্বংস নহয় "নাভাৱো বিদ্যতে সতঃ।' অৰ্থাৎ এই সত্তাৰ কেতিয়াও বিনাশ নহয়। সেই অবিনাশী সত্তাই গোটেই বিশ্বব্ৰহ্মাণ্ড ওতপ্ৰোতভাৱে ব্যাপ্ত কৰি ৰাখিছে। "যেন সৰ্ব্বমিদং ততম্"। উপনিষদত কোৱা হৈছে যে ঈশ্বৰে এই বিশ্বৰ সচল আৰু অচলভেদে সকলো পদাৰ্থ আচ্ছাদিত কৰি ৰাখিছে– "ঈশাৱাস্যমিদং সৰ্বং যৎ কিঞ্চ জগত্যাং জগৎ", আন এটি শ্ৰুতিত উক্ত হৈছে যে সেই পৰমব্ৰহ্ম জুই, পানী, ওষধি, বনস্পতিকে আদি কৰি গোটেই পৃথিৱীত

অনুপ্ৰৱিষ্ট–

"যো দেৱোহগ্নৌ যোহপ্সু
যো বিশ্বং ভুৱনমাবিৱেশ।
ওষধীষু যো বনস্পতিষু
তস্মৈ দেৱায় নমো নমঃ।"

উপনিষদত উক্ত হোৱা ব্ৰহ্মৰ অৱস্থিতিৰ প্ৰসঙ্গটো অভিমানি দেৱতা (Presiding deity) বুলি কোৱা হৈছে। ব্ৰহ্মসূত্ৰত তাকেই এইদৰে কোৱা হৈছে– "অভিমানিব্যপদেশস্ত বিশেষানু গতিভ্যাম্" অৰ্থাৎ চেতন বা অচেতন যিয়েই নহওক কিয়, সকলো পদাৰ্থত অভিমানি দেৱতা বিৰাজিত। ব্ৰহ্মৰপৰাই সকলো পদাৰ্থৰ উৎপত্তি আৰু পদাৰ্থৰ ভিতৰত চৈতন্যৰূপত বিদ্যমান--"তৎ সৃষ্টা তদেবানুপ্ৰাবিশৎ" অৰ্থাৎ ব্ৰহ্মই সৃষ্টি কৰি তাৰ ভিতৰত তেওঁ প্ৰৱেশ কৰিলে। তেওঁ অব্যাকৃত আৰু নাম, ৰূপ আদি বৰ্জিত; কিন্তু নাম আৰু ৰূপৰ মাজেৰেই অভিব্যক্ত, আত্মাই সত্য "ঐতদাত্ম্যমিদং সত্যম্।" ব্ৰহ্ম বা পৰম তত্ত্ব অধিগত হোৱাটোৱেই প্ৰজ্ঞান; জ্ঞাতা আৰু জ্ঞেয়ৰ অভেদত্বত প্ৰজ্ঞানেই ব্ৰহ্ম বুলি শ্ৰুতিত কোৱা হৈছে। এইদৰেই উপনিষদত পৰমব্ৰহ্মৰ অস্তিত্ব আৰু অবিনশ্বৰত্ব বিশদভাৱে আলোচিত হোৱা দেখা যায়।

বেদান্ত শাস্ত্ৰত যে কেৱল আধাত্ম্যতত্ত্বনিষ্ঠ বিষয়েই আলোচিত এনে নহয়, তাত দৈনন্দিন জীৱন যাপনৰ আৰ্হিও চকুত পৰে। এনেবোৰ কথা তৈত্তিৰীয় উপনিষদত পোৱা ছাত্ৰৰ প্ৰতি গুৰুৰ উপদেশমালা আদৰ্শ সমাজ গঠনৰ মূল ভেটি বুলি ক'লে দঢ়াই কোৱা নহয়। তদুপৰি সমাজৰ মানুহ দ্ৰঢ়িষ্ঠ আৰু সকলোৱে আশীৰ্ব্বাদপুষ্ট হোৱাৰ উপৰিও সৎ আৰু অধ্যয়নপুষ্ট হ'ব লাগে বুলিও দঢ়াই কোৱা আমাৰ চকুত পৰে। মানুহে ভাল কামৰ জৰিয়তেহে আশীৰ্বাদ বুটলিব পাৰে আৰু এনেকুৱা ৰীতি আজিৰ সমাজতো প্ৰচলিত। সন্ন্যাস জীৱনতকৈ সমাজ জীৱনৰ প্ৰতি উপনিষদ যথেষ্ট সচেতন বুলি ক'লে সত্যৰ অপলাপ নহয়। এই প্ৰসঙ্গত শান্তিমন্ত্ৰবোৰৰ তাৎপৰ্য্য যথেষ্ট গুৰুত্বপূৰ্ণ। তাত শাৰীৰিক বল-শক্তিতকৈ বিদ্যাৰ বল-বীৰ্য্যৰ ওপৰত বেছি গুৰুত্ব দিবলৈ আৰু লগতে শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গৰ সুস্থতা আৰু বলিষ্ঠতাৰ প্ৰতি যথেষ্ট মনোযোগ দিয়া হৈছিল। তদুপৰি সকলোৱে সকলোৰে মঙ্গল কামনা কৰিব লাগে; স্থিৰ আৰু দৃঢ় অঙ্গ-প্ৰত্যঙ্গৰে মানুহে পৰম আয়ু ভোগ কৰিব লাগে বুলি গুৰু আৰু শিষ্যই অঙ্গিকাৰ কৰি পঠন-পাঠন কাৰ্য্যৰ ব্ৰতত সমবেত হৈছিল। সামাজিক জীৱনৰ উৎকৰ্ষতা সাধনৰ হকে এনেকুৱা আন বহুতো তত্ত্বপূৰ্ণ উপদেশ আমি উপনিষদত পাওঁ। সমাজৰ মানুহ যাতে সত্যাশ্ৰয়ী হয় তাকে সাৰোগত কৰি গুৰুৱে শিষ্যক মানসিক আৰু বাচিক সংযমৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। 'ঋত' আৰু সত্য' এই দুটা শব্দ ক্ৰমে মানসিক সততা আৰু সত্য শব্দ বাক্যত বা কথাত প্ৰকাশিত সত্যৰ মাজত যাতে বৈষম্য নাথাকে সেইটোলৈ সকলোকে সকীয়াই দিয়া হৈছিল---"ঋতং বদিষ্যামি। সত্যং বদিষ্যামি।" মনৰ ভাবনা বা চিন্তা এক ধৰণৰ আৰু কথাত প্ৰকাশ পোৱা বিষয় আন ধৰণৰ হ'লে তাক সত্য বুলি কোৱা নহয়। সেয়েহে মনৰ চিন্তা আৰু বাচিক অভিব্যক্তি সদায় এক হ'ব লাগে, এই দুটাৰ মাজত কোনো বৈষম্য থাকিব নালাগে। নিজৰ নিজৰ অধ্যয়নৰ পৰা আঁতৰি থাকিব নালাগে--"স্বাধ্যায়ান্মা প্ৰমদিতব্যম্", মঙ্গলজনক কৰ্ম্মৰপৰা বিৰত থাকিব নালাগে– "কুশলান্ন প্ৰমদিতব্যম্", সদায় অনবদ্য কৰ্ম্মৰ অনুশীলন কৰি, সেইমতে চলিব লাগে-- "যান্যনবদ্যানি কৰ্মাণি তানি সেৱিতব্যানি," কোনোবাজনক কিবা দিলে শ্ৰদ্ধা আৰু নম্ৰভাৱে দিব লাগে-- 'শ্ৰদ্ধয়া দেয়ম্, হ্ৰিয়া দেয়ম্' সম্ভ্ৰমেৰে দিব লাগে– 'ভিয়া দেয়ম্', আৰু মিত্ৰভাৱত দান কৰিব লাগে–'সংবিদা দেয়ম্"– এনেবোৰ আদৰ্শাশ্ৰয়ী উপদেশে সমাজ এখনৰ সুস্থতাৰ কথাকেই দোহাৰে বুলি কোৱাৰ যথেষ্ট থল আছে আৰু আজিৰ সমাজতো সেইবোৰৰ প্ৰাসঙ্গিকতা আমি কেতিয়াও উলাই কৰিব নোৱাৰোঁ। অৱশ্যে সকলো কৰ্ম্ম আৰু আচৰণ মিথ্যাচাৰ বৰ্জিত হ'ব লাগে।

উপনিষদসমূহ যদিও আত্মতত্ত্ব, জীৱাত্মা আৰু

পৰমাত্মাৰ ঐক্যব্যঞ্জক অধ্যাত্ম জ্ঞানৰ ভঁৰাল তথাপিতো সেইবোৰত বৈদিক যুগৰ লোকাচাৰ, বিচাৰ আৰু শিক্ষা পদ্ধতি, ৰাজনৈতিক স্থিতি, সমাজ ব্যৱস্থা আদিৰ ছবিও জলজলীয়া ৰূপত প্ৰকাশ পাইছে। তেতিয়াৰ সমাজ ব্যৱস্থাপনাত এনেবোৰ বিষয় প্ৰচলিত আছিল বাবেই বেদান্তত সেইবোৰৰ উল্লেখ পোৱা যায়। সেইকাৰণেই আজিৰ যুগতো আমি সেই কালৰ সমাজনীতি, ৰাষ্ট্ৰনীতি, শিক্ষানীতি আদিৰ অভিলেখ হিচাপেও উপনিষদসমূহত চকু ফুৰাব পাৰোঁ। ক'ব পাৰি যে 'অহংব্ৰহ্মাস্মি', 'সোহহম্', 'জীৱঃ ব্ৰহ্মৈৱ নাপৰঃ' অৰ্থাৎ ময়েই ব্ৰহ্ম, সেইজন ময়েই আৰু জীৱ ব্ৰহ্ম ব্যাতিৰেকে বেলেগ একো নহয় আদিতেই উপনিষদৰ শিকনি ওৰ পৰা নাই। লৌকিক আৰু আধ্যাত্মিক এই দুয়ো ধৰণৰ শিক্ষা আমি এই শ্ৰেণীৰ সাহিত্যৰপৰা লাভ কৰিব পাৰোঁহক। ইয়াত সংৰক্ষিত আদৰ্শ কালজয়ী আৰু অনাগত কাললৈকে পথপ্ৰদৰ্শক হিচাপেও বন্দনীয়। আনহাতে, উপনিষদ বা বেদান্তত প্ৰতিপাদিত জীৱাত্মা আৰু পৰমাত্মাৰ ঐক্য কেৱল ভাবোচ্ছাস বা ভাবোল্লাস নহয়। সংসাৰৰ মূল তত্ত্বৰ বিচাৰৰ চৰম পৰ্য্যায়ত এক অদৃশ্য, অবিকাৰ্য্য, অবিনশ্বৰ আৰু যুক্তিতৰ্কৰ অতীত সত্যাশ্ৰয়ী সেই ব্ৰহ্মতত্ত্ব স্বীকাৰ নকৰাকৈ এৰাই যাব নোৱাৰি। সম্ভৱতঃ সেইকাৰণেই উপনিষদত ঘোষিত হৈছে– 'সত্যং জ্ঞানমনন্তং ব্ৰহ্ম' অৰ্থাৎ ব্ৰহ্মই সত্য, ব্ৰহ্মই জ্ঞান আৰু ব্ৰহ্ম অনন্ত। তদুপৰি ঈশ্বৰৰ সৰ্বব্যাপিত্ব, ত্যাগ উৎসৰ্গিত ভোগ আৰু নিজৰ বা আনৰ সম্পদ আদিৰ প্ৰতি নিৰ্মোহ লোভবৰ্জ্জন– এই তিনিটা সত্য বেদান্তৰ শিকনিৰ অতি উচ্চকোটিসম্পন্ন বুলি দ্বিধাহীনতাৰে উল্লেখ কৰিব পাৰি--"ঈশাবাস্যমিদং সৰ্বং... তেন ত্যক্তেন ভুঞ্জীথাঃ, মা গৃধঃ কস্যস্বিদ্ধনম্।" ব্ৰহ্ম এক আৰু অদ্বিতীয় ঐশী শক্তি যিয়ে গোটেই বিশ্বব্ৰহ্মাণ্ড ধাৰণ কৰিছে, তেওঁৰ পৰাই পদাৰ্থ স্বতঃসৃষ্ট হৈছে আৰু তেওঁতেই লয় হৈছে। ব্ৰহ্মাণ্ড, জল, স্থল, আকাশ, মহাকাশ বা তাতোকৈয়ো বিশাল যদি কিবা পদাৰ্থ আছে তাতো সেই শক্তি বিৰাজিত। সেই শক্তি বা সত্তাটোকেই উপনিষদ বা বেদান্তত 'ব্ৰহ্ম' আখ্যা দিয়া হৈছে। পৰমজ্ঞানৰ জৰিয়তেহে পৰমজ্ঞান অৰ্থাৎ ব্ৰহ্ম লাভ সম্ভৱ। সেয়েহে জ্ঞানবাচক ব্ৰহ্ম পদ অদ্বৈত শক্তিৰ বাচক বুলি গৃহীত হৈছে বুলি ক'ব পাৰি। ব্ৰহ্মক জনাটোৱেই যথেষ্ট নহয়, ব্ৰহ্মজ্ঞানেৰে পৰিশুদ্ধ হৈ ব্ৰহ্ম হ'ব লাগিব। সেইকাৰণেই ব্ৰহ্মজ্ঞ জীৱৰ পৰিণতিয়েই হৈছে ব্ৰহ্ম– "ব্ৰহ্মবিদ্ ব্ৰহ্মৈৱ ভৱতি।"

ওঁ শান্তিঃ, শান্তিঃ, শান্তিঃ।।

টোকা ঃ

* উপনিষদৰ সংখ্যা বহুতো বেছি। মুক্তিকোপনিষদত এশ আঠখন উপনিষদৰ উল্লেখ আছে। যিয়ে নহওক, আমি ঘাইকৈ ছান্দোগ্য, বৃহদাৰণ্যক, তৈত্তিৰীয়, কেন, মূণ্ডক, কঠ, ঈশ, শ্বেতাশ্বতৰ, প্ৰশ্ন আৰু মাণ্ডূক্য উপনিষদৰ নামহে উল্লেখ কৰিলোঁ। শঙ্কৰাচাৰ্য্যই এইবোৰ উপনিষদৰ ওপৰত ভাষ্য ৰচনা কৰাৰ বাবেই এইবোৰৰ গুৰুত্ব বেছি।

* প্ৰস্থানত্ৰয়ী -- উপনিষদ, শ্ৰীমদ্ভাগবদগীতা আৰু ব্ৰহ্মসূত্ৰক প্ৰস্থানত্ৰয়ী বোলা হয়।

* প্ৰধান উপনিষদৰ বাহিৰেওযে বৈদিকৰ পৰৱৰ্ত্তী কালত উপনিষদ ৰচিত হৈছিল তাকে দেখুৱাবলৈ কেইখনমান অৰ্বাচীন উপনিষদৰ উল্লেখ কৰা হৈছে।

●

প্ৰবন্ধ

# প্ৰযুক্তি আৰু সুৰক্ষাৰ সন্তুলন- সময়ৰ আহ্বান

**পল্লৱ ভট্টাচাৰ্য্য**

১২-০৪-২০২২ তাৰিখে Oil India Limited এ দুলিয়াজান থানাত এজাহাৰ দাখিল কৰি প্ৰকাশ কৰে যে ১০-০৪-২০২২ তাৰিখে ইয়াৰ এটা কৰ্মকেন্দ্ৰত Ransomware (মুক্তিপণ হুমকি ভাইৰাস) চাইবাৰ আক্ৰমণ সংঘটিত হৈছিল আৰু পৰৱৰ্তী সময়ত, চাইবাৰ আক্ৰমণকাৰীসকলে সংক্ৰমিত কম্পিউটাৰত এটা টোকাৰ জৰিয়তে মুক্তিপণ হিচাপে ৭৫ লাখ আমেৰিকান ডলাৰ দাবী কৰে। এই এজাহাৰৰ আধাৰত দুলিয়াজান থানাত IT আইনৰ অধীনৰ ধাৰা ৬৬/৬৬ (এফ)ত আৰু ভাৰতীয় দণ্ডবিধি আইনৰ ৩৮৫ ধাৰাত গোচৰ নম্বৰ ৭৫/২২ ৰুজু কৰে আৰু তদন্ত আৰম্ভ কৰা হয়। শেহতীয়া প্ৰতিবেদন অনুসৰি ইণ্টেলিজেঞ্চ ব্যুৰো, ৰাজ্যিক চাইবাৰ চেল আৰু দুটা কেন্দ্ৰীয় চৰকাৰৰ শীৰ্ষ সংস্থা ক্ৰমে ৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ তথ্য আন্তঃগাঁথনি সুৰক্ষা কেন্দ্ৰ (NCIIPC) আৰু কম্পিউটাৰ জৰুৰীকালীন সঁহাৰি দল, ভাৰতে (CERT-IN) ইতিমধ্যে অসম আৰক্ষীক তদন্তত সহায় কৰিবলৈ তেওঁলোকৰ কাৰ্য্যকলাপ আৰম্ভ কৰিছে।

ইয়াত উল্লেখ কৰা উচিত যে ৭ মে, ২০২১ তাৰিখে টেক্সাছৰ হিউষ্টনৰ পৰা উদ্ভৱ হোৱা আৰু দক্ষিণ-পূব আমেৰিকা যুক্তৰাজ্যলৈ গেছ'লিন আৰু জেট ইন্ধন কঢ়িয়াই অনা কলোনিয়াল পাইপলাইন নামৰ এটা আমেৰিকান তেল পাইপলাইন চাইবাৰ আক্ৰমণৰ সন্মুখীন হৈছিল আৰু কোম্পানীটোক পৰিবহণ কাৰ্য্যকৰী কৰিবলৈ 75 বিটকইন (4.4 নিযুত ডলাৰ) হস্তান্তৰ কৰিবলৈ বাধ্য কৰা হৈছিল আৰু এফবিআইৰ ঘোষণা অনুসৰি আক্ৰমণটোত হেকাৰ গোট "ডাৰ্কচাইড" জড়িত থকাৰ ইঙ্গিত দিছিল।

২০২১ চনৰ ১ মাৰ্চত মহাৰাষ্ট্ৰৰ তদানীন্তন শক্তি মন্ত্ৰী নীতিন ৰাউতে নিউয়ৰ্ক টাইমছৰ এক বাতৰি প্ৰতিবেদনত দাবী কৰা মতে ২০২০ চনৰ মুম্বাইৰ বৃহৎ পৰিমাণৰ বিদ্যুৎ বিভ্ৰাটৰ আঁৰত চীনৰ চাইবাৰ অপৰাধী জড়িত থকাৰ সম্ভাৱনীয়তা আছিল।

আনহাতে আমেৰিকা যুক্তৰাজ্যৰ মেচাচুচেটছত অৱস্থিত চাইবাৰ নিৰাপত্তা প্ৰতিষ্ঠান ৰেকৰ্ড ফিউচাৰৰ এক প্ৰতিবেদনত প্ৰকাশ পাইছে যে চীনৰ চৰকাৰী পৃষ্ঠপোষকতাত হেকাৰৰ দলে লাডাখৰ ওচৰত ভাৰতীয় পাৱাৰ গ্ৰিডৰ সম্পত্তিত চাইবাৰ পদ্ধতিৰে আক্ৰমণ কৰিবলৈ সক্ষম হৈছিল; উল্লেখ্য যে উক্ত স্থানত দুয়োখন দেশ ২০২০ চনৰ মে' মাহৰ পৰা সীমা বিবাদত জড়িত হৈ আছিল।

২০১৬ চনৰ ছেপ্টেম্বৰত "বিতৰণ কৰা পৰিসেৱাৰ অস্বীকৃতি" (DDOS)ৰ জৰিয়তে মিৰাই মালৱেৰৰ আক্ৰমণে বিশেষকৈ কলকাতা, দিল্লী, ভুৱনেশ্বৰ, পুনে আৰু মুম্বাইত ইণ্টাৰনেট ব্যৱহাৰ কৰা নাগৰিকসকলক আক্ৰমণ কৰিছিল যাৰ ভয়াবহতা এতিয়াও সকলোৰে মনত সতেজ হৈ আছে। অসন্তুষ্ট সমমনস্ক গোটৰ জৰিয়তে বা আন দেশৰ পৃষ্ঠপোষকতাত চাইবাৰ আক্ৰমণ গোটৰ জৰিয়তে যুঁজিব পাৰি। দেশৰ নিৰাপত্তা আৰু বিত্তীয় স্বাস্থ্যৰ ওপৰত ইয়াৰ প্ৰভাৱে সকলো উন্নয়নৰ পটভূমিত, চাইবাৰ নিৰাপত্তা ৰাষ্ট্ৰীয় সুৰক্ষাৰ বাবে এক অপৰিহাৰ্য্য বিষয় হৈ পৰিছে আৰু ৰাজ্য আৰু ইয়াৰ নাগৰিকসকলে পালন কৰা ভূমিকাই ৰাষ্ট্ৰৰ সামগ্ৰিক স্বাস্থ্যৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলোৱা বৰ্তমান পৰিস্থিতিত অতিকৈ গুৰুত্বপূৰ্ণ বিবেচিত হৈছে। ভাৰতৰ ক্ষেত্ৰত এই কম্পিউটাৰ উন্নয়নৰ আৰম্ভণিৰ বিন্দুটো

**শাৰীৰিক যুদ্ধৰ দিনবোৰ অতীত হ'ল- এতিয়া যুদ্ধবোৰ এখন দেশৰ ভিতৰৰ অসন্তুষ্ট সমমনস্ক গোটৰ জৰিয়তে বা আন দেশৰ পৃষ্ঠপোষকতাত চাইবাৰ আক্ৰমণ গোটৰ জৰিয়তে যুঁজিব পাৰি। দেশৰ নিৰাপত্তা আৰু বিত্তীয় স্বাস্থ্যৰ ওপৰত ইয়াৰ প্ৰভাৱে সকলো উন্নয়নৰ পটভূমিত, চাইবাৰ নিৰাপত্তা ৰাষ্ট্ৰীয় সুৰক্ষাৰ বাবে এক অপৰিহাৰ্য্য বিষয় হৈ পৰিছে আৰু ৰাজ্য আৰু ইয়াৰ নাগৰিকসকলে পালন কৰা ভূমিকাই ৰাষ্ট্ৰৰ সামগ্ৰিক স্বাস্থ্যৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলোৱা বৰ্তমান পৰিস্থিতিত অতিকৈ গুৰুত্বপূৰ্ণ বিবেচিত হৈছে।**

২০-০৮-২০১৪ তাৰিখৰ পিআইবি ঘোষণাৰ পৰা পোৱা যায় য'ত প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে ডিজিটেল ইণ্ডিয়াৰ বাবে অনুমোদন জনাইছিল- যি আছিল ভাৰতক ডিজিটেল ভাৱে শক্তিশালী সমাজ আৰু জ্ঞান অৰ্থনীতিলৈ ৰূপান্তৰ কৰাৰ এক কাৰ্য্যসূচী। এইটো অনুভৱ কৰা হৈছে যে এক সফল ডিজিটেল ইণ্ডিয়া কাৰ্য্যসূচীৰ বাবে গ্ৰহণ কৰিবলগা চাইবাৰ নিৰাপত্তা ব্যৱস্থা সমূহক স্পষ্টভাৱে ইয়াৰ প্ৰাপ্য উপযুক্ত গুৰুত্ব দিয়া হোৱা নাছিল। আৰ্নেষ্ট এণ্ড ইয়ঙৰ "গোলকীয় তথ্য সুৰক্ষা জৰীপ (জি. আই. এছ এছ.) ২০১৮-১৯ ভাৰত সংস্কৰণ" অনুসৰি, ভাৰতত সৰ্বাধিক সংখ্যক চাইবাৰ ভাবুকি ধৰা পৰিছে আৰু লক্ষ্যযুক্ত আক্ৰমণৰ ক্ষেত্ৰত দেশখন দ্বিতীয় স্থানত আছে। যদিও

সৌ সিদিনা সৰ্বভাৰতীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠানত হোৱা ভয়াবহ চাইবাৰ আক্ৰমণে বিজ্ঞান প্ৰযুক্তিৰ চমকপ্ৰদ উন্নতিৰ পাছতো চাইবাৰস্পেচৰ অবাধ প্ৰয়োগে আনিব পৰা অপৰাধৰ কথাৰ অশনি সংকেত বহন কৰিছে। ভাৰত চৰকাৰৰ 'আভা' হেল্থ-কাৰ্ডৰ সুদুৰপ্ৰসাৰী প্ৰয়োগে ভৱিষ্যতে কি আক্ৰমণৰ সূচনা কৰে এতিয়াই জনাতো দুৰূহ।

উপৰিউক্ত তথ্যসমূহৰ বাহিৰেও আন বহু চাইবাৰ অপৰাধে, ইউক্ৰেইন আৰু ৰাছিয়াৰ মাজত চলি থকা গতিশীল সংঘাত সত্ত্বেও বিশ্বত পঞ্চম প্ৰজন্মৰ যুদ্ধৰ আগমনৰ সম্ভেদ দিয়ে। পঞ্চম প্ৰজন্মৰ যুদ্ধ (5 Generation Warfare) হৈছে এনে এক যুদ্ধ যাক মুখ্যতঃ সামাজিক-অভিযান্ত্ৰিক, ভুল তথ্য, চাইবাৰ আক্ৰমণৰ লগতে কৃত্ৰিম বুদ্ধিমত্তা, সম্পূৰ্ণ স্বয়ংক্ৰিয় প্ৰণালী, সামাজিক মাধ্যম আদিৰ দৰে উদীয়মান প্ৰযুক্তিৰ জৰিয়তে পৰিচালনা কৰা হয়; আন কথাত, ই হৈছে "তথ্য আৰু ধাৰণা"ৰ যুদ্ধ। শাৰীৰিক যুদ্ধৰ দিনবোৰ অতীত হ'ল- এতিয়া যুদ্ধবোৰ এখন দেশৰ ভিতৰৰ

বেঙ্কিং আৰু টেলিকম হৈছে আটাইতকৈ বেছি আক্ৰমণৰ সন্মুখীন হোৱা খণ্ড, উৎপাদন, স্বাস্থ্যসেৱা আৰু খুচুৰা ব্যৱসায়ো যথেষ্ট সংখ্যক চাইবাৰ আক্ৰমণৰ বলি হৈছে।

এক সমৃদ্ধ অৰ্থনীতিৰ বাবে ব্যক্তিগত, ব্যৱসায় আৰু চৰকাৰী পৰ্য্যায়ত চাইবাৰ নিৰাপত্তাৰ প্ৰয়োজনীয়তা অতি গুৰুত্বপূৰ্ণ। ইণ্টাৰনেট ব্যৱহাৰকাৰীসকলৰ কাৰণে এক স্থিৰ পৰিৱেশ নিশ্চিত কৰাৰ বাবে "আন্তৰ্জাতিক দূৰসংযোগ সংঘ (আইটিইউ)", চাইবাৰ ক্ৰাইম ২০০৪ ৰ ওপৰত আলোকপাত কৰা "বুডাপেষ্ট সন্মিলন", ২০০৬ চনত সকলো অংশীদাৰক একত্ৰিত কৰা ইণ্টাৰনেট গভৰ্ণেন্স ফ'ৰাম (আইজিএফ)", আৰু "আৱণ্টিত নাম আৰু নম্বৰৰ বাবে ইণ্টাৰনেট কৰ্পোৰেচন", (আই চিএএন)ৰ দৰে এক শৃংখলাবদ্ধ আন্তৰ্জাতিক প্ৰণালী স্থাপন কৰা সংগঠনসমূহৰ ভূমিকা গুৰুত্বপূৰ্ণ।

ভাৰতীয় ৰাষ্ট্ৰীয় চাইবাৰ নীতি, ২০১৩এ এক সুৰক্ষিত চাইবাৰ পৰিস্থিতি সৃষ্টি কৰা আৰু দেশৰ প্ৰতি নিৰাপত্তাৰ ভাবুকি আৰু তাৰ যথোপযুক্ত সঁহাৰি ৰক্ষা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। "ৰাষ্ট্ৰীয় কম্পিউটাৰ জৰুৰীকালীন সঁহাৰি দল (চিঅআৰটি-ইন)" সকলো চাইবাৰ নিৰাপত্তা প্ৰচেষ্টা, জৰুৰীকালীন সঁহাৰি আৰু সংকট ব্যৱস্থাপনাৰ সমন্বয়ৰ বাবে নোডেল এজেঞ্চী হিচাপে ২০০৪ চনত স্থাপন কৰা হৈছিল। বিশ্বব্যাপী সৰ্বশ্ৰেষ্ঠ পদ্ধতি ৰূপায়ণ কৰি ই-গভৰ্ণেন্স সুৰক্ষিত কৰা ৰাজহুৱা মুখ্য আন্তঃগাঁথনিৰ ব্যাপক ব্যৱহাৰ ইয়াৰ কাৰ্য্যকলাপৰ এক গুৰুত্বপূৰ্ণ দিশ। গুৰুত্বপূৰ্ণ তথ্য, আন্তগাঁথনিৰ সুৰক্ষা আৰু স্থিতিস্থাপকতাৰ বাবে "ৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ তথ্য আন্তঃগাঁথনি সুৰক্ষা কেন্দ্ৰ"ই (এনচিআইআইপিচ) নোডেল সংস্থা হিচাপে কাম কৰে। ভাৰতৰ গুৰুত্বপূৰ্ণ তথ্য আন্তঃগাঁথনি সুৰক্ষিত কৰিবলৈ আইটি আইন ২০০০ ৰ অধীনত এনচিআইআইপিচি সৃষ্টি কৰা হৈছিল। এনচিআইআইপিচিয়েই ৭-৭-১৮ তাৰিখে গুৱাহাটীত অসম আৰক্ষীৰ বিশেষ শাখাৰ মুখ্য কাৰ্য্যালয়ত "চাইবাৰডম প্ৰকল্প" স্থাপন কৰিছিল।

মানুহৰ দ্বাৰা মোবাইল প্ৰযুক্তি আৰু ইণ্টাৰনেটৰ বৰ্ধিত ব্যৱহাৰ, "ইণ্টাৰনেট অফ থিংছ"ৰ প্ৰসাৰ (আইঅটি) কিন্তু সঠিক সুৰক্ষা আন্তঃগাঁথনিৰ অভাৱ, চাইবাৰস্পেচৰ অন্তৰ্নিহিত দুৰ্বলতা, প্ৰতিৰক্ষা প্ৰযুক্তিক অতিক্ৰম কৰি আক্ৰমণ প্ৰযুক্তিৰ বহুল প্ৰসাৰ, চাইবাৰ নিৰাপত্তাৰ ওপৰত সজাগতাৰ অভাৱ, অসামাজিক উপাদানৰ দ্বাৰা চাইবাৰস্পেচৰ বৰ্ধিত ব্যৱহাৰ, সামাজিক মাধ্যমৰ সৰ্বব্যাপী ব্যৱহাৰ আদি হৈছে আজি সমাজে সন্মুখীন হোৱা কিছুমান প্ৰত্যাহ্বান।

চৰকাৰে "চাইবাৰ সুৰক্ষিত ভাৰত উদ্যোগ" ২০১৮ ৰ জৰিয়তে সকলো চৰকাৰী বিভাগত মুখ্য তথ্য সুৰক্ষা বিষয়াসকলৰ (CISO) আৰু সন্মুখ সমৰত আগভাগ লোৱা তথ্য-প্ৰযুক্তি কৰ্মচাৰীৰ বাবে সুৰক্ষা ব্যৱস্থাৰ ওপৰত সজাগতা আৰু ক্ষমতা নিৰ্মাণৰ বাবে এই প্ৰকল্প এক শৃংখলাবদ্ধ কাৰ্য্যসূচীৰে আৰম্ভ কৰিছিল। ইয়াৰ বাহিৰেও ৰাষ্ট্ৰীয় চাইবাৰ সুৰক্ষা সমন্বয় কেন্দ্ৰ (NCCC), চাইবাৰ স্বচ্ছতা কেন্দ্ৰ, তথ্য সুৰক্ষা শিক্ষা আৰু সজাগতা প্ৰকল্প (ISEA), ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ ৪০ বিধ কাৰ্য্যপ্ৰণালীৰে জনসাধাৰণক প্ৰতাৰণা কৰা ঠগৰ বিপক্ষে সজাগতামূলক কিতাপ "ৰাজু আৰু চল্লিশ চোৰ" আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতা যাৰ জৰিয়তে যুক্তৰাজ্য, ছিংগাপুৰ, জাপান আদি উন্নত দেশৰ সৈতে ভাৰতৰ বিভিন্ন চুক্তি সম্পাদন আদি চৰকাৰৰ অন্যান্য পদক্ষেপসমূহৰ ভিতৰত প্ৰধান। ভাৰতে সম্পাদিত কৰা আন্তঃৰাষ্ট্ৰীয় চুক্তিসমূহে ভাৰতক অত্যাধুনিক চাইবাৰ ভাবুকিক প্ৰত্যাহ্বান জনোৱাত সহায় কৰাৰ সম্ভাৱনা আছে।

চাইবাৰ আক্ৰমণ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণৰ বাবে কিছু পদক্ষেপৰ তৎকালীন প্ৰয়োগ অতি জৰুৰী- (ক) প্ৰকৃত-সময়ৰ চোৰাংচোৱা তথ্য সংগ্ৰহ, (খ) ৰেনছমৱেৰ আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ সাময়িক সুৰক্ষাৰ বাবে সঞ্চয় কৰা তথ্যৰ বিকাশ (Back-up Data), (গ) আক্ৰমণৰ পূৰ্বানুমান আৰু সঠিকভাৱে চিনাক্ত কৰাৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ (AI) ব্যৱহাৰ

কৰা, (ঘ) ক্ষমতা আহৰণ আৰু বুদ্ধিৰ বাবে প্ৰকৃত আক্ৰমণৰ পৰা প্ৰাপ্ত জ্ঞান ব্যৱহাৰ কৰা, (ঙ) শিক্ষানুষ্ঠানৰ পাঠ্যক্ৰমত চাইবাৰ নিৰাপত্তাসহ ডিজিটেল সাক্ষৰতাৰ জৰিয়তে চাইবাৰ ভাবুকিৰ বিষয়ে সজাগতা বৃদ্ধি কৰা, (চ) চাইবাৰ নিৰাপত্তাৰ বাবে আৰক্ষীৰ নিয়মীয়া প্ৰশিক্ষণ, (ছ) চাইবাৰ সুৰক্ষাৰ ওপৰত বিশ্ববিদ্যালয়, আইআইটি ,আইআইআইটি আদিত গৱেষণাক উদগনি দিয়া, (জ) বৰ্তমান উপলব্ধ সঁজুলি আৰু ব্যৱস্থাৰ সৰ্বশ্ৰেষ্ঠ জ্ঞাত পদ্ধতিৰ জৰিয়তে গণনা কৰা পৰিৱেশ আৰু আই.ও.টি. (ইণ্টাৰনেট ব্যৱহাৰৰ যোগেদি বৈদ্যুতিক যন্ত্ৰসমূহৰ পৰস্পৰৰ মাজত আলাপ) সুৰক্ষিত কৰা আদিয়েই হৈছে কিছুমান জৰুৰী পদক্ষেপ।

ইয়াৰ বাহিৰেও চৰকাৰে চাইবাৰ সুৰক্ষা, তথ্য অখণ্ডতা আৰু সুৰক্ষাৰ ক্ষেত্ৰত মূল দক্ষতাৰ বিকাশত উদগনি দিব লাগে আৰু বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানসমূহৰ সুৰক্ষাৰ বাবে কঠোৰ সুৰক্ষা মানদণ্ড নিৰ্ধাৰণ কৰিব লাগে।

বৰ্তমানৰ চাইবাৰডম আৰু অন্যান্য প্ৰকল্পৰ জৰিয়তে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ লোকসকলক চাইবাৰ নিৰাপত্তাৰ ক্ষেত্ৰত শিক্ষিত কৰা, আইআইটি/ আইআইআইটি/ বিশ্ববিদ্যালয়সমূহক অংশীদাৰ হিচাপে ব্যৱহাৰ কৰি চাইবাৰ ক্ৰিয়াৰ ওপৰত অত্যাধুনিক গৱেষণা কৰা আৰু গৱেষণাৰ উদ্যোগত সফল ৰূপায়ণ কৰা, উদ্যোগ (ৰাজহুৱা আৰু ব্যক্তিগত)- চৰকাৰ-শিক্ষা প্ৰতিষ্ঠান-চাইবাৰ বিশেষজ্ঞ আদিৰ আনুষ্ঠানিক পৰ্য্যাবৃত্ত বৈঠকৰ জৰিয়তে গৱেষণাৰ ফলাফল ভাগ বতৰা কৰা আদি হৈছে চৰকাৰে সক্ৰিয়ভাৱে গ্ৰহণ কৰিবলগীয়া কিছুমান অতিৰিক্ত পদক্ষেপ। যদিও উত্তৰ-পূৰ্বাঞ্চলত সশস্ত্ৰ বিদ্ৰোহ হ্ৰাস পাইছে, এই ভূখণ্ডৰ ভূ-ৰাজনৈতিক আৰু কৌশলগত গুৰুত্বই সীমান্তৰ সিপাৰৰ পৰা পঞ্চম প্ৰজন্মৰ আক্ৰমণ হোৱাটো নিশ্চিত। OIL ৰ বৰ্তমান সংঘটিত হোৱা ৰেনচমৱেৰ আক্ৰমণ ৫ম প্ৰজন্মৰ যুদ্ধৰ আগজাননী বুলি অভিহিত কৰাৰ অৱকাশ আছে।

ইয়াৰ বাহিৰেও আক্ৰমণ সুৰক্ষাৰ মূলমন্ত্ৰ নীতি গান্ধীৰ দেশৰ পৰিপন্থী হ'লেও সময়ৰ জৰুৰী আহ্বান বুলি মানি লোৱাৰ গত্যন্তৰ নাই। সেয়েহে ''নৈতিক হেকিঙ''(Ethical Hacking)ৰ সহায় লৈ দেশৰ সুৰক্ষা অটুত ৰখা অতি জৰুৰী হৈ পৰিছে। এনে এক পৰিস্থিতিত চাকৰি বিচাৰি হাবাথুৰি খোৱা যুৱসমাজে মেচিন লাৰ্নিং, চেট্ জিপিতি আদিৰ দৰে নতুন প্ৰযুক্তিৰ সহায় লৈ এক গৌৰৱোজ্জ্বল পেচা লৈ উপাৰ্জনৰ বাহিৰেও দেশসেৱাত নিজকে নিমজ্জিত কৰিব পাৰে। বিশ্ব অৰ্থনীতি মঞ্চত (World Economic forum) সত্য নাদেলাই দিয়া ভাষণত ভাৰতৰ দৰে বিভিন্ন ভাষা গোষ্ঠীৰ দেশে কেনেদৰে চেট্ জিপিতিৰ সহায়েৰে দেশত অনৈক্যৰ মাজত ঐক্য স্থাপন কৰাৰ সম্ভাৱনা ল'ব পাৰে সেই ভাৱধাৰা সুন্দৰভাবে প্ৰস্ফুতিত হৈছে।

এই কথা সৰ্বজনগৃহীত যে প্ৰযুক্তিৰ উন্নীতকৰণ আধুনিক দিনৰ সকলো সমস্যা সমাধানৰ মূলমন্ত্ৰ আৰু চাইবাৰ নিৰাপত্তা হৈছে ইয়াৰ বাবে পৰিশোধ কৰিব লগা মূল্য। ''চচাইটি জেনেৰেল'' নামৰ সংস্থাৰ তথ্য সুৰক্ষাৰ গোলকীয় মুৰব্বী ষ্টিফেন নেপ্লোৰ বিখ্যাত উক্তি সকলো নেটিজেনৰ বাবে চিৰস্মৰণীয় হোৱাটো নিশ্চিত ঃ "It takes 20 years to build a reputation and few minutes of cyber incidents to ruin it."

●

প্ৰবন্ধ

প্ৰদুষণৰ মাত্ৰা হ্ৰাস কৰিবলৈ ব্যক্তিগত যান-বাহনৰ ব্যৱহাৰ কমকৈ কৰি ৰাজহুৱা পৰিবহণ সেৱাৰ ব্যৱহাৰত সকলো লোক আগ্ৰহী হ'ব লাগিব। গতিকে সৰু বৰ সকলো চহৰতে ৰাজহুৱা পৰিবহণ ব্যৱস্থা যথেষ্ট উন্নত মানৰ হ'ব লাগিব যাতে মানুহে নিজেই ৰাজহুৱা পৰিবহণত যাতায়াতৰ বাবে আগ্ৰহ প্ৰকাশ কৰে।

# গ্ৰীন মবিলিটি- বৈদ্যুতিক বাহন আৰু ৰাজহুৱা পৰিবহণৰ উপযোগিতা

**কৃষ্ণা শৰ্মা**

গ্ৰীন মবিলিটি বুলিলে যাতায়াতৰ বাবে আমাৰ সেউজীয়া প্ৰকৃতিক একো অনিষ্ট নকৰাকৈ খোজকাঢ়ি অহা যোৱা কৰা, চাইকেল চলোৱা আৰু গ্ৰীন এনাৰ্জি বা সেউজ শক্তিৰ দ্বাৰা চালিত পৰিবহণ ব্যৱস্থাকে বুজোৱা হয়। তদুপৰি প্ৰদূষণৰ মাত্ৰা কমাবলৈ ব্যক্তিগত বাহনৰ সংখ্যা কমাই যাতায়াতৰ বাবে সমূহীয়া ৰাজহুৱা পৰিবহণ সেৱাৰ বাছ, ৰেলগাড়ী আদিৰ ব্যৱহাৰেও কিছু পৰিমাণে যান-বাহনৰ দ্বাৰা হোৱা প্ৰদূষণৰ মাত্ৰা কমাই গ্ৰীন মবিলিটিৰ দিশত এক অৰিহণা যোগাব পাৰে। এই ক্ষেত্ৰত ৰাজহুৱা পৰিবহণো গ্ৰীন এনাৰ্জিৰ দ্বাৰা চালিত হ'লে প্ৰদূষণ কমাব পৰা যায়।

২০১৫ বৰ্ষত পেৰিচত অনুষ্ঠিত শূন্য কাৰ্বন নিৰ্গমনৰ বাবে সৰ্বসন্মতিক্ৰমে ১৯৬ খন দেশে যি সমূহীয়া চুক্তি কৰিছিল সেই অনুসৰিয়েই পৰিবহণ ব্যৱস্থাৰ দ্বাৰা হোৱা কাৰ্বন নিৰ্গমন ৰোধৰ বিকল্প যাতায়াত ব্যৱস্থাৰ বাবে সমগ্ৰ বিশ্ববাসী গ্ৰীন মবিলিটিৰ দিশত ধাৰমান হোৱা দেখা গৈছে। পৃথিৱীৰ বৰ্তমান চলি থকা পৰিবহণ ব্যৱস্থাৰ পৰা

কাৰ্বন নিৰ্গমন সবাতোকৈ বেছি হয় বুলি প্ৰমাণিত হৈছে আৰু ইয়াকো ঠাৱৰ কৰা হৈছে যে বিশ্বৰ সমুদায় প্ৰদূষণৰ ৭০% চহৰ অঞ্চলৰ পৰা হয় আৰু ইয়াৰে ১/৩ অংশ আহে যাতায়াতৰ বাবে ব্যৱহৃত যান-বাহনৰ পৰা। সমগ্ৰ বিশ্বতে ক্ষিপ্ৰতাৰে বাঢ়ি যোৱা যান-বাহন চলাচলৰ সংখ্যাই কাৰ্বন নিৰ্গমনৰ পৰিমাণো বাঢ়ি যোৱাত অৰিহণা যোগাই আহিছে। গতিকে ২০১৫ চনৰ পেৰিচ সন্মিলনী চুক্তিত ২০৫০ চনলৈ শূন্য কাৰ্বন নিৰ্গমনৰ যি লক্ষ্য লোৱা হৈছে তাৰ বাবে জৈৱিক ইন্ধনৰ বিকল্প হিচাপে প্ৰদূষণমুক্ত বৈদ্যুতিক শক্তিৰে চালিত বাহন আৰু ইয়াৰ বাবে আৱশ্যকীয় আন্তঃগাঁথনি নিৰ্মাণত গুৰুত্ব প্ৰদান কৰা হৈছে।

এই ক্ষেত্ৰত ভাৰতবৰ্ষৰ প্ৰদূষণৰ ১/৪ ভাগ কাৰ্বন নিৰ্গমন যাতায়াতৰ বাবে ব্যৱহাৰ কৰা পৰিবহণ ব্যৱস্থাৰ পৰা হয় বুলি ঠাৱৰ কৰা হৈছে। গতিকে সমগ্ৰ বিশ্বৰ সকলো দেশৰ লগতে ভাৰতবৰ্ষতো যান-বাহন চলাচলৰ বাবে হোৱা কাৰ্বন নিৰ্গমনৰ দ্বাৰা যি প্ৰদূষণ হৈ আছে, সেই প্ৰদূষণৰ মাত্ৰা কমোৱাৰ বাবে চৰকাৰে বিভিন্ন আঁচনি ঘোষণা কৰিছে।

শেহতীয়াকৈ ভাৰত চৰকাৰে ঘোষণা কৰা অভিলাষী আঁচনি সমূহৰ জৰিয়তে বৈদ্যুতিক বাহন ব্যৱহাৰ কৰা লোকক বহুক্ষেত্ৰত ৰেহাই দি ব্যৱহাৰ কৰিবলৈ উৎসাহ প্ৰদান কৰিছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য হৈছে গাড়ীৰ পঞ্জীয়ন ৰেহাই মূল্যত কৰোৱা, ৰাজপথৰ কৰৰ ৰেহাই মূল্য আদি।

ভাৰত চৰকাৰে ঘোষণা কৰা বিদ্যুৎ বাহনৰ নীতি অনুসৰি ২০৩০ চনলৈকে দেশৰ সকলো বাহন বিদ্যুৎ চালিত কৰিবলৈ সঙ্কল্প গ্ৰহণ কৰা হৈছে আৰু ২০২৫ ৰ পৰা চৰকাৰী গাড়ী ক্ৰয় কৰাৰ ক্ষেত্ৰতো কেৱল বিদ্যুৎচালিত বাহন ক্ৰয় কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

ভাৰত চৰকাৰে ঘোষণা কৰা আঁচনিত গাড়ী নিৰ্মাতা আৰু ক্ৰয় কৰোঁতা উভয়লৈকে বহুতো সুবিধা প্ৰদান কৰা হৈছে।

এক সমীক্ষা অনুসৰি ২০২২ চনৰ পৰা ভাৰতত বৈদ্যুতিক বাহনৰ ক্ৰেতাৰ সংখ্যা যথেষ্ট বাঢ়ি গৈছে আৰু অনাগত দিনবোৰত আৰু ক্ষীপ্ৰ গতিৰে বাঢ়িব বুলি আশা কৰা হৈছে। মন কৰিবলগীয়া কথাটো হৈছে যে জৈৱ ইন্ধনৰ ক্ৰমাগতভাৱে বাঢ়ি যোৱা মূল্য আৰু জনসাধাৰণৰ পৰিৱেশ সজাগতা, চৰকাৰৰ উৎসাহ আৰু ঘোষণা কৰা আঁচনি সমূহৰ বাবে ইয়াৰ জনপ্ৰিয়তা বাঢ়ি যাব ধৰিছে বুলি সহজে অনুমান কৰিব পাৰি। বৰ্তমান বৈদ্যুতিক বাহনৰ জনপ্ৰিয়তালৈ লক্ষ্য কৰি আমেৰিকা যুক্তৰাষ্ট্ৰ, চীন, জাপান আদি দেশে বৈদ্যুতিক বাহনৰ নিৰ্মাণৰ বাবে বৃহৎ আঁচনি হাতত লৈছে। বিদ্যুৎ চালিত বাহনৰ নিৰ্মাতা Tesla Motors ৰ যোৱা ২০২২ চনৰ জুন মাহলৈকে হেনো ৬,৪০,০০০ খনতকৈয়ো অধিক গাড়ী বিক্ৰী হৈছে।

বৈদ্যুতিক বাহনৰ চাহিদা বৰ্তমান সময়ত বাঢ়ি গৈছে যদিও এই প্ৰযুক্তি কিন্তু জৈৱ ইন্ধনৰ দ্বাৰা চালিত ইঞ্জিনতকৈ পুৰণি আৰু মানুহে অন্তৰ্দাহী ইঞ্জিন (Internal Combustion Engine) ৰ বাহন আৱিষ্কাৰ হোৱাৰ আগতেই বেটাৰি চালিত বৈদ্যুতিক বাহন আৱিষ্কাৰ কৰি ব্যৱহাৰ কৰিছিল। যিহেতু একাদিক্ৰমে কেবাজনো লোকৰ পৰীক্ষা-নিৰীক্ষাৰ অন্তত বিদ্যুৎ চালিত বাহনৰ আৱিষ্কাৰ হৈছিল, গতিকে বিদ্যুৎ চালিত বাহনৰ আৱিষ্কাৰক হিচাপে এজন বিজ্ঞানীৰ নাম ল'ব পৰা নাযায়। ইয়াৰ আৱিষ্কাৰ আৰু ব্যৱহাৰ বহু আগৰ পৰাই হৈ আহিছিল। ইয়াৰ দ্বাৰা টেক্সিও চলাইছিল, কিন্তু বেটাৰিৰ চাৰ্জ বেছি সময়ৰ বাবে নাথাকিছিল আৰু এই বাহন যথেষ্ট ব্যয়বহুল আছিল।

১৯০৮ চনত হেনৰি ফ'ৰ্ডে জৈৱ ইন্ধনৰ দ্বাৰা চালিত তেওঁৰ সাৰ্থক আৰু বিখ্যাত নমুনা "Model T" তৈয়াৰ কৰি যেতিয়া উলিয়ালে, গোটেই পৃথিৱীতে ই সমাদৰ লাভ কৰিলে। ফ'ৰ্ড মটৰ কোম্পানী আমেৰিকাৰ পৰিবহণ ব্যৱস্থাৰ এক ইতিহাস। প্ৰায় ২০ বছৰৰ ভিতৰত এক কোটি ৬০ লাখ খন গাড়ী বিক্ৰী হৈছিল আৰু এই বাহনৰ দাম সেই সময়ৰ সমসাময়িক বৈদ্যুতিক বাহনৰ দামৰ প্ৰায় আধা আছিল। মটৰ গাড়ীৰ ব্যৱসায়িক প্ৰচলনৰ বাবে তেওঁ ১৯০৩ চনত “ফ'ৰ্ড মটৰ কোম্পানী” প্ৰতিষ্ঠা কৰে। ইয়াৰ

আগতে তেওঁ ফৰ্ড ৯৯৯ নিৰ্মাণ কৰি সুনাম অৰ্জন কৰিছিল। "Model T" ৰ আৱিষ্কাৰৰ পাছৰ পৰাই গাড়ীৰ জগতখন সলনি হ'ল। আগৰ বৈদ্যুতিক বাহনতকৈ প্ৰায় আধা মূল্যত ক্ৰয় কৰিব পৰা হ'ল। মটৰ গাড়ীৰ ক্ষেত্ৰত এক নতুন যুগৰ সূচনা হ'ল। প্ৰায় দেৰদশক ধৰি মানুহে বৈদ্যুতিক বাহন এৰি জৈৱ ইন্ধনৰ বাহন চলালে। কিন্তু আকাশলঙ্ঘী হাৰত জৈৱ ইন্ধনৰ মূল্য বৃদ্ধিয়ে মানুহক বিকল্প ইন্ধনৰ কথা চিন্তা কৰিবলৈ বাধ্য কৰালে আৰু এই বিষয়ে চিন্তা চৰ্চা কৰি থাকোঁতেই যেতিয়া জৈৱ ইন্ধনৰ দ্বাৰা চালিত ইঞ্জিনৰ পৰা হোৱা ভয়ানক প্ৰদূষণৰ বিষয়ে জ্ঞাত হ'ল, তেতিয়াৰ পৰাই মানুহ প্ৰদূষণহীন বৈদ্যুতিক বাহন চলোৱাৰ বাবে পুনৰ আগ্ৰহী হ'ল।

> এইটোও গৱেষণা কৰি পোৱা গৈছে যে পথ দুৰ্ঘটনা, যান-জঁটৰ সমস্যা আদি উৰণীয়া সেঁতু আৰু বিকল্প পথ নিৰ্মাণ কৰি প্ৰতিৰোধৰ চেষ্টা কৰা হৈছে যদিও, যেতিয়াই ৰাস্তা পদুলি উন্নত কৰা হয়, তাত চলাচল কৰা যান-বাহনৰ সংখ্যাও বৃদ্ধি পাবলৈ ধৰে। মানুহেও ব্যক্তিগত যান-বাহন ক্ৰয় কৰাত আগ্ৰহী হয় আৰু সমূহীয়া পৰিবহণ ব্যৱস্থাৰ ব্যৱহাৰত আগ্ৰহ নেদেখুৱা হয়।

আনহাতে ৰিচাৰ্জিবেল লিথিয়াম আয়ন বেটাৰিৰ আৱিষ্কাৰে চাৰ্জিঙৰ ক্ষেত্ৰত থকা অসুবিধা বিলাক আঁতৰাই দিলে। বৰ্তমান সময়ত দুচকীয়াই হওক, তিনিচকীয়াই হওক বা চাৰিচকীয়াই হওক ইয়াক পুনৰুজ্জীৱিত কৰাৰ প্ৰয়াস আৰম্ভ হৈছে। তাদুপৰি বৈদ্যুতিক বাহন চলোৱাৰ সহজ পদ্ধতিয়েও সকলোকে আকৰ্ষিত কৰিছে। অন্তৰ্দাহী (Internal Combustion) ইঞ্জিনৰ ব্যৱহাৰ নোহোৱা বাবে এই বৈদ্যুতিক বাহন চলোৱাও সহজ। গিয়েৰৰ ব্যৱহাৰ নথকাত কাম হৈছে চুইচ দিয়া, চলাই নিয়া আৰু ব্ৰেক মাৰি ৰখোৱা। ইয়াক মাথোঁ চাৰ্জ কৰিব লাগিব ৰাজহুৱা পেট্ৰল ডিপোৰ দৰে চাৰ্জিং ষ্টেচনত অথবা নিজ গৃহতে যদি চাৰ্জিং পইণ্টৰ সংযোগ লোৱা হয়, তাত। এই বাহনত বৈদ্যুতিক মটৰ ব্যৱহাৰ কৰা হয় আৰু এই মটৰ চলাবলৈ Traction Battery Pack ব্যৱহাৰ কৰা হয়। এই বাহনৰ আন এটি সুবিধা হৈছে ইয়াৰ Tailpipe ৰে কোনো গেছ বাহিৰলৈ ওলাই নাযায় আৰু পৰম্পৰাগত ইন্ধন চালিত বাহনৰ দৰে Fuel Pump, Fuel Tank ৰ ব্যৱহাৰ নাথাকে। ইয়াত থাকে Battery, Charge Point, DC/DC Converter, Cooling System আদি। El traction motor এ Traction battery pack ৰ পৰা পোৱা বিদ্যুতেৰে বাহনৰ চকা ঘূৰায় আৰু Power Electronics Controller এ মটৰৰ গতি বিদ্যুতৰ দ্বাৰা নিয়ন্ত্ৰণ কৰে। গাড়ীখন চলি থাকোঁতে মটৰৰ উষ্ণতা Thermal System এ নিয়ন্ত্ৰণ কৰে।

বৈদ্যুতিক বাহনৰ লিথিয়াম আয়ন বেটাৰিৰ আন এবিধ দৰকাৰী ধাতু কবাল্ট। কবাল্টৰ দ্বাৰা বেটাৰিৰ কাৰ্য্যক্ষমতা বাঢ়ে বাবে ই দীৰ্ঘস্থায়ী হয়। আন এবিধ প্ৰয়োজনীয় ধাতু হৈছে যাক Rare earth element বুলি কোৱা হয়। সহজ অৰ্থত Rare নহয় কিন্তু ইয়াক ভূগৰ্ভৰ পৰা নিষ্কাসন কৰা প্ৰক্ৰিয়া যথেষ্ট জটিল। এই ধাতু কেইবিধ হৈছে Neodynium, Terbium আৰু Dysprosium । বৈদ্যুতিক বাহনৰ Induction মটৰৰ স্থায়ী চুম্বক নিৰ্মাণত ইয়াৰ ব্যৱহাৰ কৰা হয়। ইলেকট্ৰিক বাহন ব্যৱহাৰৰ দ্বাৰা বিভিন্ন প্ৰকাৰে লাভান্বিত হ'ব পৰা যায়। ইন্ধনৰ মূল্য কমি যোৱা, প্ৰদূষণ মুক্ত, মেৰামতিৰ খৰচ কমি যোৱা আৰু লগতে নিজৰ ঘৰতে সৌৰ পেনেল বহুৱাই চাৰ্জিঙৰ সুবিধা কৰি ল'ব পাৰিলে কম খৰচতে ইয়াক ব্যৱহাৰ কৰিব পাৰি।

বিদ্যুৎ চালিত বাহনৰ বাবে প্ৰয়োজনীয় চাৰ্জিং ষ্টেচনৰ বিদ্যুৎ যোগানো প্ৰদূষণহীন শক্তিৰ উৎসৰ দ্বাৰা হ'লেহে প্ৰদূষণৰ মাত্ৰা কমাব পৰা যাব। ভাৰতবৰ্ষৰ কৰ্ণাটক চৰকাৰে ২০১৪ চনত বাঙ্গালুৰু চহৰত পোন প্ৰথমে ৰাজহুৱা পৰিবহণ বৈদ্যুতিক বাহনেৰে আৰম্ভ কৰে। ইয়াৰ পৰৱৰ্তী কালত BESCOM-এ এই কামক উৎসাহিত কৰিবৰ বাবে প্ৰায় ৭৪ টা EV charging ষ্টেচন স্থাপন কৰে। বৰ্তমান ভাৰতত এহেজাৰৰো অধিক বিদ্যুৎ চালিত পৰিবহণ সেৱাৰ বাছ

আছে। এই ক্ষেত্ৰত ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰ সমূহে নতুন নতুন পদক্ষেপ লৈ আছে। অসম চৰকাৰৰ উদ্যোগতো ৰাজহুৱা পৰিবহণত বিদ্যুৎচালিত বাছ সেৱা আৰম্ভ হৈছে।

বৈদ্যুতিক বাহনৰ ব্যৱহাৰ কৰি গ্ৰীন মবিলিটি বঢ়োৱাৰ বাবে অসম চৰকাৰে Assam Electric Vehicle Policy 2021 আঁচনি উদ্বোধন কৰে। এই আঁচনিৰ জৰিয়তে গাড়ী ক্ৰয় কৰোঁতা আৰু দুচকীয়া আৰু তিনিচকীয়া বাহনৰ ক্ষেত্ৰতো বহুতো ৰেহাই ঘোষণা কৰিছে। আন এটি মনকৰিবলগীয়া কথা হৈছে যে আমাৰ যাতায়াতৰ বাবে ব্যৱহৃত ব্যক্তিগত বাহন সমূহৰ দ্বাৰা প্ৰদূষণৰ উপৰিও যান-জঁটৰ সমস্যাও হয়। ব্যক্তিগত বাহন বিদ্যুৎ চালিত হ'লে এই বাহন প্ৰদূষণমুক্ত হ'লেও কিন্তু ৰাজপথৰ যান-জঁটৰ সমস্যা সমাধান নহয়।

বৰ্তমান আমাৰ নগৰ আৰু চহৰ সমূহত যি যান-বাহন ব্যৱহাৰ কৰা হয়, প্ৰদুষণ, যান-জঁট আৰু আন এটি প্ৰত্যাহ্বান হৈছে পথ দুৰ্ঘটনা। এইটোও গৱেষণা কৰি পোৱা গৈছে যে পথ দুৰ্ঘটনা, যান-জঁটৰ সমস্যা আদি উৰণীয়া সেঁতু আৰু বিকল্প পথ নিৰ্মাণ কৰি প্ৰতিৰোধৰ চেষ্টা কৰা হৈছে যদিও, যেতিয়াই ৰাস্তা পদুলি উন্নত কৰা হয়, তাত চলাচল কৰা যান-বাহনৰ সংখ্যাও বৃদ্ধি পাবলৈ ধৰে। মানুহেও ব্যক্তিগত যান-বাহন ক্ৰয় কৰাত আগ্ৰহী হয় আৰু সমূহীয়া পৰিবহণ ব্যৱস্থাৰ ব্যৱহাৰত আগ্ৰহ নেদেখুৱা হয়।

যি বিলাক ঘাটক দুৰ্ঘটনা সেই সমূহ বেছিভাগেই পথচাৰী, চাইকেল আৰোহী অথবা মটৰ চাইকেল বা স্কুটাৰত আৰোহণ কৰা লোকৰ হয়। ২০১৯ চনৰ এক সমীক্ষাৰ মতে এই সমূহ দুৰ্ঘটনা প্ৰায় ৫৭%। তাৰ বিপৰীতে যি সকলে লঘু যান-বাহনত যাতায়াত কৰে, তেওঁলোকৰ ১৬% লোক এই দুৰ্ঘটনাৰ বলি হয়।

প্ৰদুষণৰ মাত্ৰা হ্ৰাস কৰিবলৈ ব্যক্তিগত যান-বাহনৰ ব্যৱহাৰ কমকৈ কৰি ৰাজহুৱা পৰিবহণ সেৱাৰ ব্যৱহাৰত সকলো লোক আগ্ৰহী হ'ব লাগিব। গতিকে সৰু বৰ সকলো চহৰতে ৰাজহুৱা পৰিবহণ ব্যৱস্থা যথেষ্ট উন্নত মানৰ হ'ব লাগিব যাতে মানুহে নিজেই ৰাজহুৱা পৰিবহণত যাতায়াতৰ বাবে আগ্ৰহ প্ৰকাশ কৰে।

তদুপৰি আমাৰ পথ সমূহ পথচাৰীৰ বাবেও নিৰাপদ নহয়। পথচাৰীৰ বাবে সকলো ৰাজপথত সুবিধা নথকাৰ বাবেই তেনে পথত খোজ কাঢ়িলে দুৰ্ঘটনাৰ প্ৰৱণতাহে বেছি হয়। গতিকে পথ যেতিয়া বহল কৰে, পথচাৰী আৰু লগতে চাইকেল আৰোহীৰ বাবেও সুবিধা ৰাখিব লাগে। ই দুয়োটা কামেই কৰিব আৰু লগতে পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰতো অৰিহণা যোগাব।

●

প্ৰবন্ধ



# অই নিঃতমত প্ৰকৃতি-বৈভৱ

ড° মঞ্জু দেৱী পেগু

**প্ৰস্তাৱনা ঃ**

অসমত বসবাস কৰা মংগোলীয় জনগোষ্ঠীসমূহৰ ভিতৰত মিচিংসকল দ্বিতীয় বৃহৎ জনগোষ্ঠী। বৃহৎসংখ্যক জনসমষ্টিৰে ব্ৰহ্মপুত্ৰ উপত্যকাৰ এটি বহল অঞ্চল অধিকাৰ কৰি থকা এই জনগোষ্ঠীয়ে নিজস্ব বৈশিষ্ট্য সম্বলিত সাংস্কৃতিক পৰম্পৰাৰে বিশাল অসমীয়া সংস্কৃতিক সমৃদ্ধ কৰিছে। অসমৰ লোক সাহিত্যৰ অন্যতম অংশ হৈছে মিচিং লোক সাহিত্য। প্ৰাচীন লিখিত সাহিত্য নাথাকিলেও মিচিংসকলৰ মৌখিক সাহিত্য অতি সমৃদ্ধিশালী। অই নিঃতম এই মৌখিক সাহিত্যৰ অন্যতম নিদৰ্শন। জনপ্ৰিয়তাৰ ফালৰপৰা অই নিঃতমৰ স্থান মিচিং সমাজত প্ৰচলিত আটাইবোৰ লোকগীতৰ শীৰ্ষত। মুখ্যতঃ অই নিঃতম এবিধ অনুপম লোক-কবিতা। ই মিচিং জনজীৱনৰ অবিচ্ছেদ্য অংগ। প্ৰেম আৰু যৌৱনৰ গীতৰূপে সমাদৃত অই নিঃতমৰ আংগিক আৰু কথাবস্তুৰ সৌন্দৰ্য্যই যিদৰে মুগ্ধ কৰে, সেইদৰে সুৰৰ বৈচিত্ৰ্যই শ্ৰোতাক বিস্ময়-বিমুগ্ধ কৰি তোলে। টাবু টাইদৰ ভাষাত- 'মিচিং জন-গীতৰ প্ৰধান ভাগটোৱেই হ'ল – অই নিঃতম। 'অই' শব্দৰ অৰ্থ - 'চেনাই', 'সোণ', 'বাপু', 'মইনা' আদি অন্তৰ পৰশা 'মৰমৰ বোকোচা' বব নোৱাৰি সৰি পৰা শব্দ। কাজেই অই নিঃতমৰ অৰ্থ চেনাইৰ গীত, সোণটিৰ গীত, মইনাৰ গীত আদি হ'ব লাগিছিল, কিন্তু ই নহৈ সাধাৰণতে

অই নিঃতম মানে বুজায় প্ৰিয়তমাই প্ৰিয়তমক কেন্দ্ৰ কৰি বা উদ্দেশ্য কৰি গোৱা গীত। অসমীয়া বিহুগীতে যি ভাবৰ হিল্লোল তোলে অই নিঃতমেও তেনে এটি ভাবৰেই তৰংগ জন্মায়।'

ডাঃ নোমল পেগুৰ মতে - 'অই শব্দৰ অৰ্থ সৰু, মৰমৰ বা আদৰৰ, নিঃতমৰ অৰ্থ গীত। সেয়ে অই নিঃতমৰ সাধাৰণ অৰ্থ প্ৰিয়জনলৈ উদ্দেশ্যি গোৱা গীত। অই নিঃতমৰ ভাষাত যৌৱনৰ মাদকতা আছে আৰু আছে প্ৰাণোচ্ছল ছন্দ। দৈনন্দিন জীৱনৰ হাঁহি-কান্দোন, হা-হুমুনিয়াহ বিভিন্ন উপমাৰে সজাই ইয়াক ৰচনা কৰা হয়। যৌৱনৰ প্ৰেম-প্ৰীতি আৰু ছন্দময় প্ৰকাশভংগী ইয়াৰ বিশেষত্ব।'

প্ৰফুল্লদত্ত গোস্বামীৰ মতে, 'অই নিঃতমৰ অৰ্থ বিষাদ বা শোক গীত ঃ 'The Ai-nitam' or 'Sad Song'

"মিচিং সমাজত ওপজা যিকোনো ব্যক্তিৰ সাংস্কৃতিক পৰিমণ্ডলে অই নিঃতমৰ পৰিমণ্ডলক চেৰাই যাব নোৱাৰে।" মিচিং গৱেষক পণ্ডিত নাহেন্দ্ৰ পাদুনৰ উক্তিয়েই মিচিং জনজীৱনৰ হৃদস্পন্দনস্বৰূপ অই নিঃতমৰ সাৰ্বজনীনতা প্ৰতিপন্ন কৰে— 'অই নিঃতমত যি বিষয়-বস্তু নাই সি মিচিং সমাজতেই নাই।' 'অই নিঃতম ব্যক্তি নিৰপেক্ষ। অই নিঃতম যিয়ে গায় তেওঁৰে ই অন্তৰৰ ভাষা হৈ পৰে, প্ৰাণৰ ভাষা হিচাপে প্ৰকাশ পায়।'

মিচিংসকলৰ বাচিক কলাৰ অন্যতম অংগ অই নিঃতমে মিচিং লোক-সংস্কৃতিক অনন্য মাত্ৰা প্ৰদান কৰিছে।

**অই নিঃতম আৰু প্ৰকৃতি ঃ**

মনোমোহা প্ৰাকৃতিক পৰিৱেশত বসবাস কৰা মিচিং জনগোষ্ঠীৰ লোকসকলৰ সাংস্কৃতিক ঐতিহ্য গঢ় লৈ উঠিছে প্ৰকৃতিৰ বুকুতেই। মিচিং জনগোষ্ঠীৰ প্ৰথমগৰাকী লেখক সোণাৰাম পাএগং কটকীয়ে 'মিৰি জাতিৰ বুৰঞ্জী'ত উল্লেখ কৰিছে—'মিৰি দেশখণ্ড প্ৰাকৃতিক সৌন্দৰ্যৰে পৰিপূৰ্ণ। যেনিয়ে চোৱা যায় তেনিয়ে পৰ্বতমালা আৰু আকাশৰ অগণন গ্ৰহ-নক্ষত্ৰাদি বুকুত লৈ নচা অসংখ্য জুৰি, সেউজীয়া শস্যৰে পৰিপূৰ্ণ পথাৰ, ৰূপালী পানীৰে পৰিপূৰ্ণ জুৰি আৰু প্ৰথম প্ৰভাতৰ ৰাঙলী উষাৰ হেঙুলীয়া ৰঙেৰে ৰঞ্জিত পৰ্বত শিখৰ শ্ৰেণী বাস্তৱিকতে চিত্তাকৰ্ষক।' প্ৰকৃতিৰ এই অপৰূপ সুষমাই চহা কবিসকলৰ অন্তৰ্জগতত তোলা খলকনিৰ আতিশয্যতেই তেওঁলোকৰ লোকসাহিত্যত প্ৰাণময় হৈ উঠিছে প্ৰকৃতিৰ বৰ্ণাঢ্য ৰূপ। এই সন্দৰ্ভত মিচিং ভাষা-সাহিত্যৰ গৱেষক পণ্ডিত টাবু টাইদে দিয়া মন্তব্য উল্লেখনীয়—'প্ৰকৃতিৰ সন্তানৰূপে মিচিঙে প্ৰকৃতিৰ সৌন্দৰ্য বৰ্ণনা কৰাত সিদ্ধহস্ত নোহোৱাটো নিজৰ খুঁটিত গাখীৰৰ উজান পৰিলে গাখীৰ খোৱাত ৰাপ নথকাৰ নিচিনা কথা।' সেয়ে মিচিং লোকগীত বা নিঃতমৰ মাজত আটাইতকৈ জনপ্ৰিয় অই নিঃতম সমূহত পৰিদৃষ্ট হয় প্ৰকৃতিৰ নিভাঁজ বৰ্ণময় চিত্ৰণ।

প্ৰকৃতিপ্ৰেমী মিচিংসকলৰ ভাববিলাসী সৰল প্ৰাণৰ নিভৃততম কোণৰপৰা নিগৰি অহা হৰ্ষ-বিষাদ, হাঁহি-কান্দোন, প্ৰেম-ঘৃণা, আশা-নিৰাশা, মিলন-বিচ্ছেদৰ অনুভূতিৰে অনুৰঞ্জিত অই নিঃতমসমূহত মূৰ্ত হৈ উঠিছে মানুহৰ লগতে বৰ্ণাঢ্য প্ৰকৃতি, নদ-নদী, জান-জুৰি, বালি-চাপৰি, নল-খাগৰি, জোন-বেলি, তৰা, গছ-গছনি, ফুল-ফল, চৰাই-চিৰিকটি আদিৰ অপৰূপ সুষমা।

**অই নিঃতমত নৈ, জান-জুৰি ঃ**

সচৰাচৰ নৈৰ পাৰত বাস কৰা মিচিংসকলৰ জীৱনত অসমৰ বুকুৰেদি বৈ থকা লুইত, সোৱণশিৰী, দিখৌ, দিচাং, ধনশিৰী, ভৰলী আদি নৈ-উপনৈসমূহৰ প্ৰভাৱ অতি ব্যাপক। ব্ৰহ্মপুত্ৰ আৰু সোৱণশিৰী উপত্যকাত বাস কৰা মিচিংসকলৰ জীৱনযাত্ৰাৰ প্ৰতি পদে পদে ব্যাপ্ত হৈ থকা এই প্ৰভাৱৰ প্ৰতিফলন অই নিঃতমসমূহত পৰিলক্ষিত হয়—

- কাজে অইয়া মলাঃজে আদ্‌জিদাগ্‌গম্ অকুম্‌ক
  অৰনৰি ৰৌকাম্‌পী দঃঞি পঃল দাক্‌কামপী।

ভাবাৰ্থ ঃ আহাঁ, সোৱণশিৰীৰ পাৰত সৰু হ'লেও এটি ঘৰ সাজোঁ, য'ত ধুনীয়া ধৰণীৰ চন্দ্ৰ-সূৰ্য্য থকাৰ দৰে তুমি আৰু মই মিলি এখন সুখৰ সংসাৰ পাতিম।

- অৰনৰি কৌৱাদ আচি তৃঃলৃন পুম্‌চাদম্ কৌৱাঃদ
  লাক্কে পংকেপ্ পংকেপ্‌ল অইনক্ য়াল্‌লম্ কাঃপাদুং।

ভাবাৰ্থ ঃ তৃষ্ণাতুৰ মুহূৰ্তত সোৱণশিৰীৰ পাৰত থিয় হৈ পানী খাবলৈ পানীত হাত জুবুৰিয়াওঁতে আঙুলিৰ ফাঁকে ফাঁকে তোমাৰ প্ৰতিচ্ছবি মই দেখিছোঁ।

- নক্‌কী অকুম কেকনৗল ঙক্‌কী অকুম কেকনচী
  চিয়াং আঃনী দুংকেলা অইনম্ কাঃলৃদাগ্‌দ কাঃপামাং।

ভাবাৰ্থ ঃ তোমাৰ ঘৰ ইপাৰে, মোৰ ঘৰ সিপাৰে, মাজত চিয়াং নৈখন থকাৰ বাবে তোমাক চাওঁ বুলিও সময়ত চাব নোৱাৰোঁ।

- আচি জিলি জিলিক মিক্‌চি জিলি জিলিক
  আচি জিলি পৃন্‌য়েপী মিক্‌চি জিলি পৃন্‌পীমং।

ভাবাৰ্থ ঃ পানীৰ জুৰিও জুৰি, চকুৰ পানীও জুৰি; জুৰিৰ পানী শুকাই যায়, চকুৰ পানী নুশুকায়।

- বৰনৈ আৰাঃ চাপৰি, আদীয়েম্‌পী কাঃদুঃনী।
  মীঃদৃৰ মীঃচদ দঃজৃগ্‌দীমঃ অইন আম্‌না কাঃদুঃনী।

ভাবাৰ্থ ঃ বৰনৈৰ মাজৰ চাপৰিবোৰ পাহাৰ যেনেকৈ লাগিছে, দুখৰ মাজৰ চিঠিখনি (চেনাই) তুমি যেনেই লাগিছো।

জনগীত জনজীৱনৰে অভিব্যক্তি। সেয়ে অই নিঃতমসমূহত ডেকা-গাভৰুৰ প্ৰেম-প্ৰীতিৰ অব্যক্ত বেদনাৰ উন্মেষ ঘটে। আমাৰ চহা ডেকা-গাভৰুৰ যৌৱনৰ মন ফুলনিত মৰমৰ মনোমোহা হাজাৰ হাজাৰ ৰঙীন ফুল ফুলি অকালতে অনাদৰত মৰহি গৈছে, অথচ তাত ভ্ৰমৰৰ শত গুঞ্জনো নাই, জীৱনৰ সাৰ্থকতাও নাই। এনে ব্যৰ্থ প্ৰেম-প্ৰীতিৰ বিশ্বজনীন মনোবেদনা ডেকা-গাভৰুৰ অন্তৰত চিৰবিৰাজমান। সেয়ে অই নিঃতমেৰে নদীৰ সোঁতৰ লগত সাময়িক যৌৱন সোঁতৰ উপমা দি ব্যক্ত কৰিছে—

- আচ্‌চে বিদ্‌দু বিততীৰ্ অইয়া কামাবং
  আচিনাঙী অদুবং অতীৰ্ অইয়া কামাবং।
  অকল অইয়া দুংকাংকুন অক আগেৰ গেৰ্‌কাংকুন
  কামাঃনাম্‌মী ইকাব লয়িংকলা লঃতুংক।

ভাবাৰ্থ ঃ যেনেকৈ সোঁত প্ৰবাহিনী নদীৰ গতিৰ অন্ত নাই, ঠিক তেনেকৈ আপোনজনৰ প্ৰতি আশা-আকাংক্ষা চিন্তা-ভাবনাৰো অন্ত নাই, ভাবিলে ভাবনা বাঢ়িহে যায়, কিন্তু জীৱন-যৌৱন নদীৰ সোঁত বোৱাৰ দৰে ভাটী দিছে।

প্ৰকৃতিৰ সৈতে সহবাস কৰি মানুহে জীৱন সংগ্ৰামত ব্ৰতী হয়। অই নিঃতমত প্ৰকৃতি উপমাৰূপে প্ৰয়োগ হৈছে—

- আত্‌চী বিদ্‌নাম্ কাঃপদাগ্ দাগ্‌য়েম্ তৰ্ক্ চুলাঃমাঃ
  অইনক্ আগম্ তাতপদাগ্ লুতীৰ্ তাদ্‌ৰা চুলাঃমাঃ

ভাবাৰ্থ ঃ নৈৰ সোঁত দেখাত শুৱনি, কিন্তু থিয় দি তাৰ ধাৰ সহিব নোৱাৰি, তোমাৰ কথা শুনিবলৈ শুৱলা, পিছে শেষ কথা ক'লে সহিব নোৱাৰি।

এইদৰে অই নিঃতমত মানুহ আৰু প্ৰকৃতিৰ চিৰন্তন সম্পৰ্ক, সহাৱস্থান, জীৱন-বৈচিত্ৰ্য বৰ্ণিত হৈছে। অনুপম উপমাৰে অই নিঃতমসমূহে দিছে জগত, জীৱন আৰু প্ৰকৃতিৰ বৈচিত্ৰ্যৰ সন্ধান।

**অই নিঃতমত ফল-ফুল, গছ-গছনি ঃ**

অই নিঃতমবোৰ প্ৰকৃতিৰ ৰং-ৰূপৰ বিবিধ বৰ্ণনাৰে পৰিপূৰ্ণ। বিনন্দীয়া প্ৰকৃতিৰ বুকুতে মানুহে ৰচে নানাৰঙী সপোন। প্ৰকৃতিৰ গছ-লতা, তৰু-তৃণ, পাহাৰ-পৰ্বত সকলোৰেই যুগে যুগে মানুহক অনুপ্ৰাণিত কৰিছে, মুগ্ধ কৰিছে। প্ৰকৃতি আৰু মানুহৰ বৈচিত্ৰ্যময় জীৱনধাৰা অই নিঃতমত প্ৰতিফলিত হৈছে।

- আপ্‌পুন কাঃমৃল পুনয়ীপী ৰৃনজি কামৃল মাঃয়াঃপী
  ঙমী আইপী মীঃয়াঃমৃল ঙক্‌ক্য মীঃদৃৰ কিন্‌য়াঃপী

ভাবাৰ্থ ঃ ফুল হোৱা হ'লে ফুলিলেহেঁতেন, লতা হোৱা হ'লে বগালেহেঁতেন, মোক ভাল পোৱা হ'লে মোৰ বেজাৰৰ কথা বুজিলেহেঁতেন।

লৃগাং উৎসৱ অথবা নৈৰ ঘাটত লগ পোৱা মনে বিচৰা গাভৰুজনীৰ অন্তৰখন কোনোবা প্ৰেম প্ৰত্যাশী যুৱকে বুজিও নুবুজে। প্ৰেমৰ ৰাগীত মতলীয়া যুৱকৰ হয়তোবা মনৰ মানুহজনী আন কাৰোবাৰ হ'ব সেই আশংকাত হৃদয় কঁপে—

- আচি বিল্লাম বিল্লাম্‌দ তাতবিদী জিন্‌দুঃনী
  আগম লুনাম লুনাম দ আচিনীঙা জিন্‌দুঃনী।

ভাবাৰ্থ ঃ পানীৰ সোঁতৰ লগে লগে খাগৰি কঁপিছে কথাৰ সুৰৰ পাকে পাকে হৃদয় কঁপিছে।

অসমৰ প্ৰাকৃতিক সম্পদসমূহৰ ভিতৰত লেখত ল'বলগীয়া গছ, শিমলুজুপিৰ লগত মিচিং জনগোষ্ঠীৰ সাংস্কৃতিক সম্বন্ধ অতি ওচৰ। ফাগুন আহে, শিমলু ফুলে। তাকেই লৈ মিচিং চহা কবিৰ অপূৰ্ব প্ৰকাশ—

- নক্কী কাঃপন আমিকদ চিঙ্গি আপ্পুন পুনদুঃনী
  ঙ দীংগল পীত্তাঃপী নক্কী কীৰাদ দীঙাদুনী।

ভাবাৰ্থ ঃ তোমাৰ শুৱনি দুচকুত শিমলু ফুল ফুলিছে। মই উৰণীয়া পক্ষী হৈ তোমাৰ কাষ চাপিছোঁ।

শিমলু মদাৰ ফুলে অনা উন্মাদনা, নৈৰ পাৰত ঘৰ সজাৰ বাসনা এই বিষয় সম্বলিত অই নিঃতমসমূহে মিচিংসকলৰ প্ৰকৃতি প্ৰেমৰেই ছবি দাঙি ধৰে—

- আঁনী ৰুঃয়ি ৰঃয়িদ চিংগি তাগদ পুন্দুবং
  কাজে অইয়া মলাজে আজ্জৗদাগ্‌গম অকুমক।

ভাবাৰ্থ ঃ নদীৰ দুয়োপাৰ ভৰি আছে শিমলু মদাৰ আহাঁ দুয়ো মিলি ইপাৰতে সাজোঁগে এখন ঘৰ।

- কম্‌বং পঃল আঃদুঃনৗঃ, কেঃদাং বাঃমে পুনদুঃনৗ।
  আচিন, ৰংকিত্ ৰংকিত্‌লা অইমৗ আচিন্ অদুঃনৗ।

ভাবাৰ্থ ঃ ব'হাগ মাহ আহিছে, কপৌ ফুল ফুলিছে, বুকু ভাঙি যোৱাকৈ চেনাইলৈ মনত পৰিছে।

- অইন জঃজগ্ জক্‌পুনা জঃজগ্ আপ্ পুন্ বাঃৰিঅৗ
  বাঃয়ম্ পুলিপৗ অইয়া লেপান্ তবনৗ।

ভাবাৰ্থ ঃ তুমি বন নহৰুৰ ফুল, তুমি বন নহৰুৰ ফুলৰ বাৰী; বেঙেনা পুলিৰ দৰে ৰুই তোমাক ক'ত হেৰুৱালোঁ?

**অই নিঃতমত জোন-বেলি, তৰা ঃ**

মিচিংসকলে উপাস্য শক্তিৰূপে দঃঞি পঃলক পূজা কৰে। মিচিংসকলৰ যিকোনো পূজা-পাতল, উৎসৱ-পাৰ্বণত দঃঞি পঃলক স্মৰণ কৰা হয়। আনহাতে সূৰ্য্য শক্তিৰ আধাৰ। মিচিংসকলৰ মনত সূৰ্য্য চন্দ্ৰৰ স্থান অতি উচ্চত। অই নিঃতমত মিচিংসকলৰ জনবিশ্বাস, জীৱন ধাৰণ প্ৰণালীৰ লগত সংযুক্ত হৈ থকা এই অনুষঙ্গৰ বহুল প্ৰয়োগ দেখা যায়—

- আবুং আচি বিল্‌লাদ্‌মাং মৗঃনাম্ আগম লুলাদ্‌মাং
  অৗদ্ দঃঞি পঃলল ঙঞিক আগম্ লুলাদ্‌মাং।

ভাবাৰ্থ ঃ নদীৰ পানীয়ে বিপৰীতে বৈ নাযায়, প্ৰেমৰ কথাও বিপৰীতে নকয়,

চন্দ্ৰ-সূৰ্য্য থাকে মানে আমাৰ প্ৰেমৰ কথাও বিপৰীত নহ'ব।

- দঃঞি পুঃনপৗ কাঃলাঃমাঃ দঃঞি ৰচ্‌মি বেচিঃলা
  অইনম্ পুঃনপৗ কাঃলাঃমাঃ অইনক্ ৰচ্‌মি বেচিঃলা।

ভাবাৰ্থ ঃ সূৰ্য্যলৈ পোনে পোনে চাব নোৱাৰি সূৰ্য্যৰ ৰশ্মি বেছি হোৱাৰ বাবে, তোমালৈ পোনে পোনে চাব নোৱাৰি তোমাৰ ৰশ্মি বেছি হোৱাৰ বাবে।

- অৗম্‌পেই পঃল ললাদৗ অদক তায়েঃল তাকাৰৗ
  অৗম্‌পেই আচিন মৗঃদ্‌ৰী অদক তায়েঃল লুতৗৰৗ।

ভাবাৰ্থ ঃ এনেয়ে জোনাক, তাৰ লগত তৰাৰ পোহৰ; এনেয়ে অন্তৰত দুখ, তাতে আকৌ বিচ্ছেদৰ কথা।

- পঃলম কাঃতম্ লউনৗ দঃঞিম্ কাঃতম লৃঃজিগৗ
  অইনম্ কাঃতম কাঃয়ুমৗ কাঃমাঙপৗ দুঃলাঃমাঃ।

ভাবাৰ্থ ঃ জোনলৈ চালে জোনাক পোহৰ, বেলিলৈ চালে ৰাঙলী উজ্জ্বল, তোমালৈ চাওঁতে এনেনো ধুনীয়া নেচাই থাকিব নোৱাৰোঁ।

অই নিঃতমসমূহত মিচিং সমাজত দেৱ-দেৱীৰ প্ৰতি হৃদয়ত প্ৰোথিত হৈ থকা গভীৰ বিশ্বাসৰো প্ৰতিফলন পৰিদৃষ্ট –

- কাৰচিং কাৰতাম্ লুতম্‌লা আইপৗ মৗঃমৃন্ চুতাগাই
  দঃঞি পঃলম্ চুত্‌তম্‌লা আন্‌এঞৗ পেমৃন্ চুতাগাই।

ভাবাৰ্থ ঃ কাৰ্চিং কাৰ্তাঙক সাক্ষী কৰি আমি দুয়ো ভাল পাইছিলোঁ;

দঃঞি আৰু পঃলক আঙুলি টোৱাই পৰস্পৰে ভালপোৱাৰ শপত খাইছিলোঁ।

**অই নিঃতমত চৰাই-চিৰিকটি ঃ**

মনোৰম প্ৰকৃতিৰ এক অপূৰ্ব সৃষ্টি চৰাই-চিৰিকটি। চৰাইৰ কলকণ্ঠই যিদৰে বসন্তৰ বতৰা দিয়ে, সেইদৰে প্ৰভাতৰো আগজাননী দিয়ে। ঋতু পৰিৱৰ্তনৰ বতৰাও পোৱা যায় চৰাই-চিৰিকটিৰ মাত আৰু আচৰণত। প্ৰকৃতিৰ অন্যান্য উপাদানৰ দৰে চৰাই-চিৰিকটিয়েও মানৱ জীৱনত, জনবিশ্বাসত স্থান পাই আহিছে। অই নিঃতমত তাৰেই প্ৰতিফলন দেখিবলৈ পোৱা যায় --

- পৗত্‌তাঙই তকুমাঙ্ অইনম্ দৗংকাঃল কাঃদপৗ
  আচি বিদ্‌নৗ তকুমাঙ্ অইনম্ যুবম দকুপৗ।

ভাবাৰ্থ ঃ চৰায়ো নহ'লোঁ তোমাক উৰি চাবলৈ নদীৰ সোঁতো নহ'লোঁ তোমাক উটুৱাই লৈ আহিবলৈ

- কুৰুৱাঙৗ কাবদুঃবং অৃতুঃলাং অই অৃবক্‌লা
  ঙক্‌কৗ আচিন্ অদুঃবং ৰংকিঃলা অই ৰংকিঃলা।

ভাবাৰ্থ ঃ কুৰুৱা চৰাই গছৰ ডালত বহি ইফালে-সিফালে চাই আকুল সুৰত কান্দে, মোৰ অকণি প্ৰাণো আকুল-ব্যাকুল হৈ উঠে কিবা এটা অচিনাকি নজনা ভাবত।

- কংকিনই চুমৃল অইয়া তাত্‌কিন্ চুমৃল
  পৗকৃ মাৰিঃ ৰিঃতৃঃদ ঙক্‌কৗ য়াল্‌লম্ কাঃবেগ্‌য়ে।

ভাবাৰ্থ ঃ তুমি যদি চিনি পোৱা বা শুনি বুজি পোৱা, তেন্তে কপৌৰ ৰুণৰ সুৰে সুৰে মোৰেই ছায়া দেখা পাবা।

মিচিং সকলৰ জনবিশ্বাসৰো প্ৰতিফলন উক্ত পংক্তিত

দেখা যায়। মিচিংসকলৰ বিশ্বাস যে মৃতকৰ অতৃপ্ত আত্মাই কপৌ চৰাই হৈ ঘৰৰ চালত ৰুণ দিয়ে।

চৰাই হৈ পৰজনমত প্ৰেয়সীৰ সান্নিধ্য লাভ কৰাৰ আকাঙক্ষা এইবোৰ গীতত মূৰ্ত হৈ উঠিছে --

- তুৰ্দাগচ পাঃম্াগম্ চিকুৰ্দচ পাংকুপী
  পীয়্য়িঃ পীত্তাপ্ বাদ্লাঃনা অইনম্ দীঃব চুকপী।

ভাবাৰ্থ ঃ ইহ জনমত নাপালেও পৰজনমত পামগৈচৰাই
চিৰিকটি হৈ তোমাৰ লগত একেলগে উৰি ফুৰিমগৈ।

**অই নিঃতমত ঋতু বৈচিত্ৰ্য ঃ**

অসমৰ মোহনীয় প্ৰকৃতিক বৈচিত্ৰ্য দান কৰিছে ভিন্নৰঙী ঋতুৱে। প্ৰতিটো ঋতুৰে স্বকীয় সৌন্দৰ্য্য আৰু আকৰ্ষণ আছে। বসন্ত অহাৰ লগে লগে গছে পাত সলায়, প্ৰকৃতিৰাণীয়ে সেউজী বসন পিন্ধি মোহনীয় ৰূপ ধাৰণ কৰে। নৈয়ে নিজৰাই, পথাৰ-সমাৰে তাৰ চিটিকনি পৰে --

- নীয়য়ী নীঙান ঙান্ চাঃদুঃ
  চিঙগি আপ্পুন পুনদুঃবং
  অইনম্ ৰংকিঃ ৰঙাদ্লা
  নম্মী আচিন্ অদুঃবং

ভাবাৰ্থ ঃ গছে বনে ন-কুঁহিপাত মেলিছে
শিমলু ফুল ফুলিব ধৰিছে
আৰু চেনাইধন তোমালৈয়ো
বৰকৈ মনত পৰিছে।

প্ৰকৃতিয়ে হাঁহিলে মানুহেও হাঁহে। বসন্তৰ আগলি বতৰা লৈ ফাগুন আহে। ফাগুন মানেই উৎসৱৰ বতৰ, ডেকা-গাভৰুৰ মন উতলা কৰাৰ সময় --

- গৃনমুৰ পঃল আঃদুঃবং
  চিঙ্গি আপ্পুন পুনদুঃবং
  গুমৰাগ্ পাকৃচং চঃ দুঃবং
  ৰঙ্কিয়ই ৰঙাদ্লা আচিনাং অদুঃবং।

ভাবাৰ্থ ঃ ফাগুন আহিল, শিমলু ফুলিল
গুম্ৰাগ্ নাচ নাচিব ধৰিছে ডেকা-গাভৰুহঁতে
এনে সময়তে তোমালৈ বৰকৈ মনত পৰিছে।

- দৃই পীদং অদুংকু
  আবুঃল্ আচ্চী তীদুংকু
  নম্মী বৃক্চু কুমাঃলা
  আচিন আইপী অদুংকু।

ভাবাৰ্থ ঃ গ্ৰীষ্মৰ বৰষুণজাক আহিল, নদীত পানী উপচি পৰিল
তোমাক বহুত দিন নেদেখাৰ বাবে বৰকৈ মনত পৰিছে।

- দৃগৃন্ ৰউ অই তাঃপাম্দ কিনচুমাঃপী জুঙাপ্কাং
  অইনম্ আচিন্ অনামী কিনচুমাঃপী গিঙাংকাং।

ভাবাৰ্থ ঃ শীতৰ নিয়ৰত ক'ব নোৱৰাকৈয়ে শৰীৰ তিতি গ'ল
তোমালৈ চিন্তা কৰোঁতে কৰোঁতে ক'ব নোৱৰাকৈয়ে
মোৰ শৰীৰ শুকাই-খীণাই গ'ল।

- আম্দাং আঃম অই গাদ্দৃঃদ দঃলু ৰৃগ্নাম্ দৃঢ়ম্দ
  অইন আতীৰ দুংগেঃলা আচিনাঙী অকৃতাংন।

ভাবাৰ্থ ঃ শালি ধান দাবৰ সময়ত, দাবলৈ সকলোৱে ঘৰ এৰি আঁতৰি যোৱাৰ পিছত,
তুমি অকলশৰীয়া হৈ কেতিয়াবা জানো মোৰ কথা এবাৰ ভাবি চাইছা?

**সামৰণি ঃ**

অই নিঃতমসমূহত অংকিত প্ৰকৃতি-চিত্ৰণ বাস্তৱিকতে মিচিং স্বভাৱ কবিৰ বিস্ময়কৰ প্ৰতিভাৰ প্ৰকাশ। অই নিঃতম সমূহত ব্যৱহৃত প্ৰাকৃতিক উপমা তথা চিত্ৰকল্পসমূহে অকল মিচিং জনজীৱনৰ স্বকীয় জীৱনশৈলীৰ পৰিচয়ে দিয়া নাই, অনুভূতিপ্ৰৱণ মিচিং লোকসকলৰ আৱেগ-অনুভূতিক সূক্ষ্ম ব্যঞ্জনা তথা ভাবৰ তীব্ৰতাৰে জনমানসত প্ৰতিষ্ঠা কৰিবলৈয়ো সক্ষম হৈছে। সেয়ে অনামিচিং লোকসকলৰ মাজতো ইয়াৰ জনপ্ৰিয়তা অপৰিসীম। অনাখৰী চহা কবিৰ অপূৰ্ব কল্পনা শক্তি আৰু শব্দ মাধুৰ্য্যই অই নিঃতমক যিকোনো উচ্চ সাহিত্যৰে সমকক্ষ কৰি তুলিছে।


**প্ৰাসঙ্গিক গ্ৰন্থ ঃ**

১। অইনিঃতম, নাহেন্দ্ৰ পাদুন

২। মিচিং সংস্কৃতিৰ আলেখ্য - সম্পাদনা ভৃগুমুনি কাগ্য়ুং

৩। ব্ৰহ্মপুত্ৰ উপত্যকাৰ মিচিং জনজাতি আৰু তেওঁলোকৰ মৌখিক সাহিত্যৰ অধ্যয়ন - ড° গনেশ পেগু

৪। মিচিং অই নিঃতম (বিশ্লেষণাত্মক অধ্যয়ন) - ডাঃ ঘনকান্ত দলে



প্ৰবন্ধ

# বিহু, ব'হাগ আৰু ভূপেন হাজৰিকা

**ড°পৰমানন্দ মজুমদাৰ**

## অৱতৰণিকা

ৰঙালী বিহুৰ বিষয়ে লেখা এখন ৰচনাত অসমৰ গণসাংস্কৃতিক আন্দোলনৰ এগৰাকী পুৰোধা হেমাংগ বিশ্বাসে লিখিছে– "যি নাই বিহুগীতত, সি নাই অসমত। যি নাই অসমত, সি নাই বিহুগীতত। অসম আৰু অসমীয়া জনমানসৰ নিৰ্ভুল দাপোণ এই বিহু। অসমৰ পাহাৰ-পৰ্বত, চৰাই-চিৰিকটি, নৈ-বিল, পাহাৰ-সমাৰ, ফুল-ফল, গোন্ধ-বৰ্ণ আৰু সিবিলাকৰ মাজত কৰ্মৰত নাৰী-পুৰুষৰ এনে প্যানোৰামা ভাৰতৰ সংগীতত বিৰল। বিহুগীতৰ সাহিত্যিক ভেটিৰ ওপৰতেই থিয় হৈ আছে অসমীয়া সংস্কৃতিৰ উপৰিসৌধ।"[১]

বিহু সম্পৰ্কে এই অভিব্যক্তিৰ মাজতেই সোমাই আছে বিহুৰ জন্ম, ঐতিহ্য আৰু গূঢ়াৰ্থ তথা দৰ্শন। বিহু অসমীয়াৰ দাপোণ, য'ত সমগ্ৰ জাতিটোৰ জীৱন-প্ৰৱাহ প্ৰতিফলিত হয়। প্ৰকৃতিৰ বিনন্দীয়া পৰিৱেশত জনজীৱনৰ ৰূপৰেখা প্ৰস্ফুটিত হোৱা বিহুৰ মাজত নাই কোনো সংকীৰ্ণতা। ধৰ্মীয় প্ৰভাৱমুক্ত এক মুক্ত বিচৰণৰ থলী হ'ল বিহু উৎসৱ। মূলতঃ কৃষি উৎসৱ হোৱা হেতুকে ইয়াত ঐহিক জীৱনৰ ছবিখনো সততে আমি দেখিবলৈ পাওঁ। কৃষি জীৱনৰ হা-হুতাহ, হাঁহি-কান্দোন সকলো সেয়ে বিহুগীতবোৰত আমি শুনিবলৈ পাওঁ। তাত ডেকা-গাভৰুৰ জাতিকুল নেওচা মুক্ত প্ৰেমৰ যেনেকৈ আবেদন আছে, আছে প্ৰীতি-সমন্বয়ৰ কথা, তেনেকৈ আছে সমাজ-জীৱনৰ ৰূঢ় বাস্তৱৰ ছবিখনো, আছে ডা-ডাঙৰীয়াৰ কথা- ৰজাঘৰীয়াৰ কথা, আছে পৰিৱৰ্তনৰ কথা- বাণী। ই সদায় নতুনক আদৰণি জনায়। প্ৰকৃতিয়ে যিদৰে ৰূপ সলায়, বিহুৱে তাক আদৰি লয়। সেয়ে জ্যোতিপ্ৰসাদ আগৰৱালাই বিহু উৎসৱক অসমীয়াৰ উচ্চ সংস্কৃতি বুলিছে, লগতে কৈছে এই উৎসৱত থাকে জনসংস্কৃতিৰ পোহৰ। তেওঁৰ ভাষাত-- "অসমীয়া বিহু উৎসৱ আচলতে অসমীয়াৰ এখন সাংস্কৃতিক

মেলা- য'ত উচ্চ সংস্কৃতি আৰু জন সংস্কৃতিৰ বছৰেকীয়া মিলন হয়। সেই কাৰণেই বিহু উৎসৱ অসমীয়া সাংস্কৃতিক জীৱনৰ এটা বছৰেকীয়া সমাৱেশ। প্ৰকৃতিয়ে নতুন ৰূপ লোৱাৰ সময়ত অসমীয়া মানুহেও জীৱনৰ সকলো ক্ষেত্ৰৰে ভালৰো ভালখিনি লৈ সেইদিনা থিয় হয় নতুন বছৰক আদৰিবলৈ, নতুন দিনৰ সপোন দেখি। সেই কাৰণেই নতুন দিনৰ সপোন দেখা অসমীয়াৰ কাৰণে আজি বিহু উৎসৱ আটাইতকৈ মূল্যৱান উৎসৱ-- নতুন সংস্কৃতি গঢ়াৰ ফালৰ পৰা। বিহুৰ মাজেদি আমি প্ৰকৃতিৰ ৰূপান্তৰৰ বাণীকেই উপলব্ধি কৰিবলৈ বিচাৰিব লাগিব।"[২]

বিহুৰ ৰূপ অসমীয়া সমাজখনত একেটা নহয়। জাতি-জনগোষ্ঠী ভেদে, ভৌগোলিক স্থানভেদে ভিন্ন। কিন্তু ইটোৰ পৰা সিটো বিছিন্ন নহয়। পৰস্পৰৰ প্ৰভাৱযুক্ত হৈ সদৌ অসমতে বিহুৰ বৰ্ণাঢ্যতা লক্ষণীয়। বিহুৱে যে নানাৰূপত সৃষ্টিশীলতাকে তুলি ধৰে সেয়াই সত্য। বিষ্ণুপ্ৰসাদ ৰাভাই বৰ সুন্দৰকৈ বিহুৰ জনজাতীয় উপাদানৰ কথা ফঁহিয়াই গৈছে। তেওঁ কৈছে -- "অসমীয়াৰ বাপতি সাহোন এই ৰঙালী বিহুৰ কাৰণে প্ৰতিজন অসমীয়াই হিয়া উদঙাই ৰং-উলাহ ঢালে"[৩] আৰু "বৰদৈচিলাই অসমীৰ বুকুৰ জোৰ ল'বলৈ হিল্লোল কোবাই আহিলেই বহাগী বিহুলৈ আৰু সৰহদিন নাই বুলি প্ৰত্যেক অসমীয়াই অনুমান কৰে আৰু দেহেকেহে এই ৰঙালী বিহুৰ বিবিধ ধৰণেৰে নানা তৰহৰ যত্ন ল'বলৈ মন মেলে"[৪]।

তাহানি 'পছোৱা'ৰ পাতত হেম বৰুৱাই বিহু সম্পৰ্কে এখন গুৰুগম্ভীৰ ৰচনা লিখিছিল। তাত তেওঁ বিহুৰ আদিম উৎস, মহত্ব আৰু সৃজনশীলতাৰ কথা উনুকিয়াই লিখিছিল যে-- "বিহুৰ অসমৰ জাতীয় জীৱনৰ লগত সম্বন্ধ। ইয়াক প্ৰকৃতিৰ পূজা বুলিব পাৰি। প্ৰকৃতিৰ ঋতু পৰিৱৰ্তনৰ লগে লগে বিহু উৎসৱ অনুষ্ঠিত হয়। বিহুৰ জৰিয়তে অসমৰ জনসাধাৰণৰ প্ৰকৃতি-স্পৃহা পৰিস্ফুট হয়। অসমৰ জনসাধাৰণ প্ৰকৃতিৰ সন্তান। গতিকেই বিহু উৎসৱত ইমান সমাৰোহ। ইমান আনন্দ।"[৫] বিহুৰ মাজত থকা যৌন স্পৃহাত তেওঁ সৃষ্টিশীলতা দেখিছিল। সেই কথালৈ আঙুলিয়াই দি তেওঁ লিখিছে-- "বিহুতলী অসমীয়া ডেকা-গাভৰুৰ মিলনভূমি। ইয়াতেই ডেকাই গাভৰুত, গাভৰুৱে ডেকাত চকু দিয়ে।...বিহুনৃত্য প্ৰকৃতিৰ সৃষ্টি-স্পৃহাৰ ৰূপায়িত প্ৰকাশ। ই প্ৰতীকধৰ্মী। বিহুতলীৰ নাচনী যুৱতীজনী বসন্ত কালৰ খেতিৰ বাবে উপযুক্ত পুষ্পিতা পৃথিৱীখন। ঢোল বাই, পেঁপাত 'সুৰৰ কঁপনি তুলি' নাচনীজনীক মতলীয়া কৰা ডেকাটো আকাশত স্পন্দন তোলা বাৰিষাৰ পানীৰে পৃথিৱী ঢৌৱাই পেলোৱা মৌচুমী বায়ু।...বিহুনামৰ ভংগিমাই, কঁকাল ভঙা ছেৱে যৌন-স্পৃহাৰ কথা বুজায়। মানুহ স্ৰষ্টা। সৃষ্টি-স্পৃহা মানুহৰ আদিম আৰু অনন্ত। ইয়াৰ ৰচনা আৰু প্ৰকাশে তাকেই কয়। যৌন-জীৱন আৰু সৃষ্টিৰ কথা।"[৬]

(১)

ভূপেন হাজৰিকাৰ চিন্তা-চেতনাতো হেমাংগ-জ্যোতি-বিষ্ণু-হেম বৰুৱাৰ বিহুৰ ধাৰণাটোৱেই প্ৰৱাহিত হৈছে। বিহুৰ সুৰে তেওঁৰ সুৰশৈলীত আনি দিছে ঐশ্বৰ্য্য। পাশ্চাত্য আৰু দেশীয় সুৰ বুটলি আনি তাত বিহুকে ধৰি অসমীয়া লোকসংগীতৰ সুৰৰ সমন্বয় সাধন কৰি তেওঁ অসমীয়া গীতলৈ নতুন লহৰ আনিছে। এই লহৰত প্ৰস্ফুটিত হৈছে অসমৰ বৰ্ণময় প্ৰকৃতি আৰু বৈচিত্ৰ্যপূৰ্ণ জনজীৱনৰ কৃষ্টি-সংস্কৃতি। তেওঁৰ গীতৰ কথা-সুৰত যিদৰে কোমল অনুভূতিৰ বাংময় প্ৰকাশ ঘটিছে, তেনেদৰে প্ৰোজ্জ্বল হৈছে চিন্তাৰ দৃঢ়তা। গীতৰ ভাষা সুৰ জনজীৱনৰ পৰা বোটলা। কাব্যিক প্ৰকাশো মাটিৰ স্পৰ্শেৰে উজ্জীৱিত। বিহুৰ মাজত প্ৰৱাহিত সময়ৰ পৰিৱৰ্তনৰ ছবিখনো তাত আছে। কেইটামান কলিলৈ মন কৰিলেই সেয়া ওলাই পৰিব --

বিহুৱে বিৰিণা বৃটিছ ৰজা উঠি গ'ল
পাতে সমনীয়া দেশৰ নেতা ৰজা হ'ল।
... ..... ..... ..... .....
বাৰীৰে ঢাপৰে এজাৰ মোৰ চেনাই
বাৰীৰে ঢাপৰে এজাৰ
চেঙেলীয়া কালতে পীৰিতি এৰিলা
মনত দি গ'লা বেজাৰ
.... ..... ..... ......
বৈ বৈ বৈ ৰঙা নৈ বৈয়েই আছে
কৈ কৈ কৈ তোৰে কথা লতায়ো নাচে
সোণ তই পুৰিলে গাভৰু মনক
কি সোৱাদ পাৰ, পুৰি আপোনজনক !
.... .... .... .....
নিজহাতে ৰিহা বৈ লওঁ

বজৰুৱা পটলুং পিন্ধি
মাৰা ফিতাহি
চিঃ কটা লাজত মৰি যাওঁ।
.... ..... ...... .....
চকুৰে বিহুৰে গীত
এইবেলি পীত বান্ধ
এইবেলি পীত
.... ..... ..... .....
চোতালত গছে বন
মূৰ থিয় দি
অ' বোলো নাচনী
নাচিবি তই কি?

বিহু আৰু ব'হাগ ভূপেন হাজৰিকাৰ গীতৰ এটি কল্লোলিত প্ৰৱাহ। বিহু তথা ব'হাগৰ মাজত তেওঁ বিচাৰি পায় সংস্কৃতিৰ আলোড়িত অৰ্থ। ব'হাগে তেওঁক দিয়ে নতুনৰ ছন্দ– নতুন গীতৰ ভাষা। সত্তৰৰ দশকতে তেওঁ গোৰা গীতটোলৈ মনত পৰে। তাৰ ৰোমাণ্টিকতা আৰু কণ্ঠৰ অনুভৱী প্ৰকাশে আমাক পলকতে সন্মোহিত কৰে–

মিঠা মিঠা ব'হাগৰ
গীত এটিকে লিখো বুলি ভাবিলোঁ
এনেতে চুচুক চামাককৈ কাষ চাপিলা
মই যেন ভাষা পালোঁ।

লুইততে তিওৱা তোমাৰ দেহা
মাহ আৰু হালধিৰ সুবাস ঘঁহা
নিচেই কাষতে পোৱাৰ পিছত
সুৰ যেন হাততে পালোঁ।

ব'হাগত ভাষা বিচাৰি পোৱা গীতিকাৰে হেৰুৱা সুৰবোৰ যেনেকৈ হঠাতে বিচাৰি পায়, তেনেকৈ গাভৰুৰ হঁহা আৰু বগলী বলিয়া হোৱা বিহুৱা আৱেশত তেওঁ ধুমুহাক আঁকোৱালি লয়। কি যে প্ৰতীকধৰ্মী স্ফুৰণ! ধুমুহা হ'ল তেওঁৰ বাবে নতুনৰ দৃষ্টি–

একজাক গাভৰুৰে হঠাতে হঁহা
এজাক বগলী বলীয়া হোৱা
বিহুৱা আৱেশে আজি মোক জোকোৱাত
মই যেন ধুমুহা হ'লোঁ।

ইয়াৰ পিছতে তেওঁৰ আইতাকক সম্বোধন কৰি গোৱা বিহুগীতৰ মূৰ্চ্ছনাই আমাক আকুল কৰি তোলে। কিছু ধেমালিৰ ছলেৰে গোৱা গীতটিত যৌৱন আৰু প্ৰেমৰ উন্মাদনাৰ প্ৰকাশভংগী অতি হৃদয়স্পৰ্শী–

অ' বিহুৰে বিৰিণা ---অ' আইতা
নাচনীৰ কলাফুল লৰে
বিহুৰেনো বিৰিণা---অ' আইতা
কেৰুমণি থুৰীয়া
পাতে সমনীয়া ---অ' আইতা
তুমি আমাৰ যুৰীয়া
ব'হাগতে পাতি যাওঁ বিয়া---অ' আইতা
কেৰুমণি গেজেৰা নামাৰিবা কেতেৰা
চাইনো চাই থাকিবৰ মন---অ' আইতা
চাইনো চাই থাকিবৰ মন।

কিন্তু প্ৰেমিক বিহুৱাক নেলাগে কোনো চাকৰি। মনে বিচৰা বিহুৱতীক সেয়ে কৈছে---

বা বাগিচাৰ চা চাকৰি
নে নেলাগে লা লাহৰী
নেলাগে তলপৰ ধন।
তয়ে ধানে দাবি
ময়ে হালে বামে
সেয়ে হ'ব জীৱনৰ ধন।

আইতাকক সেয়ে নিজৰ পছন্দৰ কথা মুকলিকৈ কৈছে--

এনেনো ভাল লাগে আইতা
এনেনো ভাল লাগে–
মুখলৈও কিনো চাবা----পূৰ্ণিমাৰে জোনে
এনেনো ভাল লাগে আইতা
এনেনো ভাল লাগে
চকুলৈনো কিনো চাবা---সৰগৰে তৰা...

আশীৰ দশকত লিখিলে আকৌ সেই ৰং ভৰা বিহুৰ কথা, বিহুৰ কালিকা আৰু তাৰ মাজত উন্মোচিত অসমৰ বৈভৱৰ কথা– শব্দচয়ন, গায়নত মূৰ্ত হ'ল অসমীয়া যোজনাৰ মাধুৰ্য্য– অসমীয়া কৃষ্টিৰ ৰূপ ৰং–

চৰাই চিকুণ অ' লীলা ৰহিলা
তেলীয়া সাৰেঙ অ' লীলা ৰহিলা

মাছৰ চিকুণ মালি অ’ ৰহিলা
... ..... .....
ৰৈয়া ৰৈ নাচিলে নাচনী নাচিলে ৰৈয়া ৰৈ
আয়ে দেহি কলাফুলৰ গোটে দেহি
ৰাইজাই ৰাইজাই কৰে দেহি
তোমাকনো মই কাহানি পাম?
কেঁচা মৰম চেঁচা নৈ মুখৰ মিঠা এঠা দৈ
মিঠা মিঠা তিলৰ পিঠা
দেহাটি মোৰ চেনাই ঐ
অসমীৰে বিহুটি ঐ
বাপতি যে সাহোন ঐ
আমাৰ অতি আপোন ঐ।...

আন এটি গীতত শুনো একেই আকুলতা, একেই ব্যঞ্জনা-

মাছ মাৰোঁ দিচাঙত
পানী খাওঁ কলঙত
হে মাছ মাৰোঁ দিচাঙত
পানী খাওঁ কলঙত
টুলুঙা নাৱতে উঠি।
জীৱন লুইতত বিচাৰোঁ তোমাক জান
জীৱন লুইততে বিচাৰোঁ তোমাক জান
আমালৈ নিদিবা পিঠি নাজিতৰা
আমালৈ নিদিবা পিঠি।...

আৰু সেই চিত্তক চুই যোৱা সেই গীতৰ কলি জানো পাহৰিব পাৰি! চেনেহীৰ ফঁটা ৰিহাৰ মাজত গীতিকাৰে বিচাৰি পাইছে মিঠা প্ৰেম, অভাৱৰ মাজতো য’ত বিহুৰ মৰ্ম উজলি উঠে--

চেনেহীৰ ফঁটা ৰিহা
ফুলে জকে মকে
উৰি যায় বতাহৰ আগত-- বোলো আগত
নেখাই চাৰি সাঁজো থাকিব পাৰোঁ মই
ব’হাগৰ লগত হে’
শশী মিলন দৈ জালুক গুটি পিপল দৈ
কেৰাচিন নহ’লে চাকিটি নজ্বলে
তথাপি গাত নাই তত।

ব’হাগৰ এনে ক্ষণত গীতিকাৰে ঔৰ গছৰ মৌ বাহৰ মৌ নাপাৰি মৌ বিচাৰিছে ‘চেনেহীৰ মিঠাকৈ ওঁঠত। ‘ইতিমধ্যেই’ ‘দুয়োৰো মৰমত দুয়ো বান্ধ’ খাইছে যে !

(২)

ভূপেন হাজৰিকাৰ মতে ব’হাগ অসমীয়াৰ সকলো। অসমীয়াৰ মান, প্ৰাণ সকলো। অসমীয়া জাতিসত্তাক তেওঁ ব’হাগৰ মাজত বিচাৰি পাইছিল। তেওঁৰ ‘ব’হাগ মাথোঁ এটি ঋতু নহয়’ গীতটোত তেওঁৰ এই দৰ্শন পৰিস্ফুট। ব’হাগক তেওঁ জাতিটোৰ আয়ুস ৰেখা বুলি অভিহিত কৰাই নহয় গণজীৱনৰ সাহ বুলিও কৈছে। ব’হাগ কেৱল বিহুতলী অথবা নিশা ফুলা ফুল নহয়, ব’হাগ এটা সন্মিলিত গতি, ব’হাগে নামানে জাতিকুল, ব’হাগে বিভেদক বিনাশ কৰে। ব’হাগ মাথোঁ মাকো নহয় অথবা কুলিৰ মাত, ব’হাগ নতুন চিন্তাৰ সাঁচিপাত। অৰ্থাৎ সাঁচিপাতে ব’হাগক নতুন চিন্তাৰ ভাষা দিয়ে, যিয়ে জীৱন উজলাই তোলে।

কিন্তু ব’হাগ ভূপেন হাজৰিকাৰ বাবে নতুনৰ বাহক-- নতুন সংস্কৃতিৰ চেতনাৰে উদ্দীপ্ত। যিহেতু ই মিলনৰ থলী সেয়ে তাৰ পৰা তেওঁ ৰণৰ প্ৰেৰণাও পায়-- পুৰণি মূল্যবোধ নাইকিয়া কৰাৰ। ব’হাগক এন্ধাৰৰ ত্ৰাস হিচাপে তেওঁ চাব বিচাৰে। জ্যোতিপ্ৰসাদে বিহুৰ সাংস্কৃতিক মেলাতে নতুন সংস্কৃতিৰ পোহৰৰ আকাংক্ষা কৰাৰ দৰে ভূপেন হাজৰিকাইও বিহুৰ মাজত পৰিৱৰ্তনৰ ৰূপ দেখা পায়। হেম বৰুৱাৰ দৰে তেওঁ ব’হাগত সৃষ্টি বিচাৰি পায়। গীতটোৰ শেষৰ পংক্তি দুটাত তেওঁ গাইছে--

ব’হাগ মাথোঁ বিহুতলী নহয়
ইনাই বিনাই গোৱা
ব’হাগ এখনি সৃষ্টি দলিল
সূৰ্য্যৰ জ্যোতিত পোৱা
ব’হাগেই এন্ধাৰৰ ত্ৰাস।
ব’হাগত জাতিয়ে স্নান কৰে
মলিয়ন বস্ত্ৰ সলায়
সংগ্ৰামী জীৱনতো ৰণ প্ৰেৰণা
দিয়ে বৰদৈচিলাই
ওফৰাই দুখ নাগপাশ।

এই যে বৰদৈচিলা– এয়া গীতিকাৰৰ মানস পটত উজলি থকা এটা ধুমুহা, বিপ্লৱৰ একুৰা জুই যেন। কাৰণ বৰদৈচিলাই মুহূৰ্ততে সকলো তচ নচ কৰি দিয়ে। সেয়াই জাতিটোৰ সাহ। কিন্তু গীতিকাৰ বিভ্ৰান্ত– আজিৰ অসমলৈ

সঁচা বৰদৈচিলা আহেনে? যি আহে সেয়া বৰদৈ নে সৰুদৈ চিলা, নে অন্য কিবা আভুৱা ভৰা প্ৰতিশ্ৰুতি! সেই ভাবনাৰে 'ব'হাগ মাথোঁ এটি ঋতু নহয়'ৰ আগতেই সত্তৰৰ দশকৰ শেষৰ ফালে তেওঁ সৃষ্টি কৰিছিল 'বৰদৈচিলা' নামৰ অনুপম গীতটি–

বৰদৈচিলানে সৰুদৈ চিলানে
অসমৰ আকাশত বৰ বৰ চিলা
চিলাৰায়ৰ চিলানে কাকতৰ চিলানে
কাকতত থকা ভুৱা পৰিকল্পনা।
চিলানে শেননে ৰঙা নীলা চিলা
নে হাঁহিয়াতৰ পাত্ৰ ধোদৰ পচলা
সৌবোৰ ঠোঁট যেন তেজহে সনা
শেন যেন লাগিছে চকুৰে নমনা
অসমীয়াই এইবোৰ ভাবি চাবৰ
ব'হাগেই বতৰ কিজানি?

জাতিটোৰ গতিপথৰ কণ্টকক যিদৰে তেওঁ চিহ্নিত কৰিব বিচাৰিছে, তেনেদৰে আত্মবিস্মৃত জাতিটোক ব্যংগ কৰি জগাবও খুজিছে গীতিকাৰে। সহজ সৰল অথচ ব্যঞ্জনাপূৰ্ণ কাব্য সুষমাৰে জনজীৱনক বুজনি দিব খুজিছে--

বাঁহতল শুৱনি কেতেকী বাৰীতে
ক'ৰবাৰ ফেঁটী সাপে বাহ ল'লে– ল'লে
কেতেকী ফুলিলে তগৰো ফুলিলে
ফেঁটী সাপে গপাগপ তাকেই গিলিলে- গিলিলে

ফেঁটীসাপৰ উপমাটো বৰ চিত্তাকৰ্ষক জনজীৱনৰ বাবে। তাকে সোঁৱৰাই দি তেওঁ যেতিয়া জনজীৱনৰ দুখ আৰু চেতনাহীনতাৰ কথা কয়, তাৰ অভিব্যক্তিয়ে আমাক চুই যায়--

তিল তিল কত তিল তিল পিঠা নাই
কুঁহিয়াৰ আছে তাত পেৰোঁতাহে নাই
অসমী আইৰে বৰ ঘৰ মজিয়াত
বৰ খুঁটা এলাহৰ ঘুণে খাইছে
এটি ধোদৰ আলি গঢ়ি হাত সাবটি
অসমৰ ৰণুৱাই ৰং চাইছে ৰং চাইছে

আকৌ শোষণৰ জাল পতা 'শেন'ৰ উপমাটোও জনজীৱনৰ দৈনন্দিনৰ লগত সম্পৰ্কিত--

মূৰৰ ফুলাম গামোচাখনি
ক'ৰবাৰ শেনে আহি নিলেহি কাঢ়ি
গ'ল গ'ল--- গ'ল গ'ল
বুলি মাথোঁ চিঞৰিলে
তাকে দেখি শেনহঁতে ৰগৰ কৰিলে।

বিষ্ণুপ্ৰসাদ ৰাভাই বৰদৈচিলাৰ ব্যাখ্যা দি কৈছিল যে "বড়োসকলে বৰদৈচিলা নামে গোসাঁনী এগৰাকীক পূজা কৰিছিল। বৰ মানে বতাহ, দৈ মানে পানী বা বৰষুণ, চিখলা মানে গাভৰু বা গোসাঁনী বা অপেশ্বৰী। চমুকৈ ক'বলৈ গ'লে বৰদৈচিলা মানে হৈছে ধুমুহা বা বৰষুণৰ গোসাঁনী।"[৭] ভূপেন হাজৰিকাই এই ব্যাখ্যাকে গ্ৰহণ কৰি গীতটোত বৰদৈচিলাৰ অৰ্থ দিছে। পিছে ভূপেন হাজৰিকাৰ বৰদৈচিলাজনী আৰু এখোপ চৰা-- তাই 'সাহসৰ বৰষুণ লৈ' অহা চিলা– হিলদল ভাঙি অসমীয়াক এটা মন দিয়া চিলা– নানাজাতি এক কৰা চিলা। কিন্তু সেইজনী চিলা গীতিকাৰৰ দৃষ্টিত আজিকালি অসমীয়াৰ মনত থিতাপি নোলোৱা হ'ল। গীতিকাৰৰ খং উঠিছে, কাৰণ বৰদৈচিলাই লৈ অহা ধুমুহা বা নতুনৰ উদ্যম যদি জাতিটোত সংস্থাপিত নহয় তেন্তে জাতিৰ উদগতি হ'ব কেনেকৈ? বছৰত এবাৰ অহা যোৱাতে কি হ'ব? এই নতুনৰ ক্ষণটি বছৰৰ প্ৰতিদিনে, প্ৰতি মুহূৰ্ততে যদি অনুভূত নহয়, তেন্তে জাতিৰ মান নৰয়। সেয়ে গীতিকাৰে গাইছে–

বৰদৈচিলাজনীৰ আগচুলি থপিয়াই
মাটিলৈ নমাই আনি
অসমীয়া মনটোত সুমুৱাই দিবলৈ
ব'হাগেই বতৰ কিজানি!

ব'হাগ ভূপেন হাজৰিকাৰ বাবে 'জ্বলন্ত অৰুণ' আৰু 'দুৰন্ত তৰুণ।' পুৰণি মূল্যবোধ তেওঁৰ দৃষ্টিত জহিখহি যোৱা। সেয়ে সেই মূল্যবোধৰ মৈদাম খান্দি তাৰ হাড়বোৰ নিকা কৰি তেওঁ অস্ত্ৰ সাজিব খোজে। সেই অস্ত্ৰেৰে তেওঁ শোষণ-সেনানীক বিনাশ কৰিব বিচাৰে। তেওঁ ব'হাগত বিচাৰি পায় মুক্ত যুক্তি, নতুনৰ উদ্যম–

দেশৰ মাটিত তাৰ (ব'হাগৰ) ভৰি দুটা আছে
ক'লা ক'লা চুলিবোৰে চুইছে আকাশ
বাহু দুটা মেলি সি বুটলিছে তৰা
কণ্ঠত যুক্তিৰ মুক্ত প্ৰকাশ
আকাশে ঢালে নতুনৰ বৰষুণ
ঢোল বাই নাচে দুৰন্ত তৰুণ ...

জ্যোতিপ্ৰসাদে বিহুৰ সাংস্কৃতিক সমাৰেশত নতুন

সংস্কৃতি গঢ়াৰ সপোন দেখাৰ দৰে ভূপেন হাজৰিকাইও আজিৰ বিহুতলী কি হ'ব লাগে কৈছে। সত্তৰৰ দশকৰ কথা। নাওবৈচা সমষ্টিৰপৰা তেতিয়া তেওঁ বিধায়ক হৈছে। এই অভিজ্ঞতাই যে তেওঁক বাস্তৱৰ মুখামুখি হোৱাত সুযোগ দিছিল সেই কথা উল্লেখ কৰি বিহুৰ বতৰত 'আমাৰ প্ৰতিনিধি'ত তেওঁ লিখিছিল-- "বিহু মাৰিবলৈ যাওঁতে এতোলা সোণৰ বিৰি গঢ়াই এতিয়া কোনজন অসমীয়াই দিব? যোৱাবেলি খোৱাৰ কিমান কষ্ট। যোৱাবেলিতকৈ এইবেলি শতকৰা ১৭ ভাগ দাম বাঢ়িল খাদ্যৰ। সাধাৰণ কৰ্মীৰ আৰ্জনৰ শতকৰা ৬০ ভাগ ভাত-দাইল কিনোতেই যায়। এইবেলি বিহু কেনেকৈ মাৰিব ৰাইজে? ...এইবেলি ৰাইজে ৰাজহুৱা বিহু মণ্ডপসমূহ একতাৰ ভেটিত কৰাৰ উপৰিও কৰিব লোকসমাজৰ দুৰ্নীতিৰ বিৰুদ্ধে সংগ্ৰাম কৰা ৰাইজৰ প্লেটফৰ্মৰূপে।...ৰাইজে বিহু মণ্ডপত উঠি একেলগে চিঞৰি দিয়ক-- আৰু শাসকসকলে কওক ঃ চিকুণ দেউতাসকলৰ কেঁকোৰা দোলা ৰাইজে আৰু দাঙিব নিবিচাৰে। 'বৰচ'ৰাৰ মুখলৈ দেউতাই ওলালে দুলীয়াই নেপাতে দোলা।'[৮] লেখাটোত তেওঁ নিজৰ স্থিতি এনেদৰে স্পষ্ট কৰি দিছিল– "মই বিশ্বাস কৰোঁ মানুহক– মানুহৰ ভবা শক্তিৰ ৰূপান্তৰৰ সম্ভাৱনাখিনিক। মোৰ বাবে বাস্তৱনিৰ্ভৰ জীৱনপ্ৰেম বৈচিত্ৰ্যময় আৰু প্ৰাণৱান। নগ্ন বাস্তৱৰ সন্মুখীন হ'লেহে,--- মানুহে নিজেই ভাবে, নিজেই ৰিজায়, মানুহে নিজেই জোখে। উদ্ভৱ হয় যুক্তিসংগতভাৱে স্ব-আৱিষ্কৃত মূল্যায়নৰ। সেই মূল্যায়ন পাঠ্যপুথি বা নীতিশাস্ত্ৰৰ পৰা হয়তো পাব পাৰি। পিছে সি মোৰ বাবে হৈ পৰে মাথোঁ কাব্যিক কিবা এটি, ৰোমাণ্টিক কিবা এটি– অপৰিচিত কিবা এটি। ...সেয়েহে বাস্তৱৰ পানীমেটেকা ভৰা ভয়াবহ বোকাত মাজ নিশা নামি হ'লেও পদুম ফুল গোটোৱাত মোৰ বিশ্বাস।"[৯]

ভূপেন হাজৰিকাই বিহুক সমাজ ৰূপান্তৰৰ কৃষ্টি হিচাপে চাইছিল আৰু বিহুগীত আৰু বিহুসুৰীয়া গীতৰ মাজেৰে সেই দৃষ্টিভংগীকে তুলি ধৰিব বিচাৰিছিল। সমাজ বাস্তৱতাক নেওচা দি ৰূপান্তৰৰ সংস্কৃতি গঢ়িব নোৱাৰি। সংস্কৃতি যে সমাজ ৰূপান্তৰৰ আহিলা হ'ব পাৰে সেই শিক্ষা তেওঁ আমেৰিকাত পল ৰবচনৰপৰা পাইছিল। ৰবচনৰ অনুষ্ঠান চাই তেওঁ উদ্দীপ্ত হৈছিল। সেই অভিজ্ঞতা বিবৰি তেওঁ লিখিছে-- "তেওঁৰ গীতে আমাক বিদ্যুৎ প্ৰৱাহৰ দৰে চুই গ'ল। বিজুলী সঞ্চাৰেৰে সহস্ৰ ৰাইজ যেন উদ্বুদ্ধ হ'ল বৰ্ণবৈষম্যৰ বিৰুদ্ধে যুঁজিবলৈ। তেওঁ গোৰা গীতে আমাক নতুন সংগীত-জগতৰ বতৰা দিলে। তেওঁ গীত গোৱাৰ ধৰণ আছিল অভিনৱ শৈলীৰ। গীতৰ প্ৰতিটো শব্দ আছিল স্পষ্টভাৱে উচ্চাৰিত। ফলত শব্দৰ সম্পূৰ্ণ অৰ্থই শ্ৰোতাৰ অন্তৰাত্মাক স্পৰ্শ কৰিছিল।"[১০] ৰবচনে হাতত থকা গীটাৰখন দাঙি ভূপেন হাজৰিকাক কৈছিল সেইখন মাথোঁ শব্দযন্ত্ৰ নহয়, সমাজ সলনি কৰা আহিলাও ("Guiter is not a musical instrument, it is a social instrument.") । আমেৰিকাৰ পৰা আহি তেওঁ ভাৰতীয় গণনাট্য সংঘৰ সাংস্কৃতিক কাৰ্য্যক্ৰমণিকাত সংযুক্ত হোৱাৰ সেয়ে যুক্তি বিচাৰি পাইছিল। সংঘৰ মজিয়াৰ পৰাই তেওঁ ৰচা এলানি গীতত প্ৰতিধ্বনিত হৈছিল পুৰণি সামন্তবাদী সমাজ ভাঙি নতুন সাম্যবাদী সমাজ গঢ়াৰ স্বপ্ন। প্ৰতিধ্বনিত হৈছিল শাসক-শোষকৰ বিৰুদ্ধে তীব্ৰ ঘৃণা আৰু সাধাৰণ মানুহৰ প্ৰতি মমত্ববোধ। নিপীড়িত মানুহৰ সংগ্ৰামী চেতনা জগাই তুলিবলৈ তেওঁৰ গীতৰ ভাষা হৈ পৰিছিল ধাৰাল। এয়াই আছিল গণনাট্যৰ চেতনা। ষাঠিৰ দশকৰ উত্তাল গণসাংস্কৃতিক আন্দোলনৰ তৰংগ। ভূপেন হাজৰিকাৰ তেজস্বী হৃদয়ত ঝংকাৰ তোলা গীতবোৰ এই সময়তে ৰচা।

গণনাট্যৰ সাংস্কৃতিক আন্দোলনত জঁপিয়াই পৰি তেওঁ লিখিছিল খুব সম্ভৱ জীৱনৰ প্ৰথমটো বিহুগীত যিটো গীতত মুখৰ হৈছিল প্ৰখৰ শ্ৰেণী চেতনা। এই দীঘল বিহুগীতটি তেওঁৰ জীৱনৰ এক টাৰ্নিং পইণ্টো। কাৰণ এই গীতৰ বাবে তেওঁ বহু গঞ্জনাও খাব লগা হৈছিল। লতাশিল বিহুতলীত তেওঁক গীত গাবলৈ দিয়া হোৱা নাছিল। হেমাংগ বিশ্বাসে গীতটো ছপাই পিছদিনা বিহুতলীত বিতৰণ কৰিছিল।

কি আছিল গীতটিত? বিহুগীতৰ সকলো কালিকা, ব্যঞ্জনা, শব্দচয়ন ব্যৱহাৰ কৰি তেওঁ ৰাইজক গীতটোৰ মাজেৰে সমাজ বাস্তৱৰ সৈতে মুখামুখি কৰি দিছিল। শ্ৰেণী বিভক্ত সমাজত শ্ৰেণী সংগ্ৰাম অবিহনে সমাজৰ পৰিৱৰ্তন হ'ব নোৱাৰে-- গীতৰ মূল আবেদন আছিল সেইটোৱেই। তেওঁ সেয়ে বিহুৰ সুৰত গাইছে 'আজিৰ গীত' ---

ছাগৰ ছাল ছেলাবৰ ডবুৱা কটাৰি
পহুৰ ছাল ছেলাবৰ মিট
দেশৰ বুঢ়া মেথা দায়ে নধৰিবা

গাই যাওঁ আজিৰে গীত।

.... .... ... .....

দলদোপ দলদোপ হেন্দোলদোপ
অ' দেশৰে ৰাইজখন চা,
সমাজৰ পথাৰত চহকী খেলুৱৈয়ে
ৰাইজক সাজিছে ঢোপ,
বোলো চাই যা, ৰংমন চাই যা —

বিহুৰ ৰজনজনা সুৰেৰে চহকী খেলুৱৈয়ে ৰাইজক কৰা নিপীড়নৰ কথা তেওঁ কৈ যায়— কৈ যায় ৰাইজৰ দুখদৈন্যৰ কথা– মহাজনী শোষণৰ কথা–

ইফালেদি লথিয়াই নাজিতৰা
সিফালেদি লথিয়াই তোক
ৰঙালী বিহুটিক কঙালী কৰিলে
পেটৰে নুগুচে ভোক, নাজিতৰা
পেটৰে নুগুচে ভোক।
দুদিন বিহু কৰি এবছৰ কান্দিবি
গিলিবি দুখৰে ঢোক
গাঁৱৰে এইগাল লোক হ'ল মহাজনৰ ঢোপ
বোলো চাই যা ৰংমন চা---

আকৌ বোৱনীৰ মনৰ ব্যথাকো গীতিকাৰে বিহুতলীলৈ কঢ়িয়াই আনে--

শুদা শুদা মাকোটি খট খট চলে
বোৱনীয়ে হেঁপাহেৰে চানেকী ল'লে
ক'লা ক'লা বজাৰত সূতাৰ দাম দেখি
দুখুনীয়ে পাইছে শোক, ৰাইজৰ এইগাল লোক
হ'ল কাৰোবাৰ ঢোপ
বোলো ভদীয়া চাই যা, চাই যা, চাই যা ঐ।

ৰবচনৰ গীতত তেওঁ পাইছিল বৰ্ণবৈষম্যৰ কথা আৰু ইয়াত তেওঁ দেখুৱাই দিছে অৰ্থনৈতিক বৈষম্য--

দুজন এজনে কলঘৰ সাজিছে
থানে থানে কাপোৰ ওলায়
উৰণীয়া জাহাজত চিলিক আহিছে
আমাৰ বিহু কাপোৰ নাই।

পিছে গীতিকাৰৰ চকু কাণ বৰ সতৰ্ক। বিহুবলীয়া ৰাইজক বহু খবৰেই দিব খোজে। কাৰণ এই খবৰবোৰ ৰাইজৰ লগত দৈনন্দিন সম্পৰ্কিত। সেয়া যুদ্ধৰ খবৰ। যুদ্ধই যে ধ্বংস আনে তাৰ খবৰ। উল্লেখযোগ্য যে এই গীত লিখাৰ সময়ত পৃথিৱীত যুদ্ধৰ ৰণশিঙা বজাইছিল সাম্ৰাজ্যবাদী দেশবোৰে। আনহাতে ইয়াৰ বিৰুদ্ধে দেশে দেশে শান্তিৰ উদ্যোগো গঢ়ি উঠিছিল। গীতটোত তাৰ প্ৰকাশে গীতিকাৰৰ গভীৰ দায়বদ্ধতাৰ চানেকি তুলি ধৰে--

কোনোবা সমুদ্ৰত বোমা ফুটুৱালে
ক'ৰবাত পৰিলে ছাই
এগণ্ডা বোমাৰে পৃথিৱী পুৰিব
ক'ৰবাৰ ৰণ বলিয়াই।
উদযান বোমাৰে গুণগান বখানি
নকবি এনেকৈ মোক
বোলো ৰণ হ'লে খাম কি?
ৰণ হ'লে গাম কি?
--মৰিব দেশৰে লোক।


মন কৰিবলগীয়া এয়ে ৰণৰ কথা কওঁতে প্ৰকাশভংগীত গ্ৰাম্য ঠাচটিয়ে বিহুৰ মৰ্মকে তুলি ধৰে--

শান্তিৰে নিজৰাত নিজৰি ৰুবলৈ
আমি হ'ম বৰশীৰ টোপ
অতিকৈ হেঁপাহৰ ব'হাগৰ বিহুটিও
সুৰে-চুৰে পাবগৈ লোপ।

পিছে গীতিকাৰে কেৱল ৰাইজৰ বিলাই বিপত্তিৰ কথা বৰ্ণাই নিজৰ দায়িত্ব সামৰা নাই, ৰাইজৰ মাজত দেখিবলৈ পাইছে মনৰ দৃঢ়তা তথা সংগ্ৰামী চেতনাও। তেওঁ শুনিবলৈ পাইছে–

পাহাৰে ভৈয়ামে টঙালি বান্ধি লৈ
ৰাইজে ক'লেহি মোক
জীৱনটো পণ কৰি নিজে হেনো খেদিব
সমাজৰ তেজ শোহা জোক
অ' দেশৰে ৰাইজখন চা

মৌজাদাৰৰ চোতাল সাৰোঁতে কঁকাল বেকা হোৱা খেতিয়কজনৰ কাঁচিখনত গীতিকাৰে বৰ চোক দেখা পাইছে। গীতৰ সামৰণিত 'হে মাননীয় ৰাইজৰ লোক' আৰু 'হে গাঁৱৰে সাহসী লোক' বুলি সম্বোধন কৰি তেওঁ গাইছে যে কাঢ়ি নিয়া মাটিখিনি, বন্ধকৰ মাটিখিনি ৰাইজে পালেহে ৰাইজৰ ভোক পিয়াহ গুচিব। তেতিয়া 'বিহুতলী ৰজনজনাব- -নাচিব দেশৰে লোক'। ৰাইজক সেয়ে কৈছে--



বোলো দেখিবি ন ন ৰূপ
বোৱঁতী সুঁতিটো ভেটিব নোৱাৰি
ভেটা ভাঙে ঘনে ঘনে
বিদ্রোহী ৰাইজে কঢ়িয়াই লৈ যোৱা
সংগ্ৰামক ভেটিব কোনে?
বোলো দেশৰে ৰাইজখন আগুৱাই যা
বুকু পাতি যা
দলদোপ দলদোপ হেন্দোলদোপ
ধেমালি চাই যা--

**উপসংহাৰ**

ভূপেন হাজৰিকাৰ সমগ্ৰ গীতৰ যিটো আবেদন তাৰ লগত সংপৃক্ত হৈ আছে বিহু আৰু ব'হাগক লৈ লিখা গীত কেইটিও। বিহুগীত আৰু ব'হাগৰ গীতকেইটিত বিহুৰ কৃষ্টিৰ আৱৰ্তত তেওঁৰ গীতৰ যি স্ফুৰণ সি অতি প্ৰাণস্পৰ্শী। অসমীয়া গীতিসাহিত্যত তাৰ স্থান সুকীয়া। বিহুগীতক সমাজ ৰূপান্তৰৰ এটি বলিষ্ঠ প্ৰকাশ হিচাপেই তেওঁ গ্ৰহণ যে কৰিছিল সেয়া গীতৰ কথাত পৰিস্ফুট। কিন্তু সেয়া কৰিবলৈ যাওঁতে গীতবোৰ শ্লোগানধৰ্মী হোৱা নাই। তাত গ্ৰাম্য অভিব্যক্তি-- যেনে শব্দচয়ন, ব্যঞ্জনা সকলো জনজীৱনত প্ৰৱাহিত হৈ থকা। সেয়ে শ্ৰোতাই তাত নিজক বিচাৰি পায়। একে ধাৰাৰে বিহুগীত বা বিহুসুৰীয়া গীত ৰচা তেওঁৰ সমসাময়িক আনজন প্ৰসিদ্ধ গীতিকাৰ হ'ল কেশৱ মহন্ত। মহন্তও গণনাট্যৰ স'তে যুক্ত হৈছিল। অৰ্থাৎ দুয়োৰে গীতত এটা সুৰ-গীতৰ মাজেৰে সমাজৰ ৰূপান্তৰৰ সাধনা। ভূপেন হাজৰিকাৰ আৰু দুটা ওপৰঞ্চি প্ৰতিভাই তেওঁৰ গীতক কৰি তুলিছে ঐশ্বৰ্য্যমণ্ডিত। সেয়া তেওঁৰ সুৰৰ লালিত্য আৰু সন্মোহিনী কণ্ঠ। শ্ৰোতা জনতাক কিদৰে চুম্বকৰ দৰে আকৰ্ষণ কৰিব পাৰি সেয়া তেওঁ আয়ত্ত কৰিছিল বিদ্যায়তনিক শিক্ষাৰ কালতে। তেওঁ গণসংযোগ বিষয়ত গৱেষণা কৰি কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা পি এইচ ডি ডিগ্ৰী লাভ কৰিছিল। বিষ্ণুপ্ৰসাদ ৰাভাৰ দৰে তেৰোঁ মানুহৰ মাজত বিচৰণ কৰি সুৰ বটলিছিল, বুটলিছিল গীতৰ ভাষা।

**উৎস ঃ**


১. পৰমানন্দ মজুমদাৰ (সম্পা), হেমাংগ বিশ্বাস ৰচনাৱলী, দ্বিতীয় সংস্কৰণ, অসম প্ৰকাশন পৰিষদ, ২০১৬ পৃঃ ১৩২

২. হীৰেন গোহাঁই (সম্পা), জ্যোতিপ্ৰসাদ ৰচনাৱলী, অষ্টম সংস্কৰণ, অসম প্ৰকাশন পৰিষদ, ২০১৩ পৃঃ ৪৯৬

৩. যোগেশ দাস (সম্পা), বিযুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ, দ্বিতীয় খণ্ড, ৰাভা ৰচনাৱলী সংঘ ১৯৯৭ পৃঃ ১৩৩৩

৪. ঐ, ১৩৩৪

৫. পৰমানন্দ মজুমদাৰ (সম্পা), পছোৱা, অসম সাহিত্য সভা, ৩০২১, পৃঃ ৪৪২

৬. ঐ, ৪৪৩

৭. যোগেশ দাস (সম্পা), পূৰ্ব্বোক্ত পুথি, পৃঃ, ১৩৩৪

৮. পৰমানন্দ মজুমদাৰ (সম্পা), ভূপেন হাজৰিকা ঃ গতিৰ পৰা আমাৰ প্ৰতিনিধিলৈ, অসম প্ৰকাশন পৰিষদ, ২০১২, পৃঃ, ২২৮

৯. ঐ, পৃঃ ২২৯

১০. ঐ, পৃঃ ২৫৩-৫৪

প্ৰবন্ধ

এই বিষন্ন সেউজীয়া, সোণ হালধীয়া আৰু সোণোৱালী ধাননিৰ মাজেৰে পটি উলিয়াই ছাঁ-পোহৰৰ এখন নিভাঁজ পৃথিৱীৰ পৰা ওলাই অহা নীলমণি ফুকনৰ মন-মগজুত আজীৱন লালিত হৈ ৰ'ল নৈসৰ্গিক প্ৰাকৃতিক শোভা, পাখি ধুনীয়া-ঠোঁট ধুনীয়া জান-অজান অলেখ পাখিৰ কূজন আৰু শুকান নবাৰ ওপৰত আমনজিমনকৈ পৰি থকা ৰান্ধনি বেলিৰ হেঙুলীয়া।




# "পাতি-সোণাৰুৰ ফুল"ৰ সুৱাস আৰু নীলমণি ফুকনৰ জীৱন-বীক্ষা

**মদন চন্দ্ৰ ডেকা**

"অন্তৰত বিষন্ন এক সেউজীয়াৰ স্তব্ধতা, সোণাৰুৰ অকণমান সোণহালধীয়া লৈ গাঁওখনৰ এমূৰত থকা গেজেপনি হাবি এখনৰ পৰা ওলাই আহিছোঁ।"

গেজেপনি হাবিৰ পৰা নীলমণি ফুকন অকলে ওলাই অহা নাই। লগত লৈ আহিছে মৌ-বৰষা কথা, সোণসেৰীয়া শব্দৰ জুনুকা। এই একেখন হাবিৰ পৰা আমি সকলো ওলাই আহিছোঁ– অন্তৰত বিষন্নতাৰ প্ৰলেপ সানি অথবা উৎসৱৰ বোল লৈ। সেই বিষন্নতা অথবা উছাহ একেই সেউজীয়াৰ পৰা উদ্ভূত। সেই সেউজীয়া নীলমণি ফুকনৰ গাঁৱৰ এমূৰত থকা গেজেপনি হাবিখনতেই নাই, সেউজীয়াৰ সেই অমল উৎস পৃথিৱীৰ প্ৰতিখন গাঁৱৰ এমূৰে থকা হাবিখন অথবা অৰণ্যানি।

কি কৈছে নীলমণিয়ে? পোহৰ নোসোমোৱা গেজেপনি হাবি ফালি পোহৰৰ বাটলৈ অহাৰ কথা কৈছে নেকি বাৰু ! মাতৃৰ গৰ্ভৰ আন্ধাৰ (প্ৰকৃততে আন্ধাৰ নে আলোকময় গৰ্ভ?) আৰু গেজেপনি হাবিৰ আন্ধাৰ একেই নহয় জানো ! পোহৰৰ

দেশলৈ অমৃতময় যাত্ৰাৰ বাবেইতো দৰকাৰ এই আন্ধাৰৰ। মাতৃগৰ্ভৰ আন্ধাৰৰ পৰা নীলমণি পোহৰলৈ আহিল, আহি কলপাততো পৰিল— কিন্তু গেজেপনি হাবিখনৰ কাৰণেই যে সূৰ্য্যোদয় আৰু সূৰ্য্যাস্তৰ এটাও নেদেখে ! হ'লে কি হ'ব--জালিকটা সুৰুঙাৰে পোহৰৰ বৰ্ণচ্ছটাই নীলমণিৰ চোতাল নোপোহৰাবনে!

পাণবজাৰৰ কলেজ হোষ্টেল ৰোডৰ ষ্টুডেণ্টচ্ ষ্ট'ৰচ নামৰ গ্ৰন্থ প্ৰকাশন প্ৰতিষ্ঠানটিয়ে ২০০৬ চনৰ ডিচেম্বৰ মাহত নীলমণি ফুকনৰ "পাতি-সোণাৰুৰ ফুল আৰু অন্যান্য ৰচনা" প্ৰকাশ কৰি দস্তুৰমত এটা আলোড়নৰ সৃষ্টি কৰিলে। কবি হিচাপে ইতিমধ্যেই প্ৰতিষ্ঠা তথা প্ৰসিদ্ধি লাভ কৰা আৰু সুকীয়া পৰিচিতি অৰ্জন কৰা নীলমণিৰ হাতৰ গদ্যৰ সোৱাদ কেনে হ'ব পাৰে— ভাবিলেই মন ৰোমাঞ্চিত হ'ব পাৰে। নীলমণিৰ গদ্যবোৰো পদ্যই নেকি বাৰু! সোণাৰু ফুলৰ বেটুপাতেৰে গ্ৰন্থখন সঁচাকৈয়ে আকৰ্ষণীয়। উছৰ্গা কৰিছে অনুজ প্ৰফুল্ল চন্দ্ৰ বৰাক (অকালতে এইগৰাকী সাহিত্যিক পৃথিৱীৰ মায়া এৰি গুচি গ'ল)।

"হে মোৰ সপোনৰ সূৰ্যৰ মানুহ"—সম্বোধনেৰে ৰাইজলৈ– প্ৰবুদ্ধ ৰাইজ, কবিতাৰ ৰসগ্ৰাহী ৰাইজ (গদ্যৰো ৰসগ্ৰাহী?), মূৰ দোঁৱাই জ্ঞানপীঠ বঁটা গ্ৰহণ কৰা কাব্যঋষি নীলমণি ফুকনৰ গদ্যবোৰো পদ্যই নেকি বাৰু! পদ্যগন্ধী গদ্য? ক'ত পঢ়িছিলোঁ! ক'ত পঢ়িছিলোঁ পদ্যগন্ধী গদ্য !! ৰত্ন ওজাৰ 'আকৌ ধেনুখনা'ত? ৰত্ন ওজাই কথা কওঁতেও আবৃত্তিৰ সুৰতে কয়, যেনেকৈ কয় ভূপেন হাজৰিকাই। আৰু ক'ত পঢ়িছিলোঁ– নগেন শইকীয়াৰ 'ধূলিৰ ধেমালি'ত? 'মিত-ভাষ'ৰ অন্তৰ্লীন ভাবধাৰাতো গদ্যই, এক অদ্ভূত ৰহস্যবাদী চেতনা-স্ৰোত বোকোচাত লৈ ফুৰা গদ্যগন্ধী পদ্য। আৰু এতিয়াৰ জিন্তু গীতাৰ্থ, গীতালি বৰা আদিৰ গল্প পঢ়োঁতে দীঘল কবিতা একোটা পঢ়া যেনেই লাগেচোন।

নাই, নীলমণি ফুকনৰ 'পাতি-সোণাৰুৰ ফুল'ৰ সকলো গদ্য পদ্যগন্ধী নহয়। যি কোনো এগৰাকী কথাশিল্পীৰ লেখীয়াকৈ তেওঁ ভাত খোৱা, বৰশী বোৱাৰ কথা কৈছে। সৰ্বসাধাৰণৰ ভাষাৰে কথা কৈছে। মাজে মাজে হঠাতে একোটা পদ্যগন্ধী বাক্য। হয়তো কাব্যঋষিৰ কবিসত্তাই কবিক সাধাৰণ কথাশিল্পী হোৱাৰ পৰা বিৰত ৰাখিব খোজে। হয়তো অতীতৰ স্মৃতিচাৰণে কবিক আবেগিক কৰি তোলে আৰু স্মৃতিকাতৰতাই কবিক বিহ্বল কৰি তোলাৰ সময়ত পদ্যগন্ধী গদ্য তেওঁৰ কাপেৰে নিগৰি ওলায়।

'পাতি-সোণাৰুৰ ফুল'ৰ দ্বিতীয় বাক্যটো—

"দিনতে আন্ধাৰ, যিখন হাবিত দেও-ভূত, বুঢ়া-ডাঙৰীয়া থাকে, জাৰকালি ফুট-গধূলিতে ফেউৰাই ফেউফেউ কৰে, হোঁকোৰা বাঘ ওলায়, ঢেঁকীয়াপতীয়াই হোঁকৰে।"

— বাক্যটো দেখাত অসম্পূৰ্ণ। কৰ্ত্তা আগৰ বাক্যটিতে ৰৈ গ'ল— গেজেপনি হাবি। বাক্যটি সম্পূৰ্ণকৈ লিখিবলৈ নীলমণিৰ এলাহ, ক'ব পাৰি এয়াই নীলমণিৰ বিলাসিতা। এটি চিত্ৰ আঁকিছে নীলমণিয়ে— হাবিতলীয়া গাঁও এখনৰ চিত্ৰ, য'ত গধূলি হ'লেই দেও-ভূত, বুঢ়া-ডাঙৰীয়া, বন্যপ্ৰাণীয়ে গাঁৱৰ মানুহমখাক বেৰি ধৰে; দেও-ভূত আনকি দিনতো ওলায়। নীলমণিৰ তেনে এখন গাঁৱৰ পৰাই পোহৰমুখী যাত্ৰা, অসমৰ অনেক দিগ্‌গজৰ আলোকসন্ধানী যাত্ৰাৰ যি সমতুল্য। পাছে হোঁকোৰা বাঘেও হোঁকৰে, ঢেকীয়াপতীয়াইও হোঁকৰে— হয়তো কথাশিল্পীগৰাকীৰ মনলৈ সেই সময়ত যথোপযুক্ত শব্দটো নাহিল।

এতিয়া পঢ়ক— "আমাৰ চুবুৰীৰ সৰু ল'ৰা বৰদেউতাৰ পৰিয়ালৰ তিৰোতা মানুহ এগৰাকী বাহিৰ ফুৰিবলৈ যাওঁতে বাঘে খাই মৰা কথাটো সৰুতে শুনিছিলোঁ"-- এটা সম্পূৰ্ণ সাধাৰণ বাক্য, যি কোনো গদ্যকাৰৰ কাপৰ বাক্য। "পাতি-সোণাৰুৰ ফুল"তো আমি নীলমণি ফুকনৰ হাতৰ এনে ধৰণৰ বাক্য-শব্দচয়নেৰে মুখামুখি হওঁ। কিন্তু তাৰ পিছৰ বাক্যটোৱে আমাক আকৌ ওভতাই লৈ যায় তেওঁৰ স্বভাৱসিদ্ধ ভাববিলাসিতালৈ— "সেইখন গমগমীয়া হাবিৰ মাজতে এদিন উপজিছিলোঁ, উপজিয়েই আগলি কলপাত এখনত পৰিছিলোঁ, সেই আন্ধাৰৰ মাজতো চাগে মাৰ চকু দুটাৰ আনন্দই মোৰ মুখখন পোহৰাই থৈছিল।"

সেই হাবিখন, পাতি-সোণাৰুৰ ফুল বছৰত এবাৰ মাত্ৰ ফুলা গছবোৰেৰে ভৰি থকা হাবিখন এতিয়া নাই। সেই হাবিখনত পিত্‌পিতাই ফুৰোঁতে ধুনীয়া ধুনীয়া চৰাই-চিৰিকটিৰ লগতে তেওঁ আন কিবা এটা কাণেৰে নুশুনা মাত শুনিছিল-- "...আৱহমান এটা মাত, কিবা এক অজান ৰহস্যৰ অন্তৰধ্বনি। গছ-লতাবোৰে ফুচ্‌ফুচাই থকা যেন লাগিছিল।"— সেই অন্তৰধ্বনি ধ্বনিত-প্ৰতিধ্বনিত হৈ কবিতাৰ ৰূপেৰে অসমীয়া পাঠকৰ লগতে সৰ্বভাৰতীয় কবিসত্তাৰ মৰ্মস্থলী ভৰুণ কৰি

তুলিলে। হাবিখন হেৰুওৱাৰ দুখ নীলমণিৰ কাৰণে আত্মীয়ক হেৰুওৱাৰ দুখৰ সমান। হাবিখনে শৈশৱ-কৈশোৰতে তেওঁৰ মনত সৃষ্টি কৰা ভয়-বিস্ময়, আনন্দ-বিষাদ, নিৰ্জনতা, প্ৰশান্তিৰ আৱেগ(শ?), ভাব-অনুভূতিয়ে তেওঁক আজীৱন আচ্ছন্ন কৰি ৰাখিছে– হঁহুৱাইছে, কন্দুৱাইছে– প্ৰোৎসাহিত কৰিছে। সেয়েহে গুৱাহাটীৰ ঘৰখনৰ সমুখতে তেওঁ কলগছ এজোপা ৰুইছে। কাৰণ তেওঁৰ মতে "কলগছ মানুহৰ জন্ম আৰু মৃত্যুৰ গছ।... সেউজীয়াৰ এটা প্ৰতীক।"

নীলমণি ফুকনৰ জীৱনত মাকৰ প্ৰভাৱ কিমান আছিল, মাকক তেওঁ কিমান ভাল পাইছিল আৰু শ্ৰদ্ধা কৰিছিল "পাতি-সোণাৰুৰ ফুল'ৰ দ্বিতীয় অধ্যায়ত সেয়া পৰিস্ফুট হৈ ওলাইছে -- "মা-ৰ মুখখনতেই দেখ-নেদেখকৈ প্ৰথম সসাগৰা পৃথিৱীখন দেখা পাইছিলোঁ-- ৰসহ্যময় এটা কৰুণ হাঁহিৰ দৰে, আবেলিৰ আকাশৰ ইন্দ্ৰধনুৰ দৰে সৌন্দৰ্যময়ী এখন মমতাময়ী পৃথিৱী, আৰ্থ মাদাৰ। ...মা-ৰ মুখতেই হয়তো দেখিছিলোঁ মই দেখা পৃথিৱীৰ প্ৰথমখন ছবি, প্ৰথমটো মূৰ্তি।" মাক তেওঁৰ অকালতে ঢুকাল। মাকৰ সেই মমতাময়ী ৰূপ কিন্তু নীলমণিৰ অন্তৰত জীৱন্ত হৈ থাকিল–

...কেতিয়াবা ভাবোঁ— তুমি বাৰু এতিয়া ক'ত আছা;
বুকুৰ স্পন্দনতে শুনো
তুমি মোক খোৱা প্ৰথম চুমাটোৰ শব্দ ...
তোমাৰ গৰ্ভত থকা দিনৰে পৰা মোৰ কাৰণেই
তোমাৰ চকুত চকুলো
তুঁহ জুইত পোৰা ৰাতিবোৰ মূৰত লৈ দেউতালৈ চিন্তা
আৰু তুমি মোলৈ ক'ত যে লুকুৱাই ৰাখিছিলা
অনন্ত এই ৰাতিপুৱাবোৰ
ৰাতিপুৱাৰ সোণাৰু সোঁৱালো আৰু
সোণবৰিয়াল গছবোৰ।

মাতৃৰ সেই শাশ্বত মহিমাময়ী ৰূপ আমাৰ সকলোৰে অন্তৰত গচ্ছিত হৈ থাকে।

দেউতাকৰ গহীন, আপাতকঠোৰ আচাৰ-আচৰণেও নীলমণি ফুকনৰ জীৱন গঢ়াত প্ৰভূত প্ৰভাৱ পেলাইছিল। জীৱ-জন্তু, চৰাই-চিৰিকটিলৈ মৰম-চেনেহ, দুখীয়া-নিছলালৈ সহায়ৰ হাত আগবঢ়োৱা আদি গুণ তেওঁ দেউতাকৰ পৰাই আয়ত্ত কৰিছিল। তেওঁৰ ভাষাতে– "...বুজা-নুবুজাকৈ কিবা এটা বুজিছিলোঁ, কাৰ আগত মূৰ দোঁৱাব লাগে শিকিছিলোঁ। আমাৰ ঘৰলৈ মগনীয়া খোজনীয়া বা টানত পৰি কিবা বিচাৰি অহা কোনো মানুহকে দেউতাই, কি মাই শুদা হাতে পঠোৱা নাছিল,..." – আদি জীৱনৰ সেই শিক্ষাই নীলমণিক এক মহান অসমীয়া বা মানুহ হোৱাৰ বাট কাটি দিছিল।

নীলমণি ফুকনৰ জীৱনত প্ৰভাৱ পেলোৱা ব্যক্তিগত সম্পৰ্ক থকা আন দুগৰাকী (পিতৃ-মাতৃৰ উপৰিও) ব্যক্তি আছিল। প্ৰথমগৰাকী চন্দ্ৰনাথ খাউণ্ড– দেউতাকৰ বৰ মোমায়েক, নীলমণিৰ ককাদেউতাক। দ্বিতীয়গৰাকী তেওঁৰ বৰদেউতাক লক্ষ্মীনাথ ফুকন। ইয়াৰ উপৰিও আছিল প্ৰাথমিক স্তৰৰ পৰা শিক্ষাদান কৰা শিক্ষাগুৰুসকল।

নীলমণি ফুকন ডাঙৰ হৈছিল এখন খেতিয়কৰ গাঁৱত। কৃষিকৰ্মৰ সৈতে জড়িত নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ; গাঁৱৰ সমাজৰ বিভিন্ন অনুষ্ঠান, ভাওনা-সবাহ; সংস্কাৰ-কুসংস্কাৰ, অসূয়া-অশান্তি, জাত-বিচাৰ আদিৰ মাজেৰে ডাঙৰ হোৱা নীলমণিৰ মনত গাঁৱৰ সেই প্ৰতিচ্ছবি জীৱন্ত হৈ থাকি গ'ল। তাৰ মাজেৰে তেওঁ সামাজিক-সাংস্কৃতিক মূল্যবোধ তথা মানৱিক চেতনাৰে ঋদ্ধ হ'ল। সেয়েহে গাঁওঁখনৰ বৰ্ণনা দিবলৈ পালে নীলমণিক একো নালাগে– "গাঁওখনলৈ মনত পৰিলে এতিয়াও মোৰ গাঁৱৰ গধূলিবোৰলৈ প্ৰথমেই মনত পৰে। জাৰ-জহৰ গধূলিবোৰ, চেনিচম্পা, বকুল ফুল গোন্ধোৱা, ধোঁৱা আৰু কুঁৱলীৰে মায়াময় সেই গধূলিবোৰ"। সলসলীয়াকৈ তেওঁ কৈ যায়– "কাৰোবাৰ গোহালিত গৰুৱে হেম্বেলিয়ায়, নামঘৰত, কাৰোবাৰ গোসাঁই ঘৰত দবা-কাঁহ বাজে, পাৰই ৰুণ দিয়ে, ফেঁচাই কুৰুলিয়ায়, কোনোবাই 'কীৰ্তন দশম' পঢ়ে, কিবা নিশাচৰ চৰাই এটাই ধপ্‌ধপাই উৰি যায়, গেলাবিলৰ সিটো পাৰৰ পৰা কোনোবাই কাৰোবাক ৰিঙিয়াই মাতে।" – কাকিনি তামোলৰ আগত বাঙ্ময় নীৰৱতা বিৰাজ কৰা এই গাঁৱৰ চিত্ৰ যে আমাৰ তেনেই চিনাকি, আজন্ম পৰিচিত!

গেলাবিল স্কুলত নাম লিখালেও, স্কুললৈ অহা-যোৱা কৰি নিজে প্ৰস্তুত কৰা চিয়াঁহীৰে আখৰ লিখাৰ কছৰৎ কৰিলেও প্ৰকৃতিৰ নৈসৰ্গই অহৰহ নীলমণিৰ চিত-মন ভৰাই ৰাখিলে। গাঁৱৰ হাট-বজাৰ, ঘাট-পথাৰ গচকি ফুৰিলে আৰু সপোন দেখিলে গৰখীয়া হোৱাৰ। কিন্তু নীলমণিতো আৰু গৰখীয়া হ'ব নোৱাৰে, তেওঁৰ যে ভৱিষ্যৎ লিখা হৈ গৈছে তৃতীয়গৰাকী অসমীয়া জ্ঞানপীঠ বঁটা প্ৰাপক হিচাপে। কিন্তু

সপোন দেখাততো কোনো আপত্তি নাই —

সন্ধ্যাৰ তেজে-তুম্‌ৰলি সেই গৰখীয়া
ল'ৰাটো ময়েই
জিলি এটা হাতৰ মুঠিত লৈ
হাবিতলীয়া বাটেৰে
নিতৌ গধূলি ঘৰলৈ ওভতোঁ
ছিটিকা পাতি দেওডঁৰিক ধৰোঁ
অ' কেতেকী
মই কেতেকী বুলি
চিয়ঁৰি ফুৰোঁ
---------------------------
---------------------------

হাবিতলীয়া গাঁৱত জন্মগ্ৰহণ কৰা সোণহালধীয়া পাতি-সোণাৰুৰ সুবাস লৈ জগৎ সভালৈ খোজ আগবঢ়োৱা নীলমণি ফুকনে গাঁৱতে শুনি অহা মাত-কথা আজীৱন লালন কৰিলে। লগতে পঢ়িলে 'আৱাহন', 'তৰুণ অসম' আদি। সেয়েহে নীলমণি ফুকনৰ কাপেৰে নিগৰি ওলায় অসমীয়া ভাষাৰ কালিকা লগা শক্তি। কেইটামান উদাহৰণ—

দিনেকীয়া, থমা দৈ, এঁৰা গাখীৰ, মৌচেপা বৰষুণ, ভোগৰোৱাতী পথাৰ, ঢেল-ওপঙা দিয়া, ধাননিৰ মাজেদি পটি উলিয়াই, আজাৰ নিজাৰ পৰা, আৰিয়াৰ পোহৰ ইত্যাদি।

ৰসগ্ৰাহী পাঠকে জানে যে কাব্যঋষিৰ কবিতাও এই ধৰণৰ কালিকা লগা ভাষাৰে সমৃদ্ধ।

'পাতি-সোণাৰুৰ ফুল'ত নীলমণি ফুকনে প্ৰচুৰ উপমাৰো ব্যৱহাৰ কৰিছে। সেয়ে তেওঁৰ গদ্য হৈ পৰিছে আকৰ্ষণীয়, খাৰাংখাচ ভাষাৰে পোনপটীয়াকৈ লিখাতকৈ আলঙ্কাৰিক গদ্যৰে তেওঁ যেন পাঠকৰ অন্তৰৰ অধিক ওচৰ চাপিছে। কেইটামান উদাহৰণ লওক—

আন্ধাৰছটীয়া মাটি, আবেলিৰ আকাশৰ ইন্দ্ৰধনুৰ দৰে, গাঁওফলীয়া মানুহ, চেনিচম্পা-বকুল ফুল গোন্ধোৱা গধূলি, পগলা পাৰ্বতীৰ দৰে ঢোলৰ মালিতা, সোণগুটি গজা পথাৰ ইত্যাদি।

আমাৰ বহুতো কথাশিল্পীৰ ব্যঞ্জনাময় গদ্যই অসমীয়া গদ্য সাহিত্যক এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে। নতুন আঙ্গিক আৰু চিত্ৰকল্পৰে সংপৃক্ত এই গদ্যশৈলীয়ে পুৰণি অসমীয়া গদ্যৰীতিৰ পৰা পাঠকৰ আকৰ্ষণ ইতিমধ্যেই কাঢ়িছে বুলি ক'ব পাৰি। গদ্য পঢ়ি আছোঁ নে কথা কবিতা পঢ়ি আছোঁ কেতিয়াবা ধৰিব নোৱৰা হয় যদিও লেখকে অপৰিসীম দক্ষতাৰে পাঠকক সাৰবস্তুলৈ আগুৱাই নিয়ে। নীলমণি ফুকন নিজে এগৰাকী কবি, গতিকে তেওঁৰ গদ্য যে পদ্যগন্ধী হ'বই সি সহজেই অনুমেয়। গদ্য-পদ্যৰ সনাপিটিকা, ৰূপক-চিত্ৰকল্পৰ ব্যৱহাৰে নীলমণি ফুকনৰ "পাতি-সোণাৰুৰ ফুল"ক দিছে অনন্য মাত্ৰা। আত্মজৈৱনিক এই ৰচনাখন (চাৰিটা সৰ্গত বিভক্ত) কেনেকৈ ঐন্দ্ৰজালিক সৌন্দৰ্য্যৰ ৰহঘৰাত পৰিণত হৈছে চাওকচোন—

অন্তৰত বিষন্ন এক সেউজীয়াৰ স্তব্ধতা অথবা বুকুত সেউজীয়া সোণোৱালী ধাননিখনৰ সপোনটো লৈ অথবা ছাঁ-পোহৰৰ এখন আশ্চৰ্য আলেখ্য কিম্বা শুকান নৰাৰ ওপৰত আমনজিমনকৈ পৰি থকা ৰান্ধনি-বেলিৰ হেঙুলীয়া ....

এই বিষন্ন সেউজীয়া, সোণ হালধীয়া আৰু সোণোৱালী ধাননিৰ মাজেৰে পটি উলিয়াই ছাঁ-পোহৰৰ এখন নিভাঁজ পৃথিৱীৰ পৰা ওলাই অহা নীলমণি ফুকনৰ মন-মগজুত আজীৱন লালিত হৈ ৰ'ল নৈসৰ্গিক প্ৰাকৃতিক শোভা, পাখি ধুনীয়া-ঠোঁট ধুনীয়া জান-অজান অলেখ পাখিৰ কূজন আৰু শুকান নৰাৰ ওপৰত আমনজিমনকৈ পৰি থকা ৰান্ধনি বেলিৰ হেঙুলীয়া। তাকে লৈ নীলমণি আজীৱন স্বাভিমানী হৈ ৰ'ল, চহকী হ'ল আৰু আমাক ঋদ্ধ-সমৃদ্ধ কৰিলে।

টোকা ঃ

পৃষ্ঠা আৰু শাৰী উল্লেখ কৰাৰ পৰা বিৰত থকা হ'ল, পাঠকে নিজে বিচাৰি পঢ়িলে অধিক পঠনসুখ লাভ কৰিব বুলি ভাবি।

●

প্ৰবন্ধ

আজিৰ বিশ্বায়নৰ যুগতো হুদুম পূজাৰ প্ৰাসংগিকতা শেষ হৈ যোৱা নাই, কাৰণ এইটো জনজীৱনৰ তেজৰ সৈতে সম্পৃক্ত হৈ আছে আৰু ইয়াত আছে প্ৰাকৃতিক শক্তিক মানুহৰ কল্যাণৰ বাবে ব্যৱহাৰ কৰাৰ মহৎ প্ৰচেষ্টা।

# ৰাজবংশী জনবিশ্বাসত হুদুমপূজা ঃ এক নাৰীকেন্দ্ৰিক অনুষ্ঠান

**মীনাক্ষী ৰায় ডাকুৱা**

ব্যক্তিসত্তাৰ স্বীকৃতি আৰু উন্নতিৰ প্ৰাথমিক উপাদান হ'ল সমাজ। অতীতত আদিম মানুহ যেতিয়া কৃষিকৰ্মত জড়িত আছিল তেতিয়াই সমাজব্যৱস্থাৰ সৃষ্টি হৈছিল। পাছলৈ ক্ৰমে ক্ৰমে সমাজৰ সু-ব্যৱস্থাপনাৰ বাবে কিছুমান নীতি-নিয়ম নিৰ্ধাৰণ কৰি লৈ সু-সংহত, সংস্কৃতিৱান জীৱন নিৰ্বাহ কৰিব ধৰিলে। এই নীতি-নিয়ম বিলাকৰ মাজতেই সোমাই আছে জন্ম, মৃত্যু, বিবাহ, কৃষিকাৰ্য্য, উৎসৱ-পাৰ্বণ ইত্যাদি। এই পৌৰাণিক নিয়মবোৰ এতিয়াও পৃথিৱীৰ বিভিন্ন প্ৰান্তত বিভিন্ন ধৰণে উদ্‌যাপন হৈ আহিছে। ভাৰতীয় সভ্যতা আৰু সংস্কৃতিতো আৱহমান কালৰ পৰা এই ব্যৱস্থা প্ৰচলিত। ধৰ্মীয়, সামাজিক, সাংস্কৃতিক জীৱনক কেন্দ্ৰ কৰি এইবোৰ অনুষ্ঠিত হয়। সমাজব্যৱস্থা গঠন কৰাত সামাজিক লোকবিদ্যা বা লোকাচাৰ হিচাপে স্থিতি পোৱা সমূহীয়া আচাৰ ব্যৱস্থাবোৰত সমাজৰ পুৰুষ নাৰী উভয়ৰে দায়িত্ব স্বীকাৰ্য্য। এইক্ষেত্ৰত ৰাজবংশী জনগোষ্ঠীও অন্তৰ্ভুক্ত হৈ আছে।

সমাজ সংস্কৃতিৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্তব্যবোধৰ বাবে সমাজত নাৰীসকলে অনেক উৎসৱ-পাৰ্বণ অনুষ্ঠিত কৰি আহিছে। পৰম্পৰাগতভাৱে চলি অহা লোকসংস্কৃতিত নাৰীসকলৰ অৱদান উল্লেখনীয়। লোকসংস্কৃতিৰ প্ৰধান অঙ্গস্বৰূপ উৎসৱ অনুষ্ঠানবোৰত নাৰীসমাজে পুৰুষৰ সমানে অংশ লোৱাৰ উপৰিও কিছুমান উৎসৱ-পাৰ্বণ একমাত্ৰ নাৰীসকলৰ দ্বাৰাই পালন কৰা হৈ আহিছে। ৰাজবংশী সমাজতো কেৱলমাত্ৰ নাৰীৰ

দ্বাৰাই পালন হোৱা তেনে এক উৎসৱ হ'ল— হুদুমপূজা।

হুদুমদেও বা দেৱতা প্ৰাচীন দেৱতাসকলৰ ভিতৰত এজন। হুদুমদেও বৰষুণ আৰু উৰ্বৰতাৰ সৈতে জড়িত। কোনো কোনোৱে লৌকিক হুদুমদেওক ইন্দ্ৰদেৱতা বা বৰুণদেৱতা বুলি ক'ব বিচাৰে যদিও ইয়াৰ পূজাৰ ধৰণৰ পৰা এইটো স্পষ্ট হয় যে হুদুমদেও এক আদিম উৰ্বৰতাদাতা দেৱতা। হুদুমপূজাৰ উৎপত্তি সম্পৰ্কে নানা জনৰ নানা মত। কাৰো কাৰো মতে এই পূজা হ'ল লিংগপূজা। অৰ্থাৎ শিৱপূজাৰ অন্য ৰূপ। আকৌ, কাৰো কাৰো মতে এই পূজা কিৰাত জনগোষ্ঠীৰ নাৰীসকলে কৰা বৃষ্টি-বন্দনা। কিন্তু এইবোৰৰ কোনো নিশ্চিত সাক্ষ্য পোৱা নাযায়। অৱশ্যে বৰুণদেৱতাৰ কৃপাদৃষ্টি আকৰ্ষণ কৰি বৰষুণ কামনা কৰা আৰু পূজাৰ গীতত মেঘদেৱতাৰ উল্লেখ থকা দেখি ইয়াক বৰুণ দেৱতাৰ পূজা বুলি ধাৰণা কৰা হয়।

হুদুম পূজাৰ গীতবোৰ মূলতঃ প্ৰাৰ্থনা সঙ্গীত যদিও এইবোৰ আদি ৰসাত্মক আৰু যৌনগন্ধী। গীতসমূহত আছে স্ত্ৰী-পুৰুষৰ যৌনাংগবাচক শব্দবোৰৰ চহা নাম। গীতৰ ভাষা সহজ-সৰল গাঁৱলীয়া। আধুনিকতাই এতিয়াও গীতবোৰক চুব পৰা নাই। গীতসমূহৰ লগত নাচ আৰু অভিনয়ৰো সম্বন্ধ আছে।

ৰাজবংশী নাৰীসমাজত হুদুমপূজাই কেতিয়া, কেনেকৈ স্থান পালে তাক সহজে পোৱা নাযায় যদিও স্মৰণাতীত কালৰ পৰা এই পূজা চলি আহিছে। সাধাৰণতে ব'হাগ, জেঠ মাহৰ পৰা ভাদ, আহিন মাহলৈকে বাৰিষাৰ বতৰ। এই সময়ত বৰষুণ নহ'লে সেয়া মাৰি-মৰক, অপায়-অমঙ্গল, দুৰ্ভিক্ষৰ লক্ষণ। বৰষুণৰ পানীৰে পৃথিৱীক শস্যসম্ভৱা কৰি তুলিবলৈ পৃথিৱীৰ প্ৰান্তে প্ৰান্তে যুগে যুগে চেষ্টা চলি আহিছে। সেইবাবেই বিজ্ঞানৰ আৱিষ্কাৰ আৰু বিস্তাৰৰ আগৰ পৰাই অনাবৃষ্টিৰ ভয়াবহতা দূৰ কৰাৰ প্ৰতিকাৰস্বৰূপে সৃষ্টি হোৱা অনন্য আৰু কষ্টসাধ্য হুদুমপূজা বৰ্তমানৰ ৰাজবংশী নাৰী সমাজতো প্ৰচলিত হৈ আহিছে।

নাৰীপ্ৰধান অনুষ্ঠান হিচাপে হুদুমপূজা গভীৰ নিশা ঘৰৰ পৰা দূৰত কোনো নিৰ্জন পথাৰ বা নদীৰ পাৰত অনুষ্ঠিত কৰা হয়। হুদুমপূজা বেদাচাৰৰহিত, এইটো সম্পূৰ্ণভাৱে লোকাচাৰ আৰু স্ত্ৰী-আচাৰযুক্ত অনুষ্ঠান। হুদুমপূজাৰ এটা বৈশিষ্ট্য হ'ল নিষিদ্ধতা। এই পূজাত পুৰুষৰ প্ৰৱেশ নিষেধ। এই পূজাৰ বাবে পুৰোহিতৰ কোনো ভূমিকা, আৱশ্যকতা নাই। পূজাত অপৰিহাৰ্য্য ঢাকী(ঢাক বজাওঁতা)জনো চকুত কাপোৰ বান্ধি পূজাথলীৰ পৰা দূৰত থাকিব লাগে। এই পূজাত বিবাহিতা সধৱা আৰু বিধৱা নাৰীসকলে বিশেষ ভূমিকা লয়। হুদুম খুঁটি পোতা পূজাৰিণী নাৰীগৰাকী "এককুশীয়া ছওয়া"ৰ মাক হ'ব লাগে (যি তিৰোতাৰ একেটাই মাত্ৰ সন্তান, অন্য কোনো সন্তানৰ জন্ম বা মৃত্যু হোৱা নাই)। পূজাথলীত মাটিৰ চাকিৰ বাহিৰে আন কোনো পোহৰ নিষিদ্ধ। লোকবিশ্বাস মতে হুদু চৰায়ে যেতিয়া "ৰাও কাঢ়ে" তেতিয়া মাদা (মতা) আৰু মাদী (মাইকী) হুদু চৰাই দুটাই গছৰ ডালত বহি এইদৰে কথোপকথন কৰে—

মাদা— সুন্দৰী সুন্দৰী বুজলু?

মাদী— কি?

মাদা— দেওয়া (আকাশ) মেঘ কইৰ্ছে। ঝৰি (বৰষুণ) আইস্‌বে।

মাদী— বুজলুং বুজলুং।

হুদু চৰায়ে এইদৰে কথা পাতিলে বৰষুণ হয় বুলি লোকবিশ্বাস আছে বাবে আগৰ দিনত বনৰীয়া হুদু চৰাই ধৰি আনি হুদুম পূজা কৰিছিল। অৱশ্যে বৰ্তমানে হুদু চৰাইৰ সলনি আঠীয়া কলৰ পুলি এটাকে পূজা কৰা হয়। পুৰণি ঐতিহ্যবাহী এই অনুষ্ঠানত চৰাই বন্ধা কলপুলিটোক "হুদুম খুঁটি" বুলি কয়। সাধাৰণতে অমাৱস্যা তিথিৰ ঘিটমিটীয়া আন্ধাৰ নিশা এই পূজা অনুষ্ঠিত কৰা হয়। প্ৰয়োজন মতে কেইবাদিনো ধৰি চলা হুদুম পূজাৰ সংকল্প কৰি শনি বা মঙ্গলবাৰে ৰাতি হুদুম খুঁটি পোতা হয়। হুদুম খুঁটি সৎ, নিষ্ঠা আৰু নিয়ম-নীতি সহ পোতা হয়। হুগুম খুঁটি পোতাৰ সাতদিন আগৰপৰাই

প্ৰত্যেক দিনা সাতজনী কুমাৰী ছোৱালী কুলা আৰু ঘটী লৈ সাতঘৰ মানুহৰ চালৰ পানী আনি জমা কৰি থয়। পূজাৰ দিনা নাঙল-যুঁৱলি ধুই সেন্দূৰৰ ফোঁট লগাই হুদুম খুঁটি পোতাৰ বাবে ঠিক কৰি থোৱা ঠাইখনত কুমাৰী ছোৱালীবোৰে বা মাইকী মানুহবোৰে গৰু আৰু হালোৱাৰ ভাও দি মাটি চহায় আৰু গীত গায়। হুদুম খুঁটি পোতা গাঁতটোৰ ভিতৰত কিছুমান বস্তু দিয়া হয়— ঢোৱাকাউৰীৰ মূৰ, ফেচু চৰাইৰ বাহ, গণিকাৰ ঘৰৰ মাটি, হাতীৰ দাঁতত লাগি থকা মাটি, উৰাল ধোৱা পানী, বা-মাৰলীৰ কুটা ইত্যাদি। সাধাৰণ উপচাৰৰ ভিতৰত থাকে এটা জলপূৰ্ণ ঘট, এখন নতুন কুলা, যোল্লটা কল থকা এক আখি মনোহৰ কল, এযোৰ তামোল-পাণ, দৈ-গাখীৰ, আতপ (আৰৈ) চাউল, ধূপ-ধূনা, গুৰ-চেনি, মধু, বাৰ প্ৰকাৰৰ শস্য, ফলমূল আৰু এটা মুদ্ৰা। হুদুম পূজাৰ বাবে “এককুশীয়া ছওয়া”ৰ মাকৰ গা-ধোৱা পানী অপৰিহাৰ্য্য। পূজাৰ বাবে গাঁতটোত পূজাৰ উপকৰণ কিছু ঢালি দি মূল পূজাৰিণীয়ে উৰুলি ধ্বনিৰ মাজত বিবসনা হৈ কলগছৰ পুলিটো পুতি নতুন কুলাখনৰ ওপৰত সাতদিনৰ জমা কৰি থোৱা পানীৰে গা ধোৱে। তাৰ পাছত ঘন ঘন উৰুলিৰ মাজত কুলাত থকা পানীখিনিৰে হুদুমদেওৰ প্ৰতীক কলপুলিটোক গা ধুৱাই ইয়াৰ গুৰিত ঘট বহুৱায়। ঘট বহুওৱাৰ পাছত ধূপ-দীপ, নৈবেদ্য সজাই হুদুমদেওৰ সন্তুষ্টিৰ বাবে মূল পূজাৰিণী আৰু আন আন মাইকী মানুহবোৰে বিবস্ত্ৰা নৈ নাচ-গান পৰিৱেশন কৰে। গীতবিলাক হুদুম পূজাৰ বিশিষ্ট অঙ্গ। পূজাত প্ৰত্যেকটো কাৰ্য্যতে বেলেগ বেলেগ গীত আছে। লোকাচাৰ অনুযায়ী গীতৰ মাজেৰে অনুষ্ঠানটোৰ উদ্দেশ্য, আচাৰ-নীতি, নাৰীসকলৰ আশা-আকাংক্ষা প্ৰকাশ পায়। মূল পূজাৰিণী নাৰীগৰাকীক গীতত “হুদুমেৰ মাও” আখ্যা দিয়া হয়।

হুদুমদেওৰ পূজা-অৰ্চনা ৰাজবংশী সমাজে বৰ নিষ্ঠা আৰু আড়ম্বৰপূৰ্ণভাৱে কৰে। তিৰোতাসকলে ঘৰৰ সকলোকে ৰান্ধি-বাঢ়ি খুৱাই সন্তুষ্ট কৰি হুদুম পূজা কৰিবলৈ ওলাই যায়। লৌকিক আচাৰ অনুযায়ী হুদুমদেওৰ পূজা শেষ কৰি বিবস্ত্ৰা হৈ হুদুম খুঁটিৰ চাৰিওফালে মণ্ডলাকাৰে ঘূৰি ঘূৰি গোটেই ৰাতি যৌনধৰ্মী নাচ-গান কৰি হুদুমদেওৰ ওচৰত বৰষুণৰ বাবে আকুলভাৱে প্ৰাৰ্থনা জনায়। ৰাজবংশী নাৰীসকলে বিশ্বাস কৰে যে নাৰীও প্ৰকৃতি। সেইবাবে উন্মুক্ত বিশ্বপ্ৰকৃতিৰ লগত আত্মবোধ স্থাপন কৰাৰ উদ্দেশ্যে সকলো লাজ, দ্বিধা-সংকোচ এফলীয়া কৰি থৈ নাৰীও বিবসনা হয়। ঘৰুৱা আৰু সামাজিক জীৱনৰ কটকটীয়া বান্ধোনৰ মাজত জীৱন কটোৱা নাৰীসকলে সমাজ আৰু গুৰুজনৰ পৰা দূৰত, সামাজিক বিধি নিষেধ আৰু বন্ধন পাৰ হৈ নিৰ্জন পথাৰত আন্ধাৰত ৰাতি পূজাত অংশগ্ৰহণ কৰাৰ বাবে জীৱনৰ অৱদমিত সকলো আনন্দোচ্ছ্বাস স্বতঃস্ফূৰ্তভাৱে আপোনা-আপুনি প্ৰকাশ পায়। এই আনন্দ অনুভূতিৰ প্ৰকাশত নাৰীসকল হয় আত্মহাৰা। হৃদয়-মনৰ আনন্দৰ পাৰ নোহোৱাৰ সময়ত, দেহ-মন আৰু হিয়াৰ আনন্দ শ্লীল-অশ্লীলৰ সীমাৰেখা পাৰ হৈ সকলোৰে উপস্থিত হয় আদিম মানৱৰ অৱস্থাত। সৃষ্টিধৰ্মী এই অনুষ্ঠানত নাৰীসকলে হুদুম খুঁটিক পুৰুষ বুলি সাবটি ধৰা আৰু সংগমমুখী আচৰণ কৰা কাৰ্য্যৰ লগত বৰষুণ হোৱা অনিবাৰ্য্য বুলি সৰল লোকবিশ্বাস আছে। বৰষুণৰ দেৱতা হুদুমদেওৰ বৰষুণৰূপ বীৰ্য্যপাত হ'লেহে প্ৰকৃতি উৰ্বৰা আৰু শস্যসম্ভৱা হ'ব। এইখিনিতে ঋকবেদৰ ঋষিৰ “দ্যাবা-পৃথিৱী” ধাৰণাৰ সৈতে মিল দেখা পোৱা যায়। বৃষ্টিদাতা হুদুমদেওৰ বীৰ্য্যস্খলনৰ পৰিৱেশ সৃষ্টি কৰাৰ বাবে ৰাজবংশী নাৰীসকলে বিবসনা হৈ কামোদ্দীপক গীত গায় আৰু যৌনধৰ্মী নৃত্যাভিনয় কৰে। ইয়াত নৈসৰ্গিকতা আৰু মানুহৰ চিৰন্তন জৈৱিক বাসনা একাকাৰ হৈ যায়।

হুদুম পূজাৰ পৰিসীমা অবিভক্ত গোৱালপাৰা জিলা, বাংলাদেশৰ ৰংপুৰ, উত্তৰবঙ্গৰ কোচবিহাৰ, জলপাইগুৰি, দাৰ্জিলিং পৰ্য্যন্ত পৰিব্যাপ্ত। পৃথিৱীৰ বিভিন্ন প্ৰান্ততো বৰষুণেৰে পৃথিৱীক উৰ্বৰা কৰাৰ কামনাৰে যুগে যুগে নাৰীসকলে হুদুম পূজাৰ পৰ্য্যায়ৰ লোক-সংস্কৃতিমূলক অনুষ্ঠান কৰি আহিছে। বংগদেশৰ বিভিন্ন গাঁৱত

নাৰীসকলে ব'হাগ মাহত "মেঘৰাণী ব্ৰত" পালন কৰে। এই ব্ৰততো নাৰীসকলে বিবস্ত্ৰা হৈ বৰুণ দেৱতাক বৰষুণৰ বাবে প্ৰাৰ্থনা জনায়। ৰাচিয়াৰ ফ্লোচকা গাঁৱৰ নাৰীসমাজো অনাবৃষ্টি হ'লে বিবসনা হৈ গাঁৱৰ শেষ প্ৰান্তত পানী ঢালে। এই অনুষ্ঠানবোৰতো ৰাজবংশী সমাজৰ দৰে নাৰী প্ৰাধান্য দেখা যায়। কৃষিভিত্তিক সমাজৰ উত্থানৰ লগে লগে অনাবৃষ্টি দূৰ কৰি ধৰিত্ৰীমাতাক বৰষুণেৰে সজীৱ, উৰ্বৰা আৰু শস্যসম্ভৰা কৰাৰ স্বাৰ্থত লোকমানসে সৃষ্টি কৰা হুদুম পূজাৰ দৰে অনুষ্ঠানবোৰ পৰম্পৰাগতভাৱে চলি আহিছে।

হুদুম পূজাৰ গীতবোৰ মূলতঃ প্ৰাৰ্থনা সঙ্গীত যদিও এইবোৰ আদি ৰসাত্মক আৰু যৌনগন্ধী। গীতসমূহত আছে স্ত্ৰী-পুৰুষৰ যৌনাংগবাচক শব্দবোৰৰ চহা নাম। গীতৰ ভাষা সহজ-সৰল গাঁৱলীয়া। আধুনিকতাই এতিয়াও গীতবোৰক চুব পৰা নাই। গীতসমূহৰ লগত নাচ আৰু অভিনয়ৰো সম্বন্ধ আছে। গীতবোৰ শুনাত অশ্লীল বুলি ধাৰণা হ'লেও প্ৰকৃতপক্ষে এই গীতবোৰ অশ্লীল নহয়। পূজাৰ আচাৰ-নীতিৰ লগত মিলাই গীতবোৰক নানা ভাগত ভাগ কৰা হয়। যেনে—

১। হুদুমৰ মেঘ সম্বন্ধীয় গীত—

"আযাঢ় মাস শাওণ মাস তেও নাই পানী
কাউলান কৰি দেওয়া আয় আমাৰ বাৰী
কালা মেঘ ধওলা মেঘ তুইসে সোদৰ ভাই
অল্পখানেক পানী দেও গাও ধুবাৰ চাই
হুদুমেৰঘৰ সাত ভাই কাৰো অটাই পানী নাই
কালা মেঘ ধওলা মেঘ ডাকেয়া আনে ঝৰি
আন্ধাৰ কৰিয়া দেওয়া আইসে ৰে দাবৰি।"

২। হুদুমৰ জাগানী গীত—

"হুদুম হুদুম হুদুমৰে জাগৰে তুঁই আজি ৰাতি
আমৰা কৰি পূজা তোক ধূপ চাইলন বাতি
আকাশতে পূজা কৰে আকাশ কাওলী
পাতালতে পূজা কৰে পাতাল ভৈৰবী।"

৩। হুদুমৰ পুষ্পাঞ্জলি গীত —

"চিত্ৰমনি গাও ধোয় অতি ভোৰ সকালে
সোণাৰ কোটায় পাৰে ফুল সাজি নাই হাতে
চিত্ৰমনি গাও ধোয় অতি ভোৰ সকালে
ডাইন হাতে ছিটায় ফুল হুদুমেৰ চৰণে।"

৪। হুদুমৰ বিয়াৰ গীত —

"হুদুম হুদুমীৰ বিয়াত গেলুং
কাণেৰ সোণা দানে পালুং
হুদুম নামেৰ কে
ধবল ঘোঁৰাত চৰিয়া হুদুম
খেলটু নামে দে।"

লোকবিশ্বাস মতে হুদুম খুঁটি পোতাৰ দিনাখনেই বৰষুণ হ'ব লাগে। যদি সেইদিনাই বৰষুণ হয়, তেতিয়াহ'লে হুদুম খুঁটিটোৰ গুৰিত মাটিৰ চৰুত ৰন্ধা পায়স-ভোগ দি হুদুম খুঁটিটো উঠাই পেলাই দিব লাগে। খুঁটিটো মূল পূজাৰিণীগৰাকীয়ে উঠাব লাগে। অনেক কাতৰ প্ৰাৰ্থনাৰ পাছতো বৰষুণ নহ'লে ৰাজবংশী নাৰীসকলে হুদুমদেওৰ ওপৰত গোপীসকলে শ্ৰীকৃষ্ণক কৰাৰ দৰে অভিমান কৰি গায়—

"আয় আয়ৰে হাড়িয়া মেঘ আয় পৰ্বত ধায়া
তোক মেঘক বান্ধি থুইম মাথাৰ কেশ দিয়া।"

বৰষুণ নোহোৱালৈকে হুদুম পূজা কেইবাদিনো ধৰি চলে। কৃষি নিৰ্ভৰশীল ৰাজবংশী সমাজৰ নাৰীসকলে প্ৰজনন প্ৰক্ৰিয়াৰ লগত কৃষিকাৰ্য্যৰ সম্পৰ্ক স্থাপন কৰি শস্য আৰু সন্তান উৎপাদন সমধৰ্মী বুলি ধৰি লৈ পূজা-পাতলৰ দ্বাৰা হুদুমদেওক সন্তুষ্ট কৰি শস্যবৃদ্ধি, সন্তান-সন্ততি বৃদ্ধি আৰু নানা অপায়-অমঙ্গল দূৰ কৰি সমাজত শান্তি প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰে। লগতে ৰাজবংশী নাৰীসমাজৰ লোকসংস্কৃতিৰ প্ৰতি থকা কৰ্তব্যবোধৰো পৰিচয় দিয়ে।

বিশ্বায়নৰ যুগতো হুদুম পূজাৰ প্ৰাসংগিকতা শেষ হৈ যোৱা নাই, কাৰণ এইটো জনজীৱনৰ সৈতে সম্পৃক্ত হৈ আছে আৰু ইয়াত আছে প্ৰাকৃতিক শক্তিক মানুহৰ কল্যাণৰ বাবে ব্যৱহাৰ কৰাৰ প্ৰচেষ্টা। আজিৰ শিক্ষিতা ৰাজবংশী নাৰীসমাজে সমাজ-সাংস্কৃতিক চেতনাৰ লগতে যুক্তি আৰু বুদ্ধিৰে সৈতে আগুৱাই আহি ইয়াৰ উত্তৰণ ঘটালেহে ৰাজবংশী সমাজ-সংস্কৃতি আৰু ঐতিহ্য জীয়াই থাকিব।

●

# পাঠ্যপুথিৰ কথা

**ড° অতনু কুমাৰ দত্ত**

এজন শিক্ষকৰ অভিজ্ঞতাৰে ন দি ক'ব পাৰোঁ যে আজিৰ শিক্ষাৰ্থীৰ পঢ়া-শুনা কৰাৰ ধৰণ-কৰণৰ আমূল পৰিৱৰ্তন ঘটিছে। ক'ৰিড-কালৰ পিছত ই বোধহয় এক উভটি যাব নোৱৰা পৰ্য্যায়লৈ গতি কৰিছে। অনলাইন পৰীক্ষা দিয়াৰ সময়তে আৰামপ্ৰিয় শিক্ষাৰ্থীয়ে উপলব্ধি কৰিলে যে পাঠ্যপুথি পঢ়ি-বুজি-ভাবি-গুণি কষ্ট কৰাৰ কোনো দৰকাৰ নাই; 'গুগল'ত বিচাৰিলেই সকলো প্ৰশ্নৰ উত্তৰ পোৱা যায়। ছাত্ৰ-ছাত্ৰীয়ে দেখিলে যে পৰম্পৰাগত পদ্ধতিৰ তুলনাত 'ইউ টিউব'ৰ 'ছাৰ' সকলৰ শিকোৱা পদ্ধতি বহুগুণে আকৰ্ষণীয়। তদুপৰি কেপচুলতেই যেতিয়া সকলো পোৱা যায়, তেন্তে চোবাই-জহাই-পমাই হজম কৰা কষ্ট কোনে কৰে?

এতিয়াতো 'চেট্ জি পি টি'ৰ কৃত্ৰিম বুদ্ধিমত্তাই আমাক একো কষ্ট নকৰাকৈ সকলো 'জ্ঞান' হাততে পোৱা কৰিছে। কিন্তু এই সময়ত আমি বোধহয় মনলৈ অনা উচিত, এ'লিয়টৰ সেই সাৱধানবাণী ঃ

"ক'ত সেই প্ৰজ্ঞা যাক আমি হেৰুৱালোঁ জ্ঞানৰ বাবে?
ক'ত সেই জ্ঞান যাক আমি হেৰুৱালোঁ তথ্যৰ বাবে?"

১৯৩৪ চনতে এ'লিয়টে কোৱা কথাষাৰ আজিৰ তথ্য-বিস্ফোৰণৰ সময়ত আৰু বেছি প্ৰাসঙ্গিক হৈ পৰিছে। ইণ্টাৰনে'টৰ অপৰিক্ষীত তথ্যকে জ্ঞান বুলি আৰু বহুচৰ্চিত জ্ঞানকে প্ৰজ্ঞা বুলি ভবাটো এতিয়া নিতান্তই স্বাভাৱিক। এনে সহজলভ্য 'জ্ঞান'ৰ খুন্দাত মেজৰ পৰা কিতাপ উফৰি গৈছে।

নীল হেনৰিক এবেল নামৰ বিখ্যাত গণিতজ্ঞজনে হেনো কৈছিল, "যদি কোনোবাই গণিতত উন্নতি কৰিব বিচাৰে তেন্তে তেওঁ ওজাৰ কিতাপ পঢ়া উচিত, শিষ্যৰ নহয়।"

জ্ঞানাৰ্জনৰ পথত ভাল কিতাপ পঢ়াৰ গত্যন্তৰ নাই। তাতে তেনে কিতাপ যদি জ্ঞান-স্ৰষ্টাই নিজে লিখা হয়, তেন্তে কথাই নাই। নিজৰ অভিজ্ঞতাৰ পৰাই ক'ব পাৰোঁ যে চিৰিল ইঞ্জিনিয়াৰিঙত টাৰজাঘিৰ 'চইল মেকানিক্চ'ৰ কিতাপ পঢ়াৰ মজাই সুকীয়া। সেইজন ওজা লেখকৰ শিচৰো শিচে লিখা চকমকীয়া বেটুপাতৰ আধুনিক কিতাপ

তাৰ ওচৰ চাপিব নোৱাৰে।

ৰুবুল মাউতৰ 'মোৰো এটা সপোন আছে' গ্ৰন্থত এক অধ্যায়ত পাওঁঃ তিনিচুকীয়াৰ চেনাইৰাম উচ্চতৰ ইংৰাজী বালক বিদ্যালয়ৰ পুথিভঁৰালৰ ৰসায়ন বিজ্ঞানৰ মৌলিক পুথিসমূহ উৰাই-ঘূৰাই পঢ়ি তেওঁ কেনেদৰে উপকৃত হৈছিল। সেই মূল কিতাপ পঢ়াৰ জোৰতে তেওঁৰ যি মৌলিকতা গঢ় লৈছিল তাৰ বাবেই তেওঁ আজি ষ্টেম্ কোষ গৱেষণাত মুধাফুটা হ'ব পাৰিছে, তাত সন্দেহ নাই।

ইয়াৰ বিপৰীতে আজিৰ ছাত্ৰ-ছাত্ৰীৰ কিতাপৰ মেজত থাকে তেওঁলোকৰ ভাষাত 'সৰু কিতাপবোৰ', যাৰ লেখক কোন জনাৰ সামান্যতম অনুসন্ধিৎসা তেওঁলোকৰ নাই। কেপচুল আকাৰৰ এই কিতাপবোৰত থাকে মাথোঁ কৌশল- কেনেদৰে নম্বৰ পাব পাৰি তাৰ। পৰীক্ষাকেন্দ্ৰিক শিক্ষণে ছাত্ৰ-ছাত্ৰীক একোটা ৰ'বটলৈ ৰূপান্তৰিত কৰিছে।

আজিৰ ব্যৱসায়কেন্দ্ৰিক ক'চিঙৰ যুগত ইয়াৰ গত্যন্তৰ বোধহয় মানুহে ভাবিবই নোৱাৰে। আদিতে সৰ্বভাৰতীয় পৰ্য্যায়ৰ চিকিৎসা আৰু অভিযান্ত্ৰিক শিক্ষাৰ আসনৰ বাবেহে প্ৰতিযোগিতামূলক পৰীক্ষা অনুষ্ঠিত হৈছিল, এতিয়া আনকি কলাৰ স্নাতক হ'বৰ বাবেও এনে প্ৰতিযোগিতামূলক পৰীক্ষা হয়। ফলস্বৰূপে ক'চিঙৰ বেমাৰ সকলো ছাত্ৰ-ছাত্ৰীৰ মাজলৈকে শিপাইছে। ক'চিং মানেই বেয়া নহয়। কিন্তু আনুষ্ঠানিক শিক্ষাৰ পিছতহে ইয়াৰ কথা আহে। শিক্ষা নোলোৱাকৈ ক'চিং লোৱাৰ ফলত 'কমন' পৰি বা কৌশলৰ জোৰত প্ৰৱেশিকা পৰীক্ষাত ভাল ফলাফল দেখুওৱাত ছাত্ৰ-ছাত্ৰী সফল হ'ব, কিন্তু শিক্ষানুষ্ঠানত প্ৰৱেশ কৰাৰ পিছত দিশহাৰা হোৱাটোৱেই স্বাভাৱিক। কিতাপ পঢ়াৰ সলনি ক'চিঙৰ টোকা লোৱা শিক্ষাৰ্থীয়ে কোনোদিন ভাল কিতাপৰ গুৰুত্ব অনুধাৱন কৰিব নোৱাৰিব– মৌলিক কিতাপৰতো দূৰৰে কথা। চি ভি ৰমণৰ পিছত বিজ্ঞানৰ ক্ষেত্ৰত এজনো ভাৰতীয় নাগৰিকে ন'বেল বিজয় কৰিব নোৱৰাৰ অন্তৰালত বোধহয় মূল কিতাপৰ চৰ্চা নোহোৱাটোৱেই প্ৰধান কাৰণ। এইখিনিতে আই আই টি গান্ধীনগৰৰ এটা দীক্ষান্ত সমাৰোহত ইনফ'চিচৰ পিতৃ নাৰায়ণমূৰ্তিয়ে কোৱা কথা এষাৰ মনত পৰে। তেখেতৰ মতে ক'চিঙৰ কুপ্ৰভাৱৰ বাবেই আই আই টিৰ স্নাতকৰ মাজত আগৰ দৰে মৌলিকতা পৰিলক্ষিত নহয়। ক'চিং, সহায়িকা, 'ইউ টিউব'ৰ কেপচুলৰ পৰা আঁতৰাই শিক্ষাৰ্থীক প্ৰকৃত শিক্ষা দিয়াৰ বাবে ভাল পাঠ্যপুথি পঢ়োৱাৰ গত্যন্তৰ নাই বুলিয়েই আমি ভাবোঁ। ভাল পাঠ্যপুথি পঢ়াৰ বাবে আন্দোলন গঢ়াৰ সময় সমাগত।

●

১৮৫৪ চনত কক্সবাজাৰ স্থাপন হয়। চিপাহী বিদ্ৰোহৰ পিছত কানি ব্যৱসায়ৰ বাবে ইষ্ট ইণ্ডিয়া কোম্পানী সমালোচিত হয়। ১৯৪৭ চনৰ স্বাধীনতাৰ পিছত কক্সবাজাৰ পূব পাকিস্তানৰ অন্তৰ্গত হয়। কেপ্টেইন ফজলুল কৰিমে কক্সবাজাৰ ভ্ৰমণকাৰীৰ স্থান হিচাপে স্থাপন কৰে।

# আমাৰ চুবুৰীয়া বাংলাদেশত এসপ্তাহ

**ড° চন্দনা চৌধুৰী বৰুৱা**

ভ্ৰমণ মোৰ প্ৰিয়। দেশে বিদেশে ফুৰি কত 'অজানাৰে' জানিলোঁ। বাংলাদেশলৈ যোৱাৰ কোনো পৰিকল্পনা নাছিল। সৰু জীয়ৰীৰ পি এইছ ডিৰ গৱেষণাৰ সংক্ৰান্তত ঢাকালৈ যোৱা স্থিৰ হ'ল। স্বাভাৱিকতেই আমি উৎসুক হ'লোঁ। এভূমুকি মাৰি আমি তাইক থৈ আহিম আৰু দেশখনো ভ্ৰমণ কৰিম।

বাংলাদেশৰ ভিছাৰ বাবে সুখবৰ যে গুৱাহাটীৰ শিলপুখুৰীতে ভিছা অফিচ আছে, ভিছাৰ ফিজো দিব নালাগে, এখন প্ৰ-পত্ৰ পূৰণ কৰি জমা দিব লাগে, ৩-৪ দিনৰ ভিতৰত ভিছা হৈ যায়। কৰ্মকৰ্তাসকলো বৰ ভাল।

যথা সময়ত আমি কলকতা হৈ "বিমান বাংলা"ৰে গৈ নিশা ১১ মানত ঢাকা পালোঁগৈ, ছোৱালীয়ে Lake shore ৰ Covantina নামৰ এখন হোটেলত থকা বন্দৱস্ত কৰিছিল। ইয়াত এক অসুবিধা– অতি কম হোটেলত "অনলাইন" পইচা জমা দিয়াৰ সুবিধা আছে। আমি বাংলাদেশৰ টাকা ল'লোঁ। তেওঁলোকৰ ১ টকা আমাৰ ০.৭৮ টকা।

ইয়াত "Uber", "Pouchao" আদি এপৰ জৰিয়তে টেক্সি বন্দৱস্ত কৰিব পাৰি। আমাৰ টেক্সিচালক ৰৈয়ে আছিল, ১৭০০ টাকা দি গাত লাগিছিল। ওভতাৰ দিনা ৫০০ টাকা দি গম পালোঁ যে নিশা হোৱাৰ বাবে হয়তো তিনিগুণ ভৰিলোঁ। হোটেলখন

অতি সুন্দৰ আৰু কৰ্মচাৰীসকলো ভদ্ৰ, অমায়িক। বাংলা ক'ব পৰা বাবে মোৰ সুবিধা হ'ল।

মোৰ ছোৱালীজনীয়ে Independent University of Bangladesh (IUB) ৰ অধীনৰ International Centre for Climate Change and Development (ICCAD) নামৰ কেন্দ্ৰটিত গৱেষণা কৰিব। প্ৰাকৃতিক দুৰ্যোগ, বতৰ পৰিৱৰ্তন আদি কাৰকত জীৱিকা আৰু বাসস্থান পৰিৱৰ্তন কৰা বাসিন্দাসকলৰ ওপৰত তাই গৱেষণা কৰিব। তাই ছিংগাপুৰৰ ছিংগাপুৰ ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়(National University of Singapore, NUS)ত পি এইছ ডি কৰি আছে। ইয়াৰ নিৰ্দেশক প্ৰফেছৰ চেলিমুল্লা খানক লগ পাই বৰ ভাল লাগিল।

ইয়াৰ পিছত আমি ঢাকা আৰু ইয়াৰ আশে পাশে ফুৰিবলৈ ওলালোঁ। মোৰ প্ৰাক্তন ছাত্ৰী অন্তৰা দাস বৰ্মন ঢাকাতেই থাকি 'Animed' নামৰ এটা অনুষ্ঠানত চাকৰি কৰে। তাইক মই ৪-৫ দিনৰ এটা ভ্ৰমণৰ বাবে Travel Agency ৰ লগত কথা পাতিবলৈ দিলোঁ। তাই ''ওমৰ অবকাস'' নামৰ সংস্থাটিৰ লগত কথা-বতৰা পাতি আমাক ছিলেটৰ সলনি ছিটাগঙলৈ যাবলৈ পৰামৰ্শ দিলে, ইয়াৰ কক্সবাজাৰ বীচ্চ এছিয়াৰ সৰ্ববৃহৎ বীচ্চ। কথা বতৰা পাতি ২৩,০০০ টাকা গাইপতি ঠিক হ'ল আৰু বাছ, টেক্সি আদিৰে হোটেলত থকা ইত্যাদি বন্দৰস্ত কৰি দিলে।

বাংলাদেশত মুঠ ৬৪ খন জিলা আৰু জিলাৰ সদৰ আছে। আমি ঢাকাৰ পৰা ৰাঙামাটিলৈ নৈশ বাছেৰে গ'লোঁ, নিদ্ৰা স্বাভাৱিকতে সুখৰ নহ'ল। ইয়াত দিনতীয়াকৈ নাৰেৰে আমাক ফুৰালে। ঠায়ে ঠায়ে বৈ চাক্‌মা সকলৰ গাঁও, হাতৰ কাৰুকাৰ্য্য ইত্যাদি দেখুৱালে। দ্বিতীয় দিনা কাপ্টাই হ্ৰদলৈ ওলালোঁ। ই কৃত্ৰিম হ্ৰদ আৰু দেশৰ বেছিখিনি বিজুলী শক্তি যোগান ইয়াৰ পৰাই কৰা হয়। প্ৰাকৃতিক সৌন্দৰ্য্য অনুপম, তাত কিছু সময় বহি প্ৰাণ জুৰালোঁ। ৰাঙামাটি মুছলমান আৰু চাক্‌মা লোকৰ বাসস্থান। আমি এইবোৰ বিপদসঙ্কুল অঞ্চললৈ যাবলৈ আগতীয়াকৈ অনুমতি ল'বলগীয়া হৈছিল। ঘন অৰণ্যত উগ্ৰপন্থী নথকা নহয়। সেয়ে চৰকাৰে যথোপযুক্ত সাৱধানতা লয়। বাটত কেইবাটাও সামৰিক বাহিনীৰ চেক পোষ্ট আছিল আৰু আমাক সোধা-পোছা কৰিছিল। আমাৰ সঙ্গী ড্ৰাইভাৰ শ্বাকিলে ইয়াৰ ইতিহাস, ৰাজনীতি আদিৰ বিষয়ে কৈ গৈছিল, ৰোহিঙ্গীয়াসকলৰ দুখ দুৰ্গতি, নিষিদ্ধ ড্ৰাগ সৰবৰাহ ইত্যাদিৰ বিষয়েও ক'লে। আধা বাটত আমি এখন 'বিয়ানী' নামৰ ধাবাত দুপৰীয়াৰ আহাৰৰ বাবে সোমালোঁ। ইয়াত অৰ্ডাৰ দিয়াৰ পিছত গৰমে গৰমে খাদ্য পৰিৱেশন কৰে। পৰিৱেশন নকৰালৈ আপুনি হ্ৰদৰ পাৰত বহি নাৱেৰে ফুৰিবও পাৰে বা প্ৰাকৃতিক সৌন্দৰ্য্যও উপভোগ কৰিব পাৰে। এই সময়ত ইলিছ মাছ নাপায়, মাথোঁ ৰৌ, ভকুৱা, বৰালী, কাৰৈ, মিছামাছ ইত্যাদি পোৱা যায়। মই অলপ বিমৰিষ হ'লোঁ।

তৃতীয় দিনা পুনৰ টেক্সিৰে কক্সবজাৰলৈ ওলালোঁ, প্ৰায় ৮ ঘণ্টাৰ বাট, দূৰত্ব মাথোঁ ২৪০ কিঃমিঃ, বৰ যান জঁট। আধাবাটত এখন হোটেলত দুপৰীয়াৰ আহাৰৰ বাবে সোমালোঁ। বাথৰুমলৈ যাওঁতে এজনী কৰ্মচাৰীয়ে মোক Commode ব্যৱহাৰ কৰিম নেকি সুধি মোৰ পিছে পিছে বাথৰুমত সোমাল আৰু মই তৰ্কিবই নোৱাৰিলোঁ, ক'ম'ডৰ ছিটত ধুনীয়াকৈ টিস্যু পেপাৰ পাৰি দিলে, মই অবাক হৈ তাইলৈ চাই সুধিলো, ''কিস্‌নে শিখায়া''? ইমানেই অতিথিপৰায়ণ!

কক্সবজাৰত বহুকেইটা বীচ্চ আছে, ই এছিয়াৰ সৰ্ববৃহৎ বীচ্চ, ১৫৬ কিঃমি অভঙ্গুৰ বীচ্চ। আনকেইটা বীচ্চ হ'ল কোলাটলি, ইয়ানী, লাবনী, মৌগন্ধা ইত্যাদি, আপুনি একেৰাহে চাই গৈ থাকিব পাৰিব। কক্সবাজাৰ নামটো হিৰাম কক্স নামৰ এজন বৃটিছৰ পৰা হৈছিল হেনো। ইয়াৰ আগতে ই মোগল অধ্যুষিত আছিল। কক্সে ইয়াৰ ভগনীয়া সকলৰ সংস্থাপনৰ হকে কাম কৰা বাবে কক্সবাজাৰ নাম ৰখা হয়। শুনা যায় মোগল ৰজা শ্বাহ সুজা এই ঠাইৰে আৰাকানলৈ গৈ থাকোঁতে ইয়াৰ সৌন্দৰ্য্যত মুগ্ধ হৈ দোলাবোৰক ৰখাবলৈ

দিয়ে, এহেজাৰখন দোলা থকা বুলি ইতিহাসে সোঁৱৰায়। দুল্হা ৰাজা, নামৰ ঠাই এখন এতিয়াও আছে। মোগলৰ পিছত তিপ্ৰা, আৰ্কানীজ, পৰ্তুগীজ আৰু বৃটিছৰ শাসনলৈ আহে। আৰ্কানীজ ভগনীয়া সকলৰ পুনৰ্বাসৰ দায়িত্ব কক্সে লয়। ১৮৫৪ চনত কক্সবাজাৰ স্থাপন হয়। চিপাহী বিদ্ৰোহৰ পাছত কানি ব্যৱসায়ৰ বাবে ইষ্ট ইণ্ডিয়া কোম্পানী সমালোচিত হয়। ১৯৪৭ চনৰ স্বাধীনতাৰ পাছত কক্সবাজাৰ পুব পাকিস্তানৰ অন্তৰ্গত হয়। কেপ্টেইন ফজলুল কৰিমে কক্সবাজাৰ ভ্ৰমণকাৰীৰ স্থান হিচাপে স্থাপন কৰে। ২০১২ চনত মুছলমান লোক সকলে বৌদ্ধ ধৰ্মাৱলম্বী লোকক আক্ৰমণ কৰে, ইয়াক "ৰামু ৰায়ট" হিচাপে জনা যায়। আকৌ ২০১৭ চনত ম্যানমাৰৰ ৭,২৫,০০০ ভগনীয়া কক্সবাজাৰলৈ আহে আৰু কুটুপালং ভগনীয়া শিবিৰ স্থাপন হয়। আনহাতে ২০২০ চনত প্ৰথম কভিড-১৯ ত ইয়াৰ ৮,১৬,০০০ ভগনীয়া আক্ৰান্ত হয়। পুনৰ ২০২১ চনত হোৱা এক অগ্নিকাণ্ডত ১৫ জনৰ মৃত্যু আৰু ৪০০ জন নিৰুদ্দেশ হয়, ৪৫,০০০ জন ভগনীয়া গৃহহীন হয়। সেয়ে কক্সবাজাৰ বিখ্যাত। আমাৰ জীয়ৰীয়েও সম্ভৱ এইবোৰ ভগনীয়া অধ্যুষিত অঞ্চলত কাম কৰিব। অলপ ভয়ো নলগা নহয়। বীচৰ পাৰত সাগৰীয় মাছ ইত্যাদিৰ মুখৰোচক খাদ্য খাব পাৰে, পেৰাচেইলিং, কয়াকিং বোটৰ আনন্দ ল'বও পাৰে। ঝাও বনৰ মাজেৰে বীচৰ দৃশ্য অতি মনোমোহা। অসংখ্য ভ্ৰমণকাৰীৰে সুৰ্য্যাস্তৰ সময়ত বীচখন মোহনীয় হৈ পৰে। ইয়াত তিনি আৰু পঞ্চ তাৰকা যুক্ত হোটেল, দোকান বজাৰ ইত্যাদিও আছে। গোটেই নিশা গান বাজনাৰ কাণ তাল মৰা শব্দ– টোপনি অহা টানেই।

এতিয়ালৈকে ইলিছ মাছৰ সোৱাদ লোৱা কপালত মিলাই নাই। শ্বাকিলে আমাক বিখ্যাত "পৌষী" হোটেললৈ লৈ গ'ল। "পৌষী" মানে "প্ৰতিবেশী", বাহিৰে ভিতৰে অসংখ্য লোক ৰৈ আছে, ছজনীয়া টেবুল খালী হোৱাৰ লগে লগে তৎক্ষণাৎ মানুহ বহি যায়। সৰু ল'ৰা এজনে সুগন্ধি টাৱেল এখনেৰে টেবুলখন মচি আমাক বহিবলৈ দিলে। মাথোঁ ২০০ টাকাত এখন থালী য'ত একাঁহী ভাত আৰু ৯-১০ বিধ ব্যঞ্জন, চাৰিবিধ মান মাছ, ৪-৫ বিধমান শাক-পাচলি, আমি তিনিজনেও খাই শেষ কৰিব নোৱাৰিলোঁ। তেওঁলোকে একোটা ডাঙৰ পাত্ৰত ব্যঞ্জনবোৰ সজায় থয় আৰু গ্ৰাহকক বাঢ়ি দিয়ে। অৱশ্যে আমি ভাপত দিয়া ইলিছ মাছ খাইহে বাংলাদেশৰ খাদ্যৰ প্ৰকৃত জুতি পালোঁ।

ঢাকা চহৰখনৰ বিষয়ে বহুতৰ মুখত শুনিছিলোঁ যে চহৰখন আধুনিক। 'বনানী' অঞ্চলটো আমাৰ ফাঁচীবজাৰ, গণেশগুৰিৰ লেখীয়া। শ্বপিংমল, হোটেল, ৰেষ্টোৰা সকলোৰেই আছে। মাথোঁ ইয়াৰ পৃথিৱী বিখ্যাত যান-জঁট দেখি বিচুৰ্তি খালোঁ। টেক্সি, টেম্পো, অটো, ৰিক্সা, দুতলীয়া বাছ– কি নচলে! নিয়ম মানি কোনেও নচলে।

অন্তৰাই আমাক তাইৰ 'টয়োটা' গাড়ীৰে ঢাকাখন দেখুৱাবলৈ লৈ গ'ল। 'শ্বহীদ মিনাৰ' বাংলাদেশৰ ভাষা আন্দোলনত শ্বহীদ হোৱা ঢাকা বিশ্ববিদ্যালয় আৰু ঢাকা মেডিকেল কলেজৰ প্ৰাণ আহুতি দিয়া ছাত্ৰসকলৰ সোঁৱৰণিত সজোৱা এক স্মৃতি সৌধ। ১৯৫২ চনৰ ২১ ফ্ৰেব্ৰুৱাৰীৰ পৰা শ্বহীদ দিৱস পালন কৰি আহিছে। ইয়াৰ আগলৈ উৰ্দু ভাষা প্ৰচলন আছিল। ১৯৭২ চনত ইয়াক পুনৰ্নিৰ্মাণ কৰা হয়। বাংলাদেশী ভাস্কৰ্য্য শিল্পী হামিদূৰ ৰহমানে নবেৰা আহমেদৰ সহযোগত ইয়াক সাজি উলিয়ায়। বাংলাদেশৰ স্বাধীনতা সংগ্ৰামত ইয়াক ভাঙি পেলোৱা হয় যদিও ১৯৮৩ চনত পুনৰ নিৰ্মাণ কৰা হয়।

বঙ্গবন্ধু শ্বেখ মুজিবুৰ ৰহমান নভো থিয়েটাৰ ২০০৪ চনত স্থাপিত হয়। ২১ মিটাৰ ওখ ডম (Dome) আৰু ২৭৫ জন দৰ্শকৰ আসন আছে। স্থাপত্যকাৰ আলি ইমামে আকাশৰ নীলা ৰঙেৰে পৃথিৱী সদৃশ 'ডম'টি সাজিছে। "জাতীয় সংসদ ভৱন" ইয়াৰ আন এক চাবলগীয়া ভৱন। স্থাপত্যবিদ লুই কাঁই ১৯৮৭ চনত ৮ লাখ বৰ্গ মিটাৰ মাটিকালিত এই ভৱনৰ আৰ্হি তৈয়াৰ কৰিছিল। বাংলাদেশ স্বাধীন হোৱাৰ সময়ত ইয়াৰ নিৰ্মাণকাৰ্য্যত স্থগিতাদেশ দিয়া হয়। সেয়েহে স্বাধীনতা লাভৰ ভিতৰত এই ভৱনৰ তাৎপৰ্য্য অধিক

বাঢ়ে আৰু এক গৌৰৱ হিচাবে গণ্য কৰে। ইয়াৰ নিৰ্মাণত ৩২ মিলিয়ন ডলাৰ খৰচ হৈছিল। আমাৰ দুৰ্ভাগ্য যে ইয়াত প্ৰৱেশ নিষেধ। শুনিছিলো যে ইয়াক সূৰ্য্যৰ প্ৰখৰ ৰশ্মি আৰু বৰষুণৰ পৰা ৰক্ষা কৰিবলৈ আৰু মুক্ত বতাহ চলাচল কৰিবলৈ বিশেষভাৱে সজোৱা হৈছে। ইয়াত হেনো এটাও স্তম্ভ নাই, খিৰিকীবোৰ চতুৰ্ভুজ, ত্ৰিভুজ, গোলাকাৰ বা অৰ্ধ গোলাকাৰ ভাৱে সজা হৈছে।

ঢাকালৈ গৈ ঢাকেশ্বৰী মন্দিৰ নোচোৱাৰ প্ৰশ্নই নুঠে। 'ঢাকা'ৰ পৰা দুৰ্গা গোসাঁনীৰ আন এক ৰূপকে ঢাকেশ্বৰী মন্দিৰ নাম ৰখা হৈছে। অন্তৰাৰ মাক দেউতাকৰ বিয়া হেনো এই মন্দিৰতে হৈছিল। ইয়াত দুৰ্গা পূজা, জন্মাষ্টমী ধুমধামেৰে পালন কৰা হয়। হিন্দু মন্দিৰ থকা মুছলিম প্ৰধান বাংলাদেশত এইটোৱেই ডাঙৰ হিন্দু মন্দিৰ। শক্তিপীঠৰ এক পীঠ ঢাকেশ্বৰী মন্দিৰ, ইয়াত সতীৰ শিৰৰ মুকুট পৰা বুলি কিম্বদন্তী আছে। দ্বাদশ শতিকাত বল্লাল সেন নামৰ সেন বংশৰ ৰজা এজনে ইয়াক সাজিছিল। ইয়াক বহুবাৰ ধ্বংস কৰা হৈছে আৰু পুনৰ্নিৰ্মাণ কৰা হৈছিল। ইয়াৰ ১০০ বছৰীয়া পুৰণি মূৰ্তিজনা কলিকতাৰ "কুমাৰী তলী" লৈ নিয়া হৈছিল আৰু পূৰ্ববঙ্গৰ লোকসকলে পূজা অৰ্চনা কৰিছিল। বৰ্তমানৰ ঢাকেশ্বৰী মন্দিৰৰ গোসাঁনীজনা প্ৰকৃত ঢাকেশ্বৰীৰ প্ৰতিমূৰ্তি (Replica)। বাংলাদেশৰ স্বাধীনতাৰ যুদ্ধৰ সময়ত ইয়াক ধ্বংস কৰা হয় আৰু পাকিস্তানী সৈন্যই ইয়াৰ এটা অংশত অস্ত্ৰ ৰখা ঘৰ হিচাপে ব্যৱহাৰ কৰিছিল। ২০১৮ চনত প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাই মন্দিৰৰ কাষৰ মাটিখিনি দান দিয়ে। ৰমনা কালী মন্দিৰ ইয়াৰ আন এটা হিন্দু কালী মন্দিৰ। ইয়াকো ১৯৭১ চনত পাকিস্তানী সেনাই ধ্বংস কৰিছিল, হিন্দুলোকক হত্যা কৰিছিল। ৰাণী বিলাসমনী দেৱীৰ তত্বাৱধানত ইয়াৰ পুনৰ্নিৰ্মাণ হয়। কাষতে মা আনন্দময়ীৰ আশ্ৰমো আছে, কালীৰ বাহিৰেও দুৰ্গা মাতা, ৰাধা কৃষ্ণৰ মন্দিৰ দেখা পালোঁ, প্ৰাক্তন ভাৰতীয় ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দ মহাশয় বাংলাদেশৰ ৫০ সংখ্যক স্বাধীনতা দিৱসত ইয়ালৈ আহি এই মন্দিৰ দৰ্শন কৰে আৰু শুভ উদ্বোধন কৰে।

বাংলাদেশৰ বিষয়ে ইমানখিনি লিখিলে ইয়াৰ খাদ্যৰ বিষয়েও লিখিব লাগিব। পদ্মাৰ ইলিছৰ বাহিৰেও ইয়াৰ মিঠাই আমৃতি, পানটোৱা, চম্‌চম্‌, মালাই চম্‌চম্‌ বিখ্যাত। বিৰিয়ানী আৰু নানান মাংসৰ কথা যেনিবা নকলোৱেই।

'ছুইঝাল মাংস' ইয়াৰ এক বিখ্যাত খাদ্য, খুলনা জিলাৰ লোক সকলে এই মাংস ৰান্ধে। ষ্টাৰ হোটেলত কাচ্চি বিৰিয়ানী আৰু ছুইঝাল মাংস খোৱাৰ সৌভাগ্য হ'ল। ছুইঝাল প্ৰকৃততে পিপলী (Piper longum) গছৰ ঠাৰিৰে ৰন্ধা এবিধ মাংস, খাবলৈ বৰ সোৱাদ, গোন্ধটোৱেই পৃথক।

এইদৰেই বাংলাদেশত এসপ্তাহ কটাই কলিকতা হৈ গুৱাহাটী পালোঁহি। ঢাকাৰ বিমান বন্দৰত অকল্পনীয় ভিৰৰ বাবে আপোনাৰ মানসিক প্ৰস্তুতি লাগিব। ইয়াত পকেটমাৰৰ পৰা সাৱধানে থাকিব যিটো দিল্লী, পেৰিছ, লণ্ডনতো আছে। ৰমজানৰ মাহ বাবে বজাৰ খেজুৰ, চেৰেঁ আদিৰে ভৰি পৰিছে। চাৰে তিনি বজাতে সকলো অফিচ ছুটী হয়। সপ্তাহত প্ৰতি শুক্ৰবাৰ আৰু শনিবাৰ বন্ধ থাকে, ৰবিবাৰ খোলা। মোৰ ছোৱালীয়ে 'ইফতাৰ'ৰ সোৱাদ লৈ ফুৰিছে, মানুহবোৰ অত্যন্ত অতিথিপৰায়ণ। ঢাকাৰ জামদানী, টাঙ্গাইল শাৰী আৰু কটনৰ কাপোৰ কিনিবলৈ নাপাহৰিব। কলিকতাৰ পৰা মাথোঁ ৩৫ মিনিট মানতে ঢাকা পাবগৈ ৫০০০-৬০০০ টকাতে। আপোনালোকেও এপাক মাৰিব পাৰে দেখোন।

# তৃষ্ণা

মূল ঃ কানাড়া, লেখক ঃ  কা টা চিক্কান্না (Ka Ta Chikkanna)
ইংৰাজী ঃ এইচ, এচ, এম প্ৰকাশ

**অনুবাদ ঃ ৰঞ্জনা দত্ত**

“মই তোক কেতিয়াবাৰ পৰাই মাতি আছোঁ। তই লৰচৰেই কৰা নাই দেখোন। সোনকালে আহি মোক দাইলখিনি বাছি দেহিচোন। তেতিয়াহে চম্বৰ দাইলখন অলপ ডাঠ হ'ব।”

তাই বোধহয় এতিয়ালৈকে এইবাৰৰ সৈতে দহবাৰমান তাক মাতিলে। কিন্তু জাভাৰাই মাকৰ কথাৰ কোনো উত্তৰ নিদিয়াকৈ নিজৰ কাম কৰাতে মগ্ন। তাৰ কামটো হ'ল— খেৰী ঘৰৰ কোঠালীটোৰ একেবাৰে কোণত বহি, বুকুখনে সমুখত মজিয়াখন চুই যোৱাকৈ হাউলি, কোঁচৰ ওপৰত কিতাপখন লৈ, কেৰাচিনৰ লেমৰ ক্ষীণ পোহৰত, সেঙুনেৰে বন্ধ নাকেৰে জোৰেৰে উশাহ লৈ কিতাপখনত থকাৰ দৰে লিখিবলৈ কৰা চেষ্টা।

লিখিবলৈ তাৰ অপৰিসীম আগ্ৰহ। কুকুৰাজনীয়ে গা-ধোৱা ঘৰৰ পিছফালৰ জেকা মাটিত নখেৰে কৰা আঁক বাঁক বোৰৰ দৰেই সি গোটেই চিলেটখনৰ ওপৰত লিখি আছে, মুখৰ পৰা থুই উলিয়াই গোটেই ফলিখন মচিছে, নুশুকোৱা বাবে পিন্ধা চোলাটোৰ তল ডোখৰেদি আকৌ পৰিষ্কাৰ কৰিছে। সি বাৰে বাৰে এইদৰে নতুনকৈ লিখা কামটোত বৰ আনন্দ অনুভৱ কৰিছে।

জাভাৰাৰ কাৰণে এইটো এটা ডাঙৰ কাম। সৌ সিদিনা তাৰ দূৰৰ পৰা দেখাৰ সৌভাগ্য হৈছিল। কিন্তু আজি সি চুই চাবলৈ পাইছে। সি কিতাপ আৰু ফলি এখন পাইছে। কিন্তু ধুনীয়াকৈ লিখা ফলি পেন্সিলডাল সি আগতে পোৱা নাছিল। মাৰ্বল খেলাৰ সময়ত সি পুৰণি লেতেৰা মাটি পেঞ্চিলৰ টুকুৰা এটা নলাত পৰি থকা পাই নিজৰ পকেটত সাঁচি থৈছিল। ভাল কামত আহিলে ! কিবা হ'ব লগা থাকিলে এনেকৈয়ে হয়।

কিতাপখন যেন উৰিহে যাব এনে ভাবত সি আঁঠুৰ ভাঁজটোৰ মাজত কিতাপখন সুমুৱাই ফলিখন সমুখত থৈ উৎফুল্লিত আৰু উৎসাহিত ভাৱেৰে ইমানদিনে লিখিবলগীয়াবোৰ লিখি গ'ল।

তাৰ স্কুললৈ যোৱা আশা পূৰণ নহ'ল। আদবাটতে ৰৈ যাব লগা হোৱা সৌ সিদিনাৰ কথা তাৰ মনত পৰিল। সি তাৰ বাবে সঁচাকৈয়ে দুখী। পাক খাই শুই থকা সাপ এডালৰ দৰে এই কথাবোৰ তাৰ মনত সোমাই আছে।

সিদিনাখন দোপালপিটা বৰষুণ হৈছিল। বহুত দেৰিলৈকে বৰষুণ বন্ধ হোৱা নাছিল। পূব ফালৰ পৰা অহা বতাহজাকৰ বাবে সেইফালে আগুৱাই যোৱা সম্ভৱ নাছিল। যদিও ফেৰফেৰীয়া ঠাণ্ডা বতাহজাকৰ বাবে ওলাই যোৱাটো কষ্টকৰ আছিল হনুমাপ্পাই তাক ম'হকেইটা চৰাবলৈ লৈ যাবলৈ আদেশ দিলে। আদেশৰ বিৰুদ্ধে একো মাতিব নোৱাৰি উপায়হীন হৈ, শুকান মুখ এখনেৰে– মূৰত কাপোৰ এখন মেৰিয়াই মূৰটো ভালদৰে ঢাকি লৈ সি ম'হকেইটা গাঁৱৰ কাষতে ক'ৰবাত চৰাবলৈ নিব বুলি ঠিক কৰিলে। ম'হকেইটাই বৰষুণৰ বাবে লাহে লাহে খোজ কাঢ়িছে। ইহঁতো ম'হ হে ! কাণৰ চাৰিওফালে ঘূৰি ফুৰা মাখিবোৰৰ বাবে সিহঁতে মূৰবোৰ লৰাই লৰাই আগবাঢ়িছে। সিহঁত গাঁৱৰ মাজৰ আলিটোৰেদি আগবাঢ়িবলৈ ধৰিলে। জাভাৰাই পেণ্টৰ পকেটৰ পৰা ভজা বুট উলিয়াই চোবাই চোবাই আগবাঢ়িছে। বৰষুণৰ পৰা ৰক্ষা পাবলৈ সি মূৰৰ কাপোৰখন ঠিক ঠাক কৰি ল'লে। স্কুলৰ সমুখতে থকা কৃষ্ণচূড়া জোপাৰ তলতে সি বহি ল'লে।

স্কুলখনৰ পৰা সমূহীয়া কণ্ঠস্বৰত ভাহি আহিছে ক, খ, গ, ঘ, ঙ..... দুই এগুণ দুই, দুই দুগুণ চাৰি ...। জাভাৰাই সমূহীয়া কাৰ্য্যবোৰ খুব ভাল পায়। ম'হ চৰাবলৈ যাওঁতে সি খেলিবৰ বাবে গৰখীয়া দল আৰু ভেৰাৰখীয়া বোৰৰ দল বনাই লয় আৰু সেই সময়তে পশুবোৰে শস্যবোৰ খাবলৈ কাষৰ খেতিপথাৰত সোমায়গৈ। এই কথা হনুমাপ্পাৰ কাণতো পৰিছেগৈ। জাভাৰাই তাৰ বাবে মাৰ খাইছে। এনেকুৱা এটা ল'ৰায়ে লগৰীয়াৰ হুলস্থূলবোৰ শুনিছে, তাকো একেবাৰে অকলে থাকোঁতে।

সি থিয় হৈ স্কুলৰ বেৰৰ ওপৰেদি জুমি চালে। কিছুমানে গান গাইছে, কিছুমানে সুৰ লগাই পাঠ আওৰাইছে, কিছুমানে পঢ়িছে। ভিতৰত ল'ৰা আৰু ছোৱালী উভয়ে আছে। সি মূৰত বন্ধা কাপোৰখন একাষৰীয়াকৈ লৈ খিড়িকীৰে ভিতৰলৈ জুমি চালে। ল'ৰা-ছোৱালীবোৰে ফলি কিতাপ আদি টনাটনি কৰি আছে। এইবোৰ সিহঁতে ঘাঁহনিত বা পথাৰত খেলা খেলবোৰতকৈ বহুত বেলেগ।

জাভাৰাই সিহঁতলৈ ভালদৰে চাই অনুভৱ কৰিলে সি ইমানদিনে কি কি নাপালে। সি লাহে লাহে ভিতৰলৈ সোমাই গৈ সিহঁতৰ লগত মিলি সিহঁতে ফলিত আঁকা চিত্ৰবোৰ চোৱাত ব্যস্ত হৈ পৰিল।

সকলোবোৰ ছাত্ৰ-ছাত্ৰী নিজৰ নিজৰ জগতত মগ্ন। কেৱল পেটেলৰ ল'ৰা দ্যাৰৰাজাই জাভাৰাক লক্ষ্য কৰি আছিল। সি সুধিলে–

"তই ইয়ালৈ কিয় আহিছ? স্কুলত নামভৰ্তি কৰিলি নেকি? সোনকালে যাগৈ, নহ'লে মাষ্টৰক কৈ দিম।"

সি জাভাৰাক ঠেলিবলৈ আৰম্ভ কৰিলে। আৰু এটাই তাৰ লগত যোগ দিলে আৰু এনেকৈয়ে সিহঁতে ডাঙৰ গোট এটা বনাই ল'লে। জাভাৰাই কি ক'ব ভাবি নাপালে। সি মাত্ৰ চকু পিৰিকিয়াই সিহঁতলৈ চাই ৰ'ল।

দ্যাৰৰাজাই ক'লে–

"তোক যেতিয়া মাষ্টৰে মাতিছিল, তই তেতিয়া নাহিলি। তই ম'হ চৰাবলৈ গুচি গ'লি। সেঙুন নকা জাভাৰা, এতিয়া কিয় আহিছ? তই নগ'লিনে সোনকালে? নিজে নাযাৰ যদি তোক আমি ঠেলি ঠেলি উলিয়াম"।

সি শেষৰ শাৰীটোত নিজৰ মাতটো সকলোৰে শুনাকৈ কিছু ডাঙৰ কৰি ক'লে। জাভাৰাই কেতিয়াও কোৱা নাছিল যে সি স্কুললৈ নাযায়। তাক স্কুললৈ আহিবলৈ কোনেও কোৱা নাছিল। কিন্তু সি লগৰ ল'ৰা-ছোৱালীবোৰক ঘৰৰ পৰা মাৰ পিট কৰি, টানি আঁজুৰি কন্দুৱাই জোৰ জবৰদস্তি কৰি স্কুললৈ লৈ যোৱা দেখিছে। এতিয়া কি ক'ব? তাৰ এনে লাগিল যেন সি কিছুমান অচিনাকি মানুহৰ মাজত সোমাই আছে। সিহঁতৰ গান, খেলা ধূলা, পঢ়া-শুনা আদিৰ মাজত সোমাই তাৰ বাহিৰলৈ ওলাই যাবলৈ একেবাৰে মন নগ'ল।

"মোৰ তহঁতৰ লগতে ইয়াতে বহিবলৈ মন গৈছে"।– সি কাবৌ কৰিলে।

কিন্তু দ্যাৰৰাজা আৰু তাৰ বন্ধুবোৰে তাৰ কথা নুশুনিলে। শিক্ষকৰ খং বেতৰ কোব আদিৰ কথাৰে ভয় খুৱাই তাক ঠেলি ঠেলি শ্ৰেণীকোঠাৰ পৰা বাহিৰ কৰি দিলে। শ্ৰেণীকোঠাৰ বাহিৰলৈ ওলোৱাৰ লগে লগে বৰষুণত তিতি থকা সমুখৰ চোতালখনৰ বোকাত সি পিছলি পৰিল। অৱশ্যে শৰীৰত কোনো আঘাত নাপালে। তথাপিও সি তৎক্ষণাত বহি লৈ চিলনীৰ পৰা নিজকে ৰক্ষা কৰিব খোজা কুকুৰা পোৱালিটোৰ দৰে ইফালে সিফালে ঘূৰি নিজকে বচোৱাৰ চেষ্টা কৰিলে। তাকে দেখি বাকীবোৰে চিঞৰিবলৈ আৰম্ভ কৰিলে।

কোনেও তোক আৰু ঠেলিব নোৱাৰে। তোৰ যদি পঢ়িবলৈ ইমান ইচ্ছা আছে মাৰ বাপেৰক কবি স্কুললৈ আহিম বুলি"।

জাভাৰাই কথাবোৰ শুনি বৰ ভাল পালে। সি তেওঁলৈ চলচলিয়া চকুৰে এবাৰ চালে। দেউতাকে মাৰধৰ কৰা সময়ত মাকে তাক ৰক্ষা কৰাৰ দৰে তেওঁ তাৰ ফলীয়া হৈ তাত থিয় হৈ আছিল।

মাষ্টৰে সুধিলে— 'তোৰ নাম কি?"

"জাভাৰা ছাৰ"।

কান্দো কান্দো ভাবেৰে সি উত্তৰ দিলে।

মাষ্টৰে পৰীক্ষা ল'বৰ বাবে পুনৰ তাক সুধিলে—

তাৰ বাপেকৰ লগত বৰ এটা ভাব নাই। বাপেকে মাকৰ ইচ্ছাৰ বিৰুদ্ধে জাভাৰাক ম'হবোৰ চৰাবলৈ হনুমাপ্পাৰ ঘৰলৈ পঠাই দিছিল। জাভাৰাই মাকৰ আঁচলৰ পিছফালে সোমাই কান্দি কান্দি আপত্তি কৰি গৈছিল, তথাপিও বাপেকে তাক টানি উলিয়াই আনি, টিকাত ছাট দুটামান দি কামলৈ চোঁচৰাই নিছিল। তাত নিয়মিতভাৱে খোৱা বোৱা পায় যদিও বাপেকৰ মাৰকেইটা পাহৰা নাই।

ইতিমধ্যে বাহিৰত বিড়ি চুৰট হুপি কথাৰ মহলা মাৰি থকা শিক্ষকবোৰ ঘূৰি আহিল। আটাইজাক ল'ৰা-ছোৱালীয়ে জাভাৰাক বেঢ়ি আছিল। চিনাপ্পা মাষ্টৰৰ খং উঠিল। তেওঁ সকলোকে ধমকি দি জাভাৰাৰ ফালে চাই সুধিলে-

" কি হ'ল জাভাৰা, তই ইয়ালৈ কিয় আহিছ? তোক মাটিত বগৰালে কোনে?"

কোনেও একো উত্তৰ নিদিলে। অকল হুচিৰাৰ ছোৱালী নাগিয়ে জাভাৰাৰ হৈ সংকোচেৰে গোটেইখিনি কথা বিবৰি ক'লে।

—"অ! এইটোৱেই কথা তাৰ মানে?"

তাকে কৈ তেওঁ ভিতৰলৈ সোমাই গ'ল। মাইলাৰাপ্পা মাষ্টৰে এই সকলোবোৰ চাই আছিল। তেওঁ জাভাৰাৰ ওচৰলৈ আহি ক'লে-

"উঠ"।

এনে লাগিল তেওঁৰ যেন তাৰ বাবে কিছু দুখ হৈছে।

জাভাৰা লাহে লাহে উঠি নিজৰ হাফ্ পেণ্টৰ পৰা বোকাবোৰ গুচাবলৈ চেষ্টা কৰিলে। মাইলাৰাপ্পা মাষ্টৰে তাক ক'লে—

"আজিৰ পৰা তয়ো স্কুললৈ আহিবি। তেতিয়া

"তই স্কুলত নাম লগাবিনে? তোৰ সঁচাকৈয়ে মন আছেনে?"

-"হয় ছাৰ, আছে"।

সি উৎফুল্লিত হৈ ক'লে।

-"তই যদি পিছত স্কুললৈ নাহ, বেতৰ কোব খাবি"।

-"নহয় ছাৰ, মই সঁচাই আহিম। মই অনুপস্থিত নাথাকোঁ"।

-"তেনেহ'লে যা, মা দেউতাক লৈ আনগৈ, আমি তোৰ নাম ভৰ্তি কৰি দিম"।

"ঠিক আছে ছাৰ"।

বিষ, মাৰ খোৱা, অপমান সকলো পাহৰি, চকুপানী খিনি মোহাৰি সি ঘৰলৈ দৌৰ দিলে।

তাৰ মাকে জুহালত বহি সেমেকা খৰিবোৰ ফুৱাই ফুৱাই জ্বলাবলৈ চেষ্টা কৰি আছিল আৰু তাৰ বাবে বাপেকক বকি আছিল। তাই চকু আৰু নাকৰ পৰা বিৰিঙি অহা পানীবোৰ মচিবলৈ চেষ্টা কৰি আছিল। পুতেকক দৌৰাদৌৰি কৰি অহা দেখি মাকে তাক সুধিলে—

"কি হ'ল?"

সি মুখখন মেলি একে উশাহতে কথাখিনি ক'বলৈ

আৰম্ভ কৰোঁতেই গৰম কম্বল এখন মেৰিয়াই এচুকত বহি থকা বাপেকক দেখি ৰৈ গ'ল। তাৰ বাপেকৰ লগত বৰ এটা ভাব নাই। বাপেকে মাকৰ ইচ্ছাৰ বিৰুদ্ধে জাভাৰাক ম'হবোৰ চৰাবলৈ হনুমাপ্পাৰ ঘৰলৈ পঠাই দিছিল। জাভাৰাই মাকৰ আঁচলৰ পিছফালে সোমাই কান্দি কান্দি আপত্তি কৰি গৈছিল, তথাপিও বাপেকে তাক টানি উলিয়াই আনি, টিকাত ছাট দুটামান দি কামলৈ চোঁচৰাই নিছিল। তাত নিয়মিতভাৱে খোৱা বোৱা পায় যদিও বাপেকৰ মাৰকেইটা পাহৰা নাই। সেইবাবেই সি বাপেকৰ পৰা এহাত দূৰত থাকে।

তাৰ উদগ্ৰীৱ চাৱনি আৰু বোকা লাগি থকা আঁঠু আৰু ভৰি দেখি সি সুধিলে-

"তোৰ কাপোৰবোৰত বোকা লগালি কিয় জাভাৰা? অলপ লাহে লাহেও আহিব পাৰিলিহেঁতেন! হনুমাপ্পাই কিবা খবৰ পঠাইছে নেকি?"

জাভাৰাই অলপ সকাহ পালে।

-"নাই, মই নিজে আহিছোঁ।"

-"এনেকৈ কিয় আহিলি তই?"

-"এনেয়ে"।

-"এনেয়ে মানে?"

সি এতিয়া ক'বই লাগিব। সি মাকৰ মুখলৈ সংকোচেৰে চালে। মাকে ক'লে–

"কিয় বাচা? তই কিবা খালিনে নাই মুখখন শুকাই আছে যে? ক'চোন কি হ'ল?"

সি মাকৰ ফালে দুখোজ আগুৱাই গৈ ক'লে–

-"মা, মই.. মই... .."

-"কি হ'ল, ভালদৰে বুজাই কচোন"।

বাপেকেও একে কথাকে ক'লে।

তাৰ মনৰ ভিতৰৰ সম্পূৰ্ণ ইচ্ছাবোৰ মুখেদি ওলাই আহিল–

-"মই স্কুলত পঢ়িম। মাষ্টৰে তেনেকৈ কৈছে। মই সেইবাবে আহিলোঁ।"

মাকে ফূৰ্তিত চিঞৰি উঠিল–

"তই স্কুললৈ যাবি?"

বাপেকে ক'লে–

"কিহৰ স্কুল? হনুমাপ্পাৰ ম'হকেইটাৰ কি হ'ব ভাবিছনে?"

জাভাৰাই দুয়োলৈকে চালে। সি শ্ৰেণীকোঠাত বন্ধু -বান্ধৱীহঁতৰ লগত একেলগে বহাৰ যি সপোন দেখিছিল এইখিনি পাই তাৰ যেন সেই সপোন ভংগ হ'ল।

এক মিনিটমান নীৰৱতাৰ পাছত সি তাৰ ইচ্ছাবোৰ পুনৰ ব্যক্ত কৰিলে–

-"পেটেলৰ ল'ৰা দ্যাৰৰাজা আৰু অন্যবোৰে মোক স্কুলৰ পৰা ঠেলি উলিয়াই দিছিল আৰু সেইফালে নাযাবলৈ সকীয়াই দিছিল, কিন্তু মাইলাৰাপ্পা মাষ্টৰে মোক তোমাৰ অনুমতি ল'বলৈ কৈছে। তেহে তেওঁলোকে মোক স্কুলত ল'ব। তুমি মোকো স্কুললৈ পঠোৱাচোন।"

তাৰ ইচ্ছা ভৰা কথাবোৰ শুনি ধোঁৱাৰে কোঁচ খাই থকা মাকৰ মুখখন নতুনকৈ ওলোৱা ফুলপাহৰ দৰে উজলি উঠিল।

-"কিয় নাযাব? মোৰ ল'ৰায়ো আনৰ দৰে পঢ়াশুনা কৰি শিক্ষিত হ'ব ....."

তাইৰ শুকাই যোৱা চকুযুৰিত আশাৰ ৰেঙনি দেখা গ'ল। সেই চকুযুৰিয়ে মুখেৰে ক'ব নোৱৰা অনেক কথাই ক'লে। কিন্তু তাৰ দেউতাকৰ চিন্তা বেলেগ আছিল।

-"স্কুল? স্কুল কিহৰ? তোক হনুমাপ্পাই অনুমতি দিবনে? কোনোবাই তাক নাম লগাবলৈ কৈছে আৰু ই দৌৰি দৌৰি আহিছে। বছৰৰ পাছত বছৰ ধৰি আমি পাই থকা ইমানবোৰ পইচা কোনে দিব? এলেহুৱা ল'ৰা। এই কম বয়সতে সি নিজৰ ৰং দেখুৱাবলৈ আৰম্ভ কৰিলেই।"

বাপেকৰ খং উঠিল।

-"পঢ়াশুনা কৰি কৰিবি কি? তই আমাক একো খুৱাব পিন্ধাব নালাগে। সোনকালে যা ..... গৈ নিজৰ কাম কাজ চম্ভাল গৈ"।

বাপেকৰ খং দেখি সি হতাশ হ'ল।

আৰম্ভণিতে দ্যাৰৰাজা, ময়ান্না আৰু বাকীবোৰে স্কুললৈ যাবলৈ আপত্তি কৰিছিল। ককায়েকহঁতে সিহঁতক স্কুললৈ বোকোচাত লৈ গৈছিল। এতিয়া মই নিজে যাবলৈ বিছাৰিছোঁ আৰু দেউতাই এনেদৰে কথা কৈছে।

জাভাৰাৰ মুখৰ মাত হেৰাই গ'ল। শেঁতা পৰি যোৱা মুখেৰে সি ক'লে - "মা"।

তাৰ দুচকুৰে বাধাহীনভাৱে চকুপানী ওলাই আহিল। জাভাৰাৰ শেঁতা পৰি অহা মুখখন দেখি মাকে বাপেকক ক'লে-

"ইফালে সিফালে ঘূৰি ফুৰাতকৈ তুমি যদি অলপ কষ্ট কৰিলাহেঁতেন দুবেলা দুসাঁজ যোগাৰ কৰিবলৈ আমাৰ একো অসুবিধা নহ'লহেঁতেন। মোৰ ল'ৰাই একো বুজিব পৰা হোৱাৰ আগতেই তুমি তাক বেলেগৰ ঘৰত কাম কৰিবলৈ পঠাইছা। এতিয়া সি স্কুললৈ যাবলৈ ওলাইছে আৰু তুমি তাক গালি পাৰিছা। গাঁৱৰ কোনোবা ল'ৰাই তাৰ দৰে আহি পঢ়িবলৈ যাম বুলি ক'বনে? তুমি নিজৰ বংশ গোত্ৰ সকলো ছিঙি নেপেলোৱা কিয়?" তাইৰ তাৰ ওপৰত খুব খং উঠিল।

গাৰ পৰা কম্বলখন দলিয়াই ডাঙৰ ডাঙৰকৈ বাপেকে ক'লে-

-"মনে মনে নিজৰ কাম কৰি থাক। অদৰকাৰী কথাবোৰ পেঘেনিয়াই নাথাকিবি।"

মাকে খঙেৰে ক'লে–

"বৰ মতা দেখুৱাই ঘৰতে দপদপাই থাকিলেই নহয়। তাকো দুটামান আখৰ শিকিবলৈ দিয়াচোন। তাৰ সমনীয়া বোৰে পঢ়াশুনা কৰি আছে তুমি দেখা পোৱা নাইনে?"

বাপেকে জাভাৰাৰ মূৰত মাৰ এটা মাৰি ক'লে–

"এই সকলোবোৰ তোৰ কাৰণে হৈছে মুৰ্খ।" কথাটো কৈয়ে সি খৰকৈ ঘৰৰ পৰা ওলাই গুচি গ'ল।

মূৰত মৰা প্ৰচণ্ড আঘাতটো সহ্য কৰিব নোৱাৰি সি অনাথ ল'ৰা এটাৰ দৰে তাত থিয় হৈ থাকিল। মাকে তাক আঁকোৱালি লৈ কান্দিবলৈ ল'লে। এইদৰেই জাভাৰাৰ আখৰৰ সৈতে ভালপোৱা শেষ হৈ গ'ল।

আজি জাভাৰাই কোঁচত কিতাপখন লৈছে। তাৰ ঘামেৰে কিতাপখন তিতি গৈছে। সি মন কৰা নাই। তাৰ একমাত্ৰ কামটো হৈছে– সি ম'হ চৰাই থাকোঁতে সমনীয়া বোৰে কৰা পঢ়াশুনা, স্কুলৰ বাহিৰত আৰু ভিতৰত দেখা সকলোবোৰ ফলিখনত লিখিবলৈ কৰা চেষ্টা। মুখৰ থুই উলিয়াই ফলিখন মচি আকৌ নতুনকৈ লিখা। ভিক্ষাৰী এটাই আপেল এটা পালে যিদৰে সকলো পাহৰি আপেলৰ সমস্ত ৰস খোৱাত মগ্ন থাকে তেনেদৰে জাভাৰাই মাক, বাপেক আৰু তাৰ সমস্ত অসুবিধাৰ কথা পাহৰি লিখাৰ আনন্দত মজি আছিল।

হঠাতে বাহিৰত হোৱা হুলস্থূলৰ শব্দত সি জোকাৰ খাই উঠিল– মাকৰ ওপৰত কাৰোবাৰ খং উঠিছে।

জাভাৰাৰ কাণ দুখন সন্থম হৈ উঠিল। মাকে তাক কৈছিল যে দেউতাক হনুমাপ্পাৰ লগত ম'হ এহাল আনিবলৈ হনুমাপ্পাৰ জীয়েকৰ গাঁৱলৈ গৈছে। বাপেক ঘূৰি আহিলে বুলি ভাবি সি বাহিৰলৈ জুমি চালে। সি বাহিৰত দ্যাৰৰাজা আৰু তাৰ ককায়েক চমাপ্পাক দেখা পালে।

-"তাক মাতা। বেলুড়ীয়ে কৈছে সি কামটো কৰা তাই নিজে দেখিছে"।

জাভাৰাই বৰ ভয় খালে। কিতাপ আৰু ফলিখন তাৰ নিজৰ বুলি ক'লে দ্যাৰৰাজাৰ নিচিনা কাজিয়াখোৰ এটাই এৰি দিবনে?

"নাই নাই। মোৰ ল'ৰাই কিতাপ আৰু ফলি লৈ কি কৰিব? সি কিয় ল'ব? ম'হ চৰাই উঠি সি হনুমাপ্পাৰ ঘৰৰ পৰা আহি এতিয়া জিৰণি লৈছে। সি ফলি আৰু কিতাপবোৰ লৈ খাই পেলাব নেকি? এইবোৰ তাৰ ভাগ্যত নাই।" তাই হুমুনিয়াহ কাঢ়িলে।

"নহয় কামটো সিয়েই কৰিছে। আমি বাহিৰত কাবাডি খেলি থকা সময়ত সি ম'হবোৰ লৈ পথাৰৰ পৰা আহি আছিল। সি কিতাপবোৰ মনে মনে লৈ তাৰ মোনাটোত ভৰাই থৈছিল। বেলুড়ীয়ে ওচৰতে গছৰ সেউজীয়া পাতবোৰ ছিঙি আছিল। তাই কৈছে। সিয়ে কামটো কৰিছে ...." দ্যাৰৰাজাই পানীত পৰা মানুহে কুটা এডালকে খামোচ মাৰি ধৰাদি কৈ উঠিল।

"তুমি তাক দেখোন কোনোবা ডাঙৰ ফৈদৰ পুত্ৰৰ দৰে ৰক্ষা কৰি আছা। তাক মাতি আনা। আমি তাৰ লগত কথা পাতিম।" চমাপ্পাই চিঞৰি ক'লে। মাকে ক'লে–"তহঁতি এইবোৰ কি আৰম্ভ কৰিছ? বেচেৰাটো শুই আছে। মই তাক জগাই দিওঁগৈ।"

তাই দুৱাৰখন হেঁচা দি খুলি কোঠালিটোলৈ সোমাই গ'ল। জাভাৰাই কান্দি কান্দি তাত থিয় হৈ আছিল।

-"মা...."

সি ভগা মাতেৰে ক'লে।

তাই তাক চোঁচৰাই বাহিৰলৈ আনি ক'লে

– "সোধ সিহঁতক কি হৈছে এইবোৰ?"

তাইৰ মাতটো ভাগিবলৈ আৰম্ভ কৰিছিল। জাভাৰাই তাৰ মাকক এনেদৰে তাৰ ওপৰত খং কৰা কেতিয়াও দেখা নাছিল।

জাভাৰাৰ ভৰিৰ তলৰ মাটিখিনি ফাটিবলৈ আৰম্ভ কৰা যেন লাগিল। সি কঁপিবলৈ আৰম্ভ কৰিলে। চমাপ্পাই তাক জোৰেৰে ধৰি লৈ ক'লে–

"সঁচা কথা ক'? তই দ্যাৰৰাজাৰ কিতাপ আৰু ফলিখন লৈ অনা নাইনে? চা, ভালে ভালে ঘূৰাই দে। তোক মই একো নকৰোঁ"।

জাভাৰাই শান্ত ল'ৰাৰ দৰে মাকলৈ চালে। তাৰ কথা কোৱা শক্তি নোহোৱা হৈ গৈছিল। ইমানবোৰ কথা কোৱাৰ পাছতো জাভাৰাই একোৱেই নক'লে।

এইবাৰ দ্যাৰৰাজাই ক'লে -

"আৰু কোনেও নিয়া নাই। বদমাচ তয়ে নিছ"।

এইবাৰ মাকৰ খং উঠিল-

"এনেদৰে কথা ন'কবি। তাক এৰি দে। সি দুখীয়াৰ ঘৰত জন্ম ল'ব পাৰে কিন্তু সি চোৰ নহয়"।

চমাপ্পাই তাৰ হাতৰ মুঠিটো ঢিলা কৰি দি ক'লে–

"তোৰ মায়ে কৈছে তই হেনো বৰ ভাল ল'ৰা। এতিয়া তই ক নহ'লে .... চাবি...."

সি জাভাৰাক জিভা উলিয়াই দেখুৱালে।

মাকে কান্দি থকা পুতেকৰ চুলিত হাত ফুৰাই ক'লে–

"এইবোৰ কথা সঁচানে? যদি হয় কৈ দে। কিয় ইহঁতৰ কথা শুনি আছ?"

জাভাৰা নিষ্প্ৰাণ হৈ থিয় দি আছিল। সি মাকক সাবটি ধৰি ক'লে–

"এইবোৰ সঁচা মা"।

তাৰ পাছতে সি মাটিত বহি পৰিল। সি কথাষাৰ কোৱা মাত্ৰকে মাকৰ মুখত কোনোবাই চৰিয়াই দিয়া যেন ভাব হ'ল। দুই ভায়েকে একেলগে চিঞৰি উঠিল–

"এতিয়া শুনিলানে? তুমি ইমান সময়ে একেবাৰে ডাঙৰ বংশৰ মানুহৰ নিচিনাকৈ কথা কৈ আছিলা।"

তাইৰ ডিঙিতো কিহবাই সোপা মাৰি ধৰিলে। বিশ্বাস কৰিব নোৱাৰি তাই পৰাজিত কণ্ঠেৰে সুধিলে-

"এয়া সঁচা নে?"

জাভাৰাই ভিতৰলৈ সোমাই গৈ ফলিখন আৰু কিতাপবোৰ লৈ আনিলেগৈ। অনিচ্ছাসত্ত্বেও সেইবোৰ দ্যাৰৰাজাক ঘূৰাই দি মাকক ক'লে–

-"মা, মই এনেকুৱা কাম আৰু কেতিয়াও নকৰোঁ"।

উচুপনি বন্ধ কৰিব নোৱাৰি সি মাকক সাবটি ধৰি কান্দিবলৈ ধৰিলে। পেটটোত সামান্য কঁপনি তুলি উচুপি উচুপি তাই তাক সাবটি ধৰি ক'লে–

"জাভাৰা বাচা"।

মাক আৰু পুতেকৰ চকুপানী একাকাৰ হৈ গ'ল।

(কানাড়া সাহিত্যত যোৱা চাৰিটা দশকৰো বেছি অবিৰতভাৱে অৰদান আগবঢ়াই অহা লেখক কা টা চিক্কান্নাৰ প্ৰায় ২৫-৩০ খন মান কিতাপ এতিয়ালৈকে প্ৰকাশ পাইছে। ইয়াৰ ভিতৰত কেইবাখনো কিতাপ বিভিন্ন সময়ত পুৰস্কাৰপ্ৰাপ্ত। ইয়াৰ বাহিৰেও কানাড়া সাহিত্যৰ অনেক বাছকবনীয়া সংকলনৰ সম্পাদনাৰ লগত তেখেত জড়িত। তেখেতৰ গল্প, উপন্যাস আদিৰ কেইবাখনো টেলিভিছন ধাৰাবাহিক আৰু তথ্যচিত্ৰ নিৰ্মাণ হৈছে।)

●

আজহাৰ চাহাবে অনুভৱ কৰিলে যে মানুহজন হয়তো আৰু উভতি নাহে। যিহেতু বেলেগৰ বস্তু এটা তেওঁ কেতিয়াও নিজৰ বুলি লৈ থ'ব নোৱাৰে, মানুহজনে হীৰা বিক্ৰীৰ দ্বাৰা পোৱা ধনেৰে যি কৰিব খুজিছিল সেই কামটো তেওঁ এতিয়া নিজে কৰিবলৈ ওলাল। যদিও অনাথ আশ্ৰম, চিকিৎসালয় ইত্যাদি বনাবলৈ তেওঁৰ কোনো গৰজ পৰা নাই, এতিয়া সেইবোৰ কামেই তেওঁ কৰিবলৈ মন মেলিলে।

# সেই মানুহজন

**মূল ঃ হুমায়ূন আহমেদ**
**অনুবাদ ঃ পংকজ কুমাৰ নেওগ**

সেই কৃপণৰ কাহিনী শুনিছেনে যিজনে চেনি থোৱা বটললৈ বাট বিচাৰি পোৱা পৰুৱাবোৰো পেলাই নিদিয়ে– সেইবোৰ নি বেলেগ এটা বটলত থয় আৰু চেনি পৰালি পৰিলে সেই পৰুৱাবোৰেৰে চাহ কৰি খায়? সেইবোৰ অৱশ্যে গল্প কথা - বাস্তৱ জীৱনত হয়তো ইমান ভয়ঙ্কৰ কৃপণ নাথাকে। অৱশ্যে একেবাৰে তেনে লোকো যে নাই সিয়ো সঁচা নহয়। আজহাৰ উদ্দিন খাঁ হ'ল তেনে এজন কটকিনা লোক। মানুহজনৰ বয়স প্ৰায় তেৱন্ন বছৰ; নাৰায়ণগঞ্জত তেওঁৰ দুটা গেঞ্জীৰ কাৰখানা আছে। ফেক্টৰীৰ পৰা তেওঁ সত্তৰ হাজাৰ টকা উপাৰ্জন কৰে। ঢাকা চহৰত তেওঁৰ তিনিটা ঘৰ; আটাইকেইটা ঘৰ ভাড়া দি মালিবাগত নিজে তিনি কোঠাৰ ঘৰ এটা ভাড়া লৈ থাকে। ইমান ডাঙৰ ঘৰ তেওঁৰ প্ৰয়োজন নাই, এতিয়া দুটা বেডৰুমৰ ফ্লেট বিচাৰি ফুৰিছে। লগ পোৱা সকলো লোককে কয়– "ইমান ডাঙৰ ঘৰটোৰে মই কি কৰিম? অকলে থকা মানুহ যেতিয়া এটা কোঠাৰ ঘৰেই মোৰ বাবে যথেষ্ট। গোটেই দিনটো কামতেই ব্যস্ত থাকোঁ আৰু ৰাতি আহি শোওঁ। তাৰ বাবে তিনি কোঠাৰ ঘৰৰ কি আৱশ্যক? কোঠা বেছি হ'লেই টোপনি ভাল হ'বনে!" কোনোবাই যদি সোধে– "আপুনি অকলশৰীয়া মানুহ, ইমান টকাৰে আপুনি কি কৰিব?" - তেওঁ মানুহজনলৈ এনে এটা কিমাশ্চৰ্য্যম চাৱনি দিয়ে যেন এনে এটা কথা জীৱনত প্ৰথমবাৰৰ বাবেহে শুনিছে।

কোনোবা এবাৰ বাৰিষাকালৰ কথা। ৰাতি ন মান বাজিবলৈ হৈছে। নাৰায়ণগঞ্জৰ পৰা তেওঁ উভতি আহি পাইছেহে মাত্র। উভতি অহাৰ পথত তেওঁ এটা কণী আৰু দুটা কল কিনি আনিছিল; ৰাতিৰ আহাৰ হ'ব সিজোৱা কণী আৰু কল। টেমাত থকা টোষ্ট বিস্কুট এখনো খাব। জীৱন ৰক্ষাৰ বাবে প্রয়োজনীয় বস্তুতকৈ বেছি খোৱাটো অপৰাধ বুলি তেওঁ ভাবে। কেৰাচিন স্ত'ভত পানী উঠাই আৰু কণী উতলিবলৈ দি হাত-মুখ ধুবলৈ বাথৰুমলৈ যোৱা সময়তে কলিং বেলটো বাজি উঠিল। হাত-মুখ ধোৱা বন্ধ কৰি তেওঁ দুৱাৰখন খুলিবলৈ গ'ল। দেৰি কৰিলে সেই ব্যক্তিজনে ঘণ্টা বজাই থাকিব আৰু বিজুলীৰ অপচয় কৰিব। কি প্রয়োজন?

দুৱাৰখন খুলিয়েই গাত শ্বল লৈ থকা ২২/২৩ বছৰীয়া যুৱক এজনক থিয় হৈ থকা দেখিলে। আজহাৰে অলপ কঠোৰ মাতেৰে সুধিলে- "কাক বিচাৰিছে?"

ঃ মই আপোনাকে বিচাৰিছোঁ, আপোনাৰ নাম আজহাৰ উদ্দিন খান নহয় জানো?

ঃ কিন্তু মোৰ সৈতে আপোনাৰ কি কাম?

ডেকাজনে হাঁহি এটা মাৰি ক'লে— "মই আপোনাক বস্তু এটা বিক্রী কৰিবলৈ আহিছোঁ।"

আজহাৰ উদ্দিন খানে বিৰক্ত কণ্ঠেৰে উত্তৰ দিলে— "নাই, মোৰ একো বস্তুৰ দৰকাৰ নাই।"

ঃ মই যি বস্তু বিক্রী কৰিবলৈ আনিছোঁ, সঁচাকৈয়ে সেইবিধ বস্তুৰ আপোনাৰ কোনো দৰকাৰ নাই। কিন্তু আপুনি হ'ল এজন ব্যৱসায়ী মানুহ আৰু ব্যৱসায়ী লোকে লাভ-লোকচানৰ কথা ভালকৈ বুজে। মই অনা বস্তুটো কিনি থলে আপুনি অতি কমেও ৫০ লাখমান টকা লাভ কৰিব পাৰিব।

আজহাৰ উদ্দিন খাঁৰ ভুৰু কোঁচ খালে। মানুহজন যে প্ৰতাৰক কথা শুনিলেই গম পোৱা যায়। প্রৱঞ্চকৰ সাহস দেখি তেওঁ সঁচাকৈয়ে আচৰিত হ'ল। তেওঁৰ দৰে নোম টেঙৰ মানুহ এজনক ঠগিবলৈ আহিছে ! সেই ঠগজনে বুজা নাই যে আজহাৰে তেওঁক সাতঘাটৰ পানী খুৱাব পাৰে !

ঃ কি বস্তু বিক্রী কৰিবলৈ আনিছে?

ঃ মোৰ লগত হীৰা এডোখৰ আছে, পাৰৰ কণীতকৈ অলপমান ডাঙৰ হ'ব। হীৰাডোখৰ বিক্রী কৰিম।

আজহাৰ চাহাবে মনে মনে অলপ হাঁহিলে। এই প্ৰতাৰকবোৰক ওলোটাই শ'লঠেকত পেলোৱাৰ আনন্দ বেলেগ। তেওঁৰ অলপ সেই আনন্দ ল'বলৈ মন গ'ল। বেচ গম্ভীৰ মাতেৰে তেওঁ সুধিলে— "মোক পাৰৰ কণীটোৰ আকাৰৰ হীৰা এডোখৰ বেচিবলৈ আনিছে?"

ঃ হয় ছাৰ।

ঃ শুনি সুখী হ'লোঁ। কহিনূৰ হীৰা আনিছে নেকি?

ঃ ছাৰ নহয়, কহিনূৰ নহয়। কহিনূৰ বৃটিছ মিউজিয়ামত আছে। কহিনূৰৰ পিছতেই আছে 'দ্য হোপ' নামৰ হীৰাখণ্ড; নিউইয়ৰ্কত ৰখা হৈছে।

আজহাৰ চাহাবে মনতে আকৌ এবাৰ হাঁহিলে। ঠগৰ লক্ষণেই হৈছে ডাঙৰ ডাঙৰ কথা কৈ গ্ৰাহকক ভেবা-চেকা খুৱাবলৈ চেষ্টা কৰা। বেচেৰাই কপৌহে দেখিছে ফান্দ এতিয়াও দেখা নাই।

মানুহজনে ক'লে - "মই হীৰা বেচিবলৈ অহা কথাটো আপুনি চাগৈ এতিয়াও বিশ্বাস কৰা নাই।"

ঃ কৰিছোঁ, কিয় নকৰিম?

ঃ মোৰ এই হীৰাডোখৰৰ ওজন ১২৭ কাৰাট, পাৰিবাৰিক সূত্রে লাভ কৰিছোঁ।

ঃ কিন্তু কিয় বিক্রী কৰিব খুজিছে?

ঃ হীৰানো কি কামত আহিব? চোৰৰ ভয়ত সকলো সময়তে লুকুৱাই ৰাখিব লাগে। তাতকৈ বিক্রী কৰিলে টকাখিনি কামত খটুৱাব পাৰিম।

আজহাৰ চাহাবে ক'লে— "টকাখিনি কামত আহিব জানো? সেইখিনিও বেংকতে থৈ দিব লাগিব।"

ঃ মই অৱশ্যে বেঙ্কত টকা সাঁচিবলৈ হীৰা বিক্রী কৰা নাই। মই টকাখিনি সৎ কামত ব্যৱহাৰ কৰিব খুজিছোঁ।

ঃ কেনে ধৰণৰ সৎ কাম কৰিব খুজিছে?

ঃ মই এখন অনাথ আশ্রম খুলিব বিচাৰিছোঁ। খুব ডাঙৰ অনাথ আশ্রম। এই আশ্রমত ল'ৰা-ছোৱালীবোৰে নিজৰ ঘৰৰ দৰে থাকিব আৰু লিখা-পঢ়াও শিকিব।

ঃ আপোনাৰ কিনো লাভ হ'ব?

ঃ মোৰ একো লাভ নহয়, ল'ৰা-ছোৱালীবোৰৰ উপকাৰ হ'ব। মই এখন হাস্পতালো খুলিব খুজিছোঁ।

ঃ কি কথা কয় ! এইয়া দেখোন বহুত টকাৰ কাৰবাৰ!

ঃ ছাৰ, হীৰা ডোখৰৰ দামো কম নহয়, এক কোটি টকা।

ঃ মোৰ সৈতে চুপতি মাৰিবলৈ আহিছে? এক কোটি

টকাৰ হীৰা পকেটত লৈ ঘূৰি ফুৰিছে? মোৰ সৈতে বহুৱালি কৰিবলৈ সময় নাপালে? আপোনাৰ দৰে ঠগবাজক এঢোক পানীৰে গিলি পেলাব পাৰোঁ, জানেনে?

মানুহজনে হাঁহি হাঁহি ক'লে - "ছাৰ, হীৰাডোখৰ মই আপোনাৰ ঘৰত থৈ যাওঁ, যাৰ দ্বাৰা ইচ্ছা আপুনি পৰীক্ষা কৰাব পাৰে। এসপ্তাহৰ পাছত মই আকৌ আহিম।"

ঃ কোনো দৰকাৰ নাই। আচল হীৰা হ'লেও মই নিকিনো, ইমান টকা মোৰ নাই।

ঃ নিকিনিলেও বস্তুটো আপোনাৰ সৈতে থাকক, আপোনাৰ সন্দেহ দূৰ হওক।

ঃ এক কোটি টকাৰ বস্তু এটা মোৰ সৈতে এনেদৰে এৰি থৈ যাব?

ঃ হয় ছাৰ, আপুনি কৃপণ হ'লেও অতি সৎ মানুহ; মই ভালকৈ খা-খবৰ লৈ আহিছোঁ।

মানুহজনে পকেটৰ পৰা ক'লা কাঠৰ সৰু বাকচ এটা উলিয়াই আজহাৰ চাহাবৰ হাতত তুলি দিলে আৰু আজহাৰ চাহাবেও আগ্ৰহেৰে ল'লে। বাকচটো খুলি বস্তুটো এবাৰ চালে কোনো ক্ষতি নাই, দেখা যাওকচোন।

ঃ ছাৰ, মই তেনেহ'লে এতিয়া আহিছোঁ।

ঃ ৰ'ব, কলৈ যায়? আপোনাৰ হীৰা লৈ যাওক।

ঃ মই এসপ্তাহৰ পাছত উভতি আহিম।

মানুহজনে আজহাৰ চাহাবক আৰু একো কোৱাৰ সুযোগ নিদিলে। দীঘল ভৰি দুখনেৰে জপং জপংকৈ তেওঁ ৰাস্তাৰে খৰধৰকৈ নামি গ'ল।–

ঃ আৰে! ৰ'ব ৰ'ব!– আজহাৰ চাহাব পিছে পিছে ওলাই গ'ল যদিও মানুহজনক লগ নাপালে।

তেওঁ বাকচটো খুলিলে। সঁচাকৈয়ে পাৰৰ কণীটোৰ সমান বস্তু এটা চিকমিকাই আছে। কাঁচৰ খাঁজযুক্ত টুকুৰা এটা যেন লাগিছে। জাৰ্মান স্ফটিক হ'ব। কিন্তু বস্তুটো ধুনীয়াকৈ বনোৱা হৈছে। তেওঁ বস্তুটো হাতত ল'লে; বস্তুটো যদি হীৰা হয় ইয়াৰে কাঁচ কাটিব পৰা যাব। ঘৰৰ আইনা এখনতে চেষ্টা কৰি চোৱা যাওক ! তেওঁ আইনা এখনত হাতৰ বস্তুটোৰে আচোঁৰ এটা মাৰিলে আৰু আইনাখন নিমিষতে দুটুকুৰা হৈ পৰিল। কি আচৰিত ! সঁচাকৈয়ে হীৰাৰ টুকুৰা নেকি? কিন্তু সি কেনেকৈ সম্ভৱ? ইমান ডাঙৰ হীৰা এটুকুৰা অচিনাকি মানুহ এজনে তেওঁৰ হাতত এৰি থৈ যাবনে? মানুহ নিশ্চয় এতিয়াও ইমান মূৰ্খ হোৱা নাই। ক'ৰবাত নিশ্চয় চাগৈ কিবা এটা ৰহস্য আছে। কিন্তু ৰহস্যটো কি? বস্তুটো যথেষ্ট গধুৰ। পোহৰ পৰিলে জ্বলন্ত এঙাৰৰ দৰে জিলিকি উঠে। প্ৰকৃত হীৰা কেনেকুৱা তেওঁ নাজানে আৰু আগতে কেতিয়াও হীৰা দেখা নাই। আন্ধাৰত হীৰা জিলিকি উঠে নেকি? জিলিকি উঠাৰে কথা- ইমান দামী বস্তু যেতিয়া। লাইট নুমুৱাই তেওঁ দুৱাৰ-খিৰিকী বন্ধ কৰি দিলে। নাই, হীৰাৰ পৰা এতিয়া কোনো পোহৰ ওলোৱা নাই। লাইট এটা জ্বলাই দিয়াত হাতৰ বস্তুটো পুনৰ জিলিকি উঠিল। গোটেই নিশা তেওঁৰ টোপনি নাহিল আৰু বিছনাত ইকাতি-সিকাতিকৈ কটালে।

আজহাৰ চাহাবৰ এজন মেনেজাৰ হ'ল মইনুদ্দিন। মইনুদ্দিন পদাৰ্থ বিজ্ঞানত এমএছচি পাছ কৰা এজন শিক্ষিত ল'ৰা; ক'তো চাকৰি নাপাই আজহাৰ চাহাবৰ গেঞ্জী ফেক্টৰীতে সোমাই আছে। তেওঁ বৰ ভাল ল'ৰা- সৎ আৰু কঠোৰ পৰিশ্ৰমী। পিছদিনা আজহাৰ চাহাবে মইনুদ্দিনক মাতি পঠিয়ালে।

ঃ মইনুদ্দিন, কেনে আছা?

ঃ ছাৰ, ভালেই আছোঁ।

ঃ তুমি কেতিয়াবা হীৰা দেখিছানে?

ঃ নাই দেখা ছাৰ !

ঃ হীৰা কেনেকৈ চিনিব পাৰি জানানে?

ঃ হীৰাৰে কাঁচ কাটিব পৰা যায়। খুব কঠিন পদাৰ্থ যে, সেইবাবে–

ঃ সেইটো কথা সকলোৱে জানে। ইয়াৰ বাহিৰেও হীৰা কেনেকৈ চিনাক্ত কৰিব পাৰি?

ঃ হীৰাৰ এটা স্পেচিফিক গ্ৰেভিটি আছে, সঠিককৈ মনত নাই। কিতাপ চাব লাগিব।

ঃ কিতাপ চোৱাৰ দৰকাৰ নাই, আৰু কিবা জানা যদি কোৱা। বাৰু, অন্ধকাৰত হীৰা জিলিকিব পাৰেনে?

ঃ নাই ছাৰ, কোনো মণি-মুকুতা অন্ধকাৰত নিজিলিকে, পোহৰ পৰিলেহে জিলিকে। কথাবোৰ ইমানকৈ কিয় সুধিছে ছাৰ?

ঃ মোৰ কথাবোৰ জানিবলৈ মন গৈছে বাবে সুধিছোঁ, তোমাৰ কিবা অসুবিধা হৈছে নেকি?

ঃ নাই, নাই ছাৰ, একো অসুবিধা হোৱা নাই।

আজহাৰ চাহাব বৰ বিমৰ্ষ হৈ পৰিল। বস্তুটো নো কি একো ধৰিব পৰা নাই। কাৰোবাক বস্তুটো দেখুৱাবলৈকো সাহস কৰা নাই– যিহে ঠগবাজৰ ৰাজ্য, কাকো বিশ্বাস কৰিব নোৱাৰি। এসপ্তাহ পাৰ হৈ গ'ল। আজহাৰ চাহাব দিনক দিনে অধিক হতাশ হৈ পৰিছে। বস্তুটোৰ প্ৰতি তেওঁৰ মায়াও বাঢ়ি গৈছে। তেওঁ এতিয়া প্ৰতি নিশা বস্তুটো হাতত লৈ কিছু সময় খেলে আৰু গাৰুৰ তলতে থৈ টোপনি যায়। বস্তুটো তেওঁৰ হাতৰপৰা গ'লে তেওঁ চাগৈ বাচিয়েই নাথাকিব। কিন্তু উপায়নো কি? সেই মানুহজন আহিলে তেওঁক বস্তুটো ওভতাব লাগিব। কিন্তু মানুহজন নাহিল। দুসপ্তাহ পাৰ হৈ গ'ল, তিনি সপ্তাহ পাৰ হ'ল, আনকি এমাহ পাৰ হৈ গ'ল। কাৰো কোনো দেখা-দেখি নাই। দুমাহৰ পাছত আজহাৰ চাহাবৰ দৰে কৃপণ এজনেও টকা খৰচ কৰি বাতৰি কাকতত বিজ্ঞাপন দিলে- "সন্ধান প্ৰাৰ্থী- জনৈক যুৱকে বিক্ৰীৰ বাবে মোক বস্তু এটা দি থৈ গৈছিল। এসপ্তাহৰ ভিতৰত তেওঁ আহি পোৱাৰ কথা আছিল যদিও এতিয়াও অহা নাই। তেওঁক অতি সোনকালে যোগাযোগ কৰিবলৈ কোৱা হৈছে।" বিজ্ঞাপনটো প্ৰকাশ পোৱাৰ দুমাহ পাৰ হৈ গ'ল কিন্তু কোনো ব্যক্তি আহি দেখা নিদিলে। আজহাৰ চাহাবে সিদ্ধান্ত ল'লে যে হীৰাই হওক বা কাঁচেই হওক সেই বস্তুটো তেওঁ লৈ থ'ব। যি দাম বিচাৰিছে তাকেই দিবলৈ তেওঁ ৰাজী। বাকী কিনো উপায়! চাওঁতে চাওঁতে এবছৰ পাৰ হৈ গ'ল। আজহাৰ চাহাবে অনুভৱ কৰিলে যে মানুহজন হয়তো আৰু উভতি নাহে। যিহেতু বেলেগৰ বস্তু এটা তেওঁ কেতিয়াও নিজৰ বুলি লৈ থ'ব নোৱাৰে, মানুহজনে হীৰা বিক্ৰীৰ দ্বাৰা পোৱা ধনেৰে যি কৰিব খুজিছিল সেই কামটো তেওঁ এতিয়া নিজে কৰিবলৈ ওলাল। যদিও অনাথ আশ্ৰম, চিকিৎসালয় ইত্যাদি বনাবলৈ তেওঁৰ কোনো গৰজ পৰা নাই, এতিয়া সেইবোৰ কামেই তেওঁ কৰিবলৈ মন মেলিলে।

আজহাৰ চাহাবে তেওঁৰ মেনেজাৰক মাতি পঠিয়ালে।

ঃ মইনুদ্দিন কেনে আছা?

ঃ ছাৰ, মই ভালেই আছোঁ।

ঃ এটা বিশেষ কামৰ বাবে তোমাক মাতি পঠিয়ালোঁ।

ঃ হয় ছাৰ, কওকচোন।

ঃ এখন অনাথ আশ্ৰম বনাব খুজিছোঁ।

ঃ কি ক'লে ছাৰ?

ঃ অনাথ আশ্ৰম। খুব ডাঙৰ এখন। বহুত ল'ৰা-ছোৱালী তাতে থাকি পঢ়া-শুনা কৰিব।

মইনুদ্দিন আহি আজহাৰ চাহাবক ভৰি চুই প্ৰণাম জনালে। তেওঁ যথেষ্ট বিৰক্ত হৈ ক'লে– "এইবোৰ কি কৰিছা?"

ঃ আপুনি বৰ বেয়া মানুহ বুলি ভাবিছিলোঁ, ছাৰ। আপোনাৰ অন্তৰত যে এনেকুৱা ভাব আছে সপোনতো কেতিয়াও ভবা নাই। আপোনাৰ ওচৰত ক্ষমা বিচাৰিছোঁ ছাৰ, আপুনি এজন মহান মানুহ।

ঃ আজে-বাজে কথা কোৱা বন্ধ কৰাচোন।

ঃ নাই, সঁচাকৈয়ে কৈছোঁ ছাৰ।

ঃ কাম আৰম্ভ কৰাগৈ যোৱা।

ঃ আজিৰ পৰাই আৰম্ভ কৰিম ছাৰ। কি যে ভাল লাগিছে মোৰ, মই বুজাব নোৱাৰোঁ।

মইনুদ্দিনে চকুৰ পানী মচিবলৈ ধৰিলে।

আজহাৰ চাহাবে বিৰক্ত কণ্ঠেৰে ক'লে– "কান্দিছা কিয়, কান্দিবলৈ হ'ল কি?"

ঃ আনন্দতে কান্দিছোঁ ছাৰ। জীৱনত ইমান আনন্দ কেতিয়াও পোৱা নাই।

অনাথ আশ্ৰমখন নিৰ্মাণ হৈ ওলাল। আজহাৰ চাহাবে মইনুদ্দিনক আকৌ এদিন মাতি পঠিয়ালে।

ঃ কেনে আছা মইনুদ্দিন?

ঃ ছাৰ, ভালেই আছোঁ।

ঃ এখন হাস্পতাল বনাম বুলি মনস্থ কৰিছোঁ।

মইনুদ্দিনৰ পুনৰ চকুৰ পানী ওলাল। তেওঁ আজহাৰ চাহাবৰ ভৰি চুই প্ৰণাম কৰিবলৈ আগুৱাই গ'ল। আজহাৰ চাহাব মহা বিৰক্ত হ'ল।

ঃ কিয় কান্দিছা মইনুদ্দিন?

ঃ মনত বৰ আনন্দ ছাৰ, আনন্দতে কান্দিছোঁ।

ঃ এইবোৰ কেঁচুৱামি মোৰ একেবাৰে অপছন্দ।

চিকিৎসালয়খন গাঁৱৰ ফালে নিৰ্মাণ কৰা হৈছিল। বহুত টকা খৰচ হ'ল। আজহাৰ চাহাবে প্ৰাণপণে খৰচ কমোৱাৰ চেষ্টা কৰিছে। আগতে দুসাঁজ খাইছিল যদি এতিয়া এসাঁজ খাবলৈ আৰম্ভ কৰিছে। ভাড়াঘৰৰ পৰা দুটা কোঠাৰ সৰু ফ্লেটলৈ গুচি গ'ল। ভগৱানৰ কৃপাত অৱশ্যে ব্যৱসায় ভালদৰেই চলি আছে। হাস্পতালখন নিৰ্মাণ কৰাৰ পাছত

তেওঁ যেন নিচাগ্ৰস্ত হৈ পৰিল। বিদ্যালয়, আলিবাট, দাতব্য চিকিৎসালয় এই সকলোবোৰ এটা এটাকৈ নিৰ্মাণ কৰি গ'ল।

দহ বছৰৰ পাছত এদিন বৰ্ষণমুখৰ নিশা দুৱাৰৰ ঘণ্টা বাজি উঠিল। আজহাৰ চাহাবে দুৱাৰখন খুলি দিলে। গাত চাদৰ লৈ থিয় হৈ থকা ডেকাজনে সুধিলে-- "ছাৰ, মোক চিনি পাইছেনে?"

ঃ ও, চিনি পাইছোঁ।

ঃ মই বস্তুটো নিবলৈ আহিছোঁ।

ঃ গম পাইছোঁ।

ঃ ইচ্ছা কৰিলে বস্তুটো আপুনি লৈ থ'ব পাৰে, আপুনি বস্তুটোৰ সম্পূৰ্ণ মূল্য দিলে। কিন্তু যদি আপুনি মোক ওভোতাই দিয়ে মই ইয়াৰ পুনৰ ব্যৱহাৰ কৰিব পাৰিম। আপোনাৰ দৰে নিশ্চয় অন্য মানুহো আছে।

ঃ হয় আছে, আপুনি বস্তুটো ওভোতাই নিয়ক।

আজহাৰ চাহাবে ক'লা বাকচটো ঘূৰাই দি ক'লে- "আপোনাক ধন্যবাদ। এই বস্তুটোৰ বাবেই মই এতিয়া মানুহ হিচাপে জন্ম লোৱাৰ অৰ্থ বিচাৰি পাইছোঁ।"

ঃ ছাৰ, আপুনি স্ফূৰ্তিত দিন কটাব পাৰিছে নে?

ঃ হয়, মই আনন্দ মনেৰে আছোঁ, খুব সুখত আছোঁ। কিন্তু মোক আৰু টকা লাগে। বহুত টকা- ইয়াৰ বাবে এতিয়া মোৰ চিন্তা। এটা ডাঙৰ প্ৰজেক্টৰ কথা ভাবি আছোঁ.... মহিলাসকলৰ বাবে কিবা এটা কৰিবলৈ। আমাৰ সমাজৰ মহিলাসকলৰ....!

ঃ যাওঁ ছাৰ। ভালে ভালে থাকিব- আপোনাৰ এই প্ৰজেক্টটোও সুকলমে হৈ যাব।

মানুহজন নিশাৰ অন্ধকাৰত পলকতে অদৃশ্য হৈ পৰিল। আজহাৰ চাহাব নিজৰ প্ৰজেক্টৰ চিন্তাত এইবাৰ ডুব গ'ল।

●

{হুমায়ুন আহমেদ (জন্ম ঃ ১৩ নৱেম্বৰ, ১৯৪৮-মৃত্যু ঃ ১৯ জুলাই, ২০১২) আছিল এজন বাংলাদেশৰ ঔপন্যাসিক, গল্পকাৰ, নাট্যকাৰ তথা গীতিকাৰ, চিত্ৰনাট্যকাৰ আৰু চলচ্চিত্ৰ নিৰ্মাতা। তেওঁ কুৰি শতিকাৰ জনপ্ৰিয় বাংলা কথাসাহিত্যিক সকলৰ ভিতৰত অন্যতম। স্বাধীনোত্তৰ বাংলাদেশৰ অন্যতম শ্ৰেষ্ঠ আৰু জনপ্ৰিয় লেখক হিচাপে তেওঁক গণ্য কৰা হয়। বাংলা কথাসাহিত্যত তেওঁ সংলাপপ্ৰধান নতুন শৈলীৰ জনক, আনহাতে তেওঁ আধুনিক বাংলা বৈজ্ঞানিক কল্পকাহিনীৰো পথ প্ৰদৰ্শক। নাটক আৰু চলচ্চিত্ৰ পৰিচালক হিচাপেও তেওঁ প্ৰশংসা অৰ্জন কৰিছিল। তেওঁৰ তিনিশৰো অধিক গ্ৰন্থ প্ৰকাশিত হৈছে। তেওঁৰ কেইবাখনো গ্ৰন্থ বিশ্বৰ বিভিন্ন ভাষালৈ অনূদিত হৈছে আৰু কেইবাখনো গ্ৰন্থ স্কুল, কলেজ আৰু বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত হৈছে। মিছিৰ আলী আৰু হিমু তেওঁৰ দুটা প্ৰখ্যাত আৰু জনপ্ৰিয় চৰিত্ৰ। ঢাকা কলেজৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত তেওঁ ঢাকা বিশ্ববিদ্যালয়ত ৰসায়ন বিজ্ঞান আৰু আমেৰিকাৰ নৰ্থ ডাকোটা ষ্টেট ইউনিভাৰ্ছিটিত পলিমাৰ ৰসায়ন বিজ্ঞান অধ্যয়ন কৰে। দীৰ্ঘদিন ধৰি তেওঁ ঢাকা বিশ্ববিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপক হিচাপে কৰ্মৰত আছিল। পাছলৈ সাহিত্য চৰ্চা আৰু চলচ্চিত্ৰ নিৰ্মাণৰ স্বাৰ্থত শিক্ষকতা ত্যাগ কৰে।}

# কূপ মণ্ডুক উবাচ

**অৰুণ চক্ৰৱৰ্তী**

কূপ মানে কূঁৱা বা নাদ আৰু মণ্ডুক মানে বেং বা ভেকুলী। সামগ্রিক অর্থত নাদৰ বেং। আন কথাত চুকৰ ভেকুলী।

ক্ষুদ্র গণ্ডীৰ আৱৰ্তত থকা ব্যক্তিবিশেষক কূপ মণ্ডুক অভিধাৰে বিভূষিত কৰা হয়। এই গণ্ডী যে অকল পৰিৱেশ পৰিস্থিতিয়ে হ'ব লাগিব তেনে কথা নাই। ই মানসিক বা বৌদ্ধিক স্থিতিকো সূচাব পাৰে। মুঠতে, সঙ্কীৰ্ণমনা ব্যক্তিৰ ক্ষেত্ৰত এই বিশেষণ প্ৰযোজ্য।

সংস্কৃতমূলীয় ভেক শব্দৰ পৰা ভেকুলীৰ উৎপত্তি। ঠিক ভেকুলীৰ নহয়, ভেকুলী শব্দটোৰ। ব'হাগৰ প্ৰথম মেঘৰ মাদল বাজিলে ভেকুলীৰ যৌৱন বাসনাৰ ৰিক্ত উপকূল সিক্ত হয়। ইমান দিনে সিহঁতবোৰ শীতনিদ্ৰাত আচ্ছন্ন থাকে। শীতনিদ্ৰা হ'ল বেছিভাগ শীতলৰক্তী প্ৰাণীৰ শীত কালত হোৱা এটা বিশেষ অৱস্থা য'ত জৈৱিক ক্ৰিয়াবোৰ স্তিমিত হৈ পৰে। তেতিয়া নিত্য প্ৰয়োজনীয় অম্লজান, আহাৰ আৰু দৈহিক ক্ৰিয়া কলাপবোৰৰ প্ৰয়োজন প্ৰায় নোহোৱা হৈ পৰে। কিবাকৈহে জীউটো ধৰি থাকে।

সূৰ্য্যৰ আৱৰ্তন তথা ঋতুৰ পৰিৱৰ্তনৰ প্ৰভাৱ সমস্ত জীৱকুলৰ ওপৰত ক্ৰিয়াশীল। মণ্ডুক প্ৰজাতিৰো সুপ্ত বাসনা জাগি উঠে। সৃষ্টিৰ উন্মাদনা জঠৰ দেহৰ ৰন্ধ্রে ৰন্ধ্রে প্ৰৱাহিত হয়। তপ্ত ধৰণী উত্তপ্ত ধমনী। সৃষ্টিৰ চালিকা শক্তি প্ৰেম। প্ৰেম প্লাৱনত অৱগাহনত সকলোৰে সমান অধিকাৰ। চুকৰ ভেকুলীয়েও সময়ৰ আহ্বানত চুক ত্যাগ কৰি পানীত নামে। টোৰটোৰণিৰে প্ৰেম গীত গাবলৈ ধৰে। বোপা ককাৰ বৃত্তিটো সিনো এৰিব কিয় ? আনফালে বেং সমাজৰ ভেক্ ভেক্ সুৰ সমলয়ত চৌদিশ মুখৰিত হয়।

ব'হাগী মহামিলনত বংশ ৰক্ষা হয়। ভেকুলীৰ প্ৰজননৰ প্ৰক্ৰিয়া দেহজ নহয়। অৰ্থাৎ মাইকীজনীয়ে গৰ্ভধাৰণ বা প্ৰসৱৰ যন্ত্ৰণা ভুগিব নালাগে। মাইকীজনীয়ে এৰি দিয়া অসংখ্য ডিম্বাণু মতাজনে ত্যাগ কৰা শুক্ৰাণুবোৰে পানীত নিষিক্ত কৰে। পানীৰ উষ্ণতাত পোৱালিবোৰ পূৰঠ হৈ লালুকী হিচাপে জন্ম পায়। লালুকীৰ নেজ থাকে, পিছলৈ এই নেজ খহি পৰি পূৰ্ণাংগ ভেকুলীৰ ৰূপ লয়। মানুহৰ ক্ষেত্ৰতো কথাটো ৰজিতা খায়। ফুটনিৰ নেজডাল নসৰকা পৰ্য্যন্ত পূৰ্ণাংগ ৰূপ পাব নোৱাৰে।

এটা সময়ত ভেকুলীৰ অসংখ্য পোৱালিৰ ভিতৰত কেইটামানহে কুলৰ পৰিচয় দিবলৈ বৰ্তি থাকে। জলত জন্ম স্থলত বাস, শীত নামিলে সৰ্বনাশ। ইয়াৰ গাৰ ছালখন অত্যন্ত সংবেদনশীল। ছালখনৰ দ্বাৰাই পাৰিপাৰ্শ্বিক অৱস্থাৰ বুজ লয়। চকু দুটা ডাঙৰ, মূৰৰ ওপৰত থাকে। ফলত চৌদিশে নজৰ ৰাখিব পাৰে। পিছফালৰ ভৰি দুখন দীঘল। সাঁতোৰাত বা দীঘলকৈ জাঁপ মৰাত বৰকৈ কামত আহে। চুক ভেকুলীৰ ছালখন খহুৰে ভৰা। এইবোৰৰ পৰা বিষাক্ত আৰু দুৰ্গন্ধময় ৰস নিৰ্গত হয়। কথাতে কয়, দিন বেয়া হ'লে ভেকুলীয়েও গাত পেছাৱ কৰি দি যায়। আচলতে সেয়া পেছাৱ নহয়, উত্তেজনাজনিত কাৰণত ওলোৱা এবিধ তৰল পদাৰ্থ। আত্মৰক্ষাৰ এক উপায়হে।

ভেকুলী অৱশ্যে উভচৰ প্ৰাণী। জৈব বিৱৰ্তনৰ দ্বিতীয় স্তৰ। প্ৰথম স্তৰৰ আৰম্ভণি পানীত। তৃতীয় স্তৰৰ স্থান স্থলভাগ। সেই হিচাপে মহিমামণ্ডিত মণ্ডুক প্ৰজাতি প্ৰাক-ঐতিহাসিক। আজি কিছু বছৰ আগতে খাল বিল ডোং নদী নলা নৰ্দমাত গিজগিজাই থকা ভেক কুল বৰ্তমানে অস্তিত্বৰ সংকটত ভুগিছে। গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত প্ৰাকৃতিক ভাৰসাম্যত বিৰূপ প্ৰভাৱ পৰিছে। ফলত আজি ভেকুলী প্ৰজাতি বিপদাপন্ন। ইয়াৰ উপৰিও মানৱীয় দৌৰাত্ম্য আছেই।

হৰিণাৰ মাংসই বৈৰী হোৱাৰ লেখীয়াকৈ ভোকোলা প্ৰজাতিৰ ভেকুলীৰ মঙহাল ঠেং দেশে বিদেশে সমাদৃত হোৱা বাবে ভেকুলীৰ নিধন যজ্ঞ চলি আছে। বিশেষকৈ ইয়াৰে তৈয়াৰী চপ জনপ্ৰিয় খাদ্য বিশেষ। ইয়াৰ নিধন তথা ৰপ্তানিত নিষেধাজ্ঞা আৰোপ কৰিও বিশেষভাৱে ফলপ্ৰসূ হোৱা নাই। সেইফালে আমাৰ চুকৰ ভেকুলী নিৰাপদ। এইবিধ আটাইৰে বাবে অখাদ্য তথা অভক্ষ্য। তাৰ পিছত, জধে-মধে ব্যাপক হাৰত ৰাসায়নিক সাৰ তথা ঔষধৰ প্ৰয়োগে ভূতৰ ওপৰত দানহ পৰাদি পৰিছে। উদাহৰণ স্বৰূপে এবাৰ কীটনাশক দ্ৰব্য শালি ধাননি এডৰাত প্ৰয়োগ কৰা হ'ল। মৃত কীট খাই মাছ বেং মৰিল। সেইবোৰ খাই বহুতো বগলী মৃত্যুমুখত পৰিল। এনে ধৰণৰ বৈজ্ঞানিক আৱিষ্কাৰত শংকা জাগিবৰে কথা। বিজ্ঞানৰ অপপ্ৰয়োগ হ'লে ধ্বংস অনিবাৰ্য্য। হিৰোছিমা নাগাছাকি তাৰেই জ্বলন্ত উদাহৰণ।

জীৱবিজ্ঞানৰ পৰীক্ষাগাৰত ভেকুলীৰ শৱ ব্যৱচ্ছেদ কৰি জ্ঞান অৰ্জন কৰা হয়। তাতেও এই নিৰীহ প্ৰাণীবিধৰ আত্মাহুতি হয়। কিন্তু তাৰ বন্দনা কৰা নহয়। অথচ এই বলিদান দধীচি মুনিৰ আত্মত্যাগতকৈ কোনো অংশে কম নহয়।

প্ৰখ্যাত বিজ্ঞানী ল্যুইগি গেলভেনী আৰু এলেচেন্দ্ৰ ভল্টাই ক্ৰমে জৈৱ বিদ্যুৎ আৰু ৰাসায়নিক বিদ্যুৎ সম্পৰ্কীয় পৰীক্ষাত ভেকুলীহে ব্যৱহাৰ কৰিছিল। মুঠতে জীৱবিজ্ঞানে হওক বা পদাৰ্থবিজ্ঞান কিম্বা ৰসায়নবিজ্ঞানেই হওক ভেকুলীৰ অবাধ বিচৰণ।

বাৰিষাকালি খাল বিল ডোঙৰ পাৰত বহি থকা অহিংসাৰ পূজাৰী বিধক চেঙেলীয়া ল'ৰাবোৰে কেৱল আনন্দ লভিবলৈ দলি মাৰি কমখন নগুৰ নাকতি কৰে নে! এই বিষয়ে ঈছপৰ সাধুকথাত উল্লেখ আছে।

আজি বিশ্বায়নৰ চুনামীত আটাইৰে ঘৰৰ ভেটি থৰক বৰক। কিন্তু আমাৰ নাদৰ বেং বা চুকৰ ভেকুলী একেবাৰে বেপৰোৱা। নাদটো বা চুকটো ঠিকে থাকিলেই হ'ল। বাকী দুনীয়া যাওক না ৰসাতলে, কি আহে বা যায়! আমাৰ চুকৰ ভেকুলীয়ে চুকতে থাকি টোৰটোৰাই গাব 'চাৰে জহা চে অচ্ছা চুকস্থান হমাৰা।'

এই যুগতো ভেকুলীৰ বিয়া ৰাজহুৱাভাৱে পতা হয়। বহুদিন একেলেথাৰিয়ে বৰষুণ নিদিয়াকৈ থাকিলে বিচাৰি আনি ধৰি বান্ধি এহাল ভেকুলীক মাহ হালধিৰে নোৱাই ধুৱাই দৰা কইনা সজাই বামুণ মাতি হোম যজ্ঞ পাতি বিয়া পাতি দিয়ে। তেতিয়া বোলে বৰুণ দেৱতা সন্তুষ্ট হয় আৰু বৰষুণ দিয়ে। এনে বিয়াৰ বাজেট দেখিলে আমাৰ দৰে সাধাৰণ মনুষ্যৰ চকু কপালত উঠে। বাজেটত ঘাটি পৰিলে পাইকাৰী হাৰত চান্দা বা বৰঙণিৰ ব্যৱস্থা কৰা হয়। বিয়াখন হৈ গ'লে দাম্পত্য জীৱনৰ খবৰ কিন্তু

কোনেও নলয়। অকল বৰষুণ দিয়ালৈ বাট চায়।

ভেকুলী দেখাত সামান্য কিন্তু খাদ্য শৃংখলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। পোক-পৰুৱা-কীট-পতংগ আদি খাই জীৱন নিৰ্বাহ কৰে। এই সৰু সুৰা চিকাৰ ধৰোঁতে আঠাযুক্ত জিভাখন ব্যৱহাৰ কৰে। ইয়াৰ জিভাখন দীঘল আৰু ওলোটা, আগফালটো পিছদিশত জপাই থোৱা বিধৰ। কিছুমান বিয়াগোম আকৃতিৰ ভেকুলীৰ খাদ্য তালিকাত সৰু সুৰা সাপো থাকে। খাদ্য খাদকৰ সীমাৰেখাত আউল লাগে। আনফালে নিগনি, সাপ, নানা ধৰণৰ চিকাৰী চৰাই আৰু মাছৰ ভেকুলী হ'ল প্ৰিয় খাদ্য।

ইতিমধ্যে আমাৰ পৃথিৱীত বহুতো পৰিৱৰ্তনৰ ধুমুহা বৈ গৈছে। তুষাৰযুগ, উল্কাপাত, ভূমিকম্প, চুনামী, বানপানী, অনাবৃষ্টি, গোলকীয় উষ্ণতা বৃদ্ধি আদি বহু বিপৰ্য্যয়ে গৰকা এই ধৰাধাম মানৱ জাতিৰ বাপতিসাহোন। মানৱ জাতিয়েও সময়ে সময়ে বিভিন্ন পৰিৱৰ্তন বা বিপ্লৱৰ সূচনা কৰিছে। তাৰ ভিতৰত গুৰুত্বপূৰ্ণ তিনিটা বিপ্লৱ উল্লেখযোগ্য। প্ৰথমটো ৰেনেছাঁ বা পুনৰ জাগৰণ। দ্বিতীয়টো শিল্প বিপ্লৱ আৰু শেষৰটো তথ্য-প্ৰযুক্তিৰ বিপ্লৱ যিয়ে ভূগোলক ইতিহাসলৈ পৰ্য্যবসিত কৰিছে। তিনিওটা বিপ্লৱেই মানৱ জাতিক নতুন চেতনাৰে স্বাধীনতা, সমতা আৰু ভাতৃত্বৰ এনাজৰীৰে একত্ৰিত কৰিছে। ভৱিষ্যতে আমি হয়তো সংঘবদ্ধ হৈ বহুতো সমস্যাৰ মোকাবিলা কৰিব লাগিব। ভাৰতীয় দৰ্শনৰ সেই আপ্ত বাক্য 'বসুধৈৱ কুটুম্বকম্' যেন অহৰহ অনুৰণিত হৈ আছে। বিশ্বায়নৰ পটভূমি ৰচনা কৰা উপৰিউক্ত তিনিওটা বিপ্লৱৰ সূচনা কিন্তু ইউৰোপতহে হৈছিল। পিছলৈ অৱশ্যে সন্দেহাতীতভাৱে ভাৰতে বিশ্বায়নৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাত আগভাগ লৈছে।


আজি বিশ্বায়নৰ চুনামীত আটাইৰে ঘৰৰ ভেটি থৰক বৰক। কিন্তু আমাৰ নাদৰ বেং বা চুকৰ ভেকুলী একেবাৰে বেপৰোৱা। নাদটো বা চুকটো ঠিকে থাকিলেই হ'ল। বাকী দুনীয়া যাওক না ৰসাতলে, কি আহে বা যায়! আমাৰ চুকৰ ভেকুলীয়ে চুকতে থাকি টোৰটোৰাই গাব 'চাৰে জঁহা চে অচ্ছা চুকস্থান হমাৰা।' খাদ্যৰ প্ৰয়োজনত বা প্ৰজননৰ তাগিদাত বাহিৰলৈ ওলাই আহি আওৰাব 'বসুধৈৱ কুটুম্বকম্'। অলমতিবিস্তাৰেণ ইতি।

●

# কবিতা

## নিসংগতা

**ডাঃ কঙ্কণ শৰ্ম্মা**



অকলে বহি আছোঁ--
এনেদৰে অকলশৰীয়াকৈ থকাটো অভ্যাস হ'ল !
কেইখনমান বতাহৰ চিঠি ---
সিপুৰীত হেৰোৱা ৰ'দৰ চিপ এটিয়ে ফুলপাহিক দিলে চুই
চিঠিকেইখন হাতত পৰিল

কেইখনমান কবৰতলিৰ ফটো
গাঁওখন য'ত শুই আছে---
মোৰ ল'ৰালিৰ আজান শুনি ---

নৈখনৰ দাঁতিয়েদি আকাশখন
দূৰলৈ গুচি যায়---
পুৰণি চাইকেলৰ কেৰিয়াৰত
কেবাখনো কিতাপ
বাকলি নাই !
কৈশোৰৰ লুকাই লুকাই পঢ়া
আবেলিৰ গোন্ধ
বতাহৰ চিঠিত নাকত লাগে !!

উভতি যায়
সিপুৰীৰ ৰ'দজাক
পুৰাৰ কোমল পোহৰ হৈ
মোক জীয়াই থকাৰ বাৰ্তা দিয়ে -----

খেপিয়াই চালেও নাপাওঁ
সেই কলৰৱ।
আদিপাঠ লৈ তেলঘহা চুলিখিনি হাতৰ তলুৱাত হেৰায় !
ৰ'দখিনি তাতেই জিৰায়!!

অকলশৰীয়া মনটোৱে
চিঠিবোৰ পঢ়ে
চকুপানীৰ কলমেৰে লিখা ভাষা -----
অনুভৱত কেউফালে বিচৰণ কৰে তৰপে তৰপে লগ-লগৰী।

বতাহজাক শীতলতাৰে বৈ থাকে -----
সন্ধিয়া নামে ----
ধূপৰ ধোঁৱাই মেঘ হোৱাৰ
বাসনা লৈ উৰি যায়!

ডায়েৰীৰ এটা পৃষ্ঠা পূৰ হয়
তৰা এটা চাকি হয়!
ইমানবোৰ সঙ্গীৰ মাজত
ই কেনে নিসংগতা---
ক্ৰমশঃ গভীৰ হয় !!!

●

কবিতা

# জীৱন

ডাঃ অগস্ত্য বৰুৱা

(১)

কোনোবাই কান্দি থাকে ‘হিয়ালি-জিয়ালি’
এটা বিষণ্ণ গধূলি।

দুৱাৰমুখত উৎসুক মুখ
সাংগীতিক উদুলি-মুদুলি।

(২)

এটা কান্দোনত উজলি উঠে ঘৰখন
অশ্ৰুৰো যে ইমান ৰং

বিবৰ্ণ মুখত এতিয়া
বাসন্তী ৰহণ।

(৩)

সমস্বৰ কান্দোনত শেষ হয় সপোন

নাম ল’ব নোখোজা এক শয়ন
যাৰ নামো থাকে অতি মনোৰম

তথাপিও এই জীৱন বৰ বিতোপন।।

●

# শব্দৰ পাহাৰ

গীতিকা দেৱী

অভিধানৰ বুকু ফালি
শব্দবোৰ চুৰ কৰি
এখন শব্দৰ পাহাৰ সাজিলোঁ
গোটেই ধৰাক আৱৰি অৱগুণ্ঠণ পিন্ধালোঁ।

অশ্লীল শব্দবোৰক
নিলগত ৰাখিলোঁ,
বেদনাৰ শব্দবোৰকো।

শান্তি-সম্প্ৰীতিৰ শব্দবোৰক
এক গোট খুৱাই একে ঠাইতে
সংস্থাপন কৰিলোঁ
শৃঙ্গৰ দৰে।

শব্দব্ৰহ্মৰ সন্ধানী সকলে
হাবুডুবু খাব নালাগে
ধ্যানৰত কবিয়েও।

খেপিয়াই চালেই
আঙুলিৰ ফাঁকেৰে বব
শব্দৰ ঝৰ্ণা।

সুখৰ শব্দৰ সমদলত
উদ্ভাসিত হ’ব
ভাবনাৰ অন্ধকাৰ পেৰা।

●

## পূর্ণেন্দু শৰ্মাৰ কবিতা

# নিচুকনি গীত

ভঁৰাল মোৰ তেনেই সীমিত
আঁজুৰি অনা ধানেৰে
বৰ্ষা মেঘৰ দিন কেইটা
কোনোমতে পোহপাল দিয়াৰ জোখত
জাৰণিৰ দুডাল বাঁহ বেতেৰে বনোৱা;
কান্ধত মোৰ অস্ফুট শব্দৰ
মেট মৰা বোজা।
কেঁকোৰা আলিৰ দাঁতিত
পৰি থকা খোজত
বাৰে বাৰে বাজি উঠে
অসমাপিকা ক্ৰিয়াৰ
জুন্ জুনীয়া জুনুকা।
●

# উৰণীয়া জোনাকৰ সৈতে

পলাশ আৰেগী
সপোন ভৰা অন্তৰাৰ
আদৰুৱা পথাৰত
নিজানে ঢৌ খেলে
সোঁৰৰণৰ যমুনা বতাহে।
ভালপোৱাৰ সতেজ ৰং আকলুৱা মনে
কিমান যে বতৰা
বকুল সৰা বননিৰ
চেমনীয়া জোনাকত
নিৰলে চৰে।
এথুপি লাজকুৰীয়া
চোতাল জুৰি ভৰা তৰা
কথাৰ লাচতে
গাতে গা লগাই
উষাৰ বাটেৰে
তগৰ গোন্ধত জুলে।
●

কবিতা

# কবিতা ক'ত নাই

কস্তুৰী নিভা গগৈ

অৰুণোদয়ৰ জিলিঙনিত দিঠকৰ কবিতাৰ প্ৰথম শ্বাস
নীল আকাশত শুকুলা ডাৱৰৰ ৰেঙনি কবিতাৰ প্ৰশ্বাস
পখীৰ কলকলনি এক কবিতা অনুপম
পথাৰ শুৱনি ৰোৱনী দাৱনীৰ হাঁহিত খিলখিলায় কবিতাই
সোণগুটিৰে ভৰা ধাননি সোণোৱালী কবিতাৰ আৱৰণ
ফুলা সৰিয়হ ডৰাত সানি লয় হালধীয়া ৰহণ
সপোন দেখে পুৱা আৰু সন্ধিয়াৰ ধূসৰতাত
দাপোণ হৈ ৰয়হি হেঙুলীয়া আবেলি
নিশা আৰু দিঠকৰ দুপৰত
বাজি উঠে তৰালি আৰু জোনালীৰ সুৰীয়া আলাপ
গ্ৰীষ্মৰ ৰৌদ্ৰোজ্জ্বল দিনবোৰ কবিতাৰ অভিমান
শীতৰ ঠেঁটুৰৈ ধৰা নিশা কবিতাৰ নিঃশব্দ গান
প্ৰেম ভালপোৱাই কবিতাৰ প্ৰাণ
পাহাৰ ভৈয়াম বোৱঁতী নদী কবিতাৰ সুৰ লয় টান
বাৰিষা খৰালি কবিতাৰ গতি ছন্দময়
শৈশৱ কৈশোৰ যৌৱন বাৰ্ধক্য কবিতাৰ আত্মা
সুখ দুখ নিদ্ৰা আনন্দ ভাগৰ কবিতাৰ চেতনা
উৎসৱ পাৰ্বণ খেলধেমালি কবিতাৰ লয়লাস ৰুণজুন
তাঁতশালৰ খিটখিটনি ঢেঁকীৰ শব্দ কবিতাৰ গতিময় গুণ্‌গুণ
বিলত মাছমৰা জাকৈ খালৈৰ খলখলনি কবিতাৰ আল্পনা
অতীত বৰ্তমান ভৱিষ্যত কবিতাৰ কল্পনা
প্ৰকৃতিৰ তাণ্ডৱ কবিতাৰ নৃত্য
প্ৰাণোচ্ছল আৰণ্যক উন্মাদনা
দুৰন্ত প্ৰাণৱন্ত জীৱন এক স্বাভিমানী কবিতা
মৃত্যুও এক নিৰলস কবিতা,
ক'ত নাই কবিতা? ক'ত নাই কবিতা?
চৌদিশে চৌপাশে কবিতাৰ বাঙ্ময়তা।

●

# সুনীল গংগোপাধ্যায়ৰ কবিতা

**অনুবাদ- বিনয় মোহন শইকীয়া**

{সমকালীন ভাৰতীয় সাহিত্যত সুনীল গংগোপাধ্যায়ে (১৯৩৪-২০১২) এক সন্মানীয় আসন দখল কৰি আছে। এই মহান সাহিত্যিকগৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি তেওঁৰ এটা কবিতা অনুবাদ কৰি আগবঢ়োৱা হ'ল।}

## তিনিটা প্ৰশ্ন

তাৰ পিছত ধৰ্ম বকে ক'লে, বৎস
মই তোমাক আৰু তিনিটা প্ৰশ্ন কৰিম
কোৱাচোন, মানুহৰ কি কষ্ট মুখৰ ভাষাৰে ব্যক্ত কৰা নাযায়
কিম্বা, ক'লেও কোনেও নুবুজে?
মুহূৰ্ততে যুধিষ্ঠিৰে ক'লে,
কোনো কবিয়ে যেতিয়া ভাব প্ৰকাশৰ বাবে প্ৰকৃত ভাষা বিচাৰি নাপায়
তেতিয়া তেওঁৰ যি কষ্ট
সেয়া দ্বিতীয় কোনো ব্যক্তিৰ পক্ষে সহমৰ্মী হোৱা সম্ভৱ নহয়।
ধৰ্ম বক সন্তুষ্ট হ'ল আৰু ক'লে, এইবাৰ কোৱা
মানৱ জীৱনত এনে কোনো মুহূৰ্ত আছেনে
যি ৰমণ সুখতকৈও বেছি তৃপ্তি দিব পাৰে?
এইবাৰো দ্বিধাহীনভাৱে তৎক্ষণাৎ যুধিষ্ঠিৰে ক'লে
কোনো শিল্পীৰ শেষ তুলিকাৰ টান দিয়াৰ মুহূৰ্তটো
তাৰ লগত অন্য কোনো সুখৰেই তুলনা নচলে।
ধৰ্ম বকে পুনৰ্বাৰ ক'লে, ভাল কথা, এইবাৰ শেষ প্ৰশ্ন,
কোৱা, কেতিয়া ধৰ্মক অধৰ্ম যেন লাগে?
চকু তল কৰি, অকণমান সময় মনে মনে থাকি
কম্পিত কণ্ঠেৰে যুধিষ্ঠিৰে উত্তৰ দিলে
যেতিয়া ধৰ্ম আহে বকৰ ছদ্মবেশত, যেতিয়া মৃত্যুৰে
পৰীক্ষা কৰা হয় মানুহক।

●

গল্প

# সুৰৰ সপোন

**শৰৎ বৰকাকতি**

পল্লৱৰ আমনি লাগিছিল বৰবজাৰৰ ভিতৰৰ সৰু সৰু গলিয়ে গলিয়ে, ইটো সিটো বস্তু কিনিবলৈ ৰ'দত ঘূৰি ঘূৰি; তাৰ ভাগৰো লাগিছিল। পত্নী কৰবীৰ কাঢ়া আদেশ- বজাৰৰ লিষ্টখনৰ পৰা এটা বস্তুও যাতে বাদ নপৰে। পুতেক সৌৰভক যাতে বৈ যোৱা বস্তু আনিবলৈ আকৌ বজাৰলৈ দৌৰাব লগা নহয়।

চৌধুৰীৰ গেলামালৰ দোকানখনৰ গাদীতে বহি বহি পল্লৱে মনতে কথাবোৰ পাগুলি আছিল। কৰবীয়ে কথাটো ঠিকেই কৈছে। সৌৰভ সিহঁতৰ একমাত্ৰ সন্তান। বিয়া পতা দেৰি হৈছিল, সেয়ে সৌৰভে ইঞ্জিনিয়াৰিং পঢ়ি, চাকৰিত সোমোৱাৰ এবছৰ নৌহওঁতেই, সি অৱসৰ ল'লে। কৰ্পোৰেটৰ চাকৰিত সৌৰভ বৰ ব্যস্ত, তাতে সিঁহতৰ নাট্যদলৰ ৰিহাৰ্চেল চলি থাকে, প্ৰায়ে নাটকৰ প্ৰদৰ্শনীও হয়। সৌৰভক আমনি দিয়া অনুচিত।

'পিছে মই নিজেওতো বহি নাথাকোঁ, অৱসৰৰ পাছত গীত-কবিতা লিখাৰ যি অভ্যাস আৰম্ভ হ'ল, আজিকালি দেখোন লিখা-পঢ়া আৰু ঘৰুৱা কামৰ পৰা আজৰিয়েই নাপাওঁ'- পল্লৱে ভাবিলে। পল্লৱৰ বজাৰৰ লিষ্টখন চাই চাই, বস্তু জুখি থকা ল'ৰাটোৱে এবাৰ আহি কিবা এটা পল্লৱক সুধি গ'ল, তাৰ পাছত আকৌ জোখাত লাগিল।

আজি দেওবাৰ। চৌধুৰীৰ দোকানত গ্ৰাহকৰ বৰ ভিৰ। চহৰৰ উপকণ্ঠ অঞ্চলত, পল্লৱৰ ঘৰৰ পৰা বৰবজাৰলৈ কিছু দূৰ যদিও, পল্লৱে অভ্যাসবশতঃ চৌধুৰীৰ দোকানতে মাহেকীয়া বজাৰ কৰে। চৌধুৰী শিক্ষিত আৰু অমায়িক ভদ্ৰলোক, কথা পাতি ভাল লাগে। পিছে আজি পলম হ'লে বিপদ। পল্লৱৰ দেউতাকৰ আজি শ্ৰাদ্ধ। পুৱাই গোঁসাইঘৰতে ওচৰচুবুৰীয়া পাঁচজন ভকতক লৈ নাম গোওৱা আৰু সিহঁতৰ এপাৰ্টমেণ্টৰ পঞ্চাশটা ফ্লেটত গৈ, প্ৰসাদ বিলোৱা কাম হৈ গ'ল। পিছে আজি কৰবীৰ কি জানো মন গ'ল, সৌৰভৰ নাট্যদলৰ বন্ধুবৰ্গক আবেলি চাহ-মিঠাই খুৱাবলৈ ঘৰলৈ মাতিছে। তাৰ বাবেই ইমান দীঘলীয়া বজাৰৰ লিষ্ট।

দূৰৈৰ গুড়ৰ দোকানখন পল্লৱৰ চকুত পৰিল। বহুসময়ৰ পৰা দোকানখনলৈ এজনো গ্ৰাহক অহা দেখা নাই। হঠাতে, কৈশোৰৰ এটা মনত পেলাব নোখোজা মুহূৰ্তলৈ মনটোৱে তাক লৈ গ'ল। মস্ত একোছা আধাপকা মোছ আৰু ৰঙা চকুৰ গৰাকী দেউতাকে

পল্লৱক কৈছিল- 'গাঁৱৰ চাৰিআলিৰ মোৰ এই গেলামালৰ দোকানখন দেখিছ, অনবৰতে গ্ৰাহকৰ ভিৰ আৰু তোৰ সেই খুড়াৰৰ হাৰমনিয়ম, তবলা বেচা দোকানখনলৈ চা, দিনটোত এজন গ্ৰাহকো আহে নে নাই, সন্দেহ! মই ব্যৱসায় কৰি, বায়েৰ আৰু তোক গুৱাহাটীৰ কটন কলেজত পঢ়ুৱাইছোঁ আৰু সন্তানহীন তোৰ খুড়াৰেই, দুজন মানুহৰ সংসাৰ চলাব নোৱাৰে। তই গান-বাজনাৰ পিছত লাগি যদি জীৱন ধ্বংস কৰিব খুজিছ, তেন্তে ঘৰৰ বাহিৰ হ'ব লাগিব- মোৰ শেষ কথা। ডাক্তৰী পঢ়ুৱাম বুলি ভাবিছিলোঁ। দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত পালি ছেকেণ্ড ডিভিজন। এতিয়া যা, খুড়াৰৰ দোকানতে বহি সময় কটাগৈ।' দেউতাকৰ দোকানত থকা, বিশ-ত্ৰিশজন গ্ৰাহকৰ সন্মুখত অপমানবোধ কৰি, সিও দেউতাকৰ মুখে মুখে উত্তৰ দিছিল- 'খুড়াক বিচাৰি দোকানলৈ ভূপেন হাজৰিকা আহে, খগেন মহন্ত আহে, অসমৰ নামী-দামী শিল্পীসকল আহে।' লগে লগে তাৰ কাণত পৰিছিল এক প্ৰকাণ্ড চৰ, যিটোৱে তাৰ জীৱনৰ গতি সলাই দিছিল।

আৰম্ভ হৈছিল এক পৰোক্ষ বিক্ষোভ আৰু প্ৰত্যক্ষ তপস্যা। নগাঁও কলেজৰ স্নাতক মহলাত, সি জীৱবিজ্ঞানত ভৰ্তি হৈছিল। টাউনত ঘৰভাড়া লৈ, টিউচন কৰি তাৰ পইচাৰে, পঢ়া-থকাৰ খৰচ উলিয়াইছিল। বায়েকৰ বিয়াৰ সময়ত আৰু মাক ঢুকাওঁতে যোৱাৰ বাদে, সি ঘৰলৈ যোৱা নাছিল। আনকি সৰুৰে পৰা তাক, অতি মৰমেৰে গান শিকোৱা খুড়াকৰ সৈতেও, সি যোগাযোগ ৰখা নাছিল। পাগলৰ দৰে, সি কেৱল পঢ়িছিল আৰু পইচা ঘটিবলৈ টিউচনত পঢ়ুৱাইছিল। সময়ত, সেই তপস্যাই ফল দিছিল। জীৱবিজ্ঞানত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান পাইছিল সি। প্ৰথম স্থান পোৱা স্নাতকজনৰ বাবে ডিব্ৰুগড় মেডিকেল কলেজৰ প্ৰথম চীটটো সংৰক্ষিত আছিল, কেৱল ফৰ্মখন পূৰাব লাগে। পল্লৱে ফৰ্মখন নুপূৰালে। সেই খবৰ দিবলৈ আৰু প্ৰথম শ্ৰেণীৰ প্ৰথম হোৱাৰ মিঠাই খুৱাবলৈ সি দেউতাকক দোকানতে গৈ এদিন লগ কৰিলে। পল্লৱে ইতিমধ্যে গুৱাহাটী বিশ্ববিদ্যালয়ত জীৱবিজ্ঞানৰ স্নাতকোত্তৰ মহলাত নাম লগাইছিল। সেই খবৰটো দি সি দেউতাকক সেৱা কৰোঁতে তাক একো কোৱা নাছিল, মাত্ৰ তাৰ চুলিত হাত বুলাই নিঃশব্দে বোধহয় আশীৰ্বাদ দিছিল।

দেউতাকৰ চলচলীয়া চকুযুৰি আৰু চুলিৰ স্পৰ্শৰ অনুভূতিয়ে পল্লৱক যেন কঁপাই তুলিলে আৰু সি অতীতৰ পৰা উভতি আহিল। ইতিমধ্যে লিষ্টমতে বস্তুবোৰ মোনাত ভৰোৱা হৈছিল। পল্লৱে চৌধুৰীক পইচা দি বিদায় ল'লে। সদায় কৰাৰ দৰে দোকানৰ ল'ৰাটোৱে, পাৰ্কিঙত থোৱা পল্লৱৰ গাড়ীত বস্তুবোৰ ভৰাই দি গুচি গ'ল।

পল্লৱ ঘৰুমুৱা হ'ল, কিন্তু এৰাবাটৰ সুৰে তাৰ লগ নেৰিলে। স্নাতকোত্তৰ পৰীক্ষাত প্ৰথম হৈ সোণৰ পদক পোৱা আৰু নগাঁও কলেজত প্ৰবক্তা হিচাপে যোগদান কৰা খবৰ দিওঁতেও দেউতাকৰ চকু সেমেকি উঠা পল্লৱৰ মনত পৰিল। তাৰ বিয়াৰ সময়ত দৰা হিচাপে দেউতাকক সেৱা কৰোঁতে, কেঁচুৱা সৌৰভক প্ৰথম কোলাত লওঁতে, স্থায়ীভাৱে সিহঁতৰ

ভিতৰ সোমায়েই পল্লৱৰ চকু যেন থৰ হৈ গ'ল। এশজনীয়া হলটোৰ চকীবোৰ ভৰা, ভিতৰত ছোচাইটিৰ পুৰুষ, মহিলা আৰু সৌৰভৰ বন্ধুবোৰ বহি আছে। হলটো ফুলেৰে সুন্দৰকৈ সজোৱা। হলৰ সন্মুখত মঞ্চত সুসজ্জিত মেজ আৰু পিছফালৰ বেৰৰ বোৰ্ডখন, চাটিনৰ কোঁচ দিয়া নীলা পৰ্দাৰে ঢাকি থোৱা আছে। পল্লৱে একো বুজি নাপালে।

ঘৰত থাকিবলৈ দেউতাকক লৈ আনোতে, দেউতাকৰ এই কোমল, অসহায় ৰূপটো সি বহুবাৰ দেখিছিল। কিন্তু কিয় জানো, দেউতাকক এনেকৈ দুৰ্বল হোৱাটো সি সহ্য কৰিব পৰা নাছিল। দেউতাক যেন সদায়, মানুহে চকুলৈ চাবলৈ ভয় কৰা, সিংহৰ দৰে হৈ থাওক। এনে কোমল মুহূৰ্তবোৰত দেউতাকক সাবটি ধৰিবলৈ তাৰ মন গৈছিল। কিন্তু বেমাৰ হ'লে, 'গাটো ভাল পাইছেনে', পুৱা বাৰাণ্ডাত বাতৰি কাকতখন আনি দি,

'এইখন আজিৰ পেপাৰ' বা 'কৰবীয়ে ভাত খাবলৈ মাতিছে'- লেখীয়া কথাৰ বাহিৰে সি আন একো কথাই দেউতাকৰ সৈতে বহি পাতিব পৰা নাছিল। সি ভালকৈ বুজি পাইছিল যে কলেজৰ পৰা আহি নোপোৱালৈকে দেউতাক তাৰ বাবেই আগফালৰ বাৰাণ্ডাত বহি আছিল। কিন্তু সি কাষৰ চকীখনত কেতিয়াও বহিব পৰা নাছিল। দেউতাকেও অৱশ্যে তাৰ পৰা কেতিয়াও একো দাবী কৰা নাছিল।

কিন্তু দেউতাকে, নাতিৰ সৈতে কথা পাতি সোলা মুখেৰে ধেকধেকাই হাঁহি থকা সৰু ল'ৰাৰ দৰে নাতিৰ সৈতে কাজিয়া কৰা আদি দৃশ্যবোৰ চাই পল্লবে আমোদ পাইছিল। কৰবীৰ আগত কোৱা দেউতাকৰ কৈশোৰৰ ফুচুৰি কথা বা জীৱনৰ সংঘাতৰ কথাবিলাক কৰবীৰ মুখেৰে শুনাতকৈ, দেউতাকৰ কাষত বহি শুনিবলৈ মাজে মাজে তাৰ মন গৈছিল। কিন্তু নহ'ল, দহ বছৰ আগতে তাৰ দেউতাক পৃথিৱীৰ পৰা হেৰাই গৈছিল।

ঘৰত বজাৰৰ বস্তু নমাই, হাত মুখ ধুই পল্লৱে কৰবীৰে সৈতে কোমল চাউল আৰু দৈৰ জলপান খাবলৈ বহিল। সৌৰভ হেনো কৰ'বালৈ গৈছে, দেৰিকৈ খাব। ডাইনিং টেবুলৰ একাষে গুচাবলৈ থোৱা আদা, নহৰুৰ দ'মটো দেখি 'হেৰা, আজি বহুত আয়োজন কৰিছা নেকি'- বুলি পল্লৱে সুধিবলৈহে পালে, কৰবী জাঙুৰ খাই উঠিল- 'আপোনাৰ সেইবোৰ দৰকাৰ নাই, আপুনি এঘণ্টামান বাগৰ দিয়কগৈ। পাঁচ বজাত সৌৰভৰ বন্ধুবোৰ আহিব।'

পল্লৱ শুই উঠিলহে মাত্ৰ, কৰবীয়ে পাটৰ ৰঙীন কাপোৰ এযোৰ পিন্ধি, লৰালৰিকৈ আহি 'পাটৰ কুৰ্তা আৰু নতুন পায়জামা পিন্ধি লওক, মই অলপ তলৰ হাজৰিকানীৰ ঘৰৰ পৰা আহোঁ'- এইবুলি কৈ, কিবা সুধিবলৈ পোৱাৰ আগতেই ওলাই গ'ল। পল্লৱে একো বুজি নাপালে যদিও কৰবীৰ আদেশ মানি সাজু হ'ল।

সৌৰভ আহিল। মাকে তললৈ মাতিছে বুলি এপাৰ্টমেণ্টৰ গ্ৰাউণ্ড ফ্লোৰত, পাৰ্কিঙত একাষে থকা কমিউনিটি হললৈ, পল্লৱক লৈ গ'ল।

ভিতৰ সোমায়েই পল্লৱৰ চকু যেন থৰ হৈ গ'ল। এশজনীয়া হলটোৰ চকীবোৰ ভৰা, ভিতৰত ছোচাইটিৰ পুৰুষ, মহিলা আৰু সৌৰভৰ বন্ধুবোৰ বহি আছে। হলটো ফুলেৰে সুন্দৰকৈ সজোৱা। হলৰ সন্মুখত মঞ্চত সুসজ্জিত মেজ আৰু পিছফালৰ বেৰৰ বোৰ্ডখন, চাটিনৰ কোঁচ দিয়া নীলা পৰ্দাৰে ঢাকি থোৱা আছে। পল্লৱে একো বুজি নাপালে।

মঞ্চত ইতিমধ্যে এপাৰ্টমেণ্টৰ সভাপতি আৰু অসমৰ খ্যাতনামা সংগীতজ্ঞ ৰঞ্জন মহন্ত বহি আছিল। সৌৰভে পল্লৱক নি তৃতীয়খন চকীত বহুৱালেগৈ। তিনিওকে গামোচা পিন্ধাই সম্বৰ্ধনা জনালে, কৰবী আৰু হাজৰিকানীয়ে। পল্লৱ যেন চেতনাশূন্য, সি যি দেখিছে, যি শুনিছে সেয়া যেন সপোনত ঘটি থকা এক কাহিনী, যিবোৰ নীৰৱ দৰ্শক হিচাপে কেৱল চাবহে পাৰি; একো কৰাৰ অধিকাৰ নাই। মঞ্চত বহি থাকোঁতে, কৈশোৰৰ অনেক ছায়াছবিয়ে আহি পল্লৱৰ মনত জুমুৰি দি ধৰিলে। কটন কলেজৰ মঞ্চ- য'ত তাক শ্ৰেষ্ঠ কণ্ঠশিল্পীৰ পুৰস্কাৰ দিয়া হৈছে; আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতাৰ পুৰস্কাৰ প্ৰদানৰ মুহূৰ্ত; লতাশিল খেলপথাৰত, হেজাৰ হেজাৰ শ্ৰোতাৰ আগত, বিহুৰ মঞ্চত গীত গোৱাৰ দৃশ্য ভাহি আহিল। দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ আগে আগে, ঘৰত নজনোৱাকৈ ভূপেনদাৰ বাদ্যযন্ত্ৰীসকলৰ সৈতে, গীটাৰ বজাবলৈ ৰেলত কলিকতালৈ যোৱাৰ ছবিও মনত জিলিকি উঠিল।

'আজি এটা বিশেষ দিন'- মঞ্চৰ একাষৰ ষ্টেণ্ডটোৰ মাইকত, সৌৰভৰ মাতটো শুনি, পল্লৱ বাস্তৱলৈ ঘূৰি আহিল। সৌৰভে নাটকৰ সংলাপ কোৱা, গলগলীয়া কণ্ঠস্বৰেৰে কৈ গ'ল- 'আপোনালোকৰ কোনেও নিশ্চয় নাজানে যে মোৰ দেউতা, কটন কলেজৰ শ্ৰেষ্ঠ গায়ক আছিল। মোৰ ককাই দেউতা ডাক্তৰ হোৱাটো বিচাৰিছিল আৰু সংগীতৰ অনুৰাগে দেউতাক বিপথে নিব বুলি ভয় কৰিছিল। দেউতাই সেয়ে, সংগীত সম্পূৰ্ণভাৱে ত্যাগ কৰি, জীৱনত আগুৱাই গ'ল ; সফলো হ'ল, অথচ শিক্ষকতাৰ বৃত্তি গ্ৰহণ কৰি খ্যাতিয়ে

সততে ঢুকি নোপোৱা, সহজ জীৱন কটাই, অৱসৰ ল'লে। দেউতাৰ সাংগীতিক জীৱনৰ কথা, মোক বা মাক দেউতাই কেতিয়াও কোৱা নাছিল। ককাই আমাক সকলো কৈছিল, পিছে আমাক ককাই কোৱা বুলি দেউতাই নিশ্চয় নাজানে। দেউতাই আৰু এটা কথা নাজানে।'

সৌৰভে অলপ ৰৈ, পল্লৱৰ ফালে চাই মিচিকিয়াই হাঁহিলে। 'মোৰ ককাই আমাৰ সৈতে চহৰত থাকিবলৈ অহাৰ আগতে, নিজৰ গাঁৱৰ দোকান আৰু মাটি-সম্পত্তি বিক্ৰী কৰি দিছিল আৰু যি টকা পাইছিল সেয়া, মোৰ নামত বেংকত জমা কৰিছিল। মাক কৈছিল যে সেই টকাৰে নতুন প্ৰজন্মৰ কামত অহাকৈ, সংগীতৰ এটা ভাল প্ৰকল্প হাতত ল'ব লাগে। চৰ্ত এটাই দিছিল- সেই প্ৰকল্পটোৰ পৰিকল্পনা আৰু ৰূপায়ন মোৰ দেউতাই কৰিব লাগিব। আপোনালোকে নিশ্চয় নাজানে যে দেউতাই অৱসৰৰ পাছৰ পৰা মনে মনে গীত লিখাৰ চৰ্চা আৰম্ভ কৰিছে। অৱশ্যে মই আৰু মাই লুকাই চুৰকৈ দেউতাৰ সেই নোটবুকৰ সম্ভেদ উলিয়াইছোঁ। ককাৰ সপোনৰ সেই প্ৰকল্পটোৰ কথা আমি ৰাজহুৱা কৰিম- সংগীতৰ পথাৰত দেউতাৰ এক সহযোগেৰে। দেউতাৰ বাবে এয়া হ'ব ককাৰ আশীৰ্বাদ আৰু মা আৰু মোৰ ফালৰ পৰা এক চাৰপ্ৰাইজ উপহাৰ। মই, মাননীয় অসমৰ প্ৰথিতযশা শিল্পী, শ্ৰীযুত ৰঞ্জন মহন্তদেৱক এই চাৰপ্ৰাইজ উপহাৰটি উন্মোচন কৰিবলৈ অনুৰোধ জনালোঁ।'

ৰঞ্জন মহন্তই মঞ্চৰ পিছফালে থকা বোৰ্ডৰ সন্মুখৰ নীলা পৰ্দাখন টানি দিওঁতে, মহন্তক কৰবী আৰু সৌৰভে সহায় কৰি দিলে। ছোচাইটিৰ সভাপতিজন আৰু পল্লৱ মঞ্চৰ একাষে থিয় হৈ চাই থাকিল।

এখন সুদৃশ্য বেনাৰত, পল্লৱৰ উৎফুল্লিত মুখৰ এখন ছবি আৰু তাৰ কাষত ডাঙৰ ডাঙৰ আখৰেৰে লিখা আছে- "পল্লব বৰুৱাৰ গীতৰ প্ৰথম সংকলন 'সুৰৰ সপোন' উন্মোচন।"

পল্লৱৰ চকুৰে সৰসৰকৈ চকুলো বাগৰি অহা দেখি সৌৰভ তাৰ কাষলৈ আহিল। সি দেউতাকক সাবটি ধৰিলে। পল্লৱৰ অনুভৱ হ'ল, সিও যেন জীৱনত প্ৰথমবাৰ, তাৰ নিজৰ দেউতাকক সাবটি ধৰিছে।

●

গ
ল্প

# নিশাৰ ফুল

**হৰিচন্দ্ৰ ডেকা**

"পলাশী .............!

ছোৱালীজনীয়ে বিদিশাৰ ফালে ঘূৰি চালে। অচিনাকি মানুহ এগৰাকীয়ে আচম্বিতে এইদৰে তাইৰ বাহুত খামুচি ধৰি দুৰ্বোধ্য ভাষাত কিবাকিবি কৈ থকা দেখি আচৰিত হ'ল। কথা কোৱাৰ ধৰণ চাই মানুহগৰাকী মানসিকভাৱে অসুস্থ বুলিও পতিয়ন যাব নোৱাৰি। কিবা এটা যে ভুল হৈছে কথাটো বুজিব পাৰি ছোৱালীজনীয়ে কোনো প্ৰতিক্ৰিয়া নেদেখুৱাই কেৱল আতুৰ মাতৃগৰাকীৰ চকুলৈ একেথৰে চাই থাকিল। কাষতে থকা ছোৱালীজনীৰ মাক উধাতু খাই দৌৰি আহিল; কন্যাক মানুহগৰাকীৰ কবলৰ পৰা উদ্ধাৰ কৰাৰ মানসেৰে তাইক আঁতৰাই নিবলৈ চেষ্টা কৰিলে। ইতিমধ্যে এজন আদবয়সীয়া লোক, বোধকৰো মানুহগৰাকীৰ স্বামী, বেগাবেগিকৈ আহি পত্নীৰ হাতখন ছোৱালীজনীৰ বাহুৰ পৰা আঁতৰাই মাতৃ কন্যালৈ হাত জোৰ কৰি হিন্দীতে ক'লে–

"বেয়া নাপাবা দেই মাজনী! তুমি আমাৰ ছোৱালীৰ বয়সৰ। আমাৰ একমাত্ৰ সন্তান ছোৱালীজনীৰ মৃত্যুৰ পাছত এওঁৰ কিবা এটা হ'ল। তাইৰ বয়সৰ সকলো ছোৱালীকে আমাৰ মইনাজনী বুলি ভাবে। তোমাকো সেই একে ভুলেই কৰিলে।"

এইবাৰ মাকৰ ফালে চাই ক'লে–

"মই বৰ দুঃখিত আপোনালোকক আমনি দিয়া কাৰণে।"

"নাই নাই আঙ্কল, আপুনি তেনেকৈ নক'বচোন। আণ্টিয়েনো কি বেয়া পাবলগীয়া কাম কৰিলে? সকলোৰে এনেকুৱা ভুল হয়। তাতে এখেতে মানসিক শ্বক এটা পাইছে।"

এইবাৰ বিদিশাই দৃঢ়তাৰে হিন্দী আৰু ইংৰাজী মিশ্ৰিত ভাষাৰে ন দি ক'লে–

"মোৰ ভুল হোৱা নাই। এয়া আমাৰ পলাশী হ'বই লাগিব। মই তাইৰ চকু চায়েই চিনি পাইছোঁ। মোলৈ মৰমতে চাই এনেকৈ মোৰ ফালে তাই ডিঙিত আকোঁৱালি ল'বলৈ দৌৰি আহে। আজি আনদিনাৰ দৰে অহা নাই কাৰণে আচৰিত হৈছোঁ।"

ইতিমধ্যে ছোৱালীজনীৰ দেউতাকো উপস্থিত হ'ল। মানুহগৰাকীৰ সকলো কথা তেখেঁত মন দি শুনিলে। ক্ষন্তেক কিবা ভাবি ওচৰৰ মুকলি ৰেষ্টুৰেণ্টখনলৈ পতি-পত্নীহালক মাতি লৈ গৈ আথে বেথে মানুহগৰাকীক বহুৱাই দিলে। স্বামীয়ে বিদিশাৰ হাতখন এৰুৱাই আনিলে যদিও ক'ব নোৱৰাকৈয়ে ছোৱালীজনীৰ কাষৰ চকীখনতে

বহি লৈ তাইৰ হাতখন আকৌ এবাৰ কোলাত তুলি ল'লে। হাত দুখনত সাবটি ধৰি তেনেকৈয়ে মুখৰ ফালে একেধ্যানে চাই থাকিল। মাকে কিছু অস্বস্তি অনুভৱ কৰিছে যদিও ছোৱালীজনী নিৰ্বিকাৰ। জীয়ৰীৰ স্নেহত আকলুৱা মানুহগৰাকীৰ মনৰ বেদনা হয়তো বুজি পালে। এনেকৈয়ে কিছু সময় মাতৃস্নেহত ডুবি থাকক, এয়াই হয়তো তাইৰ অনুভৱ।

ছোৱালীজনীৰ দেউতাকে সকলোৰে কাৰণে কফি আৰু কিবাকিবি খোৱা বস্তুৰ ফৰমাইচ দিলে।

"এতিয়া কওকচোন মিঃ .....অ' কথাহে পাতি আছোঁ, পৰিচয়ে এতিয়ালৈকে জানিব পৰা হোৱা নাই। কওকচোন ক'ৰ পৰা আহিছে আপোনালোক!"

"মোৰ নাম পৰাণ চহৰীয়া, এওঁৰ নাম বিদিশা, মোৰ ধৰ্ম্ম পত্নী। আমি অসমৰ পৰা আহিছোঁ।"

"মই সনজিৎ ফোগলা। জয়পুৰৰ স্থায়ী বাসিন্দা যদিও দিল্লীত ব্যৱসায় কৰাৰ সূত্ৰে ইয়াতে ঘৰ দুৱাৰ কৰিছোঁ। ছোৱালীজনীক লিজা বুলি মাতোঁ। এওঁ ইন্দুমতি, লীজাৰ মাক। আমাৰো একেজনীয়ে ভগৱানৰ দান। দিল্লীতেই পঢ়ি আছে। এতিয়া কওকচোন কথাখিনি বহলাই।"

"মই বেঙ্কত চাকৰি কৰোঁ। এওঁ শিক্ষয়িত্ৰী আছিল যদিও মোৰ সঘনাই বদলি হৈ থকা চাকৰিটোৰ কাৰণে ছোৱালীজনীৰ পঢ়া শুনাত ব্যাঘাত হ'ব বুলি চাকৰিৰ পৰা ইস্তফা দিলে। আগে পিছে তায়েই আমাৰ। ছোৱালীজনীয়ে কেন্দ্ৰীয় বোৰ্ডৰ ছেকেণ্ডাৰী পৰীক্ষা সুখ্যাতিৰে পাছ কৰাৰ পাছত দিল্লীত পঢ়িবলৈ মন কৰিলে। তাইৰ মনৰ ইচ্ছা পূৰণ কৰাত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিব নুখুজি মই দিল্লীলৈ পঠোৱাৰ পক্ষপাতী যদিও মাকে কোনোমতে কথাটো মানি নলয়। জীয়েকক কেতিয়াও চকুৰ আগৰ পৰা দূৰলৈ পঠিয়াব নোখোজে– এয়া কেতিয়াও হ'ব নোৱাৰে। ইমান সৰু হৈ আছে তাই। তাইক দিল্লীৰ নিচিনা ৰাক্ষসেৰে ভৰি থকা চহৰ এখনলৈ পঠিওৱাৰ পাছত মই দুশ্চিন্তাতে আধামৰা হ'ব লাগিব। আৰু এটা কথা; তাই যোৱাৰ পাছত ময়েই বা কাৰ লগত থাকিম। আপুনিতো ন বজাত ওলাই গৈ নিশা দহ বজাত ঘৰ সোমায়।"

"কি কথানো কোৱা হে পলাশীৰ মাক! এনেকৈ জীয়ৰীক সদায় কোলাত বহুৱাই ৰাখিলে হ'ব নেকি? সংসাৰ সমুদ্ৰত তাই এদিন নিজেই সাঁতুৰিব লাগিব। এতিয়াই এৰি নিদিলে সদায় পৰমুখাপেক্ষী হৈ থাকিব। তেতিয়া তোমাৰ আৰু বেছি দুখ লাগিব। আৰু এটা কথা; আজি নহয় কাইলৈ তাইক বিয়া দিবই লাগিব। তেতিয়া আৰু বেছি কষ্ট পাবা। এতিয়াৰ পৰাই দূৰত থকাৰ অভ্যাস কৰাচোন; দেখিবা বিয়াৰ পাছত হাত জোকাৰি তাই আমাৰ পৰা বিদায় ল'ব।"

মাকৰ ওচৰত জেদ নধৰিলে যদিও তাইৰ মন ভাগি পৰিল। লগৰ সকলোকে ইতিমধ্যে কৈছে তাই দিল্লীত পঢ়িব বুলি; এতিয়া তাইৰ অন্তৰে কেতিয়াও গুৱাহাটীত এড্‌মিচন ল'বলৈ অনুমতি নিদিয়ে। এইটো মনৰ অৱস্থাৰে তাইক গুৱাহাটীত পঢ়িবলৈ বাধ্য কৰালেও কেতিয়াও ভাল ফলাফল আশা কৰিব পৰা নাযাব; যাব নোৱাৰাৰ কথা শুনিয়ে তাইৰ মন একেবাৰে ভাগি পৰিছে।

"চোৱা বিদিশা! পলাশী আমাৰ একমাত্ৰ সন্তান। তাই অশান্তিত থাকিলে আমাৰ কি শান্তি হ'ব তুমিয়ে কোৱাচোন! যিটো দেখিছোঁ তাই গুৱাহাটী ইউনিভাৰ্ছিটিত পঢ়িলে কেতিয়াও পঢ়াত মন বহুৱাব নোৱাৰিব। পাছত দেখিবা ছেকেণ্ডাৰীত ইমান ভাল নম্বৰ পোৱা ছোৱালীজনীয়ে আধাতে পঢ়া সামৰিছে। এনেয়েও তিনি বছৰৰ মূৰে মূৰে বদলি হোৱা মোৰ চাকৰি। অসমত থাকিলেও উচ্চ শিক্ষা তাই আমাক এৰি পি জিত থাকিয়েই কৰিব লাগিব। তাতকৈ এতিয়াই যাওক। তাইৰো মনোবাঞ্ছা পূৰ্ণ হ'ব।"

"তেতিয়া হ'লে ঠিক আছে। বাপেক জীয়েকৰ কথা মতেই হওক; কিন্তু মোৰো এটা চৰ্ত আছে। ময়ো যাম তাইৰ লগত। তাইক অকলে মুঠতে তাত থাকিব নিদিওঁ।"

সিদ্ধান্ত হ'ল পলাশীৰ লগত মাকো থাকিব দিল্লীত। মাকক লৈ যোৱাৰ ইচ্ছা নাছিল যদিও দিল্লী বিশ্ববিদ্যালয়ত পঢ়াৰ হেঁপাহত মাকৰ কথাতে সন্মতি দিলে। অৱশ্যে মাক লগত থাকিলে তাই ভালেই পায়।

"মাক জীয়েকক কলেজৰ ওচৰতে ফ্লেট এটা ঠিক কৰি দি কৰ্তব্যৰ খাতিৰত অকলে মই অসমলৈ গুচি গ'লোঁ। এইদৰে মাকৰ আঁচলত ধৰিয়ে তাই ভালদৰে বি এছ চি পাছ কৰিলে। এইবাৰ মাকক থেনথেনাবলৈ ধৰিলে–

"মা! মই এতিয়া ডাঙৰ হৈছোঁ। নিজৰ কাম নিজে কৰিব পৰা হৈছোঁ। মোক কিমানদিনলৈ এইদৰে তোমাৰ মৰমেৰে আৱৰি ৰাখিবা? লগৰ ছোৱালীৰ আগত লাজ কৰণি॥ 

পোৰা হৈছোঁ। সিহঁতে মোক কেঁচুৰা বুলি জোকায়। সিহঁতে আৰু কি কয় জানানে মা?"

"কি ক'লি তই? মোৰ লগত থাকিবলৈ এতিয়া লাজ পোৰা হ'লি? যিজনী ছোৱালীৰ এতিয়াও মোৰ লগত নুশুলে টোপনি নাহে তাইৰ আকৌ বান্ধৱীৰ আগত লাজ লাগে মাকৰ লগত থকা কাৰণে। তোৰ লগৰ কোনোৱে মাক দেউতাকৰ লগত নাথাকে নেকি?"

"স্থানীয় সকল থাকে। বাহিৰৰ পৰা অহা বিলাক পি জিত নতুবা ভাৰাঘৰ লৈ থাকে।"

"অ' সেইকাৰণে তই মোৰ লগত থাকিবলৈ লাজ পোৰা হ'লি।"

"তেনেকুৰা কথা নহয় অ' মোৰ মৰমৰ মা। মই তোমাক বৰ ভাল পাওঁ। তুমি কাষত নাথাকিলে সঁচাকৈয়ে মোৰ টোপনি নাহে। আগতে মই দিল্লীৰ আওভাও পোৱা নাছিলোঁ। তুমি থকাই মোৰ সুবিধা হৈছিল। এতিয়া মই সকলো জনা হৈছোঁ। আজিকালি মইহে তোমাক লৈ ফুৰিব লাগে দেখোন।"

"অ' বুজিলোঁ। এতিয়া মই তোৰ বোজা হৈ পৰিলোঁ।"

"তেনেকুৰা কথা নহয় মা।"

এইবুলি কৈ তাই মাকৰ ডিঙিত আকোঁৱালি ধৰিলে, যিদৰে আজি লিজাই আকোঁৱালি ধৰিব বুলি আশা কৰি আছিল। এইবাৰ মাকৰ কান্ধত মূৰটো গুঁজি দি আৱেগিক হৈ ক'লে--

"আচলতে এই বয়সত দেউতাই নিশা আহি আকৌ ৰন্ধা বঢ়া কৰি খোৱা কথাটো মোৰ বৰ এটা ভাল লগা নাই। নিজকে বৰ স্বাৰ্থপৰ যেন লাগে। মোৰ সহায়ৰ কাৰণে দেউতাৰ কথা নাভাবি তোমাক মোৰ ওচৰত ৰখা বুলি দুখ অনুভৱ হয়।

"ঠিক আছে, ঠিক আছে। তোৰ দেউতাৰলৈ বাৰু বৰ দুখ বুজিলোঁ। এতিয়া কচোন লগৰ ছোৱালীয়ে কিয় জোকায়?"

"ধেমালি কৰে অ' মা।"

"তথাপি ক'চোন শুনো লগৰীয়াবোৰৰ কি ধাৰণা মাকবোৰৰ প্ৰতি।"

"একো বেয়াকৈ নকয়। জোকায় অ'। কয়–

'অই পলাশী ! তোক যে এতিয়াও মায়ে পহৰা দি থাকিব লাগে, বিয়া দিলে কি কৰিবি তই? মাৰকো স্বামীৰ ঘৰলৈ লৈ যাবি নেকি? আমাক চা ! টেন পাছ কৰাৰ পাছতে অকলে আমাক হোষ্টেলত পেলাই থৈ গৈছে, পইচা লাগিলে ফোন কৰিম বুলি জানে কাৰণে নিজে ফোন এটাও নকৰে। আমাক বিয়া দিলেও মা দেউতাৰ অনুভৱে নহ'ব। তই পিছে কি কৰিবি? মাৰকো লৈ যাব লাগিব দেখোন।' এনেকৈ ধেমালিহে কৰে দেই মা। সঁচাকৈয়ে মনৰ পৰা কয় বুলি নাভাবিবা।"

"বৰ নিলাজ দেই তোৰ বান্ধৱীবোৰ।"

চহৰীয়াই পানী এবটল ঢোকঢোকাই পি আকৌ ক'বলৈ ধৰিলে।

"ময়ো লাহে লাহে অকলে ৰান্ধি বাঢ়ি খোৱাত অসুবিধা পাবলৈ ধৰিলোঁ। দুই এটা বেমাৰেও লগ দিলে। এম এছ চিত এডমিচন দিয়াৰ সময়ক মই আকৌ আহিলোঁ দিল্লীলৈ। তায়ো অলপ স্বাধীনতা পাওক। এইবুলি ভাবি তাইক ক'লোঁ–

"আইজনী অ' ! এইবাৰ মাৰক লৈ যাম দে। তই দিল্লীৰ আও ভাও পোৱা হ'লি। আমাক চহৰৰ অলি গলি দেখুৱাব পৰা হ'লি। এতিয়াৰ পৰা তোৰ দায়িত্ব তোৰ নিজৰ ওপৰত। তয়ে তোৰ অভিভাৱক। ভালদৰে এম এছ চি কৰি ইয়াৰে ভাল প্ৰতিষ্ঠান এটাত কিদৰে গৱেষণা কৰিব পাৰ তাৰেই চেষ্টা কৰ। এয়াই তোৰ ইচ্ছা নাছিল জানো?"

"পাৰিম দেউতা ! মোৰ একো অসুবিধা নহয়। টানে বিপদে এছোচিয়েশ্যনৰ ল'ৰা–ছোৱালীবোৰ আছে নহয়। আমি প্ৰায়ে লগ হওঁ। তোমালোকে অকণো চিন্তা নকৰিবা।"

"ল'ৰা-ছোৱালীৰ প্ৰতি মাক দেউতাকৰ চিন্তাৰ কেতিয়াবা যতি পৰে জানো? চিন্তা আমাৰ সদায় থাকিব। চহৰখনৰ কথা আমাতকৈ তই বেছিকৈ বুজিবি তথাপিতো কওঁ ৰাতিলৈ বাহিৰত নাথাকিবি। নিশাৰ দিল্লী বৰ ভয়ানক। মানুহক চিনি পোৱা বৰ কঠিন কাম। আটাইতকৈ বিশ্বাসীজনকো সম্পূৰ্ণ বিশ্বাস নকৰিবি। এনেকুৰা বিলাস বহুল চহৰত কেতিয়া পিছল মজিয়াত খোজ পৰি ভৰি পিছল খাবি গমেই নাপাবি। কিবা এটা নকৰিবলগীয়া কাম কৰিবলৈ যোৱাৰ আগতে আমাৰ মুখ দুখন মনত পেলাবি। মোৰ কথা যদি মনত ৰাখিব পাৰ এই কথাই জীৱনত তোক পদে পদে সহায় কৰিব। আমি এতিয়া যাওঁ।"

কেইজনীমান ইউনিভাৰ্ছিটিৰ বান্ধৱীৰ সৈতে ফ্লেট এটা ঠিক কৰি দি আমি গুচি আহিলোঁ। ইয়াৰ পাছত ফোন আৰু ভিডিঅ' কলেই আমাৰ যোগাযোগৰ একমাত্ৰ মাধ্যম হৈ পৰিল। স্বাধীনতা পাই তাই কেতিয়া পাৰ ভঙা নৈৰ নিচিনা হ'ল আমি গমেই নাপালোঁ। মাকে মাজে সময়ে মোক সোঁৰৱাই থাকে।

"তাইক দেখোন আজিকালি ফোনত প্ৰায়ে নাপাওঁ। দিনত যেন তেন ৰাতি ফোন কৰিলেও কয়– মা ! তোমাক অলপ পাছত ফোন কৰি আছোঁ। কেতিয়াবা পাছত ফোন কৰে, প্ৰায়ে নকৰে। আমি এবাৰ যাওঁ বলক তাই নো আচলতে কি কৰি আছে।"

মাকে কথাবোৰ ঠিকেই ভাবিছিল। মইহে ভেকাহি মাৰি উঠিলোঁ–

"তাই এইবাৰ ফাইনেল ইয়েৰ। সিদিনা তোমাক কৈছিল দেখোন, ভাল ইনষ্টিটিউট এটাত গৱেষণা কৰিবলৈ হ'লে ইণ্টাৰভিউ ভাল হ'ব লাগিব। সেয়েহে প্ৰিপাৰেচনৰ কাৰণে তাইৰ কেতিয়াবা ঘূৰি আহোঁতে দেৰী হয়।"

মাকৰ মনে নামানে। তেওঁৰ মতে ছোৱালীজনীক লৈ আহিব লাগে। তাই আগৰ ছোৱালীজনী হৈ থকা নাই।

"বুজিছে ! মই কথা এটা মন কৰিছোঁ। আগতে তাই কথা পাতিলে এৰিবই খোজা নাছিল, আজিকালি অলপ কথা পাতিয়েই তাই ফোন থ'ব খোজে।"

"দেউতা ! মোৰ অলপ ষ্টাডি মেটেৰিয়েল যোগাৰ কৰিবলৈ আছে, তোমাক পাছত ফোন কৰিম দিয়া।"

তাইৰ আৰু পাছত ফোন কৰা নহয়। মাকে যি সন্দেহ কৰিছিল অৱশেষত সেয়াই সত্যত পৰিণত হ'ল। এদিন দোভাগ নিশাৰ ফোন কল এটাই আমাৰ জীৱনৰ সকলো হিচাপ নিকাচ ওলট পালট কৰি দিলে।

"আঙ্কোল ! আপুনি পলাশীৰ দেউতাক হয়নে?"

হিন্দীতে কোৱা কথাখিনি শুনি উচপ খাই বহি পৰিলোঁ বিছনাতে।

"হয় কোৱাচোন !"

"পলাশী হস্পিতালত আছে।"

হস্পিতালখনৰ নাম ক'লে। আৰু কিবাকিবি কৈছিল, কাণত নোসোমাল। নিশাটোৰ বাকী ডোখৰ আমাৰ উজাগৰে গ'ল। পুৱাৰ বিমানতে দিল্লী পালোঁগৈ। তাইক আই চি ইউত ৰাখিছে। ভিতৰলৈ যোৱা নিয়ম নাই যদিও মাক মজিয়াতে লেপেটা কাঢ়ি বহি পৰাত যেনিবা কোনো শব্দ নকৰাৰ প্ৰতিশ্ৰুতিৰে পাঁচ মিনিটৰ কাৰণে যাবলৈ অনুমতি দিলে। ওলাই আহি কথাৰ অন্ত নপৰা মানুহজনীৰ যি এবাৰ মাত বন্ধ হ'ল, আজিও তেনেকুৱাই হৈ থাকিল। প্ৰয়োজনীয় কথা দুই এটাহে সুধিলে কয়।"

"আচলতে ঘটনা হৈছিল নো কি?"

এইবাৰ কেৱল শ্ৰোতাৰ ভূমিকা লৈ থকা সনজিৎ ফোগলাই কৌতূহলেৰে সুধিলে। কিছু সময় অন্যমনস্ক হৈ থাকি চহৰীয়াই কোৱা কথাখিনি এনেকুৱা।

নয়দাৰ ফালে দূৰণিবটীয়া ঠাইলৈ সিহঁতে এটা বাৰ্থডে পাৰ্টিত যোগ দিবলৈ গৈছিল। আনন্দ উল্লাসৰ মাজত কেতিয়া দুপৰ নিশা হ'ল সিহঁতে হেনো গমেই নাপালে। ছোৱালীহঁতে আচলতে তেতিয়ালৈকে নাজানেই বন্ধুৰ যে জন্মদিনটো আহি পৰাই নাই। নিশা বাৰ বাজিলেহে হেনো জন্মদিন পৰিব। তাৰ পাছত জন্ম দিনৰ ৰং ৰহইচ। এক বাজি যোৱাতহে হুচ আহিল। লগৰীয়াই চলাইছিল গাড়ী। পাৰ্টিৰ পৰা উভতি আহোঁতে এক্সপ্ৰেছ হাইৱেত গাড়ী নিয়ন্ত্ৰণ হেৰুৱাই দলঙৰ ৰেলিঙত খুন্দা মাৰিলে। তাৰ পাছত চহৰীয়া দম্পতীৰ সেয়া এক অন্য জীৱন পৰিক্ৰমা। হস্পিতালত তেওঁলোকৰ অন্তহীন অপেক্ষা। বহুদিনৰ প্ৰতীক্ষাৰ অন্তত ডাক্তৰে ঘোষণা কৰিলে--

"আপোনালোকক কথাটো কেনেকৈ কওঁ তাকেই ভাবিছোঁ; দুখ লাগিলেও আজি নহয় কাইলৈ সত্যটো ক'বই লাগিব। আপোনাৰ ছোৱালী জীয়াই আছে যদিও ক্লিনিকেলি ডে'ড। এয়া হয়তো অনন্ত অপেক্ষাও হ'ব পাৰে। জীৱনদায়িনী যন্ত্ৰপাতি আঁতৰাই দিলে সকলো শেষ।"

কান্দিব পৰাকৈ চকুপানী ইতিমধ্যে শেষ হৈ গৈছে। বিদিশা যেন এক জড় পদাৰ্থ। চকুৰ পতা জপাব পাহৰি গ'ল। ডাক্তৰে আকৌ ক'লে–

"পাৰ্থিৱ শৰীৰটো নোহোৱা হ'লেও আপোনালোকে তাইক জীয়াই ৰাখিব পাৰে, তাইৰ অঙ্গ দান কৰি; যদি সন্মতি দিয়ে এন জি অ'ৰ মানুহক খবৰ দিওঁ।"

তাইৰ ঈষৎ নীলা চকু দুটা বৰ ধুনীয়া আছিল। প্ৰথম লগ পোৱা মানুহে তাইৰ চকু দুটাৰ কথাই কয়। তাই মাকৰ ফালে চালেই মাকে বুজিব পাৰে তাইক কি লাগে বা তাই কি ক'বলৈ আহিছে। বিদিশাই অকল চকু দুটাহে দান দিবলৈ

অনুমতি দিলে। চকু দুটাৰেই তাইক জীয়াই ৰাখিব খোজে। একে ধৰণৰ দুটা পাথৰৰ চকু লগাই লৈ অৱশেষত আনুষ্ঠানিকতা সম্পূৰ্ণ কৰি আমাৰ মৰমৰ পলাশীৰ প্ৰাণহীন দেহটো অসমলৈ লৈ গ'লোঁ।"

ইমান সময় মনে মনে শুনি থকা সনজিৎ ফোগলা উত্তেজিত হোৱা যেন লাগিল–

"এয়া কেতিয়াৰ ঘটনা বাৰু?"

"ছমাহ হৈ গ'ল মাত্ৰ।"

ক'লে পৰাণ চহৰীয়াই তাৰিখটো।

"ইয়াৰ পাছত মাক একেবাৰে নিৰ্বাক হৈ পৰিল। মানসিক সন্তুলনো হেৰুৱা বুলি বহুতে ক'ব খোজে যদিও সেয়া নহয়। কেৱল তাই থকা ঠাইখন, ফ্লেটত থকা তাইৰ বিছনাখন এবাৰ প্ৰাণভৰি চাব খোজে। ইয়াৰ পাছত মোক হেনো কেতিয়াও আমনি নকৰে। মোৰ কাৰণেই এনেকুৱা হ'ল বুলি অনুভৱ হয় যদিও এওঁ কেতিয়াও মোক দোষাৰোপ কৰিব নোখোজে, এয়াই হয়তো বিধিৰ বিধান। ডাক্তৰে কথা বতৰা পাতি পৰামৰ্শ দিলে "এখেতৰ একো হোৱা নাই। শ্বক পাইছে সোনকালে ঠিক হৈ যাব। পৰিয়ালৰ সহযোগ লাগিব। সোনকালে এপাক ফুৰাই আনক। তেখেতে বিচৰা বস্তুবোৰ এবাৰ দেখুৱাই আনকচোন, চাব সকলো ঠিক হৈ যাব। নহ'লে তেখেতৰ মানসিক সন্তুলন হেৰাই যাব পাৰে। সেয়েহে আমাৰ এই দিল্লী যাত্ৰা।"

সনজিৎ আৰু ইন্দুৱে ইজনে সিজনৰ মুখলৈ চালে। তাৰ পাছত লিজালৈ চালে। সনজিতে থিয় হৈ তলমূৰ কৰি পাইচাৰি কৰিব ধৰিলে। তাৰ পাছত হঠাতে চহৰীয়া দম্পতীৰ সমুখলৈ চকীখন টানি আনি ক'বলৈ ধৰিলে–

"এই যে শান্তশিষ্ট হৈ বহি আছে আমাৰ লিজা, তাইৰো এনেকুৱা কাহিনী এটা আছে। শুনকচোন। আপোনাৰ ছোৱালীৰ নিচিনা তায়ো এটা ডাঙৰ দুৰ্ঘটনাত পতিত হৈছিল। বাকী সকলো ঠিকেই থাকিলেও চকু দুটা ভগৱানে কাঢ়ি লৈ গ'ল। তাইৰ লগে লগে আমাৰ দুটাৰ চকু থাকিও পৃথিৱীখন আন্ধাৰ দেখা হ'লোঁ। ডাক্তৰে এটা আশাৰ বাণী শুনালে।

কোনোবা দাতা পালে হেনো তাই আকৌ দৃষ্টি শক্তি ঘুৰাই পাব। এন জি অ'ৰ ফোন নং দিলে। তেখেতসকলে আমাক আশাৰ বাণী শুনালে। ক'লে দাতা পালেই তেওঁলোকে খবৰ দিব। কেৱল খবৰ পোৱা মাত্ৰকে যাতে ততাতৈয়াকৈ আহিব পৰাকৈ সাজু হৈ থাকোঁ, তাৰ কাৰণে সকীয়নি দি থ'লে। আপুনি কোৱা সেই তাৰিখটোতে নিশা আমাক ফোন কৰিলে। নিৰ্দিষ্ট হস্পিতালৰ ঠিকনাটো দিলে। সেই দোভাগ নিশাই আমাৰ মনত সূৰ্য্য উদয় হোৱা যেন লাগিল। ভগৱানৰ কৃপাত তাইৰ অপাৰেচন সুকলমে হৈ গ'ল। বহুত অনুনয় বিনয় কৰিলোঁ দাতাৰ ঠিকনা ফোন নং দিবলৈ। সেয়া হেনো নিয়মৰ বাহিৰত। দাতা আৰু দান গ্ৰহণ কৰোঁতা দুয়োটাৰে পৰিচয় হেনো ইয়াত গোপনে ৰখা হয়। বিধিৰ কি সংযোগ চাওকচোন! আজি আপোনালোকৰ ছোৱালীক বিধাতাই নিজেই আনি আপোনালোকৰ সমুখত হাজিৰ কৰি দিলে। মিছেছ বিদিশা চহৰীয়াই ঠিকেই কৈছে, এয়াই তেখেতৰ মৰমৰ পলাশী আৰু আমাৰ লিজা। মাতৃয়ে জীয়ৰীৰ চকু চিনি পোৱাত কেতিয়াও ভুল নকৰে।"

বিদিশাই লিজাক "তুমিয়ে মোৰ পলাশী" বুলি বুকুতে সাবটি ধৰি হুকহুকাই কান্দিবলৈ ধৰিলে।

●

গল্প



# বিষণ্ণ দেওবাৰ

**ৰাতুল বৰুৱা**

বজাৰ পোৱাগৈয়ে নাই। মন্দিৰটোৰ কাষেৰে ফুটপাথেদি গৈ আছো। হঠাৎ কাৰোবাৰ কৰ্কশ মাতত ঘূৰি চালো। হয়তো, মোকেই উদ্দেশ্যি এজনে বাক্যবাণ এৰিছে। 'চকু ফুটাব নেকি? ছাতিটো চম্ভালিব নোৱাৰে যদি লৈ ফুৰিছে কিয়?' মোৰো খং এটা উজাই আহিছিল, আৰে মই বিনা কামত ছাতিটো লৈ ফুৰা নাই নহয়। ওপৰত খাওঁ খাওঁ মূৰ্তিৰে বেলিটো। তুমি অনা নাই বেলেগ কথা। কিন্তু যাকে তাকে গালি পাৰিবা কিয়? সেই গোৱাৰ গোবিন্দটোৰ লগত তৰ্ক কৰিবলৈ মন নগ'ল। তাৰেই সুযোগ লৈ তেওঁ আকৌ মুখ খুলিলে– 'আনিছে যেতিয়া জপাই ল'ব লাগে'। এইবাৰ খঙৰ সলনি মোৰ হাঁহিহে উঠিল। আহ কি উদ্ভট যুক্তি! পিছে মই একো ক'ব লগা নহ'ল। কাষৰ চাহ দোকানীটোৱেই ফোৰণ দিলে। ছাতি জপাই থব লগা হ'লে বিক্ৰীয়েই নহ'ব দেখোন। ছাতি বনোৱা কোম্পানী আৰু ছাতি বেচোতা দোকানী, চব মৰিব। যিসকলে শুনিলে, সকলোৱে হাঁহিলে। সিজনে একো উত্তৰ নিদি ভোৰভোৰাই আগবাঢ়িল নিজ দিশত।

অৱশ্যে ছাতি লৈ এইটোৱেই মোৰ প্ৰথম অথন্তৰ নহয়। কেতিয়াবা দোকানীবোৰে টাৰ্প'লিন আঁৰি লোৱা ৰছীবোৰত ছাতিটো লাগি ধৰে। তেতিয়া বাধ্য হৈ জপাই ল'ব লগা হয়। অলপ মুকলি পালেই আকৌ মেলি লওঁ। এদিন দেখিলো মোৰ আগে আগে গৈ থকা এজনৰ প্ৰকাণ্ড ছাতিটো ৰছীত লাগি ধৰিছে। তেওঁ টনা আজোৰা কৰি আছে। পাছে ছাতি এৰায় নাহেহে নাহে। এজন দোকানীয়ে

আন এদিন সেই বাইদেউহঁতক অতিক্ৰমি যাওঁতেই দুজনীমানে চিঞৰি উঠিল-'অ দাদা, আজি একো নলয় নেকি ?' 'এ সিদিনা মূৰ দাঙিয়েই নাচালি। সেই ডাঙৰ ছাতি লোৱা বুঢ়া গ্ৰাহকজনৰ লগত ইমান ব্যস্ত, গতিকে মইনো, কিয় ৰৈ থাকো। গতিকে গুচি গলো।' তাৰে এজনীয়ে কৈ উঠিল- 'অ ছাতি লোৱা ককাৰ কথা কৈছ। নক'বি আৰু, ককাটো বৰ ভাল। কিমান বছৰ যে আমাৰ পৰা শাকপাচলি লৈছে মনতেই নাই। কোনো দিন দৰদাম নকৰে। মাত্ৰ লোৱা বস্তুবোৰ বাছি দিয়ে। আন এজনীয়ে ক'লে- 'ককা কিন্তু অংকত বৰ চোকা। হিচাপবোৰ ফৰফৰকৈ কৈ দিয়ে। অ' আমাক কি সোধে জান'। 'কি সোধে'? 'আমি বয়বস্তু ক'ৰ পৰা আনো, কিহত আনো, বজাৰৰ খাজানা দি, খোৱা বোৱা কৰি কিবা লাভ ৰয়গৈনে ?' কেতিয়াবা ৫০ বা ১০০ টকীয়া নোট এখন দি কয়- 'হো ল, তহঁতে কিবা কিনি খাবি ভোক লাগিলে। ককাটো বৰ মৰমিয়াল অ'। 'দে দে এতিয়া মোক শাক-পাচলি দে,ময়ো বৰ দয়ালু বুইছ।' সিহঁতে গিৰ্জনি মাৰি হাঁহিলে। 'হ'ব দে, ককাৰ দৰে আমাৰো খা-খবৰ কৰিবি।' 'বজাৰলৈ বহুত মানুহেই আহে। আমাৰ দৰে দুখীয়া মানুহক কোনেনো মৰমৰ মাত এষাৰ দিয়ে। ঢেঁকীয়া শাক এমুঠিত দহ টকা দিবলৈও দৰদাম কৰি থাকে।' সিহঁতৰ কথা শুনি মই নিমাত হৈ ৰ'লো। ককাজনৰ কথা যদি সিহঁতক কওঁ কিবা বুজিব জানো?

ক'ত আৰম্ভ কৰিছিলো ক'ত আহি পালোহি। গল্পৰ কাহিনীৰ দৰেই মোৰো কথাবোৰ বিক্ষিপ্ত চিন্তাৰ পাকঘূৰণিত ক'ৰ পৰা কি পালোগে। ক'ত বজাৰলৈ ছাতি মেলি আহি গালি খালো আৰু ক'ত সেইজনে সকলো ঋতুতে ছাটি মেলি বজাৰত নিৰ্লিপ্ত ভাৱে ঘূৰি থাকিল। কাকো কেৰেপ নকৰাকৈ নিজস্ব ষ্টাইলত। এইখন বজাৰ হেনো ৰজাদিনীয়া। ওচৰৰ কথা বাদেই, দূৰদূৰণিৰ পৰাও জনজাতীয় লোকসকল বেহাবলৈ এইখন বজাৰলৈ আহিছিল। এতিয়া পৰিসৰ কমি গ'ল যদিও জনজাতীয় লোকসকলৰ এচাম এতিয়াও আহে। সেইসকলৰ পৰা বস্তু কিনিবলৈ গ্ৰাহকৰ অভাৱ নাই। তেওঁলোকৰ মতে বাকী বস্তু সকলোতে পায়, কিন্তু তেওঁলোকে অনা কেঁকোৰা, শামুক, পলু আৰু পাহাৰীয়া শাক-পাত ক'ত পাব। বহুত শাক-পাতৰ নামহে শুনিছো, দেখাই নাই কেতিয়াও। সেইবোৰ কেতিয়াবা এওঁলোকেই

সৰু খুঁটি এডালেৰে কোবাই দিলতহে ছাতিটো এৰাই আহিল। মানুহজনে বিৰবিৰাই ছাতিটো কিছু জোকাৰি কৈ উঠিল - 'কি ব্যাপাৰ, জঞ্জাল এটা।' মানুহজনক চিনি পালোঁ। ওচৰতে থাকে। এজন বিখ্যাত ব্যক্তি। মোক তেওঁ চিনি নাপায়। তথাপি ক'লো। 'এটা সৰু ছাতি ল'লে সমস্যাটোৰ সমাধান হ'ব নিশ্চয়।' তেওঁ নিৰুদ্বিগ্ন স্বৰেৰে কলে- 'হ'ব পাৰে।' অলপ পাচতহে মোৰ মনলৈ আহিল- আৰে মোৰ ছাতিটোওচোন তেওঁৰটোৰ সমানেই। তথাপি কিয় ক'লো। উপায় নাই এনেই কথা কৈ কেতিয়াবা ভাল বিপদতে পৰিব লাগিব দেখোন।

তাৰ পাছতো বহুদিন তেওঁক দেখা পাইছো। মানে বেলতলা বজাৰত। লাহে লাহে খোজ দি ছাতিটো লৈ গৈ থাকে। খোজবোৰ কিছু দুৰ্বল। মুখত নুখুৰুৱা দাড়ি। কেতিয়াবা আকৌ দাড়ি খুৰোৱা নিমজ মুখ। গাৰ চোলাটোও বেচ ষ্টাইলিচ। এহাতত এটা ডাঙৰ মোনা। চকুৰে চকুৰে পৰিলে মাত এষাৰ দি চিনাকি হওঁ বুলি ভাবো। ইতিমধ্যে তেওঁ পাৰ হৈ যায়েই। মাত দিয়া নহয়গৈ।

এদিন দেখিলোঁ তেওঁ সোণাপুৰ অঞ্চলৰ পৰা অহা জনজাতীয় মহিলা কেইগৰাকীৰ লগত কিবা বয়বস্তু বাছি আছে। মুখত এমোকোৰা হাঁহি। এনে লাগিল সেইকেইগৰাকী তেওঁৰ বহুদিনৰ চিনাকি। কাৰণ মহিলা কেইগৰাকীয়েও বেচ হাঁহি স্ফুৰ্তিৰে তেওঁ বাছি দিয়া বস্তুবোৰ পাল্লাত উঠাইছে। এইটো নিৰ্ঘাত সত্য যে সেই কেইগৰাকীয়ে এইগৰাকী গ্ৰাহকৰ আচল পৰিচয়টো নাজানে। ময়ো তেওঁলোকৰ নিয়মীয়া গ্ৰাহক। কিন্তু সেই সময়ত সিহঁত তেওঁৰ লগত কথা বতৰাত ইমানেই মচগুল যে মোৰ ফালে নাচালেই। ময়ো কাকো বিৰক্ত নকৰো বুলি আগবাঢ়ি গ'লো।

আনে। আমাৰো ক'বলৈ হয়।

পিছে আজি বজাৰলৈ সোমোৱাৰ বাটতে সেই দন্দুৰাটোৰ গালি খাই মনটোৱেই বেয়া হ'ল। ছাতিটো জপাই এখোজ দুখোজকৈ বজাৰৰ সৰু সৰু দোকানবোৰৰ মাজেদি অন্যমনস্ক হৈ গৈ আছো। একো বয়বস্তু কিনা নাই। এনেতে দাদা দাদাকৈ কোনোবাই মতা শুনিলো। কাক বা কোনে মাতিছে। মই আগবাঢ়ি গৈ থাকিলো, এটা দোকানীয়ে সন্মুখৰ পৰা চিঞৰিলে। 'আপোনাক বাইহঁতে মাতিছে'। ঘূৰি চাই দেখিলো সেই সোণাপুৰৰ জনজাতীয় বাইদেউহঁতে মোৰ ফালে চাই হাঁহি আছে- 'অ দাদা, কি হ'ল আজি নৰলেইচোন। কিবা চিন্তা কৰি গৈ আছে যেন পাওঁ। মোনাটোও খালি', ঘূৰি আহি সিহঁতৰ সন্মুখত থিয় দিলো- 'এহ নকবি আৰু। বজাৰৰ মুখতে ষাঁড় এটাই খেদি আহিছিল। কোনোমতে পলাই সাৰিলো।' আটাইকেইজনীয়ে সমস্বৰে চিঞৰি উঠিল- 'এই যে, সেইটোৱে মানুহো খুচিব, শাক-পাতো খাই শেষ কৰিব দেখোন।' সিহঁতৰ চিন্তা নিৰসন কৰিবৰ বাবে সঁচা কথাটোকে কলো- 'নহয় অ, সেইটো দুঠেঙীয়া ষাঁড়হে।' মোৰ কথাত সিহঁতে বেচ ৰস পালে আৰু এজাউৰি হাঁহি ল'লে- 'এ দাদা বৰ জমনি দেই। এতিয়া কি ল'বি।'

সিহঁতৰ শাক-পাতবিলাক চাই মেলি থাকোতেই এজনীয়ে মাত দিলে-। 'অই দাদা, সেই যে ডাঙৰ ছাতিলৈ বজাৰলৈ আহে আৰু আমাৰ পৰা সদায় বয় বস্তু কিনে, সেই ককাটো বহুদিন অহা নাই দেখোন। কিবা বেমাৰ আজাৰ হৈছে নেকি ককাটোৰ। তই কিবা খবৰ পাৱ নেকি?' খন্তেক সময়ৰ বাবে তভক মাৰি ৰ'লো। মোৰ মুখৰ ভাব দেখিয়েই সিহঁতে কিবা সন্দেহ কৰিলে। 'ককা আৰু কেতিয়াও নাহে শাক পাত কিনিবলৈ । ককা সেই তালৈ গুচি গ'ল।' মই কথাখিনি কৈ আকাশলৈ আঙুলিয়ালো। কথাষাৰ ক'বলৈহে পালো। আটাইকেইজনীয়ে শব্দ কৰি কান্দিবলৈ ধৰিলে। ওচৰৰ দোকানীবোৰে কি হ'ল, কি হ'ল, বুলি হুলস্থুল কৰিলে। কাষেৰে পাৰ হৈ যোৱা সকলেও থমক খাই ৰৈ মোকেই সুধিবলৈ ধৰিলে- 'কি বা হ'ল ইহঁতৰ।' কোনোৱা এজনীয়ে কান্দোন সামৰি ক'লে– 'আমাৰ তাত সদায় বস্তু কিনিবলৈ অহা ককাটো ঢুকাই থাকিল। আমি ক'বই নোৱাৰো। কিমান যে ভাল আছিল ককাটো।' ওচৰৰ দোকানী কেইটায়ো যোগ দিলে- 'অ', ককাটোৱে বৰ মৰমেৰে বয়বস্তুৰ দাম সুধিছিল। কিন্তু কেতিয়াও দৰদাম নকৰিছিল। ইয়ে আল্লা, ককাক বেহেস্তত জেগা দিয়া।' কিছু সময়ৰ পাছত পৰিৱেশটো কিছু স্বাভাৱিক হোৱাতময়েই সিহঁতক ক'লো–"ককা বহু ওপৰৰ মানুহ আছিল। তেওঁ লেখা কিতাপ মানুহে খেদি খেদি পঢ়িছিল, প্ৰফেছৰ আছিল। কিন্তু চাচোন তহঁতৰ লগত ককাই কিদৰে কথা-বাৰ্তা হৈছিল। অনবৰতে যেন চিন্তাত আছিল আৰু সেইবোৰ লিখি কিতাপ উলিয়াইছিল।' সিহঁতে বুজা ভাষাতে কথাখিনি ক'লো। বেছিকৈ ক'লে সিহঁতে নুবুজিব বুলি ভাবি।

'ককাৰ নামটো কি আছিল অ' দাদা।' প্ৰশ্নটো শুনি থতমত খালো। কওঁ নকওঁকৈ ক'লো- 'এ তেওঁৰ নামটো আছিল মেধি- সুৰেন্দ্ৰ নাথ মেধি।' পিছে কম মানুহেহে তেওঁক সেই নামেৰে মাতিছিল। কি বুলিনো মাতিছিল অ ককাক'। 'চলিহা -সৌৰভ কুমাৰ চলিহা।' কথাকেইটা কওঁতে মোৰো মাতটো থোকা থুকিকৈহে ওলাল। আটাইকেই- জনীয়ে হাতযোৰ কৰি ওপৰলৈ চাই সেৱা জনালে। সিহঁতৰ ককাকক।

এখোজ দুখোজকৈ বয়বস্তু কেইটাৰ দাম দি আতৰি আহিলো। 'তেনেহ'লে চলিহাদেৰ বিদায়।' উচ্ছল দেওবাৰটো হঠাৎ বিষণ্ণ হৈ পৰিল।

●

গল্প

# সপোন

## দীপালী ডেকা

এতিয়া তাইৰ বাসস্থান হ'ল মানসিক চিকিৎসালয়। এটা নিৰল কোঠাত সোমাই থাকি থাকি তাইৰ একেবাৰে আমনি লাগি গৈছে। তাই কেতিয়াবা ভাবে তাই বাৰু সঁচাকৈয়ে মানসিক বিকাৰগ্ৰস্ত নেকি? তাইৰ এনে অৱস্থা কিয় হ'ল? তাৰ বাবে তাইয়ে দায়ী নেকি? তাইৰ আজি মনটো বৰ বেয়া। জীৱন ডায়েৰীৰ প্ৰতিখিলা পাত তাইৰ নতুনকৈ জুকিয়াই চাবলৈ মন গ'ল। এৰা, তাই পাগলী নহয়। তাইৰ এটা নাম আছে- সীমা চলিহা। তাই জন্ম লাভ কৰা নগৰখনত তাইৰ পৰিয়ালটোৰ এখন উচ্চ স্থান আছে। নগৰখনৰ আন কেইবাটাও পৰিয়ালৰ দৰে তাইৰ পৰিয়ালটো প্ৰতিপত্তিশীল। দেউতাক এজন সফল ব্যৱসায়ী। কোনো ধৰণৰ দুৰ্নীতি নকৰাকৈ দেউতাকে নিজৰ ব্যৱসায়টো চলাই আছে। মাক এগৰাকী সু-গৃহিনী। সীমা আৰু ককায়েক ৰাহুলক লৈ সিহঁতৰ এখন সুখৰ সংসাৰ।

ৰাহুল সীমাতকৈ তিনি শ্ৰেণী ওপৰত পঢ়ে। প্ৰাইমাৰী স্কুলৰ দেওনাখন পাৰ হোৱাৰ পাছত সীমাক ৰাহুলে পঢ়া হাইস্কুলখনতে নাম লগাই দিছে। এতিয়া দুয়ো ভাই-ভনী এখন ভাড়া কৰি দিয়া ৰিক্সাত একেলগে স্কুললৈ যায়। ৰাহুলক স্কুলৰ ছাৰ-বাইদেউ বা আন ছাত্ৰ-ছাত্ৰীবোৰে যথেষ্ট মৰম কৰে। । পঢ়া-শুনাৰ উপৰিও অন্য দিশতো সি আগবঢ়া। শান্ত-শিষ্ট, ভদ্ৰ ল'ৰা বুলি তাৰ এটা সুনাম আছে। সীমাই সেইখন স্কুলত নাম লগোৱাৰ পাছত তায়ো ককায়েকৰ দৰে এখন আসন পাবলৈ সক্ষম হৈছে। দেখিবলৈ ধুনীয়া, মৰম লগা সীমাজনী পঢ়া-শুনা , নাচ গান আদি সকলো দিশতে পাকৈত। স্কুলখনৰ কেন্দ্ৰবিন্দু হৈ পৰাৰ লগে লগে ঠাইখনৰো প্ৰতিটো পৰিয়ালত সীমাৰ কথা আলোচনা হয়। ঠাইখনৰ বাসিন্দাসকলে চলিহা পৰিয়ালৰ এই সংস্কাৰ, এই সফলতাত কেতিয়াবা ঈৰ্ষান্বিতও হয়। প্ৰতিটো শ্ৰেণীতে প্ৰথম স্থান পাবলৈ সক্ষম হোৱা সীমাই হাইস্কুল শিক্ষান্ত পৰীক্ষাতো ৰাজ্যৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰিলে। স্কুলখনৰ লগতে গোটেই নগৰখনত আনন্দৰ বন্যা। চলিহাৰ ঘৰখন লোকে-লোকাৰণ্য। সীমাক সম্বৰ্ধনা জনোৱা দল-সংগঠনৰ মাজত হেতা-ওপৰা লাগিল। আনন্দময় পৰিৱেশত কিছুদিন অতিবাহিত হ'ল। সময়ত চলিহাই সীমাক

ৰাজ্যৰ ভিতৰত লেখত ল'বলগীয়া কটন কলেজত নাম লগাই দিলে আৰু এদিন বেডিং পত্ৰৰে সৈতে তাইক কলেজ হোষ্টেলত থৈ আহিল। ল'ৰা-ছোৱালী দুয়োটা ঘৰৰ বাহিৰত থকাৰ পাছত চলিহা দম্পতিয়ে নিসংগ অনুভৱ কৰিছিল যদিও পাছলৈ সহজ হৈ পৰিৱেশৰ লগত নিজকে খাপ খুৱাই ল'লে।

এইফালে সীমায়ো কলেজ হোষ্টেল উভয়তে এটা নতুন পৰিৱেশত অলপ আচহুৱা অনুভৱ কৰিছিল যদিও দিন যোৱাৰ লগে লগে সহজ হ'বলৈ ধৰিলে। এবছৰমান দিনবোৰ ঠিকেই চলিছিল। সীমাই স্কুলৰ দৰে কলেজতো নিজৰ পাৰদৰ্শিতা সকলো দিশতে দেখুৱাবলৈ সক্ষম হৈছিল। কিন্তু লাহে লাহে যেন দিনবোৰ সলনি হ'বলৈ ধৰিলে। সীমাৰ জীৱনলৈ বহু পৰিৱৰ্তন নামি আহিল। সীমা যেন লাহে লাহে মুক হৈ যাবলৈ ধৰিলে। হাঁহি-ধেমালিৰে দিনবোৰ পাৰ কৰা সীমাই এতিয়া কাৰোৰে লগত কথা-বতৰা নাপাতে। প্ৰয়োজনতকৈ বেছি গহীন হৈ পৰা ছোৱালীজনীৰ চৰিত্ৰৰ পৰিৱৰ্তন সকলোৰে চকুত ধৰা পৰিল। ক্লাছতো পঢ়া-শুনাৰ প্ৰতি মনোযোগ কমি আহিল। সদায় অকলশৰীয়াকৈ থাকি ভাল পোৱা হ'ল। লগৰবোৰৰ মাজত বু-বু-বা-বা আলোচনা চলিল। সীমা বাৰু কাৰোবাৰ প্ৰেমত পৰিছে নেকি? কোন বাৰু সেইজন? কিন্তু উত্তৰ কোনেও নাপালে। কথাবোৰ গৈ ঘৰৰ মানুহৰ কাণতো পৰিল। মাক-দেউতাক, ককায়েক আটায়ে চিন্তিত হৈ পৰিল। এনেকৈয়ে দিনবোৰ পাৰ হৈছিল যদিও তেওঁলোকে একো কৰিব পৰা নাছিল, কিয়নো ঘটনাৰ উৎস কোনেও জনা নাছিল। অশান্তি আৰু চিন্তাৰ মাজেৰে সীমাই উচ্চতৰ মাধ্যমিক পৰীক্ষাত তিনিটা বিষয়ত লেটাৰসহ ষ্টাৰ পাই উত্তীৰ্ণ হ'ল। সকলো চিন্তাৰ ওচৰ পেলাই চলিহা দম্পতীয়ে সীমাক ঘৰলৈ লৈ আহি স্থানীয় কলেজখনতে স্নাতক শ্ৰেণীত নাম লগাই দিলে। সীমাই পুনৰ ঘৰুৱা পৰিৱেশত থাকিব পাই যেন কিছু আশ্বস্ত হ'ল। মাকেও লাহে লাহে আগতকৈয়ো বেছিকৈ জীয়েকৰ ওচৰ চাপিবলৈ চেষ্টা কৰিবলৈ ধৰিলে। দিন যোৱাৰ লগে লগে সীমা বেছিকৈয়ে ভাবুক হৈ পৰিল। মাকে সীমাৰ মনৰ খবৰৰ বুজ ল'বলৈ চেষ্টা কৰিবলৈ ধৰিলে। প্ৰথমতে মাকৰ মনতো সন্দেহ হৈছিল যে সীমা নিশ্চয় কাৰোবাৰ প্ৰেমত পৰিছে আৰু কথাবোৰ কাকো ক'ব নোৱাৰি অন্তৰ্দ্বন্দ্বত ভূগিছে। কিন্তু মাকে ভবাৰ দৰে কথাবোৰ নহ'ল। সীমাই লাহে লাহে মাকক মনৰ কথাবোৰ জনালে। তাই হেনো সদায় সপোন দেখে। কেতিয়াবা একেটা সপোনকে কেইবাদিনো দেখে। পাহাৰৰ দাঁতিত এটা সৰু টিলা আৰু তাতে এটা সুন্দৰ ঘৰ। ঘৰৰ কাষেদি এটা নিজৰা বৈ গৈছে। ঘৰৰ সন্মুখত এখন ধুনীয়া ফুলনি। ঘৰৰ আশে পাশে থকা গোটেই পৰিৱেশটো অতি সুন্দৰ। ঘৰটোত থাকে এহাল দম্পতী। বৰ্তমান সময়ত তাই তেওঁলোকক চিনি নাপায় যদিও তাইৰ এনে লাগে যেন তেওঁলোক তাইৰ অতি আপোন। গোটেই ঠাইখনৰ স্কুল-কলেজ, দোকান-পোহাৰ আটাইবোৰ যেন তাইৰ খুউব চিনাকি। তাইৰ মনত এনেকুৱা ভাব হৈছে, সেয়া যেন তাইৰ পূৰ্ব জন্মৰ কাহিনী। ঠাইখনৰ লগতে তাত থকা মানুহখিনি যেন বৰ আপোন। এতিয়া তাইৰ মনটোৱে সেই ঠাইখন বিচাৰি যাব খোজে আৰু সেই মানুহখিনিক দিঠকত চাব বিচাৰে। সেইবোৰ ভাবি ভাবি তাইৰ মনটো অশান্তি আৰু দুখেৰে ভৰি পৰিছে। সীমাৰ কথাবোৰ শুনি মাক বৰ চিন্তিত হ'ল আৰু দেউতাকৰ লগত আলোচনা কৰি কোনোবা এখন মানসিক ৰোগৰ চিকিৎসকক দেখুওৱাৰ কথা ভাবিলে। ভবা মতে কাম, কিন্তু চলিহা পৰিয়ালক দুৰ্ভাগ্যই লগ এৰা নাই। কেইবামাহো চিকিৎসা কৰাৰ পাছতো সীমাৰ মনৰ একো পৰিৱৰ্তন নহ'ল। এতিয়া তাইৰ অৱস্থা আৰু বেছি বেয়াৰ ফালে ঢাল খাইছে। এই সাৰে থকা অৱস্থাতো চকু দুটা মুদিলেই তাই সপোন দেখে আৰু সপোনৰ হুবহু বৰ্ণনা মাক-দেউতাকৰ আগত দাঙি ধৰে। বেলেগ বেলেগ ঠাই, বেলেগ বেলেগ মানুহ আৰু যে ক'ত কি? মাক-দেউতাকৰ এনে লাগে তাই যেন কোনো চিনেমাৰ ঘটনাহে কৈ আছে। ঘৰখনত দুখ আৰু ভয়ৰ চাপে ছানি ধৰিছে। সীমাৰ মানসিক অৱস্থাৰ একো পৰিৱৰ্তন নেদেখি মাক-দেউতাক আৰু ককায়েকে এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত ল'লে।

অৱশেষত তাইক তেজপুৰৰ মানসিক চিকিৎসালত ভৰ্তি কৰোৱা হ'ল। ঘৰখনৰ আটাইৰে চিন্তা, সীমা বাৰু পুনৰ আগৰ অৱস্থালৈ ঘূৰি আহিবনে? এতিয়া এইটো এটা সাঁথৰ হৈ থাকিল– সীমা আকৌ আগৰ সেই ৰাংঢালী সীমাজনী হ'বনে? নে মানসিক চিকিৎসালয়ৰ বন্ধ কোঠাত পাগলী হৈ দিন কটাব?

●

গল্প



# তোমাৰ প্ৰেমৰ ভোগজৰাটি

**অসীম তালুকদাৰ**

হোষ্টেলত থাকি পঢ়াশুনা কৰা বহুত ল'ৰা-ছোৱালীৰ ৰাতি দেৰিকৈ বিছনালৈ যোৱা অভ্যাস এটা গঢ়ি উঠে। অৱশ্যে ৰাতি পঢ়ি ভাল লগা কাৰণতকৈ ৰুমমেট নাইবা হোষ্টেলৰ অন্যান্য আৱাসীৰ লগত দেৰিলৈকে কথাৰ মহলা মৰা, লগতে ৰাতিপুৱা সোনকালে উঠাই দিবলৈ কোনো নথকাটোহে তাৰ প্ৰধান কাৰক। হোষ্টেল জীৱন শেষ হোৱাৰ পাছত বহুতৰেই সেই অভ্যাস নাইকিয়া হয়। মোৰ দৰে কিছুমানৰ অৱশ্যে বহু দিনলৈ অভ্যাসটো বৰ্তি থাকে। যোৱা সাত বছৰত মই অসংখ্য উজাগৰী নিশা অতিবাহিত কৰিছোঁ। ৰাতিপুৱা দুই-তিনি বজালৈ ঘড়ীলৈ চাই চাই কেতিয়াবা পূৰ্বতে পঢ়া কিতাপ এখনকে পঢ়ি, কেতিয়াবা ফেছবুক -ইণ্টাৰনেট আদি চাই আৰু কেতিয়াবা স্মৃতি ৰোমন্থন কৰি মই সময় কটাওঁ। আজিৰ ৰাতিটোৰো ব্যতিক্ৰম নাছিল। অৱশ্যে আজি মোৰ টোপনি নহা কাৰণটো সচৰাচৰ ৰাতিবোৰতকৈ বহুত বেলেগ। আবেলি মোক চাবলৈ মাক-দেউতাকৰ সৈতে ল'ৰা এজন আহিছিল। একো নতুন কথা নহয়। যোৱা পাঁচ-ছয় বছৰত এইখন ঘৰলৈ মোৰ লগতে মোৰ ভণ্টিক চাবলৈ কেবাজনো ল'ৰা আহিছে। অৱশ্যে ভণ্টিৰ কাৰণে এবাৰেই ল'ৰা এজন আহিছিল আৰু সিহঁতৰ এতিয়া এবছৰীয়া ল'ৰা এজন আছে। প্ৰতিবাৰেই মাহঁতে বিচৰা ধৰণে মই সাজি-কাচি ওলাওঁ। নিজকে চিৰিয়াখানাৰ জন্তুৰ দৰে লাগে। তেওঁলোকৰ লগত

স্বাভাৱিক ভাৱে কথা পাতোঁ, কৃত্ৰিম হাঁহি মাৰোঁ। তেওঁলোকে দকছি দকছি খায়। দুদিনমান পাছত খবৰ দিম বুলি মা-দেউতাৰ মনত আশাৰ সঞ্চাৰ কৰি থৈ যায়। তেওঁলোকৰ দুই-এজনে একো খবৰেই নিদিলে, কেইজনমানে ফোন কৰি কিবা অসুবিধা দৰ্শালে আৰু কেইজনমানে "নিৰ্ভৰযোগ্য" সূত্ৰৰ পৰা পোৱা খবৰৰ ভিত্তিত মোৰ অতীতক বৰ্তমানলৈ টানি আনি কটু কথা শুনাই অধ্যায়টো সিমানতেই সামৰিলে। এয়াই মোৰ প্ৰাপ্য বুলি বিশ্বাস হৈ গৈছে। দেউতাই মোৰ নাম অবাবতে তুলসী ৰাখিলে। সমাজে নিষ্ঠুৰ ভাৱে বাৰে বাৰে মোক সোঁৱৰাই দিয়ে পবিত্ৰতা শব্দটোৰ লগত মোৰ কোনো সম্পৰ্ক নাই। মোৰ একমাত্ৰ পৰিচয়- একত্ৰিছটা বসন্তই গৰকি যোৱা মই এজনী বদনামী ছোৱালী।

সৰু চহৰ এখনৰ উপকণ্ঠ অঞ্চলৰ গাঁও এখনত আমাৰ ঘৰ। মোক লৈ মা-দেউতাৰ সপোনৰ অন্ত নাছিল। অভাৱ, অনাটন আৰু পৰিস্থিতিয়ে দেউতাক কম বয়সতে পঢ়া শুনা বাদ দি চাকৰি কৰিবলৈ বাধ্য কৰিছিল। মায়ো কেতিয়াও কলেজলৈ যোৱাৰ সুবিধা নাপালে। মই ঘৰৰ ডাঙৰ ছোৱালী। মোৰ পিছত দুবছৰ সৰু ভাইটি আৰু ভাইটিতকৈ দেৰ বছৰ সৰু ভণ্টি। পঢ়াশুনাত মই ভালেই আছিলোঁ। মোৰ প্ৰিয় বিষয় আছিল গণিত। স্কুলৰ ছাৰ-বাইদেউসকলে কৰিবলৈ দিয়া কামবোৰ নিয়াৰিকৈ কৰিছিলোঁ বাবে মোক বৰ ভাল পাইছিল। অনবৰতে গুণ্‌গুণাই থকা মোৰ অভ্যাস আছিল। স্কুলত আৰু ওচৰে-পাঁজৰে অনুষ্ঠিত হোৱা সংগীত প্ৰতিযোগিতাবোৰত নিয়মীয়াকৈ পুৰস্কাৰ পাইছিলোঁ। তাতেই বিজ্ঞান শাখাত নামভৰ্তি কৰিছিলোঁ। হায়াৰ ছেকেণ্ডাৰীৰ ফলাফল মই আশা কৰাতকৈও ভাল হৈছিল। সৰুৰে পৰাই গুৱাহাটীৰ কলেজত গণিত বিষয়ত মেজৰ লৈ ডিগ্ৰী পঢ়িম বুলি সপোন এটা পুহি ৰাখিছিলোঁ। সমগ্ৰ উত্তৰ-পূবৰ ল'ৰা-ছোৱালীয়ে পঢ়িবলৈ সুযোগ বিচাৰি ফুৰা কলেজখনত গণিতত মেজৰ লবলৈ সুযোগ পালোঁ। হোষ্টেলো পালোঁ। কলেজলৈ প্ৰথম গৈ কিমান যে ভাল লাগিছিল! কিন্তু সৰুৰে পৰা পুহি ৰখা মোৰ সপোনটোৱেই মোৰ কাল হ'ল।

গুৱাহাটীলৈ পঢ়িবলৈ আহি প্ৰথমবাৰলৈ বান্ধোনৰ পৰা মুক্ত হৈ বহুতেই নিজক হেৰুৱাই পেলায়। বয়সটোৱেই তেনেকুৱা। কমোৱা তুলাৰ দৰে উৰা মনবোৰক নিয়ন্ত্ৰণ কৰিব নোৱাৰি। সেই বিষয়ে মা-দেউতাই স্পষ্টকৈ আৰু আমাৰ শ্ৰদ্ধাৰ ছাৰ-বাইদেউসকলে আকাৰে-ইংগিতে সাৱধান কৰি দিছিল। কিন্তু কথাবোৰ বুজিব পৰাকৈ মোৰ মনটো পৈণত হৈ উঠা নাছিল। দুঃখজনক ভাৱে ময়ো চহৰীয়া সোঁতত উটি ভাহি যোৱা এটা উদাহৰণ হৈ পৰিলোঁ। নিজেই নিজৰ জীৱন ধ্বংস কৰিলোঁ। প্ৰথম বৰ্ষত মোৰ এজনী ৰূমমেট আছিল তেজপুৰৰ তৰালী বৰুৱা। ফাইনেল ইয়েৰৰ তৰালী বাৰ সম্পৰ্ক গঢ়ি উঠিছিল একে বিভাগৰে বয়জ হোষ্টেলত থকা সুশান্ত দাৰ লগত। ক্লাছ আৰম্ভ হোৱা চাগে দুমাহমান হৈছিল। সুশান্ত দাৰ জন্মদিন আছিল সেইদিনা। পাণবজাৰৰ নামী ৰেস্তোৰাঁ এখনত ডিনাৰ কৰিবলৈ যোৱাৰ প্লেন কৰিছিল তেওঁলোকে। তৰালী বাই মোক জোৰ কৰিলে। নতুন অভিজ্ঞতা হ'ব বুলি মই ভালেই পালোঁ। তেতিয়ালৈকে মই এবাৰো গুৱাহাটীৰ ভাল ৰেস্তোৰাঁলৈ যোৱা নাই। সুশান্ত দাও সিদিনা অকলে অহা নাছিল। সুশান্ত দাৰ লগত তেওঁৰ ৰূমমেট অবিনাশো আহিছিল। অবিনাশ শইকীয়া -তথাকথিত এক সম্ভ্ৰান্ত আৰু ধনী ঘৰৰ নুমলীয়া সন্তান।

কিযে কুক্ষণ আছিল সেইটো ! মোক যদি জীৱনৰ কোনোবা এটা দিন মচি দিবলৈ সুযোগ দিয়া হয়, বিনা দ্বিধাই অবিনাশক লগ পোৱা দিনটো গুচাই দিম। সেই সময়ত অবিনাশ ছেকেণ্ড ইয়েৰৰ ইংৰাজী বিভাগৰ ছাত্ৰ। প্ৰথম দিনা একো বিশেষ অনুভৱ কৰা নাছিলোঁ। কিন্তু তাৰ কাৰ্তিক যেন চেহেৰাই মোক আকৰ্ষণ কৰিছিল। সিদিনাৰ পাছত কলেজত লগ পালে দুই এটা কথা পাতোঁ। ক্ৰমান্বয়ে আমাৰ লগ পোৱা, কথা পতা আদি বাঢ়ি গ'ল। নিজে গম নোপোৱাকৈ আমি অকলশৰে লগ পাবলৈ আৰম্ভ কৰিলোঁ। প্ৰচলিত ভাষাত অবিনাশ আৰু মই প্ৰেমত

পৰিলোঁ। একেলগে ইফালে সিফালে ফুৰিবলৈ যোৱা, চিনেমা চাবলৈ যোৱা, কেতিয়াবা অবিনাশৰ হোষ্টেললৈ যোৱা আদি কামবোৰ নিয়মীয়া হৈ পৰিল। কলেজৰ পৰা আহিয়েই অলপ জিৰণি লৈ পঢ়িবলৈ বহা মইজনীয়ে সন্ধিয়াৰ আগে আগেহে হোষ্টেলত সোমাবলৈ আৰম্ভ কৰিলোঁ। এদিন চুপাৰিটেণ্ডেণ্ট বাইদেৱে মোক মাতি লৈ গৈ খং কৰিলে। ইমান দূৰৰ পৰা ইমান টকা-পইচা খৰচ কৰি পঢ়িবলৈ আহি মই এইবোৰ কি কৰি আছোঁ? কিন্তু ভাল-বেয়া বিচাৰ কৰিবলৈ মোৰ তেতিয়া ক্ষমতা নাছিল। বাইদেৱে মোৰ ব্যক্তিগত স্বাধীনতাত অযথা হস্তক্ষেপ কৰিছে বুলি অবিনাশে মোক পতিয়ন নিয়ালে। আচলতে মই তেতিয়া পাখি গজা চগাৰ দৰে উৰি ফুৰিছিলোঁ। পৃথিৱীখন বেছি ৰঙীণ লাগিবলৈ আৰম্ভ কৰিছিল। অবিনাশ মোৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বস্তুটো হৈ পৰিছিল। অবিনাশ জাৰ্ণেলিজিমৰ প্ৰতি আগ্ৰহী আছিল। সি দিল্লীৰ জামিয়া মিলিয়া ইছলামিয়া বিশ্ববিদ্যালয়ৰ পৰা জাৰ্ণেলিজিমৰ ডিগ্ৰী লৈ দিল্লীতে সংবাদিক জীৱন আৰম্ভ কৰাৰ পৰিকল্পনা কৰিছিল। আনহাতে অবিনাশৰ প্ৰভাৱত গুৱাহাটীত শিক্ষা সমাপ্ত কৰি অসমৰে কলেজ এখনত চাকৰি বিচাৰি লোৱা মোৰ সপোনটো লাহে লাহে সলনি হ'ল। অবিনাশৰ পিছে পিছে দিল্লীলৈ গৈ প্ৰশাসনীয় সেৱাৰ পৰীক্ষাৰ কাৰণে প্ৰস্তুতি চলোৱাৰ কথা ভাবিলোঁ। ঘৰত অবিনাশৰ কথা উল্লেখ কৰিছিলোঁ। সেইবোৰ বাদ দি পঢ়াত মন দিবলৈ মায়ে মোক দঢ়াই দঢ়াই কৈছিল। গুৱাহাটীত পঢ়াবলৈও কষ্ট হোৱা মা-দেউতাই মোক দিল্লীৰ দৰে খৰচী ঠাইত কেৱল পৰীক্ষাৰ প্ৰস্তুতি চলাবলৈ যে পঠিয়াব নোৱাৰে সেই কথা আকাৰে ইংগিতে কৈছিল। "গুৱাহাটীৰ পৰাই পৰীক্ষা দিব নোৱাৰি নেকি?"- সেয়া আছিল দেউতাৰ প্ৰশ্ন। অবিনাশে মোক নিজৰ খৰচত দিল্লীত পঢ়াব বুলি কোৱাৰ দিনা মোৰ গা সাতখন-আঠখন লাগিছিল। অৱশ্যে সেই কথা ঘৰত ক'বলৈ মোৰ সাহস হোৱা নাছিল। মই হিতাহিত জ্ঞান হেৰুৱাই পেলাইছিলোঁ। ভূপেন দাৰ গানৰ ভাষাত অবিনাশৰ প্ৰেম ধলত পৰি মোৰ জীৱ-তৰী উটি গৈছিল। "মাথোঁ কেইটামান বছৰ, তাৰ পাছত আমি বিয়া হ'মেই"- মনলৈ সেই ভাব অহাৰ পাছত মই নিজকে চম্ভালাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নাছিলোঁ। স্বাভাৱিকতেই পৰীক্ষাৰ ৰিজাল্টবোৰ ভবাতকৈ বহুত বেয়া হ'বলৈ ধৰিছিল।

মাজতে এটা ঘটনা হৈছিল। তেতিয়া মই দ্বিতীয় বৰ্ষত। ফাইনেল ইয়েৰৰ পৰীক্ষা দি তৰালী বা ঘৰলৈ গৈছে। ঘটনাটোৰ সবিশেষ পাছত গম পাইছিলোঁ। অষ্ট্ৰেলিয়াত চাকৰি কৰা ল'ৰা এজনৰ হেনো খবৰ আহিছিল। দ্বিতীয়বাৰ নভবাকৈ তৰালী বাই সুশান্ত দাৰ লগত সম্পৰ্ক ছেদ কৰিলে। ধীৰ, স্থিৰ অমায়িক সুশান্ত দাই সহ্য কৰিব পৰা নাছিল। তেওঁ মোক কেবাবাৰো ফোন কৰিছিল কিবা এটা কৰিবলৈ। এবাৰ তৰালী বাক ফোন কৰিছিলোঁ। সুশান্ত দাৰ কথা উলিয়াওতে সেইবোৰ ফাল্টু কথাত গুৰুত্ব নিদিবলৈ মোক পৰামৰ্শ দিলে। বিয়ালৈ মোক মাতিছিল। মই অৱশ্যে নগ'লোঁ। অবিনাশক কথাটো কওঁতে সুশান্ত দাকহে 'লুজাৰ' বুলি আখ্যা দিলে। তৰালী বাৰ বিয়াৰ পাছত মদ আৰু অন্যান্য নিচাত নিজকে উটুৱাই দিয়া সুশান্ত দাক এদিন ৰাতি কলেজৰ কাষতে ট্ৰাক এখনে খুন্দিয়াই থৈ গ'ল। হাস্পতাললৈ চাবলৈ গৈছিলোঁ। তেওঁ ভৱিষ্যতে কেতিয়াও খোজ কাঢ়িব নোৱাৰিব।

দ্বিতীয় বৰ্ষৰ মাজ ভাগৰ সময়। অবিনাশৰ জন্মদিনৰ দিনা চানমাৰিৰ বিলাসী ৰেস্তোৰাঁ এখনলৈ যোৱাৰ কথা চলিছিল। মোৰ নতুন ৰূমমেট কৰবীয়ে অবিনাশক (তাইৰ ভাষাত ভিনদেউক) লগ কৰিবলৈ ইচ্ছা কৰিছিল। সিদিনা অবিনাশৰ লগত তাৰ ৰূমমেট ৰাহুলো আহিছিল। ৰাহুল মোৰ দৰেই দ্বিতীয় বৰ্ষৰ ছাত্ৰ। মাজে মাজে তাক কলেজত দেখোঁ- কিন্তু কেতিয়াও কথা পতা নাই। ৰাহুল আগতে বেলেগ ৰূমত আছিল। সেই ৰূমটোত কিবা সমস্যা হোৱাৰ পাছত সি অবিনাশৰ ৰূমলৈ আহে। ৰাহুলক অৰ্থনীতিৰ চোকা ছাত্ৰ বুলি সকলোৱে জানে। সি এদিন আমাৰ হোষ্টেললৈ আহিছিল কৰবীক বিচাৰি। কৰবী নাছিল কাৰণে মই গৈ কথা

পাতিছিলোঁ। সি অলপ লাজকুৰীয়া। তাৰ পাছত এদিন দুয়োকে পাণবজাৰত একেলগে দেখি ভাল লাগিছিল। কৰবীৰ পৰা ৰাহুলৰ দুই এটা কথা গম পাইছিলোঁ। ৰাহুলে কমকৈ কথা কয়, পঢ়া-শুনাৰ ক্ষেত্ৰত বহুত চিৰিয়াচ। মাজতে কৰবীয়ে কোনোবা বেলেগ এজনৰ লগত বেছিকৈ হলিগলি কৰা দেখি মই কৰা প্ৰশ্নৰ উত্তৰত তাই ক'লে যে ৰাহুলৰ লগত সম্পৰ্ক গঢ়ি উঠাৰ সম্ভাৱনা নাই। ৰাহুল হেনো কোনো জটিলতা বুজি নোপোৱা অতি সৰল মনৰ ল'ৰা। কৰবীৰ ভাষাত ৰাহুল এটা পাৰফেক্ট হাজবেণ্ড মেটেৰিয়েল, কিন্তু বয়ফ্ৰেণ্ড হিচাপে নোৱাৰি। গতিকে তাক দুখ দিব বিচৰা নাই। কৰবীৰ স্পষ্টবাদিতা দেখি ভাল লাগিছিল। ৰাহুলৰ বিষয়ে এটা জমনি কথা গম পালোঁ। তাৰ হেনো আচল নামটো গোলাপ বৰপূজাৰীহে। গোলাপ নামটো ভাল নালাগে কাৰণে সৰুৰে পৰাই সি ঘৰত মতা নামটোৰেহে চিনাকি দিয়ে।

যি নহওক, অবিনাশ আৰু মই আগৰ দৰেই থাকিলোঁ। ক্লাছ শেষ হোৱাৰ পাছত আমি ক'ৰবালৈ ফুৰিবলৈ যাওঁ নাইবা তাৰ হোষ্টেলৰ ৰুমলৈ যাওঁ। শনি-দেওবাৰৰ কথাই বেলেগ। তাৰ ৰুমলৈ গলে প্ৰায় সময়তে ৰাহুলক পঢ়ি থকা অৱস্থাত পাওঁ। মই গলে সি মাত এষাৰ দি বেলেগ ৰুমলৈ পঢ়িবলৈ গুচি যায়। মোৰ বেয়া লাগে, কিন্তু অবিনাশৰ মতে একো নহয়। মুঠতে পঢ়াশুনাৰ লগত মোৰ সম্পৰ্ক প্ৰায় নাইকিয়া হৈ পৰিল । দ্বিতীয় বৰ্ষৰ ৰিজাল্ট প্ৰথম বৰ্ষতকৈও বেয়া হ'ল। মা-দেউতাই বৰ দুখ পালে। অবিনাশৰো সেই একেই অৱস্থা। জাৰ্ণেলিজিমৰ এটা এণ্ট্ৰেন্সতো সি বাছনিত নুঠিল। অৱশ্যে তাৰ সেই ৰিজাল্টেৰে জামিয়াত এডমিছন পাবনে নাপায় তাতো সন্দেহ আছিল। দুদিনমান অৱস্থা বেয়া। শুভাকাংক্ষী বহুতেই প্ৰেম-পিৰীতি এৰি পঢ়াত মন দিবলৈ কৈছিল। কিন্তু মইহে বুজি নাপালোঁ। অবিনাশে আমাৰ কলেজতে এম এত নামভৰ্তি কৰিলে। হোষ্টেল নাপালে কাৰণে কলেজৰ ওচৰত ভাৰাঘৰ এটা ললে। উদ্দেশ্য আছিল এণ্ট্ৰেন্সৰ প্ৰস্তুতি চলোৱা আৰু থাৰ্ড ইয়েৰৰ কেইটামান বিষয়ত পুনৰ অৱতীৰ্ণ হৈ ডিগ্ৰীৰ ৰিজাল্টটো অলপ ভাল কৰা। মোৰ কাম বাঢ়িল। মাজে মাজে অবিনাশৰ কাৰণে ভাত ৰন্ধা, ঘৰ চাফা কৰা আদি কামবোৰ মোৰ মূৰত পৰিল। তাৰ মন বেয়া লাগিলেই মোক মাতি পঠিয়ায়। মই মুৰ্খৰ দৰে সকলো কাম বাদ দি দৌৰি দৌৰি যাওঁ। সি আনকি মোক হোষ্টেল বাদ দি তাৰ লগত থাকিবলৈ প্ৰস্তাৱ দিছিল। কিবা শুভবুদ্ধি উদয় হৈ মই সেয়া নকৰিলোঁ। শনি-দেওবাৰৰ প্ৰায়ে গোটেই দিন মই তাতেই কটাওঁ। কেবাবাৰো এনে হৈছিল যে অবিনাশ ক'ৰবালৈ ওলাই গৈছে, মই তাৰ ৰুমত শুই আছোঁ- তাৰ হোষ্টেলৰ ঠিকনাত অহা চিঠিবোৰ লৈ ৰাহুল আহিছে। অবিনাশ অহা বুলি মই অসংযত অৱস্থাৰেই দুৱাৰ খুলি দিছোঁ। অপ্ৰস্তুত হৈ সি লগে লগে গুচি গৈছে।

এদিন ঘৰৰ মালিকে ভাৰাঘৰলৈ তেনেকৈ ছোৱালী আহি থকাটো ভাল নোপোৱা বুলি স্পষ্টকৈ ক'লে। লাজ পাই মই তালৈ নোযোৱাৰ সিদ্ধান্ত ল'লোঁ। মোৰ বৰ ভয় লাগিছিল। দিল্লী বিশ্ববিদ্যালয়ত নামভৰ্তি কৰিবলৈ ভাল নম্বৰ পাব লাগিব। তেতিয়া মোৰ ফাইনেল পৰীক্ষালৈ তিনিমাহ মানহে বাকী আছিল। মোৰ সিদ্ধান্তটো অবিনাশে ভাল নাপালে। ইতিমধ্যে অবিনাশৰ জাৰ্ণেলিজিমৰ এণ্ট্ৰেন্স পৰীক্ষাবোৰ শেষ হৈছিল। গতিকে মোৰ প্ৰয়োজনীয়তা নাইকিয়া হৈছিল। তেতিয়াই সামান্য কথা এটাৰ অজুহাতত সি মোৰ লগত সকলো সম্পৰ্ক নাইকিয়া কৰিলে। মই দিশহাৰা হৈ পৰিলোঁ। বিগত দুই-আঢ়ৈ বছৰত কি কৰিলোঁ সেয়া উপলব্ধি কৰি শিয়ৰি উঠিলোঁ। আচলতে তাৰ প্ৰতি থকা গভীৰ বিশ্বাসৰ কাৰণেই কথাবোৰ দকৈ ভবা নাছিলোঁ। যিহেতু বিয়া হ'মেই, ইজনে সিজনক সমৰ্থন কৰাটো আমাৰ কৰ্তব্য বুলি গণ্য কৰিলোঁ। ইতিমধ্যে কথাবোৰ প্ৰচাৰ হৈছিল। কথাবোৰ বাগৰি বাগৰি আহি মাৰ কাণতো পৰিছিল। কিছুমান এনে কথা ওলাইছিল যে সেয়া আমি দুজনৰ বাদে অন্য কোনেও জনা সম্ভৱ নাছিল। অবিনাশে

নিশ্চয় কথাবোৰ ৰহণ সানি আনক কৈ কিবা পৈশাচিক আনন্দ লাভ কৰিছিল। মই খুব লাজ পাইছিলোঁ। প্ৰতাৰিতা, উপেক্ষিতা ছোৱালী এজনীয়ে সহজে বেলেগৰ সন্মুখীন হোৱা সহজ নহয়। পৰীক্ষা দিব নোৱাৰিম যেন লাগিছিল। মই সকলো বাদ দি ঘৰলৈ ঘূৰি যোৱাৰ সিদ্ধান্ত লৈছিলোঁ। কিন্তু হোষ্টেলৰ বান্ধৱী কেইজনীমানে বাধা দিলে, মোক সাহস দিলে। সিহঁতে নোটছ আদি দি সহায়ো কৰিলে। পৰীক্ষা দিলোঁ। ৰিজাল্ট আগতকৈ সামান্য ভাল হ'ল। কিন্তু ইউনিভাৰ্চিটিত যে চিট নাপাওঁ সেয়া স্পষ্ট হৈ পৰিল। দেউতাই দুখ পাইছিল। মাই বকিছিল আৰু এম এছ ছিৰ কথা পাহৰি বিয়াৰ কাৰণে সাজু হ'বলৈ কৈছিল। বৰ ভয়াবহ দিন আছিল সেইকেইটা। মই কান্দি কান্দি মাহঁতৰ পৰা আৰু মাত্ৰ দুটা বছৰ বিচাৰিলোঁ। অলেখ কাকুতি মিনতিৰ পাছত তেওঁলোক সৈমান হৈছিল। আগৰ কলেজখনলৈ যাবলৈ মোৰ সাহস হোৱা নাছিল। গুৱাহাটীৰ বেলেগ কলেজ এখনত এডমিছন লৈ কলেজৰ ওচৰৰে ৰুম এটা ভাৰা কৰি থাকিবলৈ ল'লোঁ।

কিন্তু মই কথাবোৰ পাহৰিব পৰা নাছিলোঁ। বান্ধৱী এজনীৰ পৰা গম পালোঁ যে অবিনাশে জামিয়াৰ জাৰ্ণেলিজম কোৰ্চত নাম ভৰ্তি কৰিছে । মই মোৰ জীৱনটো কি কৰিলোঁ বুলি কান্দিছিলোঁ সিদিনা। অবিনাশৰ কথামতে উঠা বহা কৰি কৰি জীৱনৰ আটাইতকৈ মূল্যৱান সময়খিনি নষ্ট কৰিলোঁ। স্মৃতিয়ে মোক খেদিবলৈ এৰা নাছিল। মোৰ বদনামবোৰ মোৰ পম খেদি খেদি এইখন কলেজো পাইছিলহি। বন্ধু-বান্ধৱ কিছুমানে উপযাচি মোক অবিনাশৰ কথা কয়। তাৰ বদনাম গায়। আচলতে মোৰ দুৰৱস্থা বহুতেই উপভোগ কৰিছিল। এজনে এদিন ফেচবুকত অবিনাশৰ ফটো দেখুৱাইছিল। তাৰ লগত এজনী ছোৱালী। সিহঁতে একেলগে পঢ়ে হেনো। মোৰ গাটো জ্বলিছিল। অবিনাশ পুনৰ মোৰ ওচৰলৈ ঘূৰি আহিব বুলি আশা কৰি আছিলোঁ নেকি মই নাজানো। সেইবোৰ আশংকা কৰিয়েই মই মোৰ ফেচবুক একাউণ্ট কেতিয়াবাই ডিলিট কৰি দিছিলোঁ। ভগৱান যেন অলপ সুপ্ৰসন্ন হৈছিল। খুব মনোযোগ দি পঢ়িবলৈ আৰম্ভ কৰিলোঁ। দুই বছৰেই ৰিজাল্ট ভাল হ'ল। আনকি প্ৰথম বাৰলৈ অৱতীৰ্ণ হৈয়েই সৰ্বভাৰতীয় নেট পৰীক্ষাতো উত্তীৰ্ণ হ'লো। মোৰ দ্বিতীয় ৰিজাল্ট কলেজত চাকৰি পোৱাৰ ক্ষেত্ৰত অন্তৰায় হ'ব বুলি উপলব্ধি কৰিছিলোঁ। ভাগ্যক্ৰমে ৰিজাল্ট ওলোৱাৰ দুমাহৰ ভিতৰতে আমাৰ ঘৰৰ ওচৰৰে হায়াৰ ছেকেণ্ডাৰী এখনত গণিতৰ বিষয় শিক্ষক হিচাপে নিযুক্তি পালোঁ। তাৰ পাছত সাত বছৰ বাগৰি গৈছে। চাকৰিটো ভগৱানৰ আশীৰ্বাদ হিচাপে গণ্য কৰিছোঁ মই। এটা কথা ঠিক- এই চাকৰিটো অবিহনে কথাখিনি লিখিবলৈ মই খুব সম্ভৱ এই পৃথিৱীত নাথাকিলোহেঁতেন।

মই চাকৰি আৰম্ভ কৰাৰ ছমাহমান পাছৰ কথা। এদিন অবিনাশৰ পৰা চিঠি এখন আহিল। তাৰ বিয়াৰ নিমন্ত্ৰণী পত্ৰ। মোৰ গা জ্বলিছিল। খঙতে একো নাইকিয়া হৈ মই চিঠিখনৰ উত্তৰ লিখি পঠিয়াই দিলোঁ। কি লিখিছিলোঁ মনত নাই। সেয়াই আৰম্ভণি। এমাহমান পাছৰ পৰা আমাৰ ঘৰলৈ বেনামী চিঠি আহিবলৈ আৰম্ভ কৰিলে। মোৰ কলেজীয়া সময়ৰ কুকীৰ্তিবোৰত ৰহণ সানি লিখা চিঠিবোৰ মূলতঃ মা দেউতাৰ নামত আহিছিল। এখন চিঠি আহে- মাৰ গালি শপনিত মোৰ মৰি যাওঁ মৰি যাওঁ যেন লাগে। আনহাতে বজ্ৰপাত পৰা মানুহৰ দৰে একো নকৈ দেউতা বহি থাকে। ওচৰ চুবুৰীয়াৰ নামতো চিঠি আহে। তেওঁলোকে আহি মাহঁতক কথাবোৰ সঁচা নেকি সোধে। কিছুমানে আনকি মোক পোনপটীয়াকৈ সোধে। তিনি/চাৰি মাহ তেনেকৈ চিঠি আহি থাকিল। সকলো সলনি হৈ গ'ল মোৰ কাৰণে। তাৰ পাছৰ পৰাই ওচৰ-পাঁজৰৰ পুৰুষ মানুহবোৰে মোলৈ চাই অৰ্থপূৰ্ণ হাঁহি মাৰে, অশ্লীল ইংগিত দিয়ে। মুঠতে মোৰ জীৱন দুৰ্বিসহ হৈ পৰিল। আনকি স্কুলতো পুৰুষ মানুহবোৰেও কিছুমান কথা, যিবোৰ কথা ওচৰত তিৰোতা মানুহ থাকিলে নাপাতে, মোৰ ওচৰত পাতিবলৈ দ্বিধাবোধ নকৰে। এবাৰ ৰিটায়াৰ হ'বলৈ কেইবছৰমান থকা শিক্ষক এজনে নতুনকৈ বিয়া হোৱা সহকৰ্মী এজনক 'প্ৰথম ৰাতিৰ' কাৰণে টিপছ দিবলৈ কৈছিল।

মই বাঘিনীৰ দৰে গৰ্জি উঠিছিলোঁ। প্ৰিন্সিপাল ছাৰে মোৰ পক্ষ লৈছিল কাৰণে বিষয়টো সিমানতে সাম কাটিছিল।

বদনামী ছোৱালীজনীক বিয়া দি উলিয়াই দিবলৈ মা উদগ্ৰীৱ হৈছিল। অন্যথাই ভণ্টিৰ বিয়াতো সমস্যা হ'ব বুলি ধৰি লৈছিল। অসহায় দেউতাৰ কথা ঘৰত আগৰ পৰাই নচলিছিল। ঘৰখনক সকাহ দিবলৈকে মই মান্তি হৈছিলোঁ। মোৰ বৈবাহিক জীৱন সুখৰ হ'ব বুলি মই অলীক কল্পনা কৰিবলৈ এৰিছিলোঁ। কণা-বুঢ়া, বিপত্নীক, বিবাহ-বিচ্ছেদ হোৱা যাকৈকে দিলেও বিয়া হ'ম। বিয়াৰ পাছদিনাই মোক খেদি দিলেও অকণো আপত্তি নাই। ঘৰলৈ ঘূৰি নাহোঁ- চাকৰিটো আছে যিহেতু অকলশৰীয়াকৈয়ে থাকিম। প্ৰথমে চৰকাৰী বিভাগত কাম কৰা ল'ৰা এজন আহিছিল। মোক পচন্দ কৰি আঙঠি পিন্ধোৱাৰ দিন ঠিক কৰিছিল। কিন্তু সেই দিনটোৰ দুদিন আগতে ল'ৰাজনৰ দেউতাকে ফোন কৰিলে। দেউতাক পোনপটীয়াকৈ সুধিছিল "আপোনাৰ ছোৱালীয়ে কেইবাৰ গৰ্ভপাত কৰিছে?" ভয়াবহ আছিল সেই ৰাতিটো। সিদিনা ৰাতি কেইবাবাৰো মই ৰুমৰ ফেনখনৰ ফালে চাইছিলোঁ। মই চৰিত্ৰহীন হ'ব পাৰোঁ, কিন্তু আত্মহত্যা কৰিবলৈ কাপুৰুষ নহওঁ। তাৰ পাছতো কেবাবাৰো একে ধৰণৰ ঘটনাৰ পুনৰাবৃত্তি হ'ল। বাৰে বাৰে মা-দেউতাই নতুন জ্ঞান লাভ কৰিলে। কোনোবাই কৈছিল - "বেশ্যাজনীক কাৰোবাক গতাই দি কিয় পৰিয়াল এটা ধ্বংস কৰিব বিচাৰিছে? তাতকৈ তাইক ডিঙি চেপি মাৰি নেপেলায় কিয়?" কেবাবাৰো মাই মোক ঘৰ এচি গুচি যাবলৈ কৈছিল। একমাত্ৰ দেউতাৰ মুখলৈ চাইহে মই ঘৰ এৰি গুচি যোৱা নাছিলোঁ।

ভণ্টিৰ কাৰণে ল'ৰা এজনৰ খবৰ আহিছিল। মোৰ জন্মদাত্ৰী মাতৃয়ে ভণ্টিক চাবলৈ অহা শুভ দিনটোত মই ঘৰত থকাটো বিচৰা নাছিল। ভণ্টিয়েও মনে মনে কথাটো সমৰ্থন কৰিছিল। মই মান্তি হৈছিলোঁ। দেউতাই বাধা দিব পৰা নাছিল। কিন্তু দেউতাই কৰিব নোৱৰা কামটো ভাইটিয়ে কৰি দেখুৱাইছিল। "ভণ্টিৰ শুভ দিনত যদি ধুনুবা ঘৰত থাকিব নোৱাৰে, ময়ো নাথাকো"- ভাইটিৰ সন্মুখত মাৰ কথা নচলিছিল। কিন্তু ইচ্ছা কৰিয়েই ভণ্টিৰ বিয়াৰ দিনা মানুহৰ সন্মুখলৈ বেছিকৈ অহা নাছিলোঁ। মোৰ আপোন ভনী জোঁৱায়ো ব্যতিক্ৰম নাছিল। বিয়াৰ পাছত আমাৰ ঘৰলৈ অহা জোৱাইয়ে মোক প্ৰথম দেখি ভৰিৰপৰা মূৰলৈকে যিটো দৃষ্টিৰে চাইছিল, মই বুজিছিলোঁ তেওঁ সকলো কথা জানে আৰু তেওঁৰ মূৰত কি চলি আছে। মোৰ উপস্থিতি যেন মাৰ কাৰণে অসহ্য হৈ পৰিছিল। কোনো কথাতে খুঁত ধৰিব নোৱৰাকৈ মই কামবোৰ নিয়াৰিকৈ কৰিবলৈ চেষ্টা কৰিছিলোঁ। নিয়মীয়াকৈ ঘৰ চাফা কৰোঁ। পাকঘৰৰ কাম কৰোঁ। বন্ধৰ দিনা টাকুৰী ঘূৰাদি ঘূৰি ঘূৰি সকলো কাম কৰোঁ। দৰমহাৰ পইচাখিনি ঘৰৰ বস্তু কিনিবলৈ খৰচ কৰোঁ। উদ্দেশ্য এটাই- কোনো কথাত ক্ষুণ্ণ হৈ মাই যাতে মোক গালি পাৰিবলৈ আৰম্ভ নকৰে। অন্যথা দুই মিনিট পাছতেই তেওঁ মোৰ অতীতক টানি আনিব। মোৰ কাৰণে সমাজত মুখ উলিয়াব নোৱৰা হৈছে বুলি মোক বাৰে বাৰে সোঁৱৰাই দিব। মই মানিছোঁ মই ভুল কৰিছিলোঁ। এতিয়া তাৰ শুধৰণি কৰি নতুন জীৱন এটা আৰম্ভ কৰিবলৈ চেষ্টা কৰিছোঁ। অন্য মাকবোৰৰ দৰে মোক কিয় সমৰ্থন নকৰে বাৰু? অসহ্য হৈ ভাইটিয়ে কেতিয়াবা মুখ পাতি ধৰে। মই ঘৰৰ কাৰণে কি কি কৰিছোঁ মনত পেলাই দি বায়েকক লগত ৰাখিবলৈ তাৰ কেতিয়াও সমস্যা নহয় বুলি খঙেৰে কয়। তেতিয়াহে মাৰ মুখ বন্ধ হয়।

লাহে লাহে মোৰ টোপনি কমি আহিল। ৰাতিপুৱা দুই-তিনি বজালৈ টোপনি নহাটো নিয়মীয়া হৈ পৰিল। খীণাই গলোঁ। চকুৰ গুৰিবোৰ ক'লা পৰিল। ডাক্তৰৰ ওচৰ পালোঁগৈ। পৰামৰ্শ কিছুমান দিলে, কিন্তু কামতহে নাহিল। ৰাতি দেৰিকৈ টোপনি আহে, কিন্তু এনে নহয় যে মই স্কুলত টোপনিয়াই থাকোঁ। খুব মন দি পঢ়াওঁ। ছাত্ৰ-ছাত্ৰীবোৰে মোক ভাল পাইছিল। বহুতেই মোক টিউচনৰ কাৰণে অনুৰোধ কৰে। কিন্তু মই নকৰোঁ বুলি সিদ্ধান্ত লৈছিলোঁ। এবাৰ টিউচন পঢ়াবলৈ গৈ অভাৱনীয় পৰিস্থিতিৰ

সন্মুখীন হৈছিলোঁ। আমাৰ গাঁৱৰেই বাইদেউ এজনীয়ে তেওঁলোকৰ ঘৰলৈ মাজে মাজে গৈ ল'ৰাজনক অংক বিষয়টো চাই দিবলৈ অনুৰোধ কৰিছিল। ল'ৰাজন চোকা আছিল আৰু তাৰ মেট্ৰিকৰ ফলাফল বৰ ভাল হ'ব বুলি স্কুলে আশা কৰিছিল। মই মান্তি হৈছিলোঁ। কিন্তু মই মন কৰিছিলোঁ ল'ৰাজনৰ পঢ়াতকৈ বেলেগ কথাৰ প্ৰতিহে আগ্ৰহ বেছি। সি চাগে মোৰ কথাবোৰ শুনিছিল। তৃতীয় নে চতুৰ্থ দিনা- টিউচন শেষ হোৱাৰ পাছত মই আহিবলৈ ওলাওঁতে কাষত কোনো নথকাৰ সুযোগ লৈ সি মোৰ বুকুতে খামুচি মোক চুমা খাবলৈ ধৰিলে। মই স্তম্ভিত হৈ পৰিলোঁ। প্ৰচণ্ড জোৰেৰে এক চৰ মাৰি ওলাই আহি বাইদেউক কথাটো কৈ গুচি আহিছিলোঁ। পাছদিনা ভিনদেউ আৰু বাইদেউ আমাৰ ঘৰলৈ আহি ক্ষমা খুজিছিল। মই তাৰ পাছত আৰু টিউচন কৰা নাই।

মোক কোনোবাই পচন্দ কৰিব, মৰমেৰে আকোঁৱালি ল'ব, বিয়া কৰাব সেইবোৰ আশা বাদ দিছিলোঁ। কোনোবাই মোক চাব আহিলে মাহঁতে বিচৰা ধৰণে ওলাওঁ। মাথোঁ তেওঁলোকক শেষ সিদ্ধান্তটো মা-দেউতাৰ পৰিৱৰ্তে পোনপটীয়াকৈ মোক জনাবলৈ অনুৰোধ কৰোঁ। অসুন্দৰৰ যি মলিন ছায়া মোৰ গাভৰু দেহত লাগিল, সেয়া আঁতৰাবলৈ অমৃত লৈ কোনো নাহিল। তাৰ পাছত আজি মোক চাবলৈ এজন ল'ৰা আহিছিল। ল'ৰাজন হেনো বিশ্ববিদ্যালয়ৰ প্ৰবক্তা। মই শুনিয়েই আচৰিত হৈছিলোঁ- বিশ্ববিদ্যালয়ৰ প্ৰবক্তা এজনে মোক চাবলৈ কিয় আহিব? সঁচা অৰ্থত তুলসীৰ দৰে পৱিত্ৰ ছোৱালী অসমত নাইকিয়া হৈ গ'ল নেকি? নিশ্চয় ৰং চাবলৈ আহিব। লগত হেনো মাক-দেউতাকো আহিব। আকৌ মোক অপমান কৰিব। মাৰ মূৰটো গৰম হ'ব- আকৌ গোটেই ৰাতি মই কান্দি থাকিব লাগিব। আহিবলৈ মানা কৰিবলৈ মোৰ শক্তি নাই। মাই বিচৰা ধৰণে মেখেলা-চাদৰ পিন্ধি মই সাজু হৈ থাকিলোঁ। তেওঁলোক আবেলি সময়ত আহিল। মই চাহখিনি লৈ মুখত কৃত্ৰিম হাঁহি এটা মাৰি লৈ সোমাই গ'লোঁ। মোৰ মুখখন মেল খাই গ'ল। এয়া মই কি দেখিছোঁ?

চিনাকি হাঁহিটো লৈ ৰাহুল বহি আছে। ল'ৰাজনৰ নাম গোলাপ বৰপূজাৰী বুলি মোক কোৱা হৈছিল। কিন্তু সেয়া যে অবিনাশৰ ৰুমমেট ৰাহুলৰ আচল নাম মই সমূলি পাহৰি গৈছিলোঁ। কেই মুহূৰ্তমানৰ কাৰণে মই যেন প্ৰস্তৰ মূৰ্তিত পৰিণত হ'লোঁ। তাৰ পাছত মোৰ তীব্ৰ ঘৃণা উপজিল। ৰাহুল কি মজা লুটিবলৈ আহিছে? কেইমিনিটমান পাছত সেই ঘৃণা কৌতূহললৈ পৰিৱৰ্তিত হ'ল। কাষৰ ৰুমত বহি মই কথাবোৰ শুনি আছিলোঁ। তেওঁলোকে সঁচাকৈয়ে মোক বোৱাৰী কৰি নিবলৈ বিচাৰিছে। যদি সম্ভৱ হয় অহা মাহতেই হেনো দিন এটা চাই বিয়াখন পাতিব। ৰাহুলৰ মাকে কোৱা কথা এষাৰ মই হজম কৰিব পৰা নাই- ৰাহুলে ইমান দিনে ভাল পাই থকা ছোৱালীজনী হেনো তেওঁলোকৰ দেখিয়েই ভাল লাগিছে। ইমান দিনে ভাল পাই থকা ছোৱালীজনী? কি কৈছে বাৰু? তেওঁলোক দুঘণ্টামান থাকিল। এবাৰ মোক বিচাৰি ৰাহুলৰ মাক ভিতৰলৈ আহিল। তেওঁ মোক গালে-মুখে হাত ফুৰাই মৰম কৰিলে। চুমা এটাও খালে। মোৰ চকুৰ ফালে চাই তেওঁ মন্তব্য কৰিলে, "একেবাৰে জুয়ে পোৱা সোণ"। তাৰ পাছত তেওঁলোকৰ বোৱাৰী হৈ যাম নে সেয়া জানিব বিচাৰিলে। এনে ধৰণৰ মৰম নাইবা মৰমৰ মাত মোৰ ভাগ্যত নাই বুলি নিজকে পতিয়ন নিয়াইছিলোঁ। ছয়-সাত বছৰৰ অভ্যাসে মোক চকুপানী লুকোৱাত অভ্যস্ত কৰি তুলিছিল। কিন্তু ৰাহুলৰ মাকৰ সেই কেইমিনিটমানৰ মৰমে যেন চকুপানীখিনিক বাট দেখুৱাই দিলে। চকুপানীখিনি মচি দি তেওঁ মোক অকণমান সময় সাবটি ধৰি থাকিল। ৰাহুলৰ দেউতাকেও মোক মা বুলি মাতি আশীৰ্বাদ দিলে। তেওঁলোক সম্পূৰ্ণ সাজু। যদিহে মোৰ আপত্তি নাই সোনকালেই হেনো গোসাঁনীজনীক তেওঁলোকে বোৱাৰী কৰি লৈ যাব। মোৰ কাৰণে গোসাঁনী শব্দটো ব্যৱহাৰ কৰিছে? ওলাই অহা কান্দোনটো কোনোমতে সামৰি মই নিজে গম নোপোৱাকৈ আঁঠু কাঢ়ি তেওঁলোকক সেৱা কৰিলোঁ। যোৱাৰ আগে আগে ৰাহুলে মোক ফোন নম্বৰটো দি গ'ল।

সময় লৈ ভাবি চিন্তি জনাবলৈ ক'লে। তেওঁলোক যোৱাৰ পাছত ঘৰৰ পৰিৱেশ সলনি হৈ গ'ল। দেউতাৰ মুখত আশাৰ ৰেঙনি দেখিলোঁ। ভাইটিৰ মুখখন উজ্জ্বল হৈ পৰিল। আনহাতে এনে সুযোগ আৰু কাহানিও নাহিব বুলি মন্তব্য কৰি মাই মোক আজিয়েই ফোন কৰি 'ইয়েছ' বুলি ক'বলৈ ক'লে। মাৰ কথাখিনি কিয় জানো মোৰ ভাল নালাগিল।

তাৰ পাছত এয়া আজি মই উজাগৰী ৰাতি কটাইছোঁ। বিশ্বাসেই হোৱা নাই মোৰ। প্ৰতি কেইমিনিটমানৰ মূৰে মূৰে মোৰ সিদ্ধান্ত সলনি হৈছে। ৰাহুলে বাৰু মোক পুতৌ কৰি বিয়া কৰাবলৈ আহিছে নেকি? মোক উদ্ধাৰ কৰি পুণ্য আৰ্জিব খুজিছে নেকি? নে কিবা পৰীক্ষা কৰিব খুজিছে? বিয়া পাতি লৈ গৈ আচল ৰূপটো দেখুৱাব নেকি? আচলতে যোৱা কেইবছৰৰ ইটোৰ পাছৰ সিটো ঘটনাই পুৰুষ জাতিটোৰ প্ৰতি মোক বীতশ্ৰদ্ধ কৰি তুলিছিল। ইতিহাস সাক্ষী আছে কেনেকৈ নাৰীৰ অসহায় অৱস্থাৰ সুযোগ লৈ যুগে যুগে পুৰুষে প্ৰতাৰণা কৰি আহিছে। বাটে পথে পুৰুষৰ অশ্লীল ইংগিত দেখি মই ভয় খাওঁ। সকলো যেন সুযোগৰ অপেক্ষাত। আজি মোক চৰিত্ৰহীনা আখ্যা দি থকা সকলেই কাইলৈ সুযোগ পালেই বিছনালৈ টানি নিবলৈ অকণো কুণ্ঠাবোধ নকৰিব। ল'ৰা-ডেকা-বুঢ়া কোনো বেলেগ নহয়। মই পাহৰিবলৈ চেষ্টা কৰিলেও সিহঁতে মোক পাহৰিব নিদিয়ে। নিজে সাত ঘাতৰ পানী খালেও ছোৱালীজনী অসূৰ্যস্পৰ্শাই বিচাৰিব। ইমান দিনৰ তিক্ত অভিজ্ঞতাই মোক সলনি কৰি পেলাইছিল। আগতে অমায়িক, স্বল্পভাষী বুলি সকলোৰে প্ৰশংসা কৰা মই ছোৱালীজনীয়ে বাহিৰত পুৰুষৰ সামান্য কথাতেই বিদ্বেষ উগাৰা আৰম্ভ কৰিছিলোঁ। পুৰুষৰ অবিহনে নাৰী থাকিব নোৱাৰে বুলি থকা ধাৰণাটো যেন মই ভুল বুলি প্ৰমাণিত কৰিব খুজিছিলোঁ।

কিন্তু কেতিয়াবা শান্ত হৈ কথাবোৰ যেতিয়া দকৈ ভাবি চাওঁ মই নিজেই বুজিব নোৱাৰো মই কি প্ৰমাণ কৰিব বিচাৰিছোঁ। মোক এনে অৱস্থাত পেলোৱাজনে আজি সুখৰ সংসাৰ গঢ়িছে। কাইলৈ মই থাকোঁ বা নাথাকোঁ- মোলৈ বেনামী চিঠি লিখা সকলৰ  নাইবা মোক অশ্লীল ইংগিত দিয়া সকলৰ জীৱনত কিবা প্ৰভাৱ পৰিবনে? কিন্তু ইয়াৰ অৰ্থ এয়ানে যে প্ৰত্যেকজন পুৰুষেই বেয়া? তদুপৰি সকলো তিৰোতা মানুহ ভাল নে?  কলেজৰ সুশান্ত দালৈ মনত পৰিল। ক'ত আছে বাৰু তেওঁ? তৰালী বৰুৱাই চাগে' সুশান্ত দাৰ কথা মনত পেলাই এটা ছেকেণ্ডো অপব্যয় কৰা নাই। যোৱা কেইবছৰত মই ঘৰত আটাইতকৈ দুখ পাইছোঁ মোৰ মাৰ পৰা। তদুপৰি ঘৰত সৰুৰে পৰাই দেখি আহিছোঁ মাই দেউতাৰ সৈতে কেনে ব্যৱহাৰ কৰে। তদুপৰি সমগ্ৰ পুৰুষ জাতিক বাদ দি বেয়া পুৰুষ মানুহবোৰৰ সন্মুখীন হোৱা সম্ভৱ নে? উপযাচি আগবাঢ়ি অহা ৰাহুলক মই খেদি পঠোৱা উচিত হ'ব নে? ৰাহুলৰ মনত প্ৰকৃততে কি আছে বাৰু? মই জানিব লাগিব কোনোবা কম বয়সীয়া নিষ্কলংক ছোৱালী এজনী নিবিচাৰি সি মোক কিয় বিয়া কৰিব খুজিছে? ৰাতিপুৱাই ফোন কৰিম বুলি ভাবি ল'লোঁ। মই শুব পৰা নাই। ক্ৰমান্বয়ে অধৈৰ্য হৈ পৰিলোঁ। সন্মুখৰ পৰা এক সম্ভাৱনাই মোক আকৰ্ষণ কৰিছে। কিন্তু এক দ্বিধাবোধে মোক বাৰে বাৰে পিছলৈ টানি ৰাখিছে। এবাৰ সাপে খালে কেঁচুলৈকো ভয় কৰাৰ লেখীয়া পৰিস্থিতি হৈছে। ঘড়ীটোলৈ চালোঁ। চাৰে তিনি বাজি গৈছে। ৰাহুলক ফোন কৰিলোঁ। এই সময়ত সি নিশ্চয় মোৰ ফোন আশা কৰা নাছিল। কিন্তু মোৰ ৰবলৈ ধৈৰ্য্য নাছিল। একো পাতনি নেমেলাকৈ মোক কিয় বিয়া কৰিব খুজিছে বুলি কৰা প্ৰশ্নটোত সি থতমত খাই গ'ল। প্ৰকৃতিস্থ হ'বলৈ তাক অলপ সময় লাগিল। সি মোৰ প্ৰথম প্ৰশ্নৰ উত্তৰ দিয়াৰ সুযোগ পোৱাৰ আগতেই কালি আবেলি মাই "সি ইমান দিনে ভাল পাই থকা ছোৱালীজনী" বুলি আচলতে কি বুজাইছিল সেয়াও সুধিলোঁ। লাহে লাহে সি উত্তৰ দি গ'ল। এইবাৰ মোৰ আচৰিত হোৱাৰ পাল।

নতুন ছাত্ৰ-ছাত্ৰীৰ আদৰণিৰ সভাৰ দিনা সাংস্কৃতিক সন্ধিয়াত 'তোমাৰ প্ৰেমৰ ভোগজৰাটি দিয়া বাকি..' গানটো গাই

সকলোকে মুগ্ধ কৰা মৰমলগা ছোৱালীজনীৰ নাম 'তুলসী' বুলি আনৰ পৰা গম পাইছিল। সকলোৰে লগত হাঁহি মাতি কথা পতা ছোৱালীজনীৰ প্ৰতি সি হেনো কিবা এক অনামী আকৰ্ষণ অনুভৱ কৰিছিল। তুলসীৰ লগত কথা পাতিবলৈ সি সুযোগ পোৱা নাছিল। কলেজৰ ইমানবোৰ ধুনীয়া, স্মাৰ্ট ল'ৰাৰ সন্মুখত দূৰৰ গাঁৱৰ পৰা অহা দেখিবলৈ আপচু চেহেৰাৰ ল'ৰাজনৰ হীনমন্যতা জন্মা হেনো স্বাভাৱিক আছিল। কিন্তু তেতিয়াৰ পৰাই তাৰ অন্তৰত তুলসীৰ প্ৰতি যি অনুভূতিৰ সৃষ্টি হ'ল সেয়া সি আজিও আলফুলকৈ কঢ়িয়াই আছে। তাইক নিজৰ বুলি ক'বলৈ কাহানিও সম্ভৱ নহ'ব বুলি নিজক পতিয়ন নিয়াবলৈ সক্ষম হোৱাৰ পাছতো সেই স্বৰ্গীয় অনুভূতি অটুত থাকিল। ছোৱালীজনীৰ মাজতে কি হ'ল সেই কথাই তাক আমনি কৰা নাই। এতিয়া ছাত্ৰ জীৱন সমাপ্ত কৰি সি চাকৰি এটা পাইছে। এজনী ছোৱালীক ভালকৈ ৰাখিবলৈ সামৰ্থ্য আৰ্জিছে বুলি তাৰ বিশ্বাস হৈছে। ঘৰত তাৰ বিয়াৰ কথা ওলাইছে। সি মাক-দেউতাকক কথাবোৰ কৈছে। কাৰোবাৰ পৰা খবৰ লৈ গম পাইছে যে ছোৱালীজনীৰ বিয়া হোৱা নাই। গতিকে বাকীছোৱা জীৱন কটাবলৈ সি ভাল পোৱা ছোৱালীজনীৰ সংগ বিচাৰি আহিছে- সিমানেই। অৱশ্যে সি বিচৰা বুলিয়েই তুলসীয়েও যে তাক বিচাৰিব লাগিব তেনে কোনো কথা নাই বুলি সি জানে।

ৰাহুলে একেৰাহে কথাবোৰ কৈ গ'ল। মই বহুত সময় একো ক'ব নোৱাৰিলোঁ। কথাবোৰ যেন মই বুজিবই পৰা নাই। হয়- মই ফ্ৰেছাৰ্ছ ৰেলকামৰ সন্ধিয়া গান গাইছিলোঁ। ৰাইজে জাউৰিয়ে জাউৰিয়ে চাপৰি বজাইছিল। কিন্তু দুখজনক ভাৱে সিদিনাই মই প্ৰথম আৰু শেষবাৰলৈ কলেজত গাইছিলোঁ। অবিনাশৰ আবিৰ্ভাৱৰ পাছত মই অন্য সকলো পাহৰি গৈছিলোঁ। অবিনাশৰ হবি, ভৱিষ্যতৰ আগত মোৰ হবি, মোৰ সৰু সৰু সপোনবোৰ উৰি গৈছিল। গানৰ চৰ্চা কৰাটো সময়ৰ অপব্যয় বুলি অবিনাশে মোক পতিয়ন নিয়াইছিল। আনহাতে মই গান গোৱাৰ দৰে সৰু কথাটো ৰাহুলে মনত ৰাখিছে! স্বতঃস্ফূৰ্ত ভাৱে মোৰ চকুপানী ওলাই আহিল। মই কান্দিছোঁ বুলি গম পাই সি অপ্ৰস্তুত হ'ল। অলপ কথা পাতোঁ, অলপ মনে মনে থাকোঁ- তেনেকৈ থাকি আমি ফোন এৰালৈকে ৰাতি পুৱাই গ'ল।

ফোন থোৱাৰ পাছত কিছুসময় মই চকু দুটা বন্ধ কৰি বহি থাকিলোঁ। কি কৰোঁ মই? ৰাহুলে যেন অকণমান কথা- অমৃত ঢালি মোৰ সাতবছৰীয়া ঘূমটি জালখন ভাঙি দিলে। মোৰ জীৱনত অবিনাশ নামৰ অসুন্দৰ অধ্যায়টোৱে উপহাৰ দি যোৱা মলিনতা, কলুষতাবোৰ ৰাহুলে যেন দূৰলৈ ঠেলি পঠিয়াবলৈ চেষ্টা কৰিছে। সঁচাকৈয়ে মোৰ জীৱনটোৱো ভাল হ'ব নেকি? মোক নিস্বাৰ্থ ভাৱে ভাল পোৱা মানুহ এজন ওলাব নেকি? মই সদায় সেয়াই বিচৰা নাছিলো নে? কিন্তু অন্য এটা কথাই এতিয়া মোক আমনি কৰিছে। ৰাহুলেহে মোক ভাল পাইছে- কিন্তু মই তাক ভাল পাওঁ জানো? ভাল নোপোৱা মানুহজনৰ লগত জীৱনটো কটাবলৈ সক্ষম হ'ম নে? সেয়া কি ৰাহুলৰ লগত অন্যায় কৰা নহ'ব?

বাহিৰত অকণমান পোহৰ হৈছে। ফিৰফিৰিয়া বতাহজাক বৰ ভাল লাগিল। চোতালৰ চুকৰ শেৱালীজোপাৰ কাষলৈ গলোঁ। তলসৰা শেৱালীৰ ধুনীয়া গোন্ধটো নাকত লাগিল। শেৱালী বুটলি সৰুতে বৰ ফূৰ্তি পাইছিলোঁ। আগতে মই সদায় ৰাতিপুৱা চালনী এখন লৈ তলসৰা শেৱালী বুটলিছিলোঁ। হোষ্টেলৰ পৰা ঘূৰি অহাৰ পাছত পুনৰ কেতিয়াবা বুটলিছোঁ যদি মনত নাই। মনটো উগুলথুগুল লাগিছে। এপাহি দুপাহিকৈ ফুলবোৰ বুটলিলোঁ। ইমান দিনৰ পাছতো একেই ফূৰ্তি পালোঁ। মোৰ বাওঁহাতখন ফুলেৰে ভৰি গ'ল। সোঁহাততো যিমান পাৰো উঠাইছোঁ। হঠাতে মনলৈ কথা এটা আহিল। এক মিনিটৰ কাৰণে স্তব্ধ হৈ ৰ'লোঁ। মনত খুন্দিয়াই থকা প্ৰশ্নটোৰ উত্তৰ নিজে নিজে বিচাৰি পালোঁ। মোৰ মনৰ পৰা সকলো দ্বিধা উৰি গ'ল। কৰবাত পঢ়িছিলোঁ নে কাৰোবাৰ মুখত শুনিছিলোঁ- "মানুহক ভাল পাবলৈ শিকিব পাৰি। কিন্তু মানুহক ভাল পাবলৈ শিকাব

নোৱাৰি।”

মা-দেউতাৰ ৰুমৰ খিৰিকীখন খোলাৰ শব্দ হ'ল। কেৰাহিকৈ চাই দেখিলোঁ খিৰিকী মুখত দেউতা। দেউতাই আচৰিত হৈ মোৰ ফালে চাইছে। ইমান বছৰে দেউতাই মোক ৰাতিপুৱা সোনকালে শুই উঠা দেখা নাই। দেউতাৰ মুখত স্বৰ্গীয় হাঁহিটো দূৰৰ পৰাই অনুভৱ কৰিলোঁ। খুব সম্ভৱ সদায় শেৱালী বুটলা সৰু কালৰ তুলসীজনীলৈ তেওঁৰ মনত পৰিছে। মোৰ মনটোও সৰু কাললৈ উৰি গৈছে। হাতৰ ফুলবোৰ পৰিব নিদিয়াকৈ অতি সাৱধানে থিয় হ'লোঁ। কি জানো মন গ'ল- সৰু ছোৱালী এজনীৰ দৰে ফুলখিনি মূৰৰ ওপৰলৈ দলিয়াই দিলোঁ। এতিয়া এপাহি দুপাহিকৈ শেৱালীখিনি মোৰ গাত পৰিছে। কিবা এক প্ৰশান্তিত মোৰ চকু দুটা বন্ধ হৈ গৈছে। সঁচা প্ৰেম আছে কাৰণেই তো পৃথিৱীখন পৃথিৱী হৈ আছে।


ক'ব নোৱৰাকৈ মই গুণ্‌গুণাবলৈ আৰম্ভ কৰিলোঁ-

'তোমাৰ প্ৰেমৰ ভোগজৰাটি দিয়া বাকি

মৰমিয়াল জীৱন হওক ভাল।'

●

নিশা ভাত খাই উঠি বেহেলা বজাইছিলোঁ। বেহেলা বজোৱাৰ স্থান হ'ল আৱাসৰ চতুৰ্থ ব্লকৰ কৰিড'ৰত। চতুৰ্থ ব্লকৰ পিছতে দ্বিতীয় ছাত্ৰাৱাস। বেহেলা বজোৱাৰ সময়ত কৰিড'ৰৰ সকলো লাইট বন্ধ কৰা হয়। মই ভয়তে জ্যেষ্ঠসকলৰ মুখৰ ফালে চোৱা নাছিলোঁ। দিনে প্ৰায় কুৰি মিনিটৰ পৰা আধা ঘণ্টা বেহেলা বজাইছিলোঁ।



# কটন কলেজৰ সৈতে জড়িত মোৰ বেহেলা বাদনৰ কিছুমান ঘটনা

**ড° সত্যেন্দ্ৰ কুমাৰ চৌধুৰী**

১৯৬৬ চনত কটন কলেজিয়েট স্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীৰ বিজ্ঞান শাখাত (PU Sc.) ভৰ্তি হওঁ আৰু তৃতীয় ছাত্ৰাৱাসত (বৰ্তমানৰ আনন্দ ৰাম বৰুৱা ছাত্ৰাৱাস) থাকিবৰ বাবে অনুমতি পাওঁ। ইতিমধ্যে তৃতীয় ছাত্ৰাৱাসৰ কোনো জ্যেষ্ঠ আৱাসীয়ে মই বেহেলা বজাওঁ বুলি গম পাইছিল। গতিকে ছাত্ৰাৱাসটোত থাকিব লোৱাৰ দুদিনৰ ভিতৰতে মোলৈ জ্যেষ্ঠ আৱাসীৰ অৰ্ডাৰ আহিল যে মই সদায় নিশা ভাত খোৱাৰ পাছত জ্যেষ্ঠ আৱাসীৰ সন্মুখত বেহেলা বজাব লাগিব। এইয়া আচলতে এক প্ৰকাৰৰ ৰেগিং আছিল, যি প্ৰক্ৰিয়া ছাত্ৰাৱাসৰ নৱাগত আদৰণী সভা নোহোৱালৈকে চলি থাকে। উপায় নাই। লগে লগে ঘৰলৈ খবৰ দি মোৰ বেহেলাখন হৈ আহিলোঁ। নিশা ভাত খাই উঠি বেহেলা বজাইছিলোঁ। বেহেলা বজোৱাৰ স্থান হ'ল আৱাসৰ চতুৰ্থ ব্লকৰ কৰিড'ৰত। চতুৰ্থ ব্লকৰ পিছতে দ্বিতীয়

ছাত্ৰাৱাস। বেহেলা বজোৱাৰ সময়ত কৰিড'ৰৰ সকলো লাইট বন্ধ কৰা হয়। মই ভয়তে জ্যেষ্ঠসকলৰ মুখৰ ফালে চোৱা নাছিলোঁ। দিনে প্ৰায় কুৰি মিনিটৰ পৰা আধা ঘণ্টা বেহেলা বজাইছিলোঁ। দিনে দিনে দৰ্শকৰ সংখ্যা বঢ়া লক্ষ্য কৰিছিলোঁ। দ্বিতীয় ছাত্ৰাৱাসৰ জ্যেষ্ঠসকলেও দৰ্শক হিচাপে যোগ দিছিল। সেই মধুৰ মুহূৰ্তবোৰৰ কথা ভাবিলে মোৰ এতিয়াও আনন্দ লাগে। সেই সময়ত টিভি নাছিল। ৰেডিঅ'ৰ প্ৰচলনো বেছি নাছিল। সেয়েহে বোধহয় মোৰ বেহেলাক এক আমোদৰ আহিলা হিচাপে গণ্য কৰা হৈছিল। মোৰ লাভ হ'ল যে ৰেগিঙৰ নামত মই ভাল পোৱা কাম কৰিব পাৰিলোঁ। লগতে মোৰ বেহেলাৰ তালিম বা আখৰাও চলি থাকিল। এইদৰে বোধহয় ছাত্ৰাৱাসৰ নৱাগত আদৰণী সভা নোহোৱালৈকে একেৰাহে ৰাতি ৰাতি প্ৰায় ২০ দিনমান বেহেলা বজাইছিলোঁ।

তৃতীয় ছাত্ৰাৱাসত মই মুঠতে তিনি বছৰ কাল আছিলোঁ। প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীত উত্তীৰ্ণ হৈ স্নাতক মহলাৰ বিজ্ঞান শাখাত (ৰসায়ন বিজ্ঞানত অনাৰ্ছ) নাম ভৰ্তি কৰি আৰু দুবছৰ আছিলোঁ। এই সময়তে ছাত্ৰাৱাসৰ বন্ধুবোৰৰ অনুৰোধত নতুন নতুন গান বেহেলাত উঠাবলগীয়া হৈছিল। ছাত্ৰাৱাসত মাজে মাজে গধূলি বিদ্যুৎ কৰ্তনৰ ফলত হোৱা আন্ধাৰৰ পৰিৱেশৰ সময়খিনি মোৰ বাবে বৰ ব্যস্ত সময় আছিল। কাৰণ সেই সময়খিনিত মই বেহেলা বজোৱাটো এটা নিয়মত পৰিণত হৈছিল। এনে সময়ত সাধাৰণতে ফাষ্ট বিতৰ গান (গা উঠা গান) বজাবলগীয়া হৈছিল আৰু লগৰবোৰে কাপ, চামুচ আদিৰ শব্দৰ সহায়ত মোক বাদ্যযন্ত্ৰত সহায় কৰিছিল। অৱশ্যে ৰূমত কোনো নথকা অৱস্থাত বহু সময়ত অকলেও বেহেলা প্ৰেক্টিচ কৰিছিলোঁ।

১৯৬৬ চনৰ কলেজ সপ্তাহৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি প্ৰথমবাৰৰ বাবে ইউনিয়ন হলত (বৰ্তমান কলাগুৰু বিষ্ণুৰাভা প্ৰেক্ষাগৃহ) বেহেলা বজাওঁ। বেহেলাত আন কোনো প্ৰতিযোগী নাছিল বাবে মই সেইবাৰ বেহেলাৰ বাবে বিশেষ পুৰস্কাৰ লাভ কৰিছিলোঁ।

কটন কলেজৰ ছাত্ৰাৱস্থাত বহুকেইজন সংগীত চৰ্চা কৰা কটনিয়ানক লগ পাঁও। ইয়াৰ ভিতৰত লোকনাথ চুৰ্বাৰ পৰা মই পশ্চিমীয়া পদ্ধতিত বেহেলা বজোৱাৰ কিছুমান কিটিপ আহৰণ কৰোঁ। চুৰ্বা এজন নিপুণ সংগীতজ্ঞ আছিল। তেওঁ গুৱাহাটীৰ বহুতকে বেহেলা আৰু গীটাৰৰ শিক্ষা দিছিল। সংগীতৰ জগতত থাকিও তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে পদাৰ্থ বিজ্ঞান বিষয়ত স্নাতকোত্তৰ আৰু ডক্তৰেট (Ph.D) ডিগ্ৰী লাভ কৰে। কিন্তু ভগৱানে তেওঁক অকালতে আমাৰ পৰা আঁতৰাই নিয়ে।

১৯৬৭ চনৰ পৰা ১৯৭০ চনৰ মাজৰ সময়খিনিত অসমৰ বিভিন্ন ঠাইত আৰু কটন কলেজৰ বিভিন্ন অনুষ্ঠানত বেহেলা বাদন পৰিৱেশন কৰোঁ। এই অনুষ্ঠানবোৰত মোৰ কটন কলেজৰ সংগীত চৰ্চা কৰা বন্ধুসকলে বাদ্য-যন্ত্ৰেৰে সংগত কৰি সহায় কৰিছিল। ইয়াৰে ভিতৰত মেণ্ড'লিনত মহেন্দ্ৰ গোস্বামী (লাটু) আৰু ঢোলকত কামপুৰৰ গগন বৰুৱাৰ কথা বৰকৈ মনত পৰে। লাটুৰে আমাক অকালতে এৰি থৈ যায়। এই সময়তে মই আকাশবাণী গুৱাহাটীৰ যুৱবাণী অনুষ্ঠানৰ বাবে বেহেলাৰ স্বীকৃতিপ্ৰাপ্ত শিল্পী ৰূপে বিবেচিত হওঁ।

কটন কলেজৰ তৃতীয় ছাত্ৰাৱাসত থকা দিনত বেহেলা বজোৱাৰ লগত জড়িত এটা ঘটনা মোৰ কাৰণে এক চিৰস্মৰণীয় ঘটনা। আমাৰ ছাত্ৰাৱাসলৈ গধূলি গধূলি মধু নামৰ এজন চানা বেপাৰী (চানাৱালা) আহিছিল। আমি প্ৰায়ে তেওঁৰ পৰা চানা কিনি খাইছিলোঁ। বৰ সোৱাদ আছিল সেইবোৰ। এদিন গধুলি মই অকলে মোৰ ৰূমত বৰ মনযোগেৰে বেহেলাত এটা গানৰ সুৰ বজাই আছিলোঁ। গানটো আছিল 'খান্দান' বোলছবিৰ 'তুহি মেৰি মঞ্জিল, তুহি মেৰি পূজা'। গানটো বজোৱা শেষ হোৱাৰ লগে লগে এখিলা কাগজত বিশেষ ভাৱে মিশ্ৰিত কৰা স্পেচিয়েল চানা (যাৰ দাম সাধাৰণ ভাৱে পৰিৱেশন কৰা চানাতকৈ বেছি) লৈ মধু মোৰ সন্মুখত উপস্থিত হ'ল। মই ক'লোঁ যে মোৰ পইচা নাই এই স্পেচিয়েল চানা

কিনিবলৈ। মধুৱে উত্তৰ দিলে যে তেওঁ সেইখিনি বেচিবলৈ অহা নাই। গানটো শুনি বৰ আনন্দ পোৱা বাবে মোক সেইখিনি উপহাৰ হিচাপে খাব দিছে। মোৰ জীৱনত বেহেলা বজাই পোৱা শ্ৰেষ্ঠতম পুৰস্কাৰ হ'ল সেইদিনা মধু চানাৱালাই মোলৈ আগবঢ়োৱা স্পেচিয়েল চানা।

১৯৭৫ চনৰ জুলাই মাহত ৰয়াসন বিজ্ঞানৰ অধ্যাপক হিচাপে কটন কলেজত যোগদান কৰোঁ। সেই বছৰৰে কলেজ সপ্তাহৰ মূল সাংস্কৃতিক অনুষ্ঠানত শিক্ষক হিচাপে প্ৰথমবাৰৰ বাবে কটন কলেজত বেহেলা বাদন পৰিৱেশন কৰোঁ। মোৰ ভাইটি মৃণাল কুমাৰ চৌধুৰী তেতিয়া কটনৰ ছাত্ৰ আৰু নিজে এক সংগীত শিল্পী। ভাইটিয়ে তাৰ বন্ধুবৰ্গৰ সৈতে এক ডাঙৰ গোট হিচাপে মোক বাদ্য-যন্ত্ৰত সহযোগ কৰিছিল। আমি বেহেলাত বজাবলৈ কেইটামান গীত বাছি উলিয়াইছিলোঁ। তাৰে ভিতৰৰ এটা আছিল সংগম বোলছবিৰ 'বোল ৰাধা বোল সংগম হোগা কি নেহি'।

সেইদিনাৰ সাংস্কৃতিক অনুষ্ঠানৰ মুখ্য অতিথি আছিল সকলোৰে মৰমৰ আৰু শ্ৰদ্ধাৰ শিল্পী কমল নাৰায়ণ চৌধুৰীদেৱ। বেহেলাত 'বোল ৰাধা.....' বজাই থাকোঁতে আমাৰ সন্মুখতে দৰ্শক হিচাপে বহি থকা চৌধুৰীদেৱলৈ ভয়ে ভয়ে চাইছিলোঁ। মনতে ভাবিছিলোঁ কটনৰ অধ্যাপকে 'বোল ৰাধা'....' বজোৱাটো তেখেতে বা কি ভাৱে লয়। মোৰ পৰিৱেশন শেষ হোৱাৰ পিছত তেখেতক মাত দিবলৈ আহিলোঁ। তেখেতে মোক দেখি ক'লে যে ''বোল ৰাধা....'' পৰিৱেশনটো শ্ৰেষ্ঠ হৈছে কাৰণ শিল্পীৰ পৰিৱেশন যেতিয়া অন্তৰৰ পৰা হয় আৰু পৰিৱেশনৰ দ্বাৰা নিজে আনন্দ লাভ কৰে, তেনে পৰিৱেশন দৰ্শকৰ মনোগ্ৰাহী হৈ পৰে। এইয়া 'বোল ৰাধা.....'ৰ পৰিৱেশনত হেনো তেখেতে পাইছে। এই কথাখিনিয়ে মোক বৰ উৎসাহিত কৰিছিল।

কটন কলেজৰ শিক্ষক হিচাপে জীৱনৰ ৩৫ বছৰ কাল কটোৱা বাবে মোৰ বেহেলা বাদনৰ অভ্যাসটো থাকি গ'ল। কটন কলেজত বেহেলা বজোৱাৰ বাবে মোৰ দুটা 'ছিজন টাইম' (Season Time) আছিল— হোষ্টেল সমূহৰ নৱাগত আদৰণী সভা আৰু পুৰণা ছাত্ৰৰ বিদায় সভা। প্ৰায়বোৰ হোষ্টেলে মোক এইবোৰ অনুষ্ঠানত বেহেলা বজাবলৈ নিমন্ত্ৰণ কৰিছিল। সাধাৰণতে এনে অনুষ্ঠানবোৰত মই মোৰ বেহেলাত তিনিটা বা চাৰিটা গান বজাইছিলোঁ। তাৰ ভিতৰত সদায় ভূপেনদাৰ গান আছিল। গতিকে ভূপেনদাৰ কেইবাটাও গান মই বেহেলাত উঠাইছিলোঁ। লগতে অৱশ্যে সেই সময়ৰ জনপ্ৰিয় আন অসমীয়া গীত বা হিন্দী বোলছবিৰ গীতো বজাইছিলোঁ। এইদৰে মোৰ বেহেলা বজোৱা অভ্যাসটো ৰাখিব পাৰিলোঁ।

১৯৭৯ চনত মোৰ বিবাহ সম্পন্ন হয়। গতিকে ১৯৮০ চনৰ পৰা হোষ্টেলৰ অনুষ্ঠানবোৰত মোৰ সৈতে মোৰ সহধৰ্মিণীয়েও নিমন্ত্ৰণ লাভ কৰিছিল আৰু আমি দুয়ো একেলগে হোষ্টেলৰ অনুষ্ঠানবোৰলৈ গৈছিলোঁ। এনে অনুষ্ঠানবোৰত মই নিয়মিতভাৱে ভূপেনদাৰ বিভিন্ন গান বজোৱাটো মোৰ সহধৰ্মিণী শোভিতাই লক্ষ্য কৰিছিল আৰু সেই গানবোৰ ছাত্ৰ-ছাত্ৰীসকলে ভাল পোৱা কথাটোও লক্ষ্য কৰিছিল। ১৯৯০ চন মানত শোভিতাই মোক পৰামৰ্শ দিলে যে মই বেহেলাত ভূপেনদাৰ গীত বজাই শ্ৰব্য কেছেট হিচাপে প্ৰকাশ কৰিব পাৰোঁ। মই কথাটোত প্ৰথমে আপত্তি কৰিছিলোঁ। মোৰ নিজৰ ওপৰত বিশ্বাস নাছিল যে মই বেহেলাত সঠিককৈ ভূপেনদাৰ গান প্ৰকাশ কৰিব পাৰিম। আন এটা কথাও মনলৈ আহিছিল যে ইমান টকা-পইচা খৰচ কৰি উলিওৱা শ্ৰব্য কেছেট জনসাধাৰণে গ্ৰহণ কৰিব জানো। শোভিতাই কথাটো এৰি দিয়া নাছিল আৰু শেষত কামটোত আগবাঢ়িবলৈ মই বাধ্য হওঁ। ইয়াৰ ফলতে সৃষ্টি হ'ল 'বেহেলাত ড° ভূপেন হাজৰিকাৰ কণ্ঠ'।

●

# স্মৃতি বিজড়িত দুলীয়াজানত তিনিটা দশক কটাবলৈ যোৱাৰ প্ৰাকমুহূৰ্তত

**লীলা কান্ত শইকীয়া**

১৯৮৩ চনৰ ১৫ জুন তাৰিখে দুলীয়াজানস্থিত অইল ইণ্ডিয়াৰ ক্ষেত্ৰীয় মুখ্য কাৰ্য্যালয়ত (Field Head Quarter) ৰয়াসনবিদ (Chemist in grade B) হিচাপে কাৰ্য্যবাহী পদত যোগদান কৰোঁ। অইলত যোগদান কৰাৰ আগেয়ে মই মাধৱদেৱ মহাবিদ্যালয়, নাৰায়ণপুৰত (মোৰ জন্মস্থান) ৰসায়ন বিজ্ঞান বিভাগত প্ৰবক্তা হিচাপে কৰ্মৰত আছিলোঁ। বৰ্তমানে মহাবিদ্যালয়খন বিশ্ববিদ্যালয়লৈ উন্নীত হৈছে।

অইল ইণ্ডিয়া (Oil India Ltd-OIL) হ'ল ভাৰতৰ দ্বিতীয় বৃহত্তম ৰাষ্ট্ৰীয় তেল-গেছ অন্বেষণ আৰু উৎপাদনকাৰী কোম্পানী, লাভ তথা অন্যান্য গুণগত মানৰ বাবে ই ভাৰত চৰকাৰৰ অন্যতম নৱৰত্ন প্ৰতিষ্ঠান হিচাপে জনাজাত। অইলৰ ক্ষেত্ৰীয়, মুখ্য কাৰ্য্যালয় দুলীয়াজানত, পাইপ লাইনৰ মুখ্য কাৰ্য্যালয় গুৱাহাটীৰ নাৰেঙ্গীত আৰু কৰ্পৰেট অফিচ নয়দাত (Noida -UP) । বৰ্তমানে ইয়াৰ কাম কাজ ভাৰতৰ অসম, অৰুণাচল প্ৰদেশ, ৰাজস্থান আৰু অন্ধ্ৰপ্ৰদেশত চলি থকাৰ উপৰিও বিদেশৰ কেইবাখনো ৰাষ্ট্ৰলৈ প্ৰসাৰিত হৈছে। এই লাভজনক উদ্যোগটোৱে প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে বহুলোক নিয়োজিত কৰাৰ উপৰিও অসম চৰকাৰক ৰয়েল্টি (Royalty) আৰু ভাৰত চৰকাৰক লাভাংশ প্ৰদান কৰাৰ লগতে বিভিন্ন প্ৰকাৰৰ শুল্ক (Tax) আদায় দিয়ে। তদুপৰি সামাজিক দায়বদ্ধতাৰ বিভিন্ন আঁচনিৰ জৰিয়তে অনেক জনহিতকৰ কামৰ মাধ্যমেৰে ইয়াৰ কাষৰীয়া অঞ্চলৰ ৰাইজৰ জীৱন ধাৰণৰ মান উন্নত কৰিবলৈ সৰ্বতোপ্ৰকাৰে চেষ্টা চলাই আছে।

অইলত কেনেকৈ সোমালোঁগৈ সেই সম্পৰ্কে এটা চমু কাহিনী কৈ লওঁ। মই কলেজত চাকৰি কৰি থাকোঁতে মলয় ৰুদ্ৰ নামৰ এজন বন্ধু আমাৰ ঘৰলৈ আহিছিল, সম্ভৱতঃ তেতিয়া ১৯৮২ চনৰ অক্টোবৰ-নৱেম্বৰ মাহ। তেওঁ বিহপুৰীয়াত (নাৰায়ণপুৰ-বিহপুৰীয়াৰ দূৰত্ব ১৩ কিঃমিঃ) "উদ্যোগ বিষয়া" হিচাপে কৰ্মৰত আছিল। কথা প্ৰসংগত তেওঁ উল্লেখ কৰিলে যে ষ্টেটছ্‌মেন (Statesman) কাকতত অইলত Chemist (কেমিষ্ট)

লাগে বুলি বিজ্ঞাপন ওলাইছে- তেওঁ ইতিমধ্যে আবেদন কৰিছে আৰু মোকো কৰিবলৈ পৰামৰ্শ দিলে। যদিও বিজ্ঞাপনটোৰ সম্পৰ্কে আৰু বিশেষ একো ক'ব নোৱাৰিলে, মই আন্দাজতে এখন হাতে লিখা আবেদন ৰেজিষ্টাৰ্ড প'ষ্ট যোগে "অইল ইণ্ডিয়া, পাৰ্চনেল বিভাগ, দুলীয়াজান"লৈ পঠাই দিলোঁ, সম্পূৰ্ণ শুদ্ধ ঠিকনা জনা নাছিলোঁ।

তাৰ অলপ দিনৰ পাছতেই ১৯৮৩ চনৰ অসম বিধান সভাৰ নিৰ্বাচনৰ দিন ঘোষণা কৰাত আৰু আন্দোলনকাৰীয়ে নিৰ্বাচন বৰ্জনৰ আহ্বান জনোৱাত উত্তেজনা আৰু অশান্তিৰ সূত্ৰপাত ঘটে -- বিশেষকৈ উজনি অসমত। সেইবাবে স্কুল-কলেজ ইত্যাদিৰ বন্ধ ঘোষণা কৰে। বহুদিন বিৰতিৰ পাছত কলেজ খোলাত ৩১ মাৰ্চ তাৰিখে কলেজলৈ যাওঁ আৰু তেতিয়াই অইলৰ কলিং লেটাৰ (Calling letter) খন পাওঁ। পত্ৰখন খুলি দেখোঁ যে সেইদিনাই (৩১ মাৰ্চ) মোৰ লিখিত পৰীক্ষা আৰু ইণ্টাৰভিউ ল'বলৈ মাতিছে। লগতে জনাইছে যে অহা যোৱাৰ আৰু থকা-মেলাৰ খৰচ তেওঁলোকে বহন কৰিব। যিহেতু সেইদিনাই দুলীয়াজান পোৱাটো অসম্ভৱ, সেইবাবে কাৰো লগত বিষয়টো আলোচনা নকৰি ঘৰলৈ ঘূৰি আহিলোঁ। কিন্তু গধূলি ঘৰত আৰু বন্ধু-বান্ধৱৰ লগত কথাটো আলোচনা কৰোঁতে সকলোৱে পৰামৰ্শ দিলে যে যিহেতু চিঠিখন বিভিন্ন কাৰণবশতঃ দেৰিকৈ পোৱা গৈছে সেইবাবে এবাৰ দুলীয়াজানলৈ যোৱাটো উচিত। ঘৰত ক'লে যে এই সুযোগতে দুলীয়াজানত থকা সম্পৰ্কীয় ভিনদেউকো লগ কৰিব পাৰিম। যোৱাৰ সিদ্ধান্ত ল'লোঁ। পিছদিনা '১ এপ্ৰিল' ৰাতিপুৱাই চাইকেল মাৰি প্ৰিন্সিপালৰ ঘৰত উপস্থিত হ'লোঁ-- চিঠিত উল্লেখ কৰাৰ মতে আপত্তিহীন প্ৰমাণপত্ৰ (NOC) আনিবৰ কাৰণে। তেওঁ প্ৰমাণপত্ৰত চহী কৰি মোক শুভেচ্ছা জনালে কিন্তু লগতে ক'লে যে অইল যিহেতু এটা ডাঙৰ কোম্পানী, গতিকে তেওঁলোকে দেৰিকৈ যোৱাৰ কাৰণে গ্ৰহণ নকৰিবও পাৰে।

ঘৰলৈ আহি ৭ মান বজাত দুলীয়াজানলৈ যাত্ৰা আৰম্ভ কৰিলোঁ। নিৰ্বাচনৰ সময়ত চমু আৰু মূল ৰাস্তাৰ (লক্ষীমপুৰ-ধেমাজি- ব্ৰহ্মপুত্ৰ- ডিব্ৰুগড়) কেইবাখনো দলং বিধ্বস্ত হোৱাৰ বাবে মই বিহপুৰীয়া-বদতিঘাট পথটো বাছি ল'লোঁ, বিহপুৰীয়ালৈ বাছত, বদৰিঘাটৰ পৰা মাজুলীলৈ ফেৰীত, মাজুলীত বাছ, মাজুলীৰ পৰা নিমাতিঘাট (যোৰহাট) ফেৰীত পাৰ হৈ বাছত যাত্ৰা আৰম্ভ কৰিলোঁ। শিৱসাগৰ পোৱাৰ আগতেই আন্ধাৰ হ'ল আৰু বাছখন ৰখাই দিলে। এখন হোটেলত ৰাতিটো থাকিলোঁ।

পিছদিনা (২এপ্ৰিল) পুনৰ যাত্ৰা আৰম্ভ কৰিলোঁ, মৰান, নাহৰকটিয়া হৈ দুলীয়াজান পাওঁতে প্ৰায় ২ মান বাজিল। বাছৰ পৰা নামি চিধাই অইলৰ মুখ্য কাৰ্য্যালয়ত প্ৰৱেশ কৰিলোঁ। নিৰাপত্তাৰক্ষী সকলৰ লগত কথা-বতৰা হওঁতে জনালে যে সেইদিনা যিহেতু শনিবাৰ অফিচ ১১ বজাতে ছুটী হ'ল, গতিকে সোমবাৰে ৭ বজাতহে পুনৰ খুলিব। তেওঁলোকক মই অহাৰ উদ্দেশ্য জনোৱাত আৰু মোক নিমন্ত্ৰণ কৰা চিঠিখন দেখুৱাত, চিঠিখনত চহী কৰা শ্ৰী এচ, কে, শৰ্মাৰ (Asst. Personnel Manager) ফোনৰ জৰিয়তে যোগাযোগ কৰি দিলে। ফোনত শ্ৰী শৰ্মাই জনালে যে পৰীক্ষা ইত্যাদি ইতিমধ্যে হৈ গৈছে আৰু এজনৰ কাৰণে আকৌ পতাটো সম্ভৱ নহ'ব। মই চিঠিখন দেৰিকৈ পোৱাৰ কথা জনালোঁ আৰু এবাৰ তেওঁক লগ পোৱাৰ আশা ব্যক্ত কৰিলো। তেতিয়া তেওঁ ক'লে যে সোমবাৰে (৪ এপ্ৰিলত) ৮ বজাত অফিচত লগ কৰিব পাৰিম আৰু লগে লগে অতিথিশালাত থকাৰ ব্যৱস্থা কৰি দিলে।

সোমবাৰে ৰাতিপুৱা ৮ বজাত তেওঁৰ অফিচত উপস্থিত; মোক বৰ আদৰ সাদৰেৰে বহুৱাই একাপ চাহ যাঁচিলে। মোৰ কলিং লেটাৰখন চাই তেওঁ মন্তব্য কৰিলে যে চিঠিখন মই দেৰিকৈ পোৱাত তেওঁলোকৰ কোনো দোষ নাই গতিকে মোৰ কাৰণে বেলেগকৈ পৰীক্ষা পাতিব নোৱাৰিব আৰু মোক ভ্ৰমণ বানচ ইত্যাদি আদায় দিবলৈ এজন গাণনিক বিষয়াক পৰামৰ্শ দিলে। মই তেওঁক ধন্যবাদ দি ওলাই আহিব খোজোঁতে তেওঁ ক'লে যে এই পৰীক্ষাটো ভাৰতৰ অন্যান্য ৰাজ্যৰ আবেনদকাৰীৰ কাৰণে ১৫ এপ্ৰিলত ক'লকাতাত অনুষ্ঠিত হ'ব আৰু মই ইচ্ছা কৰিলে তাত গৈ দিব পাৰিম, অহা যোৱা, থকা খোৱাৰ সকলো ব্যৱস্থা তেওঁলোকে কৰিব। মই মোৰ অপাৰগতা প্ৰকাশ কৰি কলোঁ যে মই তেতিয়ালৈকে অসমৰ বাহিৰলৈ যোৱাই নাই। প্ৰত্যুত্তৰত তেওঁ ক'লে যে ছাত্ৰাৱস্থাতে তেওঁ প্ৰায় সমগ্ৰ ভাৰত ভ্ৰমণ কৰিছে। মই ক'লোঁ উপযুক্ত চাকৰি পালে মইও ভ্ৰমণ হাবিয়াস পুৰণ কৰিম। তেওঁ অলপ দেৰি কিবা চিন্তা কৰিলে আৰু তিনিজন ব্যক্তিলৈ টেলিফোন কৰিলে (অইলৰ

নিজস্ব টেলি কমিনিকিউচন চিষ্টেম আছে) আৰু মোক জনালে যে মই এক প্ৰকাৰ সৌভাগ্যৱান কাৰণ আগতে যি তিনিজন ব্যক্তিয়ে (Mr. GLN Ayya, Mr. A Chandwani & Mr. CK Rajkanwar) ইণ্টাৰভিউ লৈছিল তেওঁলোকে মোৰো ল'বলৈ সন্মতি প্ৰকাশ কৰিছে। তেতিয়া মোক এখন প্ৰশ্ন কাকত আৰু উত্তৰ বহী দি "মিনি কনফাৰেন্স" কক্ষলৈ লৈ গ'ল আৰু ক'লে যে সেইখন তিনি ঘণ্টাৰ প্ৰশ্নকাকত কিন্তু তেতিয়া ৮.৩০ হৈ গৈছে গতিকে আঢ়ৈ ঘণ্টাৰ ভিতৰত মানে ১১ বজাৰ আগে আগে উত্তৰ বহী তেওঁৰ হাতত জমা দিব লাগিব। এজন অফিচৰ ল'ৰাক মোৰ চাহ-কফি আদিৰ যোগান ধৰিবলৈ কৈ থৈ গ'ল। প্ৰশ্নকাকতখন ভাল আছিল- বিশেষতঃ ৰয়াসন বিজ্ঞান, পেট্ৰোলিয়াম উদ্যোগ আৰু সাধাৰণ জ্ঞান ভিত্তিক। ১১ বজাৰ আগেয়ে মই উত্তৰ বহী আৰু প্ৰশ্নকাকত জমা দিলোঁ। শ্ৰীৰ্শমাই মোক ইণ্টাৰভিউৰ বাবে ১ বজাৰ আগতেই "মিনি কনফাৰেন্স" কক্ষত উপস্থিত থাকিবলৈ উপদেশ দিলে।

ইণ্টাৰভিউ অতিকৈ সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশত অনুষ্ঠিত হৈছিল। শ্ৰী শৰ্মা সমন্বিতে মুঠ চাৰিজন সদস্যই পৰিচালনা কৰিছিল। মই প্ৰায়খিনি প্ৰশ্নৰে যথাযথ উত্তৰ দিব পাৰিছিলোঁ। শেষত তেওঁলোকে মোক সুধিলে যে যদি উত্তীৰ্ণ হওঁ, তেতিয়াহ'লে মই কেতিয়া অইলত যোগ দিব পাৰিম। মই ক'লোঁ কলেজত হ'বলগীয়া পৰীক্ষাখিনি সম্পূৰ্ণ কৰিয়েই মই যোগদান কৰিব পাৰিম প্ৰায় ছমাহমান সময় লাগিব। তেওঁলোকে মোক যিমান সোনকালে পাৰি আহিবলৈ ক'লে। তাৰ পাছত মোক স্বাস্থ্য পৰীক্ষাৰ বাবে মেডিকেল বিভাগলৈ পঠালে, পৰীক্ষা কৰি সকলো ঠিকে আছে বুলি জনালে।

পিছদিনা শ্ৰী শৰ্মাই মোৰ কাৰণে ডিব্ৰুগড়-লক্ষীমপুৰ (মোহনবাৰী-লীলাবাৰী) এটা প্লেনৰ টিকেট দি এয়াৰপ'ৰ্টত গাড়ীৰে নমাই দিলে। ভ্ৰমণ বানচৰ বাবদো এক বুজন পৰিমাণ লাভ কৰিলোঁ।

মে' মাহৰ শেষৰ ফালে মই এপইণ্টমেণ্ট লেটাৰ (Appointment Letter) পাওঁ যদিও Pre-degreeৰ ফাইনেল পৰীক্ষা চলি থকাত, ১৩ আৰু ১৪ জুনত প্ৰেক্টিকেল পৰীক্ষা সমাপ্ত কৰি (১৪ জুনৰ ৰাতি ১২ বজালৈকে external সহ কাম কৰি), প্ৰিন্সিপালক জমা দি, এবছৰৰ ছুটীৰ দৰ্খাস্ত দি ১৪ জুনৰ পুৱাই দুলীয়াজানলৈ যাত্ৰা আৰম্ভ কৰিলোঁ। এইবাৰ লক্ষীমপুৰ ধেমাজি পথেৰে আহি দুলীয়াজান পাওঁতে ৩ মান বাজিল। চিধাই শ্ৰী শৰ্মাৰ কক্ষত সোমালোঁ। তেওঁ মোক সম্ভাষণ জনাই ক'লে যে তেতিয়া সময় আবেলি ৪:১৫ হৈছে গতিকে সেইদিনাই মোৰ যোগদানৰ তাৰিখ হ'ল আৰু পিছদিনা কেমিকেল বিভাগত গৈ কামৰ দায়িত্ব ল'বলৈ পৰামৰ্শ দি গেষ্ট হাউছলৈ পঠাই দিলে। পিছদিনা কেমিকেল বিভাগত গৈ সকলো বিষয়ববীয়াক লগ কৰি চা-চিনাকি হ'লোঁ আৰু আৱশ্যকীয় ফৰ্ম বিলাক পূৰণ কৰিলোঁ। দুলীয়াজানত মোৰ চাকৰি জীৱন আৰম্ভ হ'ল।

●

# সোণালী শৈশৱৰ ৰোমন্থন ঃ চালপীৰা পিংপং

**জিতেন কলিতা**

২০০৭ চনত ক্রিকেটৰ আই পি এলে ভাৰতৰ ক্রীড়া জগতত এক নতুন দিগন্তৰ সূচনা কৰে। তাৰ আগতে সৰহভাগ ভাৰতীয়ই খেল-ধেমালিৰ পেছাদাৰী লীগৰ এই ধাৰণাটোৰ সৈতে সিমান অভ্যস্ত নাছিল। এতিয়া ভাৰতত বছৰৰ প্ৰায় প্ৰতিটো মাহতে কোনোবা নহয় কোনোবা এবিধ খেলৰ লীগ চলিয়েই থাকে, যাৰ আধিক্যত ক্রীড়াপ্ৰেমী দৰ্শকৰ অৱস্থা অধিক মাছত বগলী কণা হৈছেগৈ। ক্রিকেট, ফুটবল, কাবাডী, বেডমিণ্টন, টেবল টেনিছকে আদি কৰি কোনো খেলকেই লীগে সাঙুৰি নোলোৱাকৈ বাকী ৰখা নাই। ৰাষ্ট্ৰীয়, ৰাজ্যিক, জিলা-মহকুমা সদৰ, মৌজা, থানা, স্থানীয়, চুপাৰ লোকেল ইত্যাদি বিভিন্ন ভিত্তিক আমাৰ চাৰিওফালে আজিকালি কত যে কিমান লীগ ! পিছে এই লীগবিলাক আৰম্ভ হোৱাৰ দুকুৰি বছৰ আগতেই আমাৰ এই অসম মুলুকতেই যে ব্যক্তিগত উদ্যোগত চুপাৰ ডুপাৰ লোকেল লীগ এখন অনুষ্ঠিত হৈছিল তাৰ ভু কোনোবাই পায়নে ?

চাওঁতে চাওঁতে জীৱনৰ অৰ্ধশতিকা কেনেদৰে পাৰ হৈ গ'ল গমকে নাপালোঁ। এই সময়ছোৱাত বিভিন্ন ধৰণৰ খেলাধূলাত আত্মনিয়োগ কৰিব পৰাটো মোৰ বাবে সঁচাকৈয়ে পৰম সৌভাগ্যৰ বিষয়। পিছে সেয়া সম্ভৱ হৈছে ছেগা-চোৰোকাকৈ বা সাময়িকভাৱেহে। এতিয়ালৈকে যিবিধ খেলত আটাইতকৈ বেছি সময় ন্যস্ত কৰিছোঁ, সেয়া হৈছে লন টেনিছ। খেলিবলৈও আৰম্ভ কৰিছিলোঁ প্ৰায় দুকুৰি বছৰ বয়সতহে। তেতিয়াৰ পৰা এতিয়ালৈকে একেৰাহে ক'ৰ্টলৈ নিয়মীয়াকৈ অহা-যোৱা কৰাৰ অভ্যাসটো বাদ দিয়া নাই। মই নিজেই আচৰিত হৈছিলোঁ যেতিয়া লন টেনিছ ক'ৰ্টত অৱতীৰ্ণ হোৱাৰ প্ৰথম দিনাৰে পৰা মোৰ ফ'ৰহেণ্ড শ্বটবিলাক খুব স্বাভাৱিক ভাৱেই নিগৰিবলৈ আৰম্ভ কৰিছিল। মোৰ সেইসময়ৰ খেলৰ পাৰ্টনাৰজন আছিল এগৰাকী ছিজনড্ প্লেয়াৰ। বয়সত মোতকৈ ডাঙৰ আছিল যদিও খেলবিধৰ সৈতে তেওঁৰ সম্পৰ্ক আছিল প্ৰায়

কুৰিবছৰীয়া। মোৰ চার্ভিচ, বেকহেণ্ড আদি অতিশয় অপৈণত আছিল যদিও প্ৰথম দিনাই মোৰ ফ'ৰহেণ্ড টপস্পিনৰ চোক দেখি তেৰোঁ তবধ মানিছিল। পাছতহে অনুভৱ কৰিছিলোঁ যে তাৰ মূলতেই আছিল মোৰ টেব্‌ল টেনিছ খেলৰ পূৰ্বৰ অভিজ্ঞতা। যিহেতু আমাৰ কোনো প্ৰশিক্ষক নাছিল, সেয়েহে টেব্‌ল টেনিছ খেলা সময়ৰ ফ'ৰহেণ্ড টপস্পিনৰ কথা মনত পেলাই তাকেই কিছু পৰিমাণে সংশোধন কৰি লন টেনিছত প্ৰয়োগ কৰাৰ প্ৰয়াস কৰিছিলোঁ। ইয়েই পাছলৈ ফলপ্ৰসূ হৈ পৰাত মোৰ আনন্দত অন্তৰ নধৰা হৈছিল আৰু সিয়েই মোক এই খেলবিধ অব্যাহত ৰাখিবলৈ অনুপ্ৰেৰণা যোগাইছিল।

হওঁতে টেব্‌ল টেনিছে মোক লন টেনিছলৈ মসৃণভাৱে স্থানান্তৰিত হোৱাত ঠিকেই সহায় কৰিলে, পিছে পিংপং বল খেলিবলৈ এৰা আজি প্ৰায় দুকুৰি বছৰতকৈও বেছি হ'ল। বোধকৰোঁ আমাৰ প্ৰজন্মৰ অসমৰ প্ৰায়ভাগ ল'ৰা-ছোৱালীৰ বাবে জীৱনত প্ৰত্যক্ষ কৰা প্ৰথম ইনড'ৰ গে'ম আছিল ইয়েই। বাল্যকালত ইনড'ৰ গে'মছ মানে আমি লুডু, কেৰম বা দাবা খেলৰ বাহিৰে বেলেগ খেলৰ কথা ভাবিবই পৰা নাছিলোঁ। টেলিভিছন, ইণ্টাৰনেট বিহীন আমাৰ শৈশৱত তাতকৈ বেছিনো আৰু কি আশা কৰিব পাৰি? ঘৰৰ ভিতৰত খেলিব পৰা, শাৰীৰিক পৰিশ্ৰম জড়িত থকা কোনো খেলো যে থাকিব পাৰে, সি আমাৰ সপোনৰো অগোচৰ আছিল।

আমি সৰু থাকোঁতে ভাৰত চৰকাৰৰ সামাজিক কল্যাণ সঞ্চালকালয়ৰ দ্বাৰা পৰিচালিত বালভৱন নামৰ এটা অনুষ্ঠান আছিল (বোধকৰোঁ এতিয়াও আছে)। স্কুল ছুটীৰ পাছত শিশু আৰু চেমনীয়া সকলে তালৈ গৈ খেলাধূলাকে আদি কৰি আন পাঠ বহিৰ্ভূত কাৰ্য্যকলাপ, যেনে গান, নাচ, ছবি অঁকা, বিভিন্ন বাদ্যযন্ত্ৰ বাদন ইত্যাদিত নিজকে জড়িত কৰাৰ সুবিধা লাভ কৰিছিল। সেইবোৰ শিকাবলৈ বিভিন্ন বিষয়ৰ স্থায়ী আৰু অংশকালীন শিক্ষক-শিক্ষয়িত্ৰীও মকৰল কৰা হৈছিল। খুব সম্ভৱ ১৯৭৪ চনত মই প্ৰাথমিক বিদ্যালয়ৰ দ্বিতীয় শ্ৰেণীত থাকোঁতে মোৰ বাইদেউহঁতে মোক তাত নামভৰ্তি কৰি দিছিল; সিহঁতে তিনিবছৰমান আগৰেপৰা তালৈ যোৱা আৰম্ভ কৰিছিল। সেইসময়ত বালভৱনটো আছিল গুৱাহাটীৰ হেপীভিলাৰ টিলা এটাৰ ওপৰৰ দুমহলীয়া বাংলো এটাত। উজানবজাৰ আৰু তাৰ দাঁতি-কাষৰীয়া অঞ্চলৰ ল'ৰা-ছোৱালীবিলাকৰ বাবে বালভৱন আছিল বিভিন্ন ক্ৰীড়া আৰু সাংস্কৃতিক কাৰ্য্যকলাপৰ কেন্দ্ৰস্থল। জীৱনত টেব্‌ল টেনিছ ব'ৰ্ড প্ৰথমবাৰৰ বাবে ইয়াতেই দেখা পাইছিলোঁ। এটা প্ৰকাণ্ড কোঠালিত সমগ্ৰ মজিয়া ঢাকি ৰখা এখন কাৰ্পেটৰ ওপৰত ব'ৰ্ডখন ৰখা হৈছিল। আমাৰ দৰে পেন্দুকণাবোৰৰ তাত খেলাৰ কোনো সুযোগ নাছিল কাৰণ সেইখন প্ৰায়েই আমাতকৈ পাঁচ-ছয় বছৰ ডাঙৰ দাদা-বাইদেউহঁতৰ দখলত আছিল। সেই বিশেষ কোঠালিটো সদায় লেবেল মৰা খেলুৱৈৰে ভৰি আছিল আৰু আমি দেং দি দি খিৰিকীৰ ফাঁকেৰেহে তেওঁলোকৰ খেল উপভোগ কৰিবলৈ সক্ষম হৈছিলোঁ। তেওঁলোকে আঁঠুৱাৰ লগত সাদৃশ্য থকা সেই কাপোৰখনৰ ওপৰেৰে কণমানি বলটো ইপাৰ-সিপাৰ কৰা দৃশ্য দেখি মই বাৰুকৈয়ে শিহৰিত হৈছিলোঁ।

১৯৭৭-৭৮ চন মানত বালভৱন উজানবজাৰৰ ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ পকীঘাটৰ স্থায়ী ভৱনলৈ স্থানান্তৰিত হয়। নতুন ঠাইত টেব্‌ল টেনিছ ব'ৰ্ডখনে আগতকৈ সৰু কোঠা এটাত শোভাবৰ্ধন কৰিছেহি। ইতিমধ্যে আমিও পদোন্নীত হৈ দাদা-বাইদেউৰ শাৰীলৈ উত্তীৰ্ণ হৈছোঁ। সেয়েহে এতিয়া খেলৰ কোঠাত সোমোৱাত কোনো বাধা নিষেধ নাই। আমাৰ সমবয়সীয়া বিলাকৰে এতিয়া তাত ৰাজত্ব চলে। পিছে সমস্যা হ'ল যে ব'ৰ্ড মাত্ৰ এখন আৰু খেলুৱৈৰ সংখ্যা একুৰিমান। আমাৰ মাজৰে কেইজনমানে আকৌ নেহৰু ষ্টেডিয়ামত টেব্‌ল টেনিছৰ প্ৰশিক্ষণো লৈ আছে। ড্ৰিলৰ শিক্ষক নিৰঞ্জন শৰ্মা ছাৰে খেলুৱৈ সকলক দুটা ফৈদত ভাগ কৰি দিয়ে। পোনপ্ৰথমে এটা ফৈদৰ এজন সদস্যই আনটো ফৈদৰ আন এজনৰ বিৰুদ্ধে খেল আৰম্ভ কৰে। মাত্ৰ এটা পইণ্টৰ খেল। যিজন পৰাস্ত হ'ব, তেওঁ বাহিৰ হ'ব আৰু সেইটো ফৈদৰে আন এজনে তেওঁৰ ঠাই ল'ব। এবাৰ বাহিৰ হ'লে বাকী নজন পৰাস্ত নোহোৱালৈকে বোন্দাপৰ দিয়াৰ বাহিৰে উপায় নাই। তথাপিও অশেষ ধৈৰ্য্যৰে আমাৰ পাল অহালৈকে বৈ থাকোঁ আৰু এইদৰেই আমাৰ খেল চলি থাকে। আমি বিলাকৰ খেলৰ প্ৰণালী একেবাৰে চিধাচাধা, মাত্ৰ বলটো নেটৰ ইপাৰ সিপাৰ কৰিব পাৰিলেই হ'ল। প্ৰশিক্ষণপ্ৰাপ্ত বিলাকৰ বলটো ওপৰলৈ দলিয়াই অকোৱা-পকোৱা দিশে গতি কৰা চাৰ্ভিচ দেখি আমি বোৱে তধা লাগি চাই থাকোঁ। নেটৰ সিটোমূৰে তেওঁলোক থাকিলে এটাতকৈ বেছি পইণ্টলৈ খেল সম্প্ৰসাৰিত হোৱা আৰু

পৰ্বতত কাছকণী বিচৰা একেই কথা হৈ পৰে। তৎসত্ত্বেও নিৰুৎসাহ নহওঁ, কাৰণ খেলবিধত ইতিমধ্যেই নিচা লাগিবলৈ আৰম্ভ কৰিছে। আনহাতে অসম আন্দোলনৰ ভৰপক সময়ত মাজে মাজে "জীয়ে অসম মৰে কোন" ধ্বনি দিয়াৰ বাহিৰে আমাৰ একো কাম-বন নাছিল। খেলবিধৰ প্ৰতি আকৃষ্ট হোৱাৰ ই অন্যতম কাৰক হিচাপে পৰিগণিত হৈছিল।

আমি উজানবজাৰৰ ৰেলৰে কোৱাৰ্টাৰত থাকোঁতে মায়ে মাজে মাজে আমাক কৰিবলৈ দিয়া কামৰ ভিতৰত এটা আছিল ঘৰৰ চুকে কোণে পৰি থকা অলাগতিয়াল বস্তুবোৰ থূপ কৰা আৰু সেইবোৰে আগুৰি থকা ঠাইবোৰ পৰিষ্কাৰ কৰা। তাকে কৰি থাকোঁতে এবাৰ বস্তুবোৰৰ মাজত এখন টেবল টেনিছ ৰেকেট উদ্ধাৰ হ'ল। সেইখন তাত কেনেকৈ আহি পৰি আছিল সি এতিয়াও ৰহস্যৰ আৱৰ্তত। সেইখন আছিল নামতহে ৰেকেট, দৰাচলতে ই আছিল এফালে প্ৰায় গলিত ৰবৰৰ অৱশিষ্ট আৰু আনফালে খহটা কাঠ এচটাৰ সমষ্টি। একে সময়তে আমাৰ ঘৰলৈ এখন "বক্স পালেঙ"ৰ আগমন ঘটিছিল। কাজেই ইমান দিনে ব্যৱহৃত হৈ থকা পুৰণি চালপীৰা(শুবলৈ ব্যৱহাৰ কৰা খুৰাবিশিষ্ট বৰপীৰা)খন এলাগী হৈ পৰিল আৰু সেইখন আমাৰ আগফালৰ বাৰাণ্ডাখনলৈ উলিয়াই দিয়া হ'ল। হঠাৎ মোৰ বুধি খেলালে যে আৰু এখন ৰেকেট থকা হ'লে আমি কিবা প্ৰকাৰে নেট এখন লগাই তাতেই খেলাৰ ব্যৱস্থা কৰিব পাৰিলোঁহেতেন। ভবা মতেই কাম। কথাটো মোৰ স্কুলৰ প্ৰিয় সহপাঠী আৰু বালভৱনৰ সদস্য প্ৰবালক (প্ৰবাল শৰ্মা, বৰ্তমান আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ জ্যেষ্ঠ প্ৰযোজক) অৱগত কৰিলোঁ। প্ৰবালে জনালে যে তেওঁ বালভৱনৰ টেবল টেনিছৰ কোঠালিটোত থকা আলমাৰীটোৰ ওপৰত দুখনমান পুৰণি 'বেট' এনেয়ে পৰি থকা দেখা পাইছে। আবেলি বালভৱনলৈ গৈ দেখা পালোঁ যে বন্ধুৰ কথা সঁচা। পিছে সেই দুখন নামতহে 'বেট', কিন্তু সিহঁতৰ অৱস্থা আমাৰ ঘৰত উদ্ধাৰ হোৱাখনতকৈও শোচনীয়, একেবাৰে ছাল এৰুওৱা কুকুৰাৰ লেখীয়া। "নাই মোমাইতকৈ কণা মোমায়েই ভাল" বাণীষাৰ সাৰোগত কৰি, নিৰঞ্জন ছাৰক কুটুৰি কুটুৰি সেইখনকেই ঘৰলৈ অনাৰ অনুমতি লোৱা হ'ল।

এতিয়া আমি "চালপীৰা পিংপঙ"ৰ লোকেল লীগ অনুষ্ঠিত কৰাৰ বাবে সম্পূৰ্ণৰূপে প্ৰস্তুত। মই, মোৰ সৰু বাইদেউ প্ৰণীতা, প্ৰবাল, উৎপল, দিগন্ত আদি লীগৰ তাৰকা খেলুৱৈ। ইতিমধ্যেই বাঁহৰ কামি এডাল দুটুকুৰা কৰি বিছনাখনৰ সোঁমাজত দুয়োফালে গজাল মাৰি ঠিয় কৰাই এখন দীঘল গামোচা কটকটীয়াকৈ বান্ধি নেটৰ ব্যৱস্থা কৰা হৈছে। অংশ গ্ৰহণকাৰী সকলে নিজৰ মাজতে পইচা গোটাই পাণবজাৰৰ ভৰালী ব্ৰাদাৰ্ছৰ পৰা দুটা পিংপং বলো কিনি আনিলোঁগৈ। ৰাতিপুৱা দহবজাৰ লগে লগে সকলো খেলুৱৈ আমাৰ ঘৰত উপস্থিত হয়হি। ইয়াত অন্ততঃ বালভৱনৰ দৰে নিজৰ পাল অহালৈকে বোন্দাপৰ দিব নালাগে, এজনে সম্পূৰ্ণ এটা চেট খেলিবলৈ পাওঁ। বল ফাটিলে পইচা যোগাৰ নোহোৱালৈকে লীগ মাজে মাজে স্থগিতও ৰাখিবলগীয়া হয়। দুপৰীয়া ভাত খোৱাৰ আগতে গা ধুবলৈ মায়ে ডাক দিয়াৰ আগে আগে আমাৰ খেল শেষ হয়। আকৌ আবেলি বালভৱনলৈ গৈ খেলাৰ সুযোগ পালে তাকো এৰি নিদিওঁ। পাছলৈ একে পদ্ধতিৰে এই চালপীৰা পিংপং লীগখন প্ৰবালহঁতৰ ঘৰলৈও সম্প্ৰসাৰিত হৈছিল। বালভৱন বন্ধ থাকিলে কেতিয়াবা "ডাবল হেডাৰ" (double header) লীগ অনুষ্ঠিত কৰোঁ, আগবেলা আমাৰ ঘৰত আৰু পিছবেলা প্ৰবালহঁতৰ ঘৰত। লীগত বিজয়ী খেলুৱৈৰ কোনো পুৰস্কাৰ নাই। কেৱল মাত্ৰ ভাগ্য সুপ্ৰসন্ন থাকিলে মাজে মাজে সকলোৱে এনাৰ্জি ড্ৰিংকছৰ ৰূপত আমাৰ মা বা প্ৰবালৰ মাতৃয়ে নিজ হাতেৰে তৈয়াৰ কৰা নেমুৰ চৰবত খাবলৈ পাওঁ। অসম আন্দোলনৰ বাবে ব্যাহত হোৱা আমাৰ স্কুলবোৰ ভালদৰে নোখোলালৈকে কেইবামাহো ধৰি ই অব্যাহত আছিল। টেব্‌ল টেনিছৰ তেনে অনুশীলনৰ সুবাদতে তাৰ পিছৰ বছৰত কামৰূপ জিলা স্কুল টুৰ্ণামেণ্টত আমাৰ স্কুলক প্ৰতিনিধিত্ব কৰাৰ সুযোগ লাভ কৰিছিলোঁ। এতিয়াও শৈশৱৰ সেই দিনবোৰৰ স্মৃতি ৰোমন্থন কৰি আহ্লাদিত হওঁ আৰু মনত এক বুজাব নোৱৰা শিহৰণ অনুভৱ কৰোঁ।

●

# পিতাই

**গণেশ বৰদলৈ**

"পিতাই" ঢুকালে। খবৰটো শুনি মৰ্মান্তিক দুখ পালোঁ। বয়সৰ কাৰণে নহয়, সৰু-সুৰা মাৰপিটত মূৰত আঘাত পাইছিল আৰু সেই আঘাততে মৃত্যুক আঁকোৱালি ল'লে। বহু দিনলৈকে পিতাইৰ মুখখন মোৰ চকুৰ আগত ভাহি আছিল।

"পিতাই"ৰ ভাল নাম উচিত ডেকা। দৰ্জীৰ কাম কৰে বাবে উচিত দৰ্জী নামেৰে সেই অঞ্চলত বিখ্যাত। 'পিতাই' নামটো কেনেকৈ আহিল, কোনে দিছিল, কাৰোৰে মনত নাই। খুউব সম্ভৱ ১৯৭৭-৭৮ চনৰ পৰাই পিতাই শব্দটো জনপ্ৰিয় হৈ উঠে। মাগুৰবৰণীয়া গাৰ ৰং, ওখই পাঁচ ফুট ছয় ইঞ্চি মান হ'ব। সমুখৰ আগফালে দাঁত এটা অকণমান ভগা। মুখত মিচিকিয়া হাঁহি এটা অনবৰতে লাগি থাকে। ক্ষীণ চেহেৰা। ঘৰ লাউভূৰুঙ্গাত, কিন্তু কাপোৰৰ চিলাই কৰা দোকান খন আছে কুশতলি বজাৰত, হাইস্কুলৰ সমুখত। ছাত্ৰাৱস্থাত গাঁৱৰ ঘৰলৈ গ'লেও দুই তিনিদিনহে থাকোঁ, গতিকে সকলোৰে সৈতে হলিগলি কৰিবলৈ সময় পোৱা নাছিলোঁ। কিন্তু "তেজ দিম, তেল নিদিওঁ" আৰু তাৰ পিছত "বিদেশী বহিষ্কাৰ" আন্দোলনত গুৱাহাটীত থাকি আমনি লগাত ঘৰলৈ গুচি আহিলোঁ। তেতিয়াই পিতাইৰ দোকানত আড্ডা আৰম্ভ হৈ গ'ল। পিতাইৰ কৰ্মকাণ্ডই কেতিয়াবা মোৰ চকু কপালত তোলে। মোৰ ভাগিন বুদ্ধেশ্বৰে চাৰ্ট এটা চিলাবলৈ দিছিল। চাৰ্টটো দেখি বুদ্ধেশ্বৰে ক'লে, অ' পিতাই চাৰ্টৰ এটা পকেট ওপৰত যে? ময়ো মন কৰিলোঁ, বুকুৰ দুয়োফালে দুটা পকেট চিলাবলৈ দিছিল। এটা পকেট ওপৰত উঠিল। পিতাই হাঁহি হাঁহি ক'লে– তঁহতক দুটা পকেট কিয় লাগে? এটা পকেট খুলি দিলেই হ'ল।

আৰু এজনৰ চাৰ্টৰ এটা হাত ঠিকেই আছে, আনটো হাত বৰ বহল হ'ল। ফিচিককৈ হাঁহি এটা মাৰি গ্ৰাহকক ক'লে, চিন্তা কৰিব নালাগে এই উচিত দৰ্জীয়ে মিনিটতে ঠিক কৰি দিব। অন্য এদিন দোকানত আড্ডা মাৰি আছোঁ– গাঁৱৰে ল'ৰা এজনে চাৰ্ট এটা চিলাবলৈ কাপোৰ দিলে। পিতাইয়ে ল'ৰাজনক ভালদৰে লক্ষ্য কৰি ক'লে, হ'ব এদিনৰ পাছত আহিবি। মই পিতাইক ক'লো, আপুনি কি সাংঘাতিক মানুহ? জোখমাপ নোলোৱাকৈ চাৰ্ট চিলাব! পিতাই হাঁহি এটি মাৰি ক'লে, ল'ৰাটোৰ

চেহেৰা পাতি মোৰ নিজৰ ল'ৰাটোৰ সমান, গতিকে মোৰ ল'ৰাটোৰ জোখত চিলালেই হ'ল।

এদিন এজনে আহি ক'লে, অ' পিতাই, চাৰ্ট এটি দেচোন, আলহী খাই আহোঁ। পিতাই চাৰ্ট এটা দি ক'লে, "লেতেৰা নকৰিবি, গধূলি দি যাবি কিন্তু"। কোনো চিন্তা ভাবনা নায়। ডেম্‌কেয়াৰ টনিক খাই একেবাৰে ডেম্‌কেয়াৰ হৈ থাকে।

বিদেশী খেদা আন্দোলনৰ আৰম্ভণি। অসম আন্দোলনৰ দীঘলীয়া কালছোৱাৰ মাজত সংঘটিত ৰাজ্যখনৰ ইতিহাসৰ সেই ভয়াবহ তথা কুখ্যাত ঘটনাৰে পোনপটীয়া প্ৰভাৱত আমাৰ কুশতলিকে মুখ্য কৰি এক বিশাল অঞ্চলৰ পৰিস্থিতি লাহে লাহে গৰম হৈ উঠিব ধৰিলে। চৌদিশে এক গভীৰ শংকা আৰু আতংকময় পৰিৱেশ। সেইসময়ত মই ইউনিভাৰ্ছিটিৰ ছাত্ৰ। গাঁৱৰ ৰাইজৰ লগত পৰামৰ্শ কৰি দুয়োখন স্কুলৰ প্ৰধান শিক্ষকৰ পৰা চাবি মোৰ হাতলৈ আনিলোঁ। কাৰণ শৰণাৰ্থী যিকোনো মুহূৰ্তত আহিব পাৰে। সঁচাকৈয়ে সোণডোবা বিলৰ সিপাৰৰ তিনিখন গাঁৱৰ মতা-তিৰোতাই সেইদিনাই ৰাতি আহি স্কুলঘৰ ভৰি পৰিল। সেই অঞ্চলৰ বিশিষ্ট কিছু পৰিয়ালক শিবিৰত নাৰাখি গাঁৱতে থকাৰ সু-ব্যৱস্থা কৰি দিয়া হ'ল। আমাৰ ঘৰলৈকো চিনাকি পৰিয়াল আহিল।

হাইস্কুলৰ শিক্ষক দেৱেন ডেকা ছাৰক সভাপতি, মই সম্পাদক আৰু মোৰ ভাগিন গোপাল ব্ৰহ্মক সহ-সম্পাদক হিচাপে এখন কমিটি গঠন কৰি কাৰ্য্যভাৰ গ্ৰহণ কৰিলোঁ। গাঁৱৰ ডেকাবোৰেও সকলো সময়তে লাগি ভাগি দিছিল। পিতাইক মই লগতে ৰাখিছিলোঁ, কাৰণ পিতাইৰ সিদ্ধান্ত বোৰ মোৰ মনঃপূত আছিল। প্ৰথম দিনৰ কথা আজিও পাহৰিব পৰা নাই। প্ৰথমতে শৰণাৰ্থীক কি খুৱাম ? চাউল, দাইল, মিঠাতেল, নিমখ ইত্যাদি একোৱেই নাই। পিতাইক লগত লৈ গাঁৱৰ একমাত্ৰ গেলামালৰ দোকানত হাজিৰ। পৰিস্থিতি বুজাই ক'লোঁ। অন্ততঃ পাঁচদিনৰ কাৰণে চাউল, দাইল....। মোৰ দেউতা সঙ্গীধৰ বৰদলৈৰ সুনামৰ বাবেই হওক বা পৰিস্থিতিৰ কাৰণেই হওক ৰেচন-পাতি শ্লিপ অনুসাৰে দি আছিল। গাঁৱৰ ছোৱালীবোৰক স্কুলৰ পিছফালে আহল-বহল ঠাইত ভাত ৰান্ধিব লগাই দিলোঁ। ডেকা ল'ৰাবোৰে ঠেলা গাড়ীত গাঁৱৰ ভিতৰৰ পৰা লাউ, অমিতা যি পাৰে লৈ আহিল। যদিও মোৰ মূৰত অনেক চিন্তা, গাঁৱৰ ডেকা ল'ৰা-ছোৱালীবোৰৰ কামৰ স্পৃহা দেখি গৌৰৱ বোধ কৰিছিলোঁ। সৰু ডাঙৰ কিবা সমস্যা সৃষ্টি হ'লেই মোৰ পৰামৰ্শ লৈছিল।

কুশতলি গাঁওখন সীমামূৰীয়া। মৰিগাঁৱৰ পৰা সোণডোবা বিললৈ অসমীয়া মানুহৰ বসতি প্ৰধান। সোণডোবাৰ উত্তৰত ভূঞাবাৰী পথাৰত জলীল চাচা, হাসমত চাচাহঁতৰ মানুহৰ বসতি প্ৰধান যদিও বিলৰ পৰা ভূঞাবাৰীৰ মাজত এখন বৃহত খেতি পথাৰ। সেইসময়ত সোণডোবা বিলখনেই ভাৰত-পাকিস্তানৰ LOC (Line of control)ৰ দৰে মুখ্য ভূমিকা পালন কৰিছিল। সাতাইশ কিল'মিটাৰ দৈৰ্ঘৰ এই সোণডোবা বিলখন মৰিগাঁও জিলাৰ ভিতৰতে এখন উল্লেখযোগ্য বিল। আমাৰ ঘৰখন গাঁওখনৰ শেষ সীমাত, ঘৰৰ পৰা দুশ মিটাৰ দূৰত সোণডোবা বিলখন। যিকোনো মুহূৰ্ততে পৰিস্থিতি ভয়াবহ হ'ব পাৰে। দেউতাক মৰিগাঁৱৰ ওচৰৰ ভূৰবন্ধাত থকা বাইদেউৰ ঘৰলৈ পঠিয়াই দিলোঁ। মায়ে ঘৰখন এৰি যাবলৈ অস্বীকাৰ কৰি আঁকোৰগোঁজ হৈ থাকিল। নামঘৰত ডবাৰ কোব পৰিলেই ৰাইজ সতৰ্ক হৈ পৰে। ডবাৰ শব্দই ইখন গাঁৱৰপৰা আনখন গাঁৱলৈ বেঁতাৰ বাৰ্তাৰ দৰে কাম কৰিব ধৰিলে। কুশতলিৰ পৰা ৰহালৈ অনেক দূৰ। কিন্তু মিনিটত ডবাৰ শব্দ শুনি ৰহা অঞ্চলৰ পাহোৰাল ডেকাবোৰে চাইকেল মাৰি সোণডোবাৰ পাৰত ভিৰ কৰিছিল। সকলোৰে চকু কাণ সোণডোবাৰ ওপৰত। পৰিস্থিতি উত্তপ্ত। যিকোনো মুহূৰ্তত নিয়ন্ত্ৰণৰ বাহিৰ হৈ যাব। ৰণচণ্ডীৰ ৰূপ স্বচক্ষুৰে দেখিলোঁ। আগত কিবা বাধা আহিলেই যেন সকলো চাফা কৰি যাব। সোণডোবাৰ ওপৰত একমাত্ৰ কাঠৰ দলংখন ভিৰৰ প্ৰকোপত থৰকবৰক হৈ পৰিছিল। ডেকাবোৰৰ চকুৰ চাৱনিত কোনো ভয় ভীত নাই।

একেবাৰে ভয়ানকভাৱে পৰিস্থিতি গৰম হৈ উঠিছে। শিবিৰ অৰ্থাৎ স্কুল যদিও গাঁওখনৰ ইটো মূৰত, ৰাস্তাটো স্কুলৰ পৰা ধেনুভিৰীয়াকৈ গাঁৱৰ মাজেৰে গৈ বিলৰ ওচৰত উত্তৰা-দক্ষিণাকৈ লগ লাগিছে। গতিকে স্কুলৰ পৰা দলঙলৈ স্পষ্টকৈ দেখি থাকি।

পৰিস্থিতিৰ শাম নাকাটে হে নাকাটে। মানুহৰ সমাগম দিনে দিনে বেছি হৈ আহিব ধৰিলে। নিয়ন্ত্ৰণৰ কোনো পথ নাছিল। মই একপক্ষীয় সিদ্ধান্ত লৈ স্কুলৰ ব্লেক ব'ৰ্ড এখন ৰাস্তাৰ ওপৰত থিয় কৰাই পৰিস্থিতি শান্ত হ'বলৈ সকলোকে অনুৰোধ কৰি এটি বাৰ্তা দিলোঁ। মানুহবোৰে ব্লেক ব'ৰ্ডৰ কথাখিনি পঢ়ি খঙেৰে কৈ উঠিল, "কি ৰকমৰ নিয়ম নীতি?" পিতাইক লগত লৈ মানুহবোৰক বুজাই শান্ত কৰি ঘূৰাই পঠিয়াইছিলোঁ। ইয়াৰ পাছতে "নেলী"ৰ ঘটনাটোৰ সূত্ৰপাত আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত থকাৰ কাৰণে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমত প্ৰচাৰিত হৈ বিশ্বই মুহূৰ্ততে জানিলে। ভিতৰুৱা অঞ্চলত থকা বাবে কুশতলি তথা এই অঞ্চলৰ খবৰবোৰ বহু কম মানুহে গম পাইছিল।

পৰিস্থিতি লাহে লাহে শাম কাটিলে। চৰকাৰী বেচৰকাৰী অনুষ্ঠানসমূহৰ পৰা শিবিৰলৈ সাহায্য বস্তু আহিব ধৰিলে। শিবিৰতে আশ্ৰয় লৈ থকা বহুতৰে ঘৰ-বাৰী ছাই হৈ গ'ল। পুনঃ সংস্থাপন নোহোৱালৈ শিবিৰতে থকাৰ ব্যৱস্থা কৰা হ'ল। শিবিৰত বহু দল সংগঠনৰ সৈতে সাক্ষাৎ হৈছিল, বহুতৰে সৈতে মত বিনিময় কৰিছিলোঁ। দূৰৰ পৰা অহা দল এটি পাইছিলোঁ, সেয়া আছিল ডিব্ৰুগড় ইউনিভাৰ্ছিটিৰ পৰা অহা এটি ছাত্ৰৰ দল। ডিব্ৰুগড়ৰ পৰা দুখন নৈশ বাছত আহিছিল, লগত এখন ট্ৰাকত শাক-পাচলিৰ পৰা অনেক খাদ্য সম্ভাৰ আৰু কাপোৰৰ বৃহৎ টোপোলা। মোক গুৱাহাটী ইউনিভাৰ্ছিটিৰ ছাত্ৰ বুলি জানি মোৰ সৈতে অতি সোনকালে ঘনিষ্ঠ হৈ পৰিল। গতিকে ময়ে আগভাগ লৈ পৰিস্থিতিৰ ছবি এখন ডাঙি ধৰিলোঁ আৰু দলটোৰ আগত ঘটনাৰ বিৱৰণ দি দলঙৰ ওপৰত উঠিলোঁ। তেতিয়া সন্ধিয়া হোৱা নাছিল। তেনেতে এজনে প্ৰশ্ন কৰিলে, "ঘটনাটো প্ৰথমে ক'ত আৰম্ভ হৈছিল আৰু প্ৰতিপক্ষ ক'ৰপৰা আহিছিল?" মই হাঁহি এটা মাৰি ক'লো, "এই দলঙৰ ওপৰতে ঘটনাৰ সূত্ৰপাত আৰু প্ৰতিপক্ষ বিলখনৰ উত্তৰ পাৰত থকা গাঁওখন, যদিও মাজত এখন বৃহৎ খেতি পথাৰ"। এজনে প্ৰশ্ন কৰিলে, "নিশা আক্ৰমণ নকৰেতো"? মই ক'লোঁ এই প্ৰথাটো কৌৰৱ-পাণ্ডৱৰ সময়ৰ পৰা মানি অহা হৈছে। সন্ধিয়া হ'লেই দুয়ো পক্ষৰ মানুহ ঘৰাঘৰি গুচি যায়। মোৰ চাক্ষুস বৰ্ণনা শুনি এখন বাছৰ ছাত্ৰৰ দল মৰিগাঁৱলৈ সেই নিশাই ঘূৰি গ'ল। আনখন বাছৰ ছাত্ৰক মই অভয় দি গাঁৱতে ৰাখিলোঁ। ভুল বাৰ্তা যাতে বিয়পি নপৰে।

ইয়াৰ পিছত আহিল পুনঃ সংস্থাপনৰ কাম। গাঁৱৰ ডেকাবোৰক লৈ গৃহনিৰ্মাণ কৰিব ধৰিলোঁ। কোনো দিনে খেৰী ঘৰৰ মূধত উঠি নোপোৱা অমুকাই ঘৰৰ ওপৰত উঠি খেৰৰ চালি নিৰ্মাণ কৰিব পৰা হ'লোঁ। পিতাই কিন্তু এইবোৰ কামত অভ্যস্ত। বৃত্তিত দৰ্জী হ'লে কি হ'ব, সকলো কামত ওস্তাদ। জ্বলি ছাই হৈ যোৱা গাঁওবোৰতো পিতাইৰ চা-চিনাকি থকাৰ বাবে বা তেওঁৰ পৰিচয়ৰ সুবাদত খোৱা বস্তু আদিৰ যোগান পাইছিলোঁ। মুঠতে আমাৰ প্ৰতি পিতাই খুউব সচেতন আছিল।

সোণডোবাৰ উত্তৰ পাৰে ভূঞাবাৰী পথাৰত বড়ো মানুহৰ এখন গাঁও আছিল। হুলস্থূলৰ সময়ত প্ৰথমে কুশতলি গাঁৱৰ খেলপথাৰত অস্থায়ী ঘৰ বনাই আছিল, পাছলৈ বিলৰ ওচৰতে আমাৰ গাঁৱৰ পশ্চিমে জান এটিৰ পাৰত স্থায়ী ঘৰ নিৰ্মাণ কৰি নিগাজীকৈ বহি গ'ল। আমাৰ গাঁৱৰ মানুহে চাউলেৰে "সাজ" তৈয়াৰ কৰিছিল আৰু বড়ো মানুহবোৰে গুৰৰ পৰা ভাপ সৃষ্টি কৰি "ব্ৰ্যাণ্ডি" (গাঁৱত এই নামেৰে জনাজাত) তৈয়াৰ কৰিছিল আৰু চিচাৰ বটলত সংৰক্ষণ কৰি বিক্ৰী কৰিছিল। অনেক দিনলৈ ৰাখিব পাৰি, নষ্ট নহয়। পিতায়ে হাঁহি এটি মাৰি কৈছিল মদৰ ফেক্টৰীটোকে কুশতলিলৈ লৈ আনিলে যেতিয়া সোণডোবা বিল পাৰ হৈ ভূএঞাবাৰীৰ ফালে যোৱাৰ প্ৰয়োজনে নোহোৱা হ'ল।

আমাৰ গাঁৱৰ পশ্চিমে গৰাপাৰ গাঁও

অৰ্থাৎ মামাহঁতৰ গাঁও। এই গাঁওখনৰ পিছতে আছে অমৰাগুৰি গাঁও। এই গাঁওখন বড়ো মানুহৰ বসতিস্থল। ব্র্যাণ্ডিৰ কাৰণে এই গাঁওখনো বিখ্যাত। পিতাইৰ ল'ৰাটোৱে ছোৱালী পলুৱাই  আনিলে। পিতাই তেতিয়া মোৰ সৈতে শিবিৰত। খবৰটো শুনি পিতাইৰ বিৰাট তৰ্জন গৰ্জন। পিতাইৰ এই ৰূপ আগতে দেখা নাছিলোঁ। কিংকৰ্তব্যবিমূঢ় হৈ ৰেহৰূপ চাই আছোঁ। তেনেতে এজনে আহি ক'লে 'পিতাই, ছোৱালীৰ ঘৰ অমৰাগুৰিত।' হঠাতে পিতাইৰ মুখৰ ৰং সলনি হৈ গ'ল। ফিচিককৈ ভঙা দাঁতৰ মাজেৰে হাঁহি এটি মাৰি কলে, "অ', অমৰাগুৰিৰ ছোৱালী, হ'ব দে ভালেই হৈছে"। মই ক'লোঁ পিতাই এতিয়া মন গ'লেই হ'ল, চাইকেল মাৰি পোনে পোনে বিয়েৰ ঘৰলৈ।

১৯৮৪ চনৰ ২২ জুনৰ দিনা ইউনিভাৰ্ছিটিৰ পৰা পোনে পোনে কহিমাৰ ভাৰতীয় বীমা নিগমত। অফিচিয়েল কামত গুৱাহাটীলৈ আহোঁতে মোৰ বন্ধু জৰ্জ বৰদলৈক পালোঁ (অলপতে জৰ্জ আত্মঘাতী হোৱা খবৰে অসমত তোলপাৰ লগাইছিল)। জৰ্জে ক'লে, কুশতলিলৈ গৈছিলোঁ, পিতাইক লগ কৰি আহিছোঁ। জৰ্জৰ এনফিল্ড বুলেটখন মোৰ সৰু ভাই বুলে চলাই আছে, ময়ো গাঁৱত থাকিলে এই বাইকখন চলাই ফুৰোঁ। এতিয়াও নতুনৰ দৰে চিকমিকাই আছে। ডিব্ৰুগড় জিলাৰ লাহোৱাল-টেঙাখাত পথত বুলু ফুকনৰ ঘৰ। বুলুৱে ক'লে, 'গণেশদা, কুশতলিলৈ গৈছিলোঁ।' মই বিশ্বাস কৰা নাছিলোঁ। কিন্তু যেতিয়াই পিতাইৰ গুণ বখানিবলৈ ধৰিলে, তেতিয়া অবিশ্বাসৰ প্ৰশ্নই নাহে। মোৰ কটন কম্প' হোষ্টেলৰ ৰূমমেইট তথা ইউনিভাৰ্ছিটিৰ RCC-3 ৰ ৰূমমেইট ব্ৰজেন সোণোৱালে সময় পালেই কুশতলিলৈ পাক মাৰে, আহিয়েই পিতাইৰ কথা গৌৰৱেৰে কয়।

এই পিতাই হঠাতে ঢুকালে। প্ৰথমতে বিশ্বাস অবিশ্বাসৰ মাজত আছিলোঁ। কোনো বেমাৰ আজাৰ নোহোৱা মানুহ, একেবাৰে কটকটীয়া। চাইকেল চলাই, খোজকাঢ়ি ঘূৰি ফুৰে। তেনেকুৱা মানুহ এজনৰ এনেধৰণৰ খবৰ শুনিলে থৰমত খোৱাই স্বাভাৱিক। গাঁৱৰ কাজিয়া এখনত মিতমাত কৰিবলৈ মাজত সোমাই পৰোঁতেই লাঠীৰ কোব এটা মূৰত পৰিল। সেয়াই কাল হ'ল।

১৯৯৮ চনত তিনিচুকীয়াৰ পৰা মোৰ মাৰুতি ভানখন চলাই গ'লে প্ৰথমেই লাউভূৰুঙ্গা গাঁৱৰ পিতাইৰ ঘৰত ভূমুকি এটা মাৰি যাওঁ। গাঁৱত থকা কেইদিন সন্ধিয়া হ'লেই পিতাইৰ ঘৰত, লগত মোৰ সৈতে ভাই-ভতিজা কেইজন থাকেই। এইটো প্ৰায় অঘোষিত নিয়মত পৰিণত হৈছিল। পেটত টনিক যিমানেই নপৰক সকলো কথা পিতাইয়ে কিন্তু যুক্তিসহকাৰে কৈছিল। পিতাইৰ সেই গুণটো মোৰ বৰ পছন্দ আছিল আৰু মুখৰ হাঁহিটোৱে ঔষধৰ দৰে কাম কৰিছিল। বহু দিনলৈ পিতাইৰ মুখখন দেখি আছিলোঁ। এতিয়া কুশতলিলৈ গ'লে ৰাস্তাৰ কাষতে থকা পিতাইৰ ঘৰটো দেখিলেই বুকুৰ কোনোবাখিনিত বিষ অনুভৱ কৰোঁ। এইবছৰৰ ২৩ ফেব্ৰুৱাৰীত গাঁৱৰ ঘৰলৈ যাওঁতে পিতাইৰ কথা পুনৰ মানসপটত ভাহি আহিল। কেনেকৈ পাহৰিম!

●